স্থাপিত ঃ ১৯৬৩ চন
Estd : 1963

# ডিব্রুয়ান

# Dibruyan

২০১৮-১৯ বৰ্ষ




সম্পাদনা
**মৌচুমী গগৈ**

মহাবিদ্যালয়ৰ
শ্বহীদ বেদী
১৯৮৭-৮৮ বৰ্ষত
ছাত্ৰ একতা
সভাৰ তদানীন্তন
সম্পাদক
পলাশ ৰঞ্জন গগৈৰ
উদ্যোগত
নিৰ্মিত



হে শ্বহীদ !
তুমি শাশ্বত
তুমি প্ৰোজ্জ্বল
প্ৰণামো তোমাক
আমি নিতে-নিতে ...
তোমাৰ বেদীত
যাচিছোঁ উপচাৰ
গন্ধ-পুষ্প আৰু
স্মৃতি-প্ৰদীপ ...



মহাবিদ্যালয়ৰ মুখ্যগৃহৰ সমুখ ভাগ




আমাৰ গৌৰৱোজ্জ্বল কেন্দ্ৰীয় পুথিভঁৰাল

# ডিব্ৰুয়ান
# Dibruyan

ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ
বছৰ-বন্ধীয়া মুখপত্ৰ, ২০১৮-১৯ বৰ্ষ

স্থাপিত ঃ ১৯৬৩ চন, ১৬ আগষ্ট

Estd : 1963, 16th August

আন্তৰিক উপচাৰ

প্ৰতি ______________________________ লৈ

সম্পাদনা সমিতি




**DIBRUYAN :** The 35th Annual Journal of Dibru College for the session of 2018-19 edited by **Mousumi Gogoi,** Published by Dibru College Students' Union and Printed a Dibru Offset Press, DDA Market Complex, Chowkidinghee, Dibrugarh.

**প্ৰকাশক ঃ** ছাত্ৰ একতা সভা, ডিব্ৰু মহাবিদ্যালয়

## সম্পাদনা সমিতি

**উপদেষ্টা ঃ**
ড° জিতু বুঢ়াগোহাঁই (অধ্যক্ষ)
শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা (উপাধ্যক্ষ)

**তত্বাৱধায়ক অধ্যাপক ঃ**
শ্ৰীযুত প্ৰদীপ কুমাৰ চেতিয়া ফুকন
শ্ৰীমতী চন্দনা গগৈ
ড° বন্তি ফুকন সোনোৱাল
শ্ৰীযুত দিগন্ত বড়ো

**সম্পাদিকা ঃ**
মৌচুমী গগৈ

**সদস্য/ সদস্যা ঃ**
শিখামণি সোনোৱাল
সুস্মিতা কৰ্মকাৰ
পুৰ্ণেন্দু বিকাশ গগৈ
হেমাশ্ৰী গগৈ

**প্ৰচ্ছদ শিল্পী ঃ**
কবিতা দাস

**অলঙ্কৰণ ঃ**
সম্পাদনা সমিতি

**আলোক চিত্ৰ ঃ**
ৰোহিণী শৰ্মা
বিকাশ টুটী
চিন্ময় গগৈ

মুদ্ৰণ ঃ ডিব্ৰু অফ্ছেট প্ৰেছ, ডিব্ৰুগড় উন্নয়ন প্ৰাধিকৰণ বজাৰ প্ৰকল্প চৌহদ, ডিব্ৰুগড় - ১
যোগাযোগ ঃ ০৩৭৩-২৩১৮৩৪০, ২৩১০১৩০ ঃঃ email : dibruoffset@gmail.com

## উছৰ্গা ॥



প্ৰতিজন পঢ়োঁতালৈ
নিবেদিছোঁ আমি
আমাৰ ডিব্ৰুয়ানখনি
উৎসৰ্গিত-উৎফুল্লতাৰে . . .

— সম্পাদনা সমিতি

# ।। শ্ৰদ্ধাৰ প্ৰাঞ্জলি ।।



**ড° বিপুল কুমাৰ বৰুৱা**

প্ৰাক্তন অধ্যক্ষ

জন্ম ঃ ১।৯।১৯৫৩ ঃঃ মৃত্যু ঃ ৬।২।২০১৯



**লিলি বেগম**

প্ৰাক্তন মূৰব্বী অধ্যাপিকা, ৰাজনীতি বিজ্ঞান বিভাগ

জন্ম ঃ ৯।১।১৯৫৭ ঃঃ মৃত্যু ঃ ৩০।৩।২০১৯



## ২০১৮-১৯ বৰ্ষত ইহলীলা সম্বৰণ কৰা ব্যক্তি বিশেষৰ প্ৰতি ডিব্ৰু মহাবিদ্যালয় পৰিয়ালৰ শ্ৰদ্ধাৰ্য ঃ

- ☹ পদ্মশ্ৰী বঁটাপ্ৰাপ্ত কুকিল কণ্ঠী গায়িকা — দীপালী বৰঠাকুৰ
- ☹ সাহিত্য অকাডেমিপ্ৰাপ্ত প্ৰথিত যশা সাহিত্যিক — পূৰবী বৰমুদৈ
- ☹ বিশিষ্ট ভাষাতত্ত্ববিদ, শিক্ষাবিদ — টাবুৰাম টাইদ
- ☹ ভাৰতবৰ্ষৰ ভূতপূৰ্ব প্ৰধানমন্ত্ৰী — অটল বিহাৰী বাজপেয়ী
- ☹ অসম আৰু তামিলনাডুৰ ভূতপূৰ্ব ৰাজ্যপাল — ভীষ্ম নাৰায়ণ সিং
- ☹ ভাৰতৰ প্ৰাক্তন বৈদেশিক মন্ত্ৰী — সুষমা স্বৰাজ
- ☹ ভাৰতৰ প্ৰাক্তন বিত্তমন্ত্ৰী — অৰুণ জেট্‌লী
- ☹ বিশিষ্ট বোলছবি নিৰ্মাতা — মৃণাল সেন
- ☹ বোলছবি অভিনেতা — কেডাৰ খান
- ☹ প্ৰখ্যাত আইনজীৱী আৰু কেন্দ্ৰীয় আইন মন্ত্ৰী — ৰাম জেঠমালিনী
- ☹ দিল্লীৰ ভূতপূৰ্ব মুখ্যমন্ত্ৰী — শীলা দীক্ষিত
- ☹ বিশিষ্ট স্তম্ভলেখক কথাছবি নিৰ্মাতা — গিৰীশ কৰ্ণাড
- ☹ ভূতপূৰ্ব প্ৰতিৰক্ষা মন্ত্ৰী — জৰ্জ ফাৰ্ণাণ্ডেজ
- ☹ বিশিষ্ট সাহিত্যিক, গণিতজ্ঞ — ড° দিলীপ দত্ত
- ☹ বিশিষ্ট নৃতত্ত্ববিদ — অন্নদাচৰণ ভাগৱতী
- ☹ আৰক্ষী সঞ্চালক প্ৰধান — খগেন শৰ্মা

উল্লিখিত ব্যক্তি বিশেষৰ সমন্বিতে অজ্ঞাত স্বৰ্গগামী প্ৰতিজন শুভানুধ্যায়ী ব্যক্তিৰ প্ৰতি কৰপুটে শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ।

— সম্পাদনা সমিতি

*Professor Ranjit Tamuli*
Vice-Chancellor
DIBRUGARH UNIVERSITY
Dibrugarh, PIN 786004, Assam

Phone : 0373-2370239 (O), 0373-2328557 (R)
Mobile : +91 94350 06038, Fax : 0373 -2370323
E-mail : vc@dibru.ac.in
rtamuli@rediffmail.com

Ref. No. ..........................................

Date ..........................................

## শুভেচ্ছা বাণী

উচ্চ শিক্ষাৰ প্ৰসাৰৰ উদ্দেশ্য আগত ৰাখি ডিব্ৰুগড় চহৰত ১৯৬৩ চনতে স্থাপন কৰা হৈছিল ডিব্ৰু মহাবিদ্যালয়। সমগ্ৰ ৰাজ্যখনৰ ভিতৰৰে এখনি অন্যতম পুৰণি আৰু সুখ্যাত মহাবিদ্যালয় হিচাপে ডিব্ৰু মহাবিদ্যালয়খনি পৰিচিত। প্ৰতিষ্ঠাৰ দিন ধৰি উপযুক্ত মানৱ সম্পদ গঢ় দিবলৈ সদায়েই প্ৰয়াস কৰি অহা মহাবিদ্যালয়খনিয়ে ভালেকেইবছৰৰ পূৰ্বৰে পৰা কলা, বিজ্ঞান আৰু বাণিজ্য—এই তিনিওটি শাখাতে উচ্চ শিক্ষা প্ৰদান কৰি আহিছে।

শিক্ষাৰ্থীসকলৰ বিদ্যা-বুদ্ধি-জ্ঞান আদি দিশসমূহৰ সামূহিক উৎকৰ্ষ সাধনৰ অৰ্থে শিক্ষানুষ্ঠানসমূহে দীৰ্ঘদিন পূৰ্বৰে পৰা বাৰ্ষিক আলোচনীসমূহ প্ৰকাশ কৰি আহিছে। সঁচাকৈয়ে ই এক সুস্থ পৰম্পৰা। এনে আলোচনীসমূহ শিক্ষাৰ্থীসকলৰ প্ৰতিভা বিকাশৰ এক অন্যতম শক্তিশালী মধ্যম। সেয়ে এইসমূহৰ গুৰুত্বও অপৰিসীম। এইক্ষেত্ৰত ডিব্ৰু মহাবিদ্যালয়ো ব্যতিক্ৰম নহয়। পূৰ্বৰে পৰা 'ডিব্ৰুয়ান' শীৰ্ষক বাৰ্ষিক আলোচনীখনি এই মহাবিদ্যালয়ে প্ৰকাশ কৰি আহিছে। এইবাৰ এই 'ডিব্ৰুয়ান'ৰে ২০১৮-১৯ বৰ্ষৰ সংখ্যাটি প্ৰকাশ দিশে আগবঢ়া হৈছে বুলি জানি আমি সুখী হৈছো।

আমি আশা ৰাখিছো যে এইবাৰৰ আলোচনীখনি অধিক সমৃদ্ধ ৰূপত জাকত জিলিকা হৈ প্ৰকাশ পাব। আলোচনী একোখনৰ প্ৰকাশৰ সমগ্ৰ প্ৰক্ৰিয়াটোত সচৰাচৰ মিশ্ৰিত অভিজ্ঞতা লাভ কৰা যায়। এক কথাত, সম্পাদনা এক পবিত্ৰ অথচ গধুৰ আৰু শ্ৰমসাধ্য দায়িত্ব—ই এক স্বীকৃত সত্য। প্ৰকাশৰ সৈতে জড়িত সদৌটিলৈকে আমাৰ আন্তৰিক অভিনন্দন আৰু পাঠকৰ সমাজখনলৈ আমাৰ শুভ আশিস থাকিল।

(ড° ৰঞ্জিত তামুলী)
উপাচাৰ্য
ডিব্ৰুগড় বিশ্ববিদ্যালয়
ডিব্ৰুগড়



PALLAV GOPAL JHA, IAS
DEPUTY COMMISSIONER &
DISTRICT MAGISTRATE, DIBRUGARH

সত্যমেব জয়তে

দিনাংক - ১৬/১০/২০১৯

## শুভেচ্ছাবাণী

ডিব্ৰু মহাবিদ্যালয়ৰ ২০১৮-১০১৯ বৰ্ষৰ বাৰ্ষিক আলোচনী ডিব্ৰুয়ানখনি প্ৰকাশৰ পথত আগবাঢ়িছে বুলি জানি মই অতি আনন্দিত হৈছো।

মহাবিদ্যালয়ৰ বাৰ্ষিক আলোচনীত প্ৰকাশিত লেখনিসমূহৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক বিকাশ সাধন হোৱাৰ লগতে তেওঁলোকে নিজস্ব মৌলিক চিন্তাধাৰাৰ এক আভাস পাঠকসকলৰ আগত দাঙি ধৰিবলৈ সক্ষম হয়। ইয়াৰ উপৰিও বাৰ্ষিক আলোচনী একোখনে এক নিৰ্দ্দিষ্ট সময়সীমাৰ ভিতৰত বিভিন্ন ক্ষেত্ৰত মহাবিদ্যালয়খনৰ সামগ্ৰিক স্থিতি আৰু উন্নয়নৰ স্বাক্ষৰ বহন কৰে।

শেষত ডিব্ৰুয়ানখনি সৰ্বাঙ্গসুন্দৰ ৰূপত প্ৰকাশ পাবৰ বাবে মোৰ আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিলো।

16.10.19.
(পল্লৱ গোপাল ঝা,ভা.প্ৰ.সে.)
উপায়ুক্ত
ডিব্ৰুগড় জিলা

*Rituparna Baruah*
M.L.A., 117 No. Lahowal. LAC
Resi.- Dhekerigaon, P.O.- Banipur
Dist. - Dibrugarh, Pin - 786003

সত্যমেব জয়তে

Qtr. No. - 67 (Old M.L.A. Hostel)
Dispur, Guwahati - 06
Mobile : 94350-32707
Email : rituparna32707@gmail.com

Ref. :............................

Date :..15.11.2019......

## শুভেচ্ছাবাণী

ডিব্ৰুগড় জিলাৰ অন্যতম শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ দ্বাৰা ২০১৮-১৯ বৰ্ষৰ বাৰ্ষিক মুখপত্ৰ **'ডিব্ৰুয়ান'** খনি প্ৰকাশ কৰিবলৈ লোৱা বুলি জানিব পাৰি অতি আনন্দিত হোৱাৰ লগতে মুখপত্ৰ সম্পাদনা সমিতিৰ সমূহ সদস্য-সদস্যালৈ আন্তৰিক ওলগ জনালোঁ। এই আপাহতে উক্ত আলোচনীখনি যাতে সৰ্বাঙ্গ সুন্দৰ ৰূপত প্ৰকাশিত হওক, তাৰে কামনাৰে এই শুভেচ্ছা প্ৰেৰণ কৰিলোঁ।

**(ঋতু পৰ্ণ বৰুৱা)**
বিধায়ক
১১৭ নং লাহোৱাল বিধানসভা সমষ্টি



DIBRUCOLLEGE ,DIBRUGARH
ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়
Accredited 'A' Grade by NAAC

OFFICE OF THE PRINCIPAL
P.O.:-Boiragimoth,Dist.:- Dibrugarh,Pin-786003, Assam
E-mail:-dibru.college@rediffmail.com.
Website: - www.dibrucollege.edu.in
Phone :- (0373) 2311328, 2310228 Fax :- (0373) 2310228



## অধ্যক্ষৰ মেজৰ পৰা

জ্ঞান অৰ্জন কৰিবলৈ মানুহে গ্ৰন্থ অধ্যয়ন কৰিবই লাগিব। ইয়াৰ বিকল্প নাই। কিন্তু এইটো কথা ঠিক যে এটা কথা জানি শেষ কৰা বুলি ভবাৰ পিছতো চিন্তাশীল আৰু কৌতুহলী লোকে নতুন নতুন তথ্য আবিষ্কাৰ কৰিয়েই থাকে। উন্নত বিচাৰ, বিশ্লেষণ আৰু প্ৰজ্ঞাৰ বাবে আমি ভাল কিতাপ পঢ়াতো উচিত। আমাতকৈ হাজাৰ গুণ উন্নত মন আৰু মগজুৰ চিন্তাবোৰ লাভ কৰাৰ ইয়াতকৈ ভাল উপায় বোধহয় নাই। জ্ঞান অন্বেষণ হৈছে এক নিৰৱচ্ছিন্ন যাত্ৰা। কিন্তু এই বিশাল পৰিবৰ্তনশীল পৃথিৱীত নিজৰ জ্ঞানৰ পৰিসৰতা উপলব্ধি কৰা উচিত। সেয়েহে মনটোক সদায় শিকাৰ প্ৰতি আগ্ৰহান্বিত কৰি ৰাখিব লাগে। জীৱনটোক জীয়াই থকাৰ যোগ্য কৰিবলৈ মানুহক ধৈৰ্য, সাহস, আত্মবিশ্বাস আৰু চৰিত্ৰবলৰ প্ৰয়োজন। পৰিশ্ৰমৰ বিনিময়তহে মানুহে জীৱনত কৃতকাৰ্যতা লাভ কৰে। জীৱনত সন্মুখীন হোৱা প্ৰতিটো অসুবিধাকে সুবিধালৈ পৰিণত কৰা কৌশল আয়ত্ব কৰিব পৰাটো কৃতকাৰ্যতাৰ অন্যতম চৰ্ত। যি কামৰ ফলাফলে সমাজ আৰু দেশৰ উন্নতিত বৰঙণি যোগায়; তেনে কামে অনুপ্ৰেৰণা দিয়াৰ লগতে নতুন দায়িত্ব গাত পাতি ল'বলৈ উৎসাহ আৰু সাহস যোগায়। সেইবাবে কৰ্মৰ মাজেৰে জীৱনৰ আনন্দখিনি উপভোগ কৰিবলৈ শিকিব লাগে। মহাবিদ্যালয়ৰ আলোচনীখন সোনকালেই প্ৰকাশ হ'ব বুলি গম পাই অতিশয় আনন্দিত হৈছো। আশা কৰিছোঁ, এই আলোচনীখনে ছাত্ৰ-ছাত্ৰীসকলক গ্ৰন্থ অধ্যয়নৰ প্ৰতি, শিকাৰ প্ৰতি আগ্ৰহান্বিত কৰিব। ছাত্ৰ-ছাত্ৰীসকলে জ্ঞানৰ বাবেই জ্ঞানক ভাল পাবলৈ শিকিব, সমাজ আৰু দেশৰ উন্নতিৰ হকে কাম কৰিবলৈ শিকিব। ছাত্ৰ-ছাত্ৰীসকলক মৰম আৰু আশীৰ্বাদ যাচিছোঁ। আলোচনীখনৰ নেপথ্যত থকা সকলোলৈকে তেওঁলোকৰ পৰিশ্ৰমৰ বাবে শলাগ লৈছোঁ আৰু আন্তৰিক শুভেচ্ছা জ্ঞাপন কৰিছোঁ।

ড° জিতু বুঢ়াগোঁহাই

# বেটুপাতৰ যথাৰ্থ বৰ্ণন




বিখ্যাত Henry Ward Bucherৰ মতে, "A man is educated who knows how to make a tool of every faculty, how to open it, how to keep it sharp, and how to apply it to all practical purposes." — ইয়াতে অন্তৰ্নিহিত আছে শিক্ষাৰ যথাৰ্থতা। শিক্ষা এজোপা বটবৃক্ষৰ দৰে য'ত জীপাল হৈ থাকে জীৱন-জীৱিকা আৰু কৰ্মসংস্থাপনৰ টিপনি, কৌশলপূৰ্ণ জ্ঞানৰ ভঁৰাল (a store house of knowledge) গতিকে জ্ঞানৰ লেচেৰি বোটলা অন্বেষণেই শিক্ষাৰ্থীসকলৰ জীৱন-তৃষ্ণা আৰু উৎকৃষ্ট প্ৰতিজ্ঞান (an oath) হ'ব লাগে। প্ৰকৃত শিক্ষাইহে মানুহক নৰোত্তম কৰি তুলিব পাৰে, ই মানৱ-শৃংখলৰ অপৰিহাৰ্য আৰু বাস্তৱবাদী প্ৰতিবিধান।



## ।। বিষয়-সূচী ।।


| | | |
|---|---|---|
| সম্পাদিকাৰ প্ৰাক্‌কথন | | ১৫ |
| ১। বিদ্যাৰ্থীৰ বিদিত বিচাৰ | | |
| (ক) নিবন্ধ | | |
| ডিব্ৰুৰ মজিয়াত একলম | সংযুক্তা দিহিঙ্গীয়া | ২১ |
| আলি আঃই লৃগাং | নিভাশ্ৰী গগৈ | ২৩ |
| চাহ-জনগোষ্ঠীয় নাৰীৰ বেশ-ভূষা | উমামণি ওৰাং | ২৫ |
| ধাৰাযাৰে নমা বৰষুণজাকৰ সৈতে ডিব্ৰু মহাবিদ্যালয়ত মোৰ প্ৰথমটো খোজ | ভূপেন শেনচোৱা | ২৭ |
| শংকৰী সংস্কৃতি | প্ৰত্যুষ বড়া | ২৯ |
| ওজাপালি | অংকিতা সোনোৱাল | ৩১ |
| সোনোৱাল কছাৰীসকলৰ সাজ-পাৰ | বিকিৰণসোনোৱাল | ৩৩ |
| যুব-উচ্ছৃংখলতা ঃ ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ | কল্পজ্যোতি গগৈ | ৩৫ |
| HIV আৰু সজাগতা | পল্লৱী ওৰাং | ৩৭ |
| অন্ধবিশ্বাস | হেমাশ্ৰী গগৈ | ৩৯ |
| উত্তৰ-পূব ভাৰতৰ সমাজ | দিপশিখা সন্দিকৈ | ৪১ |
| দাৰ্জিলিং-হিমালয় ৰেল ঃ ব্যক্তিগত ভ্ৰমণ-জ্ঞান | পুৰঞ্জয় গগৈ | ৪৩ |
| শদিয়াৰ ইতিহাসত এভুমুকি | ৰেৱত চিৰিং | ৪৫ |
| গীতিকাব্য | নমিতা শইকীয়া | ৪৭ |
| আমাজনৰ ৰক্তফুল | নব্য সোনোৱাল | ৪৮ |
| The Founder of Number Theory | Suiki Sukanya Buragohain | ৪৯ |
| Loss Of Biodiversity In Assam & Its Conservation | Ankur Dutta | ৫০ |
| Assam's Flood and Live Stocks | Lovely Borah | ৫২ |
| Artificial Flood in Assam & Its Effects | Purnima Baruah | ৫৪ |
| Amazing Amazon | Mrittika Das | ৫৫ |
| Impact of Social Media on Young Minds | Priyanka Sen | ৫৭ |
| Reborn from the Ashes | Mriganka Deka | ৫৮ |
| The History of Indian Rupee Sign | Raj Kumar Chetry | ৬০ |
| Bitcoin : The Future of Currency | Bibhuti Sonowal | ৬১ |
| Is There life in Mars | Saurav Bardhan | ৬২ |
| Tutankhamun's Death of Mystery | Arfat Haque | ৬৩ |
| Culture of Egypt | Asheem Devekashyap | ৬৪ |
| (খ) গল্প | | |
| উঁৰিয়লি | মৌচুমী গগৈ | ৬৭ |
| অন্ধকাৰৰ শেষত | মুকুন্দ সোনোৱাল | ৭১ |

কবিতা

| | | |
|---|---|---|
| এৰি অহা দিনৰ স্মৃতি | ৰাখী হাজৰিকা | ৭৫ |
| মই বাৰিষা | গায়ত্ৰী গগৈ | ৭৫ |
| অনুভৱ | সঞ্জীৱ দাস | ৭৬ |
| আশাৰ পৃথিৱী | স্নেহা সোনোৱাল | ৭৭ |
| বগীবিল পাৰ-ঘাট | জিতুৰাজ পেগু | ৭৭ |
| দুৰ্ভগীয়া পথিক | মনিষ ছেত্ৰী | ৭৮ |
| সময় | লিলিবন লেখাৰু | ৭৮ |
| হাঁহি আৰু অশ্ৰু | গৌৰৱজ্যোতি বৰুৱা | ৭৯ |
| বাস্তৱৰ কোলাত সপোনৰ তুলিকা | প্ৰিয়া দাস | ৭৯ |
| মা | মিতালী গগৈ | ৮০ |
| ভাৱনা | লক্ষ্যজিত গোহঁৰীয়া | ৮০ |
| পাগলী | হেমাশ্ৰী গগৈ | ৮১ |
| মহাত্মা গান্ধী | গৌৰী গগৈ | ৮২ |
| নাৰীৰ এক জাগৰণ | দীপ গগৈ | ৮২ |
| এটি নতুন পথৰ সন্ধানত | পিৰুমণি গোহাঁই | ৮৩ |
| জীৱন হেঁপাহৰ | ৰিংকী গগৈ | ৮৩ |
| যাত্ৰা | চন্দ্ৰিকা গগৈ | ৮৪ |
| কোশিশ হমেঁ কৰতী হৈঁ | অৰুণা কুমাৰী | ৮৪ |
| Hope for Happiness | Kristi Saikia | ৮৫ |
| Stop this! Please | Mriganka Deka | ৮৬ |
| Somewhere between smoke and hope | Lovely Borah | ৮৭ |

২। প্ৰাচীৰ পত্ৰিকাৰ পৰিবেষ্টিত পৰিজ্ঞান

(ক) ছাত্ৰ একতা সভাৰ কাব্যিক পত্ৰ-মঞ্জৰি

| | | |
|---|---|---|
| নতুন অসুৰ | নৱজিত গগৈ | ৮৮ |
| জাগৰণ | প্ৰসিদ্ধ সোনোৱাল | ৮৮ |
| মুক্ত আকাশ | ভাস্কৰ গগৈ | ৮৯ |
| নতুন দিশত এখোজ | সুৰুজ গগৈ | ৮৯ |
| সংকল্প লওঁ আহাঁ | দীপক ৰঞ্জন চেতিয়া | ৯০ |
| নষ্ট গলিত সিহঁতবোৰ | বিশ্বজিত দাস | ৯০ |
| নীৰৱতা | উমামণি উৰাং | ৯১ |
| ৰাত্ৰি | প্ৰস্তুতি বুঢ়াগোঁহাই | ৯১ |
| সেউজী অস্তিত্ব | হেমাশ্ৰী গগৈ | ৯২ |
| নতুন যাত্ৰা | মৌচুমী গগৈ | ৯২ |
| মায়াৰ পৃথিৱী | সংযুক্তা দিহিঙ্গীয়া | ৯৩ |
| প্ৰকৃতিৰ প্ৰেম | শিখামণি সোনোৱাল | ৯৩ |





(খ) বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ লেছেৰি

২০১৮-১৯ বৰ্ষৰ শিক্ষক দিৱস উপলক্ষে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুষ্ঠিত প্ৰাচীৰ পত্ৰিকা প্ৰতিযোগিতাত বঁটাপ্ৰাপ্ত পত্ৰিকাৰ অনুক্ৰমিক লেখা ঃ

প্ৰথম ঃ বুৰঞ্জী বিভাগৰ 'বকলা' পত্ৰিকাৰ পৰা

| | | |
|---|---|---|
| নীলা খামৰ চিঠি | সৌন্দৰ্য বড়া | ৯৪ |
| লেছেৰি বুটলা সাধু | মনজিৎ গগৈ | ৯৪ |
| এক মিনিটৰ গল্প | চিমৰণ সোনাৰ | ৯৪ |
| ৰগৰ | ৰোহিত সোনোৱাল | ৯৪ |
| ভদীয়া মাহৰ পৱিত্ৰময় নাম-কীৰ্তন | ধৰ্মকান্ত দাস | ৯৫ |
| সাৱধানীৰ মৰণ নাই | মুনমুন দেউৰী | ৯৫ |
| NRC | দুলু কুৰ্মী | ৯৫ |
| আশা | প্ৰিয়া বৰগোঁহাই | ৯৫ |
| Amazon Rainforest fire | Rinkumoni Deori | ৯৬ |
| মৈঁ বাদল বন জাঊঁ | পুজ্য স্বাতীয়া দেউৰী | ৯৬ |
| Sangken (festival of water) | Devid Green Borah | ৯৬ |

দ্বিতীয় ঃ অসমীয়া বিভাগ

| | | |
|---|---|---|
| মুখা শিল্প | নিশিতা ৰাজবংশী | ৯৭ |
| অসমৰ সংস্কৃতি আৰু নামঘৰ | ৰিছা গগৈ | ৯৭ |
| সত্ৰীয়া জীৱনত লোক-বিশ্বাস | মীনাক্ষী ফুকন | ৯৮ |
| মাটি আখৰা ঃ মহাপুৰুষীয়া শৰীৰচৰ্চা | হেমাশ্ৰী গগৈ | ৯৮ |
| বাৰিষাৰ বলিয়া বান | ৰ'জমণি বৰুৱা | ৯৯ |
| ধুনীয়া সপোনৰ ছাঁ | তানিশা গগৈ | ৯৯ |

তৃতীয় ঃ ৰসায়ন বিভাগ

| | | |
|---|---|---|
| বন্ধুহীন জীৱন ৰং হীন এখন কেনভাছ | পৰিস্মীতা শৰ্মা | ১০০ |
| নীলাখামৰ চিঠি | জিজ্ঞাসা বৰুৱা | ১০০ |

৩। পুৰণি ডিব্ৰুয়ানৰ তেজোময় নিবন্ধ ঃ

| | | |
|---|---|---|
| য'ত ডিব্ৰু মহাবিদ্যালয় আছে | মহেন্দ্ৰ নাথ গগৈ | ১০১ |
| অসমীয়া সমালোচনা সাহিত্য আৰু বেজবৰুৱা | ড° আনন্দ বৰমুদৈ | ১০২ |
| মানসিক চাপ বা ষ্ট্ৰেছ আৰু যোগ দৰ্শন | ডাঃ (ড°) ৰতন কুমাৰ কটকী | ১০৫ |
| অসমীয়া নেপালীসকলৰ চমু ইতিহাস আৰু ধৰ্মীয় উৎসৱ | সঞ্জীৱ ছেত্ৰী | ১১৩ |
| Symbols Used In Mathematics | Prodeep Kr. Chetia Phukan | ১১৫ |

৪। অতিথি কবিৰ ৰস-ব্যঞ্জনা

একান্ত ব্যক্তিগত

| | | |
|---|---|---|
| কমৰেড | তীৰ্থজ্যোতি বড়া | ১১৮ |
| মা | বিদ্যুত বিকাশ হাজৰিকা | ১১৯ |
| শৰত | দেৱপ্ৰতীম শইকীয়া | ১২০ |
| পাৰঘাটৰ আশাৰ ফুলপাহ | গীতাঞ্জলি হাজৰিকা | ১২০ |
| উৎকণ্ঠাৰ অন্তত | উৎপলা দাস | ১২১ |
| | কৃপাল ফুকন | ১২১ |

৫। শিক্ষাগুৰুৰ গুণময় গুঞ্জৰণ

(ক) নিবন্ধ

| | | |
|---|---|---|
| নোবেল বঁটাৰ ইতিহাস | ড° পৰেশ বৰুৱা | ১২২ |
| মানৱ সভ্যতাৰ বিকাশ আৰু গ্ৰন্থৰ মহত্ব | মধুমিতা গোস্বামী বৰঠাকুৰ | ১২৫ |
| অলংকাৰ শাস্ত্ৰৰ দৃষ্টিৰে শংকৰদেৱৰ অংকীয়া নাটৰ ৰসবিচাৰ | ড° অদিতি বৰুৱা | ১২৮ |
| অসমীয়া শব্দৰ গতি-প্ৰকৃতি আৰু প্ৰয়োগ | ড° মৌচুমী দত্ত | ১৩৩ |
| অসমীয়া ভাষাত টাইমূলীয় উপাদান | ড° বিজু মৰাণ | ১৩৭ |
| সাহিত্যৰ দৃষ্টিৰে ডাইনী ( মিক্‌চিজিলি আৰু চামিয়ানাৰ বিশেষ উল্লিখনেৰে) | ড° স্মৃতিৰেখাচেতিয়া সন্দিকৈ | ১৪০ |
| সাম্প্ৰতিক যুৱ-সমাজৰ সামূহিক উত্তৰণত সাহিত্যৰ ভূমিকা | প্ৰদীপ কুমাৰ চেতিয়া ফুকন | ১৪৪ |
| যুৱ মানসিকতা উত্তৰণত পৌৰাণিক ৰাসক্ৰীড়া | ড° জ্যোতিমা ফুকন | ১৪৭ |
| সহিষ্ণুতা আৰু কাব্যিক চিত্ৰপটত মোৰ প্ৰতিবাদৰ অগ্নিকলাই | ড° বন্তি ফুকন সোনোৱাল | ১৪৯ |
| বিৱৰ্তনৰ ফলত মানৱ সমাজ | ৰশ্মি বৰুৱা | ১৫২ |
| How To Keep Yourself Motivated | Jolly Chutia | ১৫৩ |
| Income Tax Allowances and Deductions Allowed to Salaried Individuals for the Assessment Year 2019-20 and Deductions u/s 80 C | Dr.Mahesh Kr. Jain | ১৫৫ |
| Illegal Immigration Into Assam– its Economic Implications | Dr.Kamalendu Saikia | ১৫৮ |
| Einstein – The Genius | Chandana Gogoi | ১৬২ |
| Pest or Pesticide : The Way Out | Pranab Paul | ১৬৪ |
| Recent Advances in Indian Space Programme | Dr. Pranab Jyoti Dihingia | ১৬৮ |
| ব্যস্ততা | বনদীপা শইকীয়া | ১৬৯ |
| एक झुण्ड विश्वमानवों के साथ मैं और मेरी पेशा (असमीया कविता का हिन्दी रूपान्तर) | ड॰ बन्ति फुकन सोनोवाल | ১৭০ |

৬। মহাবিদ্যালয়ৰ গুণশালী অৱস্থিতিৰ জিলিঙনি

| | | |
|---|---|---|
| কিতাপ সভ্যতাৰ মাপক | দীপিকা দাস | ১৭১ |
| মহাবিদ্যালয় এন. এছ. এছ. গোটৰ সংক্ষিপ্ত কাৰ্যক্ৰমণিকা | প্ৰশান্ত কুমাৰ বৰা | ১৭২ |
| National Assessment and Accreditation Council (NAAC): What, Why & How? | Dr. Jayanta Saud | ১৭৪ |
| NCC | Chandan Singh | ১৭৭ |

৭। ছাত্ৰ একতা সভাৰ বিভাগীয়

সম্পাদক মণ্ডলীৰ সম্পাদিত কাৰ্য-বিৱৰণ আৰু পৰিশিষ্ট ১৭৯-১৯০







ড° জিতু বুঢ়াগোহাঁই
অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়, ডিব্ৰুগড়

# ‘ডিব্ৰুয়ান’ আলোচনীৰ সম্পাদনা সমিতি
# ২০১৮-১৯ বৰ্ষ



— প্ৰথম শাৰী —

শ্ৰীমতী চন্দনা গগৈ, শ্ৰীযুত প্ৰদীপ কুমাৰ চেতিয়া ফুকন, শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা, ড° জিতু বুঢ়াগোহাঁই, ড° বন্তি ফুকন সোনোৱাল, শ্ৰীযুত দিগন্ত বড়ো।

— দ্বিতীয় শাৰী —

পূৰ্ণেন্দুবিকাশ গগৈ, সুস্মিতা কৰ্মকাৰ, শিখামণি সোনোৱাল, মৌচুমী গগৈ, দৰ্শন ডেকা।



# ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভা (২০১৮-১৯ বৰ্ষ)ৰ বিষয়ববীয়াসকল



।। প্ৰথম শাৰী ।। শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা (উপদেষ্টা), ড° জিতু বুঢ়াগোহাঁই (উপদেষ্টা)।

।। দ্বিতীয় শাৰী ।। মদন দেউৰী, প্ৰিয়াংকু সোনোৱাল, দৰ্শন ডেকা, সংযুক্তা দিহিঙ্গীয়া, মৌচুমী গগৈ, পল্লৱী উৰাং, প্ৰফুল্ল পেগু, বিকিৰণ সোনোৱাল, কৌস্তভ বকলিয়াল।

।। অনুপস্থিত বিষয়ববীয়া ।। ৰিয়া নেওগ, ৰিংকী গগৈ, অমন যাদৱ, দণ্ডীৰাম মিলি।

## ছাত্ৰ একতা সভাৰ অন্যান্য সদস্য



বিতুপন দিহিঙ্গীয়া, ৰাজকংকন বৰদলৈ, প্ৰণৱজ্যোতি দেউৰী, দৰ্শন ডেকা, মৌচুমী গগৈ, কবিতা দাস, সীমাশ্ৰী গগৈ।

## ডিব্ৰু মহাবিদ্যালয়ৰ শিক্ষকমণ্ডলীৰ একাংশ




।। প্ৰথম শাৰী ।। চন্দনা গগৈ, ৰূপজ্যোতি হাজৰিকা, ড° সমীৰ ঝা, চৌহানলাল যাদৱ, ড° মহেশ জৈন, প্ৰদীপ চেতিয়া ফুকন, চন্দ্ৰগুপ্ত বৰা, ড° জিতু বুঢ়াগোহাঁই, বীৰেন বৰুৱা, ড° ৰঞ্জিত সিংহ, ড° কমলেন্দু শইকীয়া, মনোজ শৰ্মা, নন্দিতা বৈশ্য

।। দ্বিতীয় শাৰী ।। দেৱস্মিতা চৌধুৰী, ড° স্মিতা চাহু, ড° বন্তি ফুকন সোনোৱাল, ড° প্ৰমাণিতা বড়া, ৰঞ্জুমণি ৰংহংপি, ড° জ্যোতিমা ফুক ড° নন্দিনী কোঁৱৰ, ড° ইভালুৰি কৰডবদুনাই, সংগীতা শুক্লা, জ্বলী চুতীয়া, মনালিচা বৰগোহাঁই, জুৰি ফুকন, ড° মন্দাকিনী দত্ত, মানসী কছাৰী, চুমী ৰাজখোৱা।

।। তৃতীয় শাৰী ।। ৰাজীৱ গোহাঁই, ড° হেমন্ত কুমাৰ নাথ, ড° নিয়াজ আলি শ্বাহ, ড° প্ৰণৱজ্যোতি দিহিঙ্গীয়া, গুঞ্জন মালাকাৰ, পলাশ কুম ড° প্ৰণৱজ্যোতি গগৈ, ড° ৰাজীৱ মহন্ত, ড° ভিভিয়ান শইকীয়া, ড° বিজু মৰাণ, ড° যশোৱন্ত সিং, ড° জয়ন্ত সাউদ, দিগন্ত বড়ো, স্বপ্নীল শৰ্মা বৰুৱা।



## মহাবিদ্যালয়ৰ প্ৰশাসনীয় গোটৰ একাংশ



।। প্ৰথম শাৰী ।। ড° জিতু বুঢ়াগোহাঁই (অধ্যক্ষ), শ্ৰীযুত চন্দ্ৰগুপ্ত বৰা (উপাধ্যক্ষ)।
।। দ্বিতীয় শাৰী ।। পোনাৰাম কোঁৱৰ, অমিত দাস, বিকাশ টুটী, ৰাজেশ দাস, ৰোহিণী শৰ্মা, ময়ুৰী কাকতি, জুৰি শৰ্মা, উৎপলা বৈশ্য, ৰিণ্টু দাস, দিব্যজ্যোতি গগৈ, অসীম বৰ্মন।
।। অনুপস্থিত ।। লক্ষ্মীনন্দন ভট্টাচাৰ্য।

## কেন্দ্ৰীয় পুথিভঁৰালৰ কৰ্মচাৰীবৃন্দ




সমীৰ কুমাৰ জামুৱাৰ, অজয় ফুকন, লাৱণ্য সন্দিকৈ, বৰ্ণালী বৰুৱা, দীপিকা দাস, (গ্ৰন্থাগাৰিক), গুণীন্দ্ৰ বড়া, ধৰ্মানন্দ দাস, আশিক আফটাব আহমেদ।

## মহাবিদ্যালয়ৰ বিজ্ঞান পৰীক্ষাগাৰৰ সহায়ক কৰ্মীৰ একাংশ




উৰ্মিলা চাহু, টিকু হাজৰিকা, মনোৰঞ্জন চেতিয়া, বিপ্লৱ ফুকন, ললিত সোনোৱাল, উদয় শংকৰ সোনোৱাল।
অনুপস্থিত ঃ বলিন গগৈ, অৰূপ দত্ত, কমল গগৈ, ৰঞ্জিত গগৈ, চিংকু দাস, মহানন্দ দাস।

## মহাবিদ্যালয়ৰ সুৰক্ষা কৰ্মী আৰু চাফাই কৰ্মীৰ একাংশ




দিবাকৰ গগৈ, প্ৰশান্ত গগৈ, পৰাগ বৰগোহাঁই, বিকি ডোম, নিতু দত্ত, ৰাহুল ডোম।
অনুপস্থিত ঃ হিৰণ্য দত্ত

# সম্পাদিকাৰ প্ৰাক্কথন ।।



## জন্ম-যন্ত্ৰণাৰ আঁৰৰ সুখানুভূতি ঃ ডিব্ৰুয়ান

প্ৰাৰম্ভতে ডিব্ৰুগড়স্থিত অৱস্থিত ঐতিহ্যমণ্ডিত আমাৰ ডিব্ৰু মহাবিদ্যালয়লৈ প্ৰণিপাত জনাইছোঁ। আমি গৰ্বিত যে, এটি সুস্থ আৰু সেউজ পৰিৱেশেৰে আৱিষ্ট সুন্দৰ ৰূপবান ডিব্ৰু মহাবিদ্যালয়ৰ শৈক্ষিক দিশটোও অতিকৈ টনকিয়াল। ১৯৬৩ চনৰ ১৬ আগষ্টত স্থাপিত হোৱা মহাবিদ্যালয়খনে ৫৬ বছৰ অতিক্ৰম কৰি বৰ্তমানৰ পূৰ্ণাংগ ৰূপ প্ৰাপ্তিত যিসকল মহান মণীষীয়ে নিৰলস পৰিশ্ৰম, নিঃস্বাৰ্থ ত্যাগ আৰু আশাশুধীয়া প্ৰচেষ্টা আগবঢ়ালে তেওঁলোকলৈ সম্পাদকৰ মেজৰপৰা একাঁজলি সেৱা আৰু শ্ৰদ্ধাঞ্জলি অৰ্পণ কৰিলোঁ। কলা, বিজ্ঞান আৰু বাণিজ্য তিনিওটা শাখাৰে সমৃদ্ধ মহাবিদ্যালয়খনক শৈক্ষিক দিশত পৰিপক্কভাৱে আগবঢ়াই লৈ যাবলৈ মহাবিদ্যালয়ৰ দীপ্তিবান অধ্যাপক অধ্যাপিকাসকলৰ জ্ঞান, শিক্ষা প্ৰদান তথা কৰ্মচাৰীবৃন্দৰ একনিষ্ঠ কৰ্মৰাজিয়ে ছাত্ৰ-ছাত্ৰীক প্ৰকৃত মানৱ হিচাপে গঢ় লোৱাত অপৰিসীমভাৱে উদ্বুদ্ধ কৰিছে যাৰ দ্বাৰা শিক্ষাৰ্থীয়ে পাঠ্যপুথিৰ জ্ঞান, মানসিক আৰু বৌদ্ধিক দিশত উৎকৰ্ষ সাধন তথা ভৱিষ্যতৰ কৰ্মকেন্দ্ৰিক জীৱনলৈ নিজকে সম্পূৰ্ণভাৱে প্ৰস্তুত কৰি তুলিবলৈ এখনি মঞ্চ লাভ কৰিছে। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা ক্ৰীড়া প্ৰতিযোগিতা, সাংস্কৃতিক প্ৰতিযোগিতা আৰু আলোচনীৰ প্ৰকাশে ছাত্ৰ-ছাত্ৰীসকলৰ সুপ্ত প্ৰতিভা বিকাশ কৰাৰ লগতে সামগ্ৰিক ব্যক্তিত্বৰ বিকাশ সাধন কৰি ছাত্ৰসকলক সমাজত প্ৰতিষ্ঠিত কৰিবলৈ সক্ষম কৰি তুলিছে। অনাগত দিনত ডিব্ৰু মহাবদ্যািলয় এগছি উজ্জ্বলিত বন্তিস্বৰূপ হৈ জাউতিযুগীয়া হৈ পৰক ইয়াকে কামনা কৰিলোঁ।

ডিব্ৰুগড় চহৰৰ অগ্ৰণী শিক্ষানুষ্ঠান ডিব্ৰু মহাবিদ্যালয়ে সুদীৰ্ঘ সময় অতিক্ৰম কৰি কলা, বিজ্ঞান আৰু বাণিজ্য তিনিটা শাখাৰ শৈক্ষিক সন্ধান দিবলৈ সক্ষম হৈ আহিছে। শিক্ষাৰ্থীসকলক জীৱনৰ বাটত সফলতাৰ স্বীকৃতি তথা সৰ্বাংগীনভাৱে সক্ষম কৰি তুলিবলৈ প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে। তদুপৰি অনস্বীকাৰ্য যে শিক্ষাৰ বিস্তাৰ আৰু বিকাশৰ ক্ষেত্ৰত আমাৰ মহাবিদ্যালয়ৰ মুখপত্ৰ 'ডিব্ৰুয়ান' খনিয়ে মহাবিদ্যালয়ৰ সৃজনীশীল সাহিত্য, সংস্কৃতি ধৰি ৰখাৰ পৰম্পৰা বহন কৰি আহিছে। এনে মুখপত্ৰই শিক্ষাৰ্থীসকলক সমাজৰ প্ৰতি থকা সচেতনতা, মানসিক ভাবশীলতা আৰু সুপ্ত প্ৰতিভা বিকাশ কৰাত অপৰিসীম অৰিহণা যোগায়। সেই সূত্ৰে মুখপত্ৰখনিৰ পাতত এখন মহাবিদ্যালয়ৰ শিক্ষাৰ্থীৰ ৰুচি-অভিৰুচি, মত-অভিমত, দক্ষতা ইত্যাদিৰ ধাৰণা কৰিব পাৰি। কলেজীয়া অৱস্থাতেই শিক্ষাৰ্থীসকলৰ একাংশই কলমৰ শক্তিক আধাৰ কৰি নিজৰ সুপ্ত প্ৰতিভাক সমাজৰ আগলৈ কঢ়িয়াই আনিবলৈ সক্ষম হয়। এখন সমাজত বাস কৰা প্ৰত্যেকজন ব্যক্তিয়ে সাহিত্যবান হোৱাতো অতিকৈ প্ৰয়োজন, তেতিয়াহে প্ৰত্যেকজন শিক্ষাৰ্থী সু-সংস্কৃতিবান হৈ দেশৰ প্ৰকৃত নাগৰিক হিচাপে স্বীকৃতি লাভ কৰি মানৱীয় মূল্যবোধৰ বীজ ৰোপণ কৰিবলৈ সক্ষম হ'ব। দিনক দিনে অৱক্ষয় হৈ আহিবলৈ ধৰা সমাজ ব্যৱস্থাক জ্ঞান-শিক্ষাৰ জ্যোতিৰে দৃঢ়ভাৱে ধৰি ৰাখিবলৈ সক্ষম হ'ব।

২০১৮-১৯ বৰ্ষৰ ৩৫ সংখ্যক 'ডিব্ৰুয়ান' শীৰ্ষক আলোচনীখনিৰ সম্পাদিকা হিচাপে সেৱা আগবঢ়াবলৈ পাই মই নথৈ আনন্দিত হৈছোঁ, এইবাৰৰ 'ডিব্ৰুয়ান'ৰ পাতত বিভিন্ন মানসম্পন্ন লেখা সন্নিবিষ্ট কৰা হৈছে। শিক্ষাৰ্থীসকলৰ লেখনিত আংশিকভাৱে সমাজ ব্যৱস্থা, সজাগতা-সচেতনা আৰু বিজ্ঞান বিষয়ক, অসমৰ সামাজিক চিন্তা-চৰ্চা, সাহিত্য চৰ্চা, নানান গুণবিশিষ্ট কাব্যিক চিন্তা, সাম্প্ৰতিক সময়ত চৰ্চিত নানান বিষয় সন্নিবিষ্ট কৰা হৈছে। 'ডিব্ৰুয়ান' মুখপত্ৰখনিয়ে ছাত্ৰ-ছাত্ৰীসকলৰ মনত বিভিন্ন দিশৰ মূল্যবোধ গ্ৰহণ কৰাই প্ৰকৃত মানৱীয় ব্যক্তিত্ব প্ৰদান কৰাৰ লগতেই আগন্তুক দিনত উপযুক্ত মানদণ্ড লিখনিৰ চৰ্চাৰ প্ৰতি আগ্ৰহী কৰি তুলিব বুলি আশা ৰাখিছোঁ।

"সফলতা অৰ্জন কৰাতো যিমান কঠিন কাম, তাতোতকৈ কঠিন সফলতাৰ ধাৰাবাহিকতা ৰক্ষা কৰাতো" — কোনোবা এজন মনীষীৰ উক্তি অনুসৰি সঁচাকৈ এই বাক্যশাৰীয়ে গাম্ভীৰ্যপূৰ্ণ অৰ্থ প্ৰকাশ কৰিছে। এজন ব্যক্তিয়ে অশেষ কষ্টৰ শেষত সফলতা অৰ্জন কৰে যদিও ভৱিষ্যত সময়ত ইয়াৰ ধাৰাবাহিকতা ৰক্ষা কৰাতো অতিকৈ কঠিন হৈ পৰে। গতিকে আমাৰ মুখপত্ৰখন জীৱন্ত কৰি ৰখাৰ দায়িত্ব মহাবিদ্যালয়ৰ শিক্ষাৰ্থীসকলৰ ওপৰত। তেওঁলোকৰ সহায়-সহযোগিতাই মুখপত্ৰখনক নতুন মাত্ৰা প্ৰদান কৰিব বুলি বিশ্বাস ৰাখিলোঁ। অপ্ৰিয় হ'লেও ক'ব বিচাৰোঁ যে, আমাৰ মহাবিদ্যালয়ৰ বাদ পৰি ৰোৱা বছৰকেইটাৰ মুখপত্ৰৰ অপ্ৰকাশে মোৰ কাৰ্যকালৰ সময়ছোৱাত বিৰূপ প্ৰভাৱ পেলাইছিল আৰু ডিব্ৰুয়ানৰ লেখা বিচাৰি নিৰাশ হৈ পৰিছিলোঁ। বিভিন্ন সময়ত জাননী, চিঠিপত্ৰৰ যোগেদি সংযোগ স্থাপন কৰিবলৈ চেষ্টা চলাইছিলোঁ যদিও ব্যৰ্থ হৈ পৰিছিলোঁ। অৱশেষত লেখাসমূহ আমাৰ হাতত পৰিছিল আৰু প্ৰায় সকলোৰে বাবে নিস্প্ৰাণ হৈ ৰোৱা মুখপত্ৰখনিয়ে ন-ৰূপত প্ৰকাশ পাবলৈ সাজু হৈ উঠিল। মুখপত্ৰ সম্পাদিকাৰূপে মোৰ বাবে যি প্ৰত্যাহ্বান আহি পৰিছিল, সেই সময়ত আগবাঢ়ি যাবলৈ সকলো সমস্যাৰ সৈতে মোকাবিলা কৰিবলৈ সহায়-সমৰ্থন, সজ-উপদেশ আগবঢ়োৱাসকলৰ অশেষ ধন্যবাদ জ্ঞাপন কৰিছোঁ। বিভিন্ন মানসম্পন্ন লেখাসমূহৰ পৰা কিছু নিৰ্ধাৰিত লেখনিহে মুখপত্ৰখনিত প্ৰকাশ কৰিবলৈ সক্ষম হ'লো আৰু যিসকলৰ লেখনি মুখপত্ৰত প্ৰকাশ কৰিবলৈ বিফল হ'লো, তেওঁলোকৰ ওচৰত ক্ষমা বিচাৰি এই ক্ষেত্ৰত দুখ নকৰি আগলৈ সাহিত্য চৰ্চা অব্যাহত ৰাখিবলৈ অনুৰোধ জনালোঁ। শেষত 'ডিব্ৰুয়ান'ৰ জ্ঞানৰ পোহৰ আৰু সুবাসে যাতে সকলোকে উৎসাহ আৰু আনন্দ দিয়ে ইয়াকেই কামনা কৰিলোঁ।

**কৃতজ্ঞতা স্বীকাৰ ঃ**

ডিব্ৰু মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ মুখপত্ৰ সম্পাদিকাৰ গুৰুদায়িত্বভাৰ প্ৰদান কৰা নিৰ্বাচনী কৰ্তৃপক্ষক অশেষ ধন্যবাদ জনালোঁ।

ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় ড° জিতু বুঢ়াগোহাঁইক অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা অৰ্পণ কৰিছোঁ। আমাৰ মুখপত্ৰখন সৰ্বাঙ্গ সুন্দৰ কৰি তোলাত প্ৰত্যেক সময়ত সহায় সহযোগিতা সু-পৰামৰ্শ, সজ-উপদেশ আগবঢ়োৱাৰ বাবে আমি অধ্যক্ষ মহোদয়ৰ ওচৰত চিৰকৃতজ্ঞ। ডিব্ৰু মহাবিদ্যালয়ৰ উপাধ্যক্ষ মহোদয় শ্ৰীযুত চন্দ্ৰগুপ্ত বৰাদেৱে মুখপত্ৰখনৰ বেটুপাতৰ সম্যক ধাৰণা দিয়াৰ লগতে প্ৰায় ক্ষেত্ৰত সহায় সহযোগিতা আগবঢ়োৱাৰ বাবে তেখেতলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মুখপত্ৰ সম্পাদনা সমিতিৰ সন্মানীয় গণিত বিভাগৰ মুৰব্বী অধ্যাপক প্ৰদীপ চেতিয়া ফুকন চাৰৰ অপৰিসীম সহযোগ তথা মূল্যবান পৰামৰ্শ, উপদেশেৰে আগবঢ়াই লৈ যোৱাৰ বাবে অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ, মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপিকা ড° বন্তি ফুকন সোনোৱাল বাইদেৱে মুখপত্ৰৰ সামগ্ৰিক পৰিকল্পনাৰে গুৰুদায়িত্ব বহন কৰি আলোচনীখনৰ নতুনত্ব দিয়াৰ প্ৰচেষ্টাৰ বাবে তেখেতক মোৰ অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। পদাৰ্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপিকা চন্দনা গগৈ বাইদেউক সম্পাদনাৰ মেজৰ তৰফৰ পৰা আন্তৰিক কৃতজ্ঞতা জনালোঁ, অলেখ ব্যস্ততাৰ মাজতো মুখপত্ৰখনৰ পূৰ্ণাংগ ৰূপ প্ৰাপ্তিত সহায়, পৰামৰ্শ দিয়াৰ বাবে অশেষ ধন্যবাদ জনালোঁ। ইংৰাজী বিভাগৰ অধ্যাপক দিগন্ত



বড়ো চাৰে আলোচনীৰ সফলতাত সম্পূৰ্ণ সহযোগিতাৰে মনোগ্ৰাহী কৰি তোলাৰ বাবে মই অশেষ ধন্যবাদ আৰু কৃতজ্ঞতা জনালোঁ। আলোচনীৰ কৰ্তৃপক্ষৰ তত্ত্বাবধায়ক সকলোৰে ওচৰত মই চিৰঋণী। আলোচনী সম্পৰ্কীয় মোৰ মনৰ দোমোজাবোৰ আঁতৰ কৰাই মন-সান্ত্বনা দিয়া অসমীয়া বিভাগৰ ড° বিজু মৰাণ চাৰলৈ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

শুভেচ্ছা-বাণী প্ৰেৰণ কৰি মুখপত্ৰখনিৰ সৌষ্ঠৱ বৃদ্ধি কৰা ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ মাননীয় উপাচাৰ্য ড° ৰঞ্জিত তামুলী, ডিব্ৰুগড় জিলাৰ উপায়ুক্ত মহোদয় শ্ৰীযুত পল্লৱ গোপাল ঝা, লাহোৱাল বিধান সভাৰ মাননীয় বিধায়ক শ্ৰীযুত ঋতুপৰ্ণ বৰুৱা আৰু আমাৰ মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ ড° জিতু বৰগোহাঁই চাৰলৈ কৃতজ্ঞতা নিবেদিলোঁ।

ডিব্ৰু মহাবিদ্যালয়ৰ সন্মানীয় অধ্যাপক, অধ্যাপিকামণ্ডলী আৰু গ্ৰন্থগাৰিকৰ মূল্যৱান লেখনিৰে সহায় আগবঢ়োৱা বাবে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আমাৰ সৌভাগ্য যে 'ডিব্ৰুয়ান'ৰ অতিথি চ'ৰাৰ বাবে গুৱাহাটী, দেৰগাঁও, মাজুলী, নামৰূপ আৰু ডিব্ৰুগড়ৰ খ্যাতিমন্ত ছয়জন কবিৰ পৰা কবিতা পাই অত্যন্ত সুখী হৈছো, সেয়ে তেখেতসকললৈ বিশেষভাৱে কৃতজ্ঞতাৰ মাননি-শৰাই আগবঢ়ালোঁ।

২০১৮-১৯ বৰ্ষৰ 'ডিব্ৰুয়ান'ৰ প্ৰতি সঁহাৰি জনাই যিসকল ছাত্ৰ-ছাত্ৰীয়ে বহুমূলীয়া লেখনিৰে মুখপত্ৰখন প্ৰকাশৰ বাট প্ৰশস্ত কৰিলে, আৰু সৰ্বাংগ সুন্দৰ কৰি তোলাৰ বাবে মুখপত্ৰ সম্পাদনাৰ সদস্য-সদস্যাসকলে নিঃস্বাৰ্থ সেৱা আগবঢ়াই এই গুৰু কাৰ্যক সফল কৰাত সহায় কৰিলে তেওঁলোকলৈ অশেষ ধন্যবাদ আৰু আন্তৰিক কৃতজ্ঞতা নকৰাকৈ থাকিব নোৱাৰিলোঁ।

ডিব্ৰুয়ানৰ বাবে সুন্দৰ আলোকচিত্ৰসমূহ যুগুত কৰা মহাবিদ্যালয়ৰ কাৰ্যালয় সহায়ক বিকাশ টুটি, ৰঞ্জিত শৰ্মা, ছাত্ৰ-বন্ধু চিন্ময় গগৈ আৰু প্ৰচ্ছদ শিল্পী বান্ধৱী কবিতা দাসলৈ ধন্যবাদ জনালোঁ।

ছপাশালৰ কামসমূহ নিয়াৰিকৈ পৰিচালনা কৰি নিয়াৰ বাবে 'ডিব্ৰু অফচেট' প্ৰেছৰ সমূহ কৰ্ম-কৰ্তালৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সদৌশেষত অনিচ্ছাকৃত ভুলত্ৰুটিৰ বাবে সকলোৰে ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিলোঁ। 'ডিব্ৰুয়ানে' ডিব্ৰু মহাবিদ্যালয়ক গৌৰৱান্বিত কৰাৰ লগতে আলোচনীখনৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ। অনাগত দিনত ছাত্ৰ সমাজক 'ডিব্ৰুয়ানে' জ্ঞানৰ পোহৰ বিলাই যোৱাৰ অযুত আশাৰে . . .

**মৌচুমী গগৈ**

# নিবন্ধ

এজন লিখোঁতা, ৰচক,
লেখকে নিজৰ চিন্তা-চেতনা,
গভীৰ জ্ঞানসমৃদ্ধ কথাৰে
যিকোনো বিষয়বস্তুৰ
ওপৰত বিস্তৃত বিৱৰণ দি
যুগুত কৰা লিপিবদ্ধ
ৰূপটোৱেই হৈছে প্ৰবন্ধ,
নিবন্ধ অথবা ৰচনা; ইবোৰ
বিশেষ শৈলী, ঠাঁচ, কথা,
ৰীতি/পদ্ধতিৰে পুষ্ট সাহিত্য।
গতিকে প্ৰবন্ধবোৰ
একপ্ৰকাৰ মূল্যবান আৰু
গঠনমূলক লিপিবদ্ধ গাঁথনি
বুলিব পাৰি।





# ডিব্ৰুৰ মজিয়াত একলম

**সংযুক্তা দিহিঙ্গীয়া**
*পঞ্চম ষাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ*

২০১৭ বৰ্ষৰ জুন মাহৰ ১৯ তাৰিখ; জীৱনৰ এক নৱ অধ্যয়নৰ আৰম্ভণি। নতুন দিন। এক আচহুৱা পৰিৱেশ আছিল। স্মৃতিবোৰক বিদায় দি আগুৱাই যোৱাৰ প্ৰয়াসেৰেই নতুন সাজযোৰ পিন্ধি ভৰি দিছিলোঁহি এই ডিবুৰুৰ দুৱাৰদলিত। বকুলৰ দেশত, সেউজীয়া পৃথিৱীত। প্ৰথম দিনাৰ পৰাই অচিনাকিৰ মাজতেই এক সপোন লগা সুবাসে যেন মনটোক মুহি পেলাইছিল নিজৰ ঘৰখনিৰ দৰেই আপোন কৰি লোৱাৰ ইচ্ছাৰে। নতুন ঠাই, নতুন জনৰ সৈতে চিনাকিৰে লাহে লাহে মহাবিদ্যালয়খনি আমাৰ বাবে দ্বিতীয়খন ঘৰৰ দৰেই হৈ পৰিল। অচিনাকি ঠাইখন চিনাকি হোৱাৰ হেঁপাহত ইমূৰৰ পৰা সিমূৰলৈ ঘূৰি ফুৰোঁতে প্ৰথম দিনটো পিছে মোৰ ক্লাছ নকৰাকৈয়ে পাৰ হৈছিল। পাছত লগৰীয়াৰ "ক্লাছ নকৰিলি কিয় ?" প্ৰশ্নত গম পাইছিলোঁ মই যে প্ৰথম দিনাই এই কাণ্ড! উপায় নাপাই ময়ো ক'লো "এহ্ হ'ব দে, কাইলৈৰ পৰা কৰিম আৰু"। আচলতে সেইদিনা মই মোৰ শ্ৰেণী বিচাৰি পোৱাৰ আগতেই বাকীসকলে হয়তো পঢ়া-শুনা সামৰিছিলেই সেইদিনাৰ বাবেই, প্ৰথম দিনাৰ স্মৃতিবোৰ প্ৰায় এনে ধৰণৰেই আছিল। গ্ৰীষ্ম বন্ধৰ পাছতেই ক্লাছবোৰ পুনৰ আৰম্ভ হৈছিল। নতুন লগৰীয়া, ছাৰ-বাইদেউ, নতুন দাদা-বাইদেউসকলৰ লগতেই আমিবোৰো যেন ডিবুৰুৰ এক সুখৰ সেনা-বাহিনী। মই শিক্ষাতত্ত্ব বিভাগৰে হয় যদিও মহাবিদ্যালয়ৰ প্ৰত্যোকটো বিভাগেই আমাৰ সকলোৰে বাবে আপোন। মহাবিদ্যালয়ৰ চাৰিও কোণতেই জড়িত হৈ আছে আমাৰ প্ৰতিজন ডিব্ৰুয়ানৰ আৱেগ-অনুভূতি, তথা মৰম-ভালপোৱাবোৰ। নতুনক বাদ দি এতিয়া আমিবোৰ হৈ পৰিলোঁ বকুলৰ দেশৰ পুৰণি আলহী। সময়ৰ ধাৰাবাহিকতা ৰক্ষা কৰি অহা আহিছে, যোৱা গৈছে। বহুজনে কিছু লৈ গৈছে, কিছুৱে হয়তো এৰি গৈছে জীৱনৰ বহুতো ৰোমাঞ্চকৰ পৰিঘটনা মহাবিদ্যালয়খনি জীপাল কৰি ৰখাৰ মানসেৰে।




মহাবিদ্যালয়ৰ বাৰ্ষিক ক্ৰীড়-সপ্তাহ, নৱাগত আদৰণী সভা, বিদায় সভা ইত্যাদিৰ লগতে অনুষ্ঠিত হৈ থকা অনেক অনুষ্ঠানৰ আমিবোৰ নীৰৱ সহযোগী। অনুপ্ৰেৰণা স্বৰূপে আমাৰ বাবে এই সকলোবোৰ। কেণ্টিন, ক্লাছৰ আড্ডা, আমলখি খোৱা আড্ডাবোৰত মাজে মাজে আৱেগেৰে ভৰি পৰিছিল বহুজন সমনীয়াৰ চকু। সকলোৱে কৈছিল জীৱনৰ দুখ-কষ্টবোৰ ৰাতিপুৱা আমাৰ এই দ্বিতীয়খন ঘৰত ভৰি দিয়েই কিছু সময়ৰ বাবেও হয়তো পাহৰি পেলায়, কাৰণ সেই অচিনাকি সুখবোৰ আমাৰ বাবে যে এতিয়া বৰ আপোন। হাঁহি থকা মুখৰ সুখবোৰ খুলি বহুতেই আৱেগত উজাৰি দিছিল হৃদয়ৰ সমস্ত বেদনা। তিনিবছৰীয়া সময়ৰ স্মৃতিবোৰে তেনে অনুভৱেই দিয়ে, আৰু কেইমাহ মানৰ পিছত গুচি যাব লাগিব মহাবিদ্যালয় এৰি; মহাবিদ্যালয়ত ভৰি দিয়েই দেখা পোৱা ছাৰ-বাইদেউহঁতৰ মিচিকিয়া হাঁহিবোৰ, আমাৰ বিভাগৰ টায়ে ছাৰৰ হাঁহি উঠা কথাবোৰৰ লগতে ক্লাছৰ মাজে মাজে নিজস্ব অভিজ্ঞতাৰে জীৱনৰ ওপৰত দিয়া ৰসাল বৰ্ণনাবোৰ, অধ্যক্ষ মহোদয়ৰ গুৰু-গম্ভীৰ মাতষাৰ, আমাৰ লাইব্ৰেৰীৰ চিনাকি মুখ কেইখন ইত্যাদিবোৰ কিছুদিন পাছত হয়তো কেৱল সজীৱ হৈ ৰ'ব স্মৃতিৰ সঁফুৰাত। গুচি গ'লেও বুকুত বান্ধি লৈ যাম তিনিটা বছৰৰ এটি এটি ক্ষণৰ কাহিনীবোৰ। অনুভৱ হয় কেতিয়াবা বৰ্তমানটোক যেন ধৰি ৰাখিম মই হাতৰ মুঠিত। বতাহৰ কাণে কাণে গুণগুণাই কম — অ' সময়! ৰৈ যা তই।

আগন্তুক ভৱিষ্যতত ব্যস্ত হৈ পৰিলেও কেতিয়াবা স্মৃতিৰ টোপোলাটো খুলি দিম। এটা এটাকৈ সৰি পৰিব ডিব্ৰু মহাবিদ্যালয়ৰ সোণালী সময়বোৰ আৰু তেতিয়া মাথো স্মৃতিৰ দুৱাৰ খুলি আৱেগত অনুভৱহে কৰিব পাৰিম। কলমে ৰৈ যাব খোজা নাই তথাপি সামৰিবলৈ বাধ্য। শেষত অধ্যক্ষ মহোদয়, মা-দেউতাস্বৰূপ প্ৰতিজন শিক্ষাগুৰুৰ লগতে কৰ্মৰত সদৌ জনলৈকে মোৰ মৰম আৰু শ্ৰদ্ধা জনাই ডিব্ৰু মহাবিদ্যালয় আগুৱাই নিবৰ বাবে প্ৰচেষ্টা চলোৱা সকলোজন পথ প্ৰদৰ্শকৰ প্ৰচেষ্টা যুগে যুগে যুগগামী হৈ ৰওক— এয়া আমাৰ প্ৰত্যাশা! ■

আধুনিক শিক্ষাপদ্ধতিৰ বিৰুদ্ধে মোৰ প্ৰধান অভিযোগ শিক্ষাৰ কেন্দ্ৰ বিলাকত আমাক মানুহ কৰি তুলিবলৈ কোনো ব্যৱস্থা নাই, চৰিত্ৰ গঠনত সহায়ক অন্তৰৰ সদ্‌বৃত্তিবিলাকৰ স্ফূৰণ নাই, জীৱনৰ সম্পূৰ্ণ বিকাশ নাই।

— ৰঘুনাথ চৌধাৰী







# আলি-আয়ে-লৃগাং (আঃই)

**নিভাশ্ৰী গগৈ**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

অসমীয়া জাতীয় জীৱনত অতুলনীয় বৰঙণি আগবঢ়োৱা এটা জনজাতি হ'ল মিচিংসকল। মিচিংসকলৰ ঐতিহ্যপূৰ্ণ কৃষিভিত্তিক জাতীয় জীৱনৰ প্ৰধান উৎসৱ হ'ল আলি-আয়ে-লৃগাং। এই উৎসৱ মিচিংসকলৰ অতি আপোন আৰু মৰমৰ।

আক্ষৰিক অৰ্থত 'আলি' মানে মাটিৰ তলত হোৱা আলু বা বীজ, আঃই মানে গছৰ গুটি বা ফল-মূল; আৰু লৃগাং মানে হ'ল সিঁচা বা সিঁচিবলৈ আৰম্ভ কৰা কাৰ্য। সামগ্ৰীকভাৱে আলি-আঃই-লৃগাং শব্দটোৰ অৰ্থ হৈছে— পথাৰত শস্য সিঁচাৰ প্ৰথমটো দিন। প্ৰতি বছৰে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনটোত আলি-আঃই-লৃগাং উৎসৱ অনুষ্ঠিত কৰা হয়। মিচিংসকলে ফাগুন মাহৰ প্ৰথম বুধবাৰৰ দিনটোক অতি শুভদিন আৰু লক্ষ্মী দিন ৰূপে গণ্য কৰে। এই দিনাৰ পৰাই মিচিং গাঁওসমূহত ৰাজহুৱাভাৱে বা ব্যক্তিগতভাৱে পথাৰত আহুধানৰ বীজ সিঁচিবলৈ আৰম্ভ কৰে। এই উপলক্ষে সামূহিকভাৱে এই উৎসৱ পালন কৰা হয়। বসন্তকালত অনুষ্ঠিত হোৱাৰ বাবে এই উৎসৱক বসন্ত উৎসৱ বোলা হয়। উৎসৱৰ পাঁচোতা দিনতে প্ৰত্যেক ঘৰৰ ডেকা-গাভৰুসকলে ঢোল, পেঁপা, গগণা, বৰকাঁহ, তাল আদি বজাই 'গুমৰাগ' নৃত্য নাচে। লোক বিশ্বাসৰ মতে, লৃগাং উৎসৱত গুমৰাগ নাচ নানাচিলে, বৰকাঁহ নবজালে বৰষুণ নহয় আৰু পথাৰত সিঁচা বীজবোৰ অংকুৰিত নহয়।

'আলি-আঃই-লৃগাং'ত যি নৃত্য কৰা হয় সেয়া অতি আকৰ্ষণীয়। এই নৃত্যক মিচিংসকলে গুমৰাগ 'পাকচ চঃমান' বুলি কয়। এই নাচত আছে মিচিং ডেকা-গাভৰুৰ প্ৰাণভৰা আৱেগৰ প্ৰকাশ আৰু একেবাৰে মুকলিভাৱে সকলোৱে 'ঐনিঃতম' গাই সৰু-ডাঙৰ অথবা ধনী-দুখীয়াৰ পাৰ্থক্য নাৰাখি অতি উৎসাহেৰে অংশ গ্ৰহণ কৰে। মনৰ আপোনজনৰ লগত মুকলিভাৱে গীত গাই নচাৰ সুযোগ আৰু ইজনে-সিজনক মন ভৰি ভালপোৱাৰ সম্ভেদৰ বাৰ্তা। গীতসমূহত পোৱা যায়। নৃত্য কৰোঁতে মিচিংসকলে নিজা সাজ-পাৰ মিব' গালুগ (মিচিং চোলা), ৰিৱি গাচেং আদি পৰিধান কৰে।

উৎসৱৰ দিনা বিশেষ ভোজৰ আয়োজন কৰা হয়। ভোজ খাবৰ কাৰণে কৌ পাতত বৰা ধানৰ চাউল বান্ধি বিশেষ ধৰণে সিজোৱা হয় আৰু ইয়াক 'পুৰাং' বোলে। পুৰাঙৰ লগত খাব পৰাকৈ মাছ-মাংস আৰু আপঙৰ ব্যৱস্থা কৰা হয়। ইয়াৰ তাৎপৰ্য হৈছে— আহি থকা বছৰটোত যাতে খাদ্য সামগ্ৰী প্ৰচুৰ পৰিমাণে উৎপাদন হয় আৰু ভঁৰাল উপচি পৰে। ইয়াৰ বাবেই আপঙ, মাছ-মাংস আদি যোগাৰ কৰি মিচিংসকলৰ উপাস্য দেৱতা দঞিঃ (সূৰ্য) পঃল (চন্দ্ৰ) আৰু পূৰ্বপুৰুষসকলক স্মৰণ কৰা হয়। এই উৎসৱৰ শুভাৰম্ভণিৰ বাবে আশীৰ্বাদ বিচৰা হয়।



অসমীয়া জনগোষ্ঠীৰ অংশীদাৰ মিচিং লোকসকলে পৰম্পৰাগতভাৱে লোক-বিশ্বাসৰ ওপৰত ভিত্তি কৰিয়েই তেওঁলোকৰ প্ৰধান জাতীয় উৎসৱ সদৃশ 'আলি-আঃই-লৃগাং' উৎসৱটি প্ৰতি বছৰে অতি উলহ-মালহেৰে পালন কৰি আহিছে। ইয়ে মিচিং সমাজত প্ৰচলিত হৈ থকা লোক-বিশ্বাস, চিন্তা-চৰ্চা, ধ্যান-ধাৰণা আদিৰ সম্যক পৰিচয় দিয়ে। ইয়াৰ বাহিৰেও গাঁৱলীয়া ৰাইজৰ একতা, ভ্ৰাতৃত্ববোধ আৰু সমন্বয় সাধনতো উৎসৱটিয়ে বিশেষ ভূমিকা পালন কৰি আহিছে। আলি-আয়ে-লৃগাং মিচিংসকলৰ প্ৰাণ, মিচিং জাতিৰ আত্মা। এই উৎসৱে আনি দিয়ে মিচিং সমাজলৈ অনাবিল আনন্দ। সেয়ে মিচিং সমাজ আলি-আয়ে-লিগাং অতিকৈ আপোন। ■

**জানানে ঃ**

■ কোন চনৰ পৰা চৰকাৰে ৰবিবাৰটোক বন্ধ ৰখাৰ নিয়ম কৰে?

○ বহু বছৰ আগৰ পৰা দেওবাৰৰ দিনা বন্ধ থকা নিয়মৰে পালন কৰি অহা হৈছে। ৩১১ চনত ৰোম সম্ৰাট কন্‌ষ্টাইনটাইনে দেওবাৰে কৃষিকৰ্মৰ বাহিৰে সকলো কাম বন্ধ কৰি সৰ্বসাধাৰণ ৰাইজক যীশুখ্ৰীষ্টক প্ৰাৰ্থনা কৰিবলৈ হুকুম জাৰি কৰে। ভাৰতবৰ্ষত ১৭৮৮ চনত বৰলাট লৰ্ড ওৱেলেছলিয়ে দেওবাৰে স্কুল-কলেজ বন্ধ থকাটো ঘোষণা কৰে। অৱশ্যে ১৮৪৩ চনৰ পৰাহে চৰকাৰীভাৱে ভাৰতবৰ্ষত দেওবাৰে বন্ধদিন হিচাপে ঘোষণা কৰা হয়।





# চাহ-জনগোষ্ঠীয় নাৰীৰ বেশ-ভূষা

**উমামণি ওৰাং**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*



অসমৰ অদিবাসী চাহশ্ৰমিক লোকসকলে দ্ৰাবিড় আৰু অষ্টিক গোষ্ঠীৰ বংশধৰ বুলি জনা যায়। এই লোকসকলক ব্ৰিটিছৰ শাসন কালত চাহ বাগিছাৰ শ্ৰমিকৰূপে, ৰেল পথ নিৰ্মাণ, হাবি-জংঘল পৰিষ্কাৰকৰণ, ৰাস্তা নিৰ্মাণৰ বাবে ব্ৰিটিছ আইনৰে আইনীভাৱে মধ্য ভাৰতৰ পৰা চালান কৰি আনিছিল। তেওঁলোক বিশেষকৈ উৰিষ্যা, পশ্চিমবঙ্গ, ছতিশগড়, ঝাৰখণ্ড, ত্ৰিপুৰা আৰু বিহাৰ আদি ৰাজ্যবোৰৰ পৰা অসমলৈ আহি নিগাজীকৈ থাকিব লয়। এওঁলোক প্ৰধানকৈ চাওঁতাল, মুণ্ডা, হৌ, ওৰাং, মৈথিলী, কুৰ্মি, ভূমিজ, কমাৰ, কুমাৰ, কৰ্মকাৰ, তেলী, তোম আৰু ঘাসি আদি ভিন্‌ভিন জাতি-জনজাতি আহিছিল। তেওঁলোক অসমলৈ আহোঁতে নিজস্ব ভাষা আৰু সংস্কৃতি লগত আনিছিল।

সাংস্কৃতিক উৎসৱ, পাবৰ্ণ অৰ্থাৎ কৰম পৰৱ, টুচু পূজা, ফাগুৱা পৰৱ, হহৰাই পৰৱ ইত্যাদিবোৰৰ বিশেষকৈ কৰমৰ পৰৱত তেওঁলোকে ঝুমুইৰ নৃত্য-গীত পৰিৱেশন কৰোঁতে আঁঠুৰ তললৈকে কলাফুল ওলাই থকাকে লাল পাৰিযুক্ত বগা শাড়ী পৰিধান কৰে। হাতত ৰুমাল লয়, সেওঁতাত সীতাপট্টি, ভৰিত পয়ৰী, হাত আৰু ভৰিৰ আঙুলিত আঙঠি, ডিঙিত হাৰ-মালা, হাতত

খাৰু আদি পৰিধান কৰি গীত-নৃত্য পৰিৱেশন কৰে। এই সাজকে চাহ জনগোষ্ঠীৰ জাতীয় সাজ বুলি গুৰুত্বসহকাৰে বিৱৰণ দিব পাৰি।

অসমত বাস কৰা চাহ জনগোষ্ঠীয় মহিলাসকলে কৰ্মস্থলীত হওক বা গৃহস্থলীতে হওক এক মাৰ্জিত আৰু সাধাৰণ সাজ পৰিধান কৰে। যিহেতু চাহ জনগোষ্ঠীৰ প্ৰায়বোৰ মহিলাই বাগানৰ শ্ৰমিক, সেয়ে তেওঁলোক বাগিছাৰ শ্ৰম আৰু ঋতু অনুযায়ী সাজ পৰিধান কিছু সালসলনি কৰা দেখা যায়। গ্ৰীষ্মকালি চাহ বাগিচাৰ পাত তোলোতে মাৰ্জিতভাৱে ব্লাউজ, পেটিকোট পিন্ধি তাৰ ওপৰত কঁকালৰ তলৰ ভাগত বা ভৰিত চাহ গছৰ ডালে যাতে খুঁচিব নোৱাৰে তাৰ বাবে বজাৰত পোৱা ডাঠ তিৰ্পাল মেৰিয়াই বান্ধি লয় আৰু গা ভাগত পুৰুষৰ চোলা (হাত দীঘল) পিন্ধি লয়। ইয়াৰ উপৰি এখন এক বিশেষ ভঙ্গিমাৰে ডিঙিত লৈ পিঠিভাগ ঢাকে আৰু প্ৰয়োজন অনুসাৰে মুখৰ ঘাম আদি মচে। ইয়াক 'ঝৰণ' বুলি কোৱা হয়। আনহাতে পাত তোলোতে বাঁহেৰে নিৰ্মিত টুপাটোৰ ৰছীডাল মূৰৰ ওপৰত দি টুপাটো পিঠিত ওলমাই ৰাখিবলৈ মূৰৰ ভাগত গোলকৈ কাপোৰেৰে মেৰিয়াই এটা পাগুৰী বনাই তাৰ ওপৰত টুপাৰ ৰছীডাল থয়। এনে কৰিলে মূৰত দুখ নাপায়, যিহেতু টুপাৰ ৰচিডাল কাপোৰৰ থাকে। এই পাগুৰিটোক তেওঁলোকে 'নঠ বা বিড়া' বুলি কয়।

বৈবাহিক ৰীতি-নীতিৰ ক্ষেত্ৰত চাহ-জনগোষ্ঠীৰ মহিলাসকলে ৰংচঙীয়া শাড়ীহে পৰিধান কৰে। বিবাহৰ ক্ষেত্ৰত কইনা গৰাকীক ৰঙা সাজপিন্ধোৱা হয়। চাহ-জনগোষ্ঠীৰ প্ৰায়বোৰ সম্প্ৰদায়তে বিবাহিত মহিলাসকলৰ বাবে সেন্দুৰ প্ৰযোজ্য আছে। তেওঁলোকে সকলো সময়তে সেওঁতাত সেন্দুৰ লৈ থাকিব লাগে। আ-অলঙ্কাৰৰ ভিতৰত চন্দ্ৰহাৰ, চুৰী, আঙঠি, সীতাপট্টি, মালা, চেইন, নাকফুলি, কাণফুলি, পয়ৰী, ভৰিৰ আঙুঠি, পিকিমানা ইত্যাদি ইত্যাদি। ■

**জানানে ঃ**

■ অসমীয়া মহিলাই ব্যৱহাৰ কৰা পাট কাপোৰ ক'ত আৰু কেতিয়া আৱিস্কাৰ হৈছিল?

○ পাট সূতা এবিধ টান আঁহ। এই আঁহবোৰ পাটপলুৰ পৰা উৎপন্ন হয়। পাটপলুৰপৰা লেটা উৎপাদন কৰি পাট সূতা তৈয়াৰ কৰাকে 'চেৰিকালচাৰ' বুলি কোৱা হয়। চেৰিকালচাৰ প্ৰথমে ৪,৬৭০ বছৰৰ আগতে চীনত আৰম্ভ হৈছিল। এৰিষ্ট'টলেও পাট তৈয়াৰ কৰাৰ বিষয়ে উল্লেখ কৰিছিল। খ্ৰীষ্টীয় তিনি চনত জাপান, ৰাছিয়া আৰু ইজিপ্তত পাট সূতা তৈয়াৰ কৰিবলৈ আৰম্ভ কৰিছিল।

পাটপলুৱে নুনি গছৰ পাত খাই ডাঙৰ হয়। পলুৰ মুখৰ পৰা ওলোৱা এবিধ ৰসেৰে নিজৰ গাটো ঢাকি পেলায়। এই ৰস আঁহৰ নিচিনা হয়। ইয়াকে লেটা বুলি কোৱা হয়। পৃথিৱীত পাট সূতাৰ কাৰণে বহল পৰিমাণে নুনি গছৰ খেতি কৰিবলৈ লৈছে। গোটেই পৃথিৱীত প্ৰায় ৫৫,০০০ টন পাট সূতা তৈয়াৰ কৰা হয়। এটা সমীক্ষা মতে চীনে প্ৰায় ২৩,৫০০ টন, জাপানে ১৬,১৫৫ টন আৰু ভাৰতে ৪,৬০০ টন পাট সূতা তৈয়াৰ কৰে।





# ধাৰাষাৰে নমা বৰষুণজাকৰ সৈতে ডিব্ৰু মহাবিদ্যালয়ত মোৰ প্ৰথমটো খোজ

**ভূপেন শেনচোৱা**
*পঞ্চম ষাণ্মাসিক, বুৰঞ্জী বিভাগ*

সময়ৰ পাৰ ভাঙি
জীৱন নদীৰ প্ৰৱল সোঁতে
লৈ যায় আমাক প্ৰতিদিনে
বিভিন্নতাৰ মাজলৈ
য'ত বৰ্তমানবোৰ হৈ পৰে
ঘোৰ অতীতৰ একো একোটা
জীয়া স্মৃতিসৌধ ...

সময় গতিশীলভাৱে বৈ যোৱা এখন নিৰবধি নৈ। সঁচাকৈ সময়ৰ প্ৰতিটো ক্ষণেই পাখি লগা এজনী অদৃশ্য পখী। এই মুহূৰ্তটোৱেই অনন্তলৈ শুই পৰে স্মৃতিৰ কোলাত লাগিলে হাজাৰগুণ সুখৰ বা দুখৰে সময় নহওক কিয়।

সময়ৰ লগত গতি কৰি কৰি ডিব্ৰু মহাবিদ্যালয়ত দুটা বৰ্ষ আৰু তিনি মাহত ভৰি দিলোঁ। বৰ্তমান মহাবিদ্যালয়খনৰ স্নাতক পঞ্চম ষাণ্মাসিকত অধ্যয়ন কৰি আছো বুৰঞ্জী বিভাগত। কলেজখন চিৰদিনৰ বাবে মোৰ জীৱনৰ পৰা পৰালি পৰিবলৈ মাজত মাথো আৰু ৯টা মাহ বাকী। লাহে লাহে যেন ৯টা মাহো নিমিষতে হেৰাই যাব মোৰ জীৱনৰ পৰা। অৰ্থাৎ আৰু ৯মাহৰ পিছত বিদায় ল'ব লাগিব কলেজখনৰ পৰা।

ই এক চিৰন্তন সত্য যে সময়ে কাৰো বাধা নামানে হাজাৰ চেষ্টা কৰিলেও পৃথিৱীৰ কোনো শক্তিয়ে জগতৰ এই সত্যক সলাব নোৱাৰে। গতিশীল সময়ৰ মাজত প্ৰত্যেক মানুহৰ জীৱনত এনে কিছুমান ঘটনাৰ উদয় যে তাক মানুহে কেতিয়াও পাহৰিব নোৱাৰে।

সেই দিনটো মোৰ বাবে এনে এটা হৈ পৰিছিল। যিটো দিনৰ মোৰ হৃদয়ৰ নিভৃত কোণৰ পৰা কেতিয়াও তাৰ স্খলন নহয়। হয়, সেই দিনটো আছিল মোৰ জীৱনত পাৰ হৈ যোৱা এক



# শংকৰী সংস্কৃতি

**প্ৰত্যুষ বড়া**
*তৃতীয় ষাণ্মাসিক, অসমীয়া বিভাগ*

অসমৰ সংস্কৃতিৰ বুৰঞ্জীত শংকৰী-সংস্কৃতিৰ আসন বিশেষ উচ্চ স্থানত অৱস্থিত। আজিকালি শংকৰী-সংস্কৃতিৰ কথা বুজাবলৈ সত্ৰ-সংস্কৃতি বা সত্ৰীয়া-সংস্কৃতি শব্দ দুটা বিশেষ উৎসাহেৰে ব্যৱহাৰ কৰা দেখা যায়; কিন্তু সকলো সত্ৰতে শংকৰদেৱে দি থৈ যোৱা ঐতিহ্য, পৰম্পৰা সংৰক্ষিত হোৱা নাই আৰু সেইদৰে শংকৰী-সংস্কৃতিক কেৱল সত্ৰ কেইখনেই আঁত ধৰা নাই। শংকৰদেৱে সৃষ্টি কৰি থৈ যোৱা সাংস্কৃতিক সম্পদসমূহক আমি শংকৰী-সংস্কৃতি নামেৰেই নামকৰণ কৰিব পাৰোঁ।

শংকৰদেৱৰ প্ৰতিভাই অসমক দিলে এক শৰণ ভাগৱতী বৈষ্ণৱ ধৰ্ম আৰু ই মহাপুৰুষীয়া ধৰ্ম বা বৈষ্ণৱ ধৰ্ম নামে অভিহিত হয়। এই ধৰ্মই জাতিভেদে মানৱীয় প্ৰমূল্য ইত্যাদিক ধৰি ৰখাত তথা ব্যক্তি সত্তাৰ বিকাশ সাধনৰ বাট মুকলি কৰিলে। কেৱল সেয়ে নহয় শংকৰদেৱেই কৃষ্ণ ভক্তি মাৰ্গৰ মাধ্যমত অসমৰ সংস্কৃতি আৰ্যীকৰণ কৰি ভাৰতীয় ৰূপ দিবলৈ যত্ন কৰিছিল।

শংকৰদেৱে গীত আৰু নাট অতি হৃদয়গ্ৰাহী আৰু মনোৰঞ্জনৰ আটাইতকৈ শক্তিশালী সমলক ধৰ্ম প্ৰচাৰৰ মাধ্যম হিচাপে বাচি লৈছিল। তেওঁ গ্ৰন্থসমূহৰ মাজত অসমীয়া জাতিৰ ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, অসমীয়া সংস্কৃতিৰ মনোৰম বৰ্ণনা আদি সন্নিবিষ্ট কৰি সমগ্ৰ অসমীয়া জাতিটোক গ্ৰন্থায়িত কৰিছিল।

শংকৰী-সংস্কৃতিৰ মূল উপাদান দুটি হ'ল— নামঘৰ আৰু সত্ৰ। নামঘৰ কেৱল উপাসনা গৃহই নহয়, ই এটা সামাজিক অনুষ্ঠান। একোটা নামঘৰক কেন্দ্ৰ কৰি এখন সমাজ গঠিত হয়, ঐক্য আৰু সংহতিৰ বান্ধোন ৰচনা কৰে।



ভাৰতীয় সংস্কৃতিৰ 'সত্ৰ' শব্দটো নতুন নহয়— শ্ৰীমদ্ভাগৱততে ব্ৰহ্ম-সত্ৰ আৰু কৰ্ম-সত্ৰ নামৰ দুবিধ সত্ৰৰ বিষয়ে উল্লেখ আছে। ব্ৰহ্ম-সত্ৰত বক্তা আৰু শ্ৰোতা সমানে বহি ব্ৰহ্ম সম্পৰ্কে আলোচনা কৰে।

শংকৰী-সংস্কৃতিৰ সবাতোকৈ ডাঙৰ গুণ হৈছে, উদাৰতা আৰু গুণগ্ৰাহিতা, মানসিক উৎকৰ্ষ সাধনা আৰু মানৱতাবোধেই যদি সংস্কৃতিৰ মূলবস্তু হয়, তেনেহ'লে শংকৰী সংস্কৃতি যথাৰ্থতে সংস্কৃতি বুলিব পাৰি। একেখন সমাজতে, জাতিভেদে, একেটা নামঘৰতে সমানে সমানে বহি সকলোৱে নাম ল'ব পৰাৰ ব্যৱস্থা সৃষ্টি কৰি শংকৰদেৱে সকলো আদৰ্শৱান মানুহকে সাৱটি ধৰিলে।

শংকৰদেৱে যি মহান আদৰ্শৰে অসমত বৈষ্ণৱ পৰম্পৰা আৰু শংকৰী-সংস্কৃতিৰ বৰগছ পুলিটো ৰুইছিল, সেই আদৰ্শৰ সি ধ্বজাবাহী। শংকৰী-সংস্কৃতিৰ শিপা অসমৰ জনজীৱনত দ লৈকে শিপাই আছে। শংকৰী-সংস্কৃতি অসমৰ জনসাধাৰণৰ মানৱ মণিকূটত সাঁচি থোৱা ৰাজহুৱা সম্পত্তি; সি অক্ষয়, অব্যয়।' ■

> সংস্কৃতি হৈছে একপ্ৰকাৰ জীৱন-পদ্ধতি। সংস্কৃতি সভ্যতা নহয়, সভ্যতাও সংস্কৃতি নহয়।
>
> — হেম বৰুৱা







# ওজাপালি

**অংকিতা সোনোৱাল**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

অসমৰ লোক পৰিৱেশ্য কলাৰ এটা অন্যতম লোকনাট্য অনুষ্ঠান হ'ল ওজাপালি। ওজাপালি কামৰূপ, গোৱালপাৰা আৰু দৰং জিলাৰ বিভিন্ন স্থানত বৰ্তি থকাৰ উপৰি অসমৰ অন্যান্য দুই-এঠাইতো মৰি মৰি জীয়াই থকাৰ উমান পোৱা যায়। ওজাপালি নৃত্য, গীত মুখ্যতঃ অৰ্ধ নাটকীয় অভিনয় অনুষ্ঠান। এজন প্ৰধান ওজাই এই অনুষ্ঠান পৰিচালনা কৰে। ওজাৰ লগত তেওঁৰ সোঁ হাত স্বৰূপ ডাইনাপালি আৰু কেইজনমান পালি বা শিষ্য থাকে। ওজাই একোটি পৌৰাণিক কাহিনী বিভিন্ন ৰাগ আৰু তালত গাই যায় আৰু পালিসকলে সেই গীতৰ সহযোগিতা আগবঢ়ায়। পালিসকলৰ হাতত খুঁটিতাল থাকে। ওজাপালিত ৰামায়ণ-মহাভাৰত, পুৰাণ আদিৰ পৰা বিষয়বস্তু গ্ৰহণ কৰে। ওজাপালিৰেই এটা উপ-ৰূপ ব্যাস সংগীত বা ব্যাস ওজাপালি। ওজাপালি অনুষ্ঠান অসমত নৱম-দশম শতিকামানৰ পৰাই প্ৰচলিত হৈ আহিছে বুলি ধাৰণা কৰা হয়। তৃতীয় পাণ্ডৱ অৰ্জুনে দেৱতাৰ চিৰশত্ৰু অসুৰসৰক ৰণত পৰাজয় কৰে। অৰ্জুনৰ সন্মানৰ অৰ্থে দেৱতাসকলে উৰ্বশীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন কৰাইছিল। নৃত্য কৰি থকা সময়তেই উৰ্বশী অৰ্জুনৰ প্ৰেমত পৰে। নৃত্যৰ অন্তত উৰ্বশীয়ে তেওঁৰ প্ৰেম-প্ৰণয়ৰ সম্ভেদ ইন্দ্ৰক দিয়ে। উৰ্বশীক বিয়া কৰাবলৈ ইন্দ্ৰই অৰ্জুনক অনুৰোধ কৰে। অৰ্জুনে কিন্তু ইন্দ্ৰৰ সেই অনুৰোধ ৰক্ষা নকৰিলে। ক্ৰোধান্বিতা উৰ্বশীয়ে অৰ্জুনক এবছৰৰ বাবে নপুংসক হ'বলৈ অভিশাপ দিয়ে। মৰ্ত্যভূমিত অৰ্জুনে বৃহন্নলাৰূপে বিৰাট পুত্ৰী উত্তৰাক গান্ধৰ্ব বিদ্যাৰ শিক্ষা দিয়ে। এই গান্ধৰ্ব বিদ্যাই ওজাপালি বিদ্যা। এই দৰেই পৃথিৱীত ওজাপালি পৰম্পৰা সূত্ৰপাত হ'ল।

ওজাপালিয়ে অনুষ্ঠানত পৰিৱেশন কৰা বিষয়বস্তু অনুসৰি অনুষ্ঠানটোক তিনিটা ভাগ কৰিব পাৰি। সেই কেইটা হ'ল—

১) বিয়াহৰ ওজাপালি
২) সুকনানী ওজাপালি
৩) ৰামায়ণৰ ওজাপালি

১) **বিয়াহৰ ওজাপালি ঃ** বিয়াহৰ ওজাপালিত পুৰাণ-মহাভাৰতৰ পদ গাই যি ওজাপালিয়ে অনুষ্ঠান পৰিৱেশন কৰে তেওঁলোকৰ বিয়াহৰ ওজা বা ব্যাসৰ ওজা নামেৰে জনা যায়। বিয়াহৰ ওজাপালিৰ 'বিয়াহ' শব্দটো 'ব্যাস' শব্দৰ পৰা উদ্ভৱ হোৱা বুলি উল্লেখ কৰিছে। দৰং, কামৰূপ, কমলাবাৰী, বৰপেটাত ওজাপালি পৰিৱেশন কৰে। শংকৰী সত্ৰত প্ৰচলিত বিশেষকৈ মাজুলীৰ কমলাবাৰী সত্ৰৰ ওজাপালি সংগীত শৈলীক কেইটিমান স্তৰত ভাগ কৰিব পাৰি যেনে—

| | |
|---|---|
| ক) ৰাগ দিয়া বা আলাপ | চ) বাদ্য খিয়ালী |
| খ) শ্লোক | ছ) ধুৰা |
| গ) গীত | জ) বানা |
| ঘ) দিহা | ঝ) উপদেশ |
| ঙ) থিয়তাল | ঞ) ৰাগ মালিতা ৰাগ লক্ষণ |
| | ছ) চাৰোণ অথবা চৰণ |

২) **সুকনানী ওজাপালি ঃ** মনসা পূজা, পদ্মাৱতী পূজা, বিষহৰি পূজা, ৰং পূজা আদিৰ লগতো ওজাপালি জড়িত। সুকবি নাৰায়ণদেৱৰ দ্বাৰা ৰচিত পদ্ম পুৰাণৰ কথা অংশ যিসকল ওজাপালিয়ে পৰিৱেশন কৰে তেওঁলোকক সুকনানী ওজাপালি বোলা হয়। সুকনানী ওজাপালিত ধুতি-কামিজ আৰু মূৰত পাগুৰীয়েই হ'ল ওজাৰ সাজ। আনহাতে পালিৰ সাজ হ'ল ধুতি, পাগুৰী, কামিজ। পৰম্পৰাগতভাৱে ওজাৰ সাজ-পাৰ পৱিত্ৰ। ব্যাস সংগীতৰ নিচিনাকৈ সুকনানী ওজাপালিয়েও আলাপ বা স্বৰ-সাধনা বা সুৰ-সাধনাৰে মনসা সঙ্গীতৰ সুৰ লগাই গায়। যেনে — হা-তা-না-ৰি (ঋ)-ৰিতা (ঋতা) হ'ল ব্ৰহ্মা (ন), বিষ্ণু (ঋ) মহেশ্বৰ (ত) সিদ্ধিদাতা গণেশ (হ) আৰু নৃত্য তথা কলাসমূহৰ নিয়ন্ত্ৰক গন্ধৰ্ব (ঋতা) সকলৰ বন্দনা।

৩) **ৰামায়ণৰ ওজাপালি ঃ** মাধৱ কন্দলীৰ ৰামায়ণৰ বিষয়বস্তুৰ লগত পৰম্পৰাগত মৌখিক ৰাম কথাৰ সমল সংমিশ্ৰণ কৰি তেওঁ গীত-ৰামায়ণ ৰচনা কৰিছিল।

মহাপুৰুষ শংকৰদেৱৰ আবিৰ্ভাৱৰ আগৰ পৰাই চলি আহিছিল, কাৰণ তেওঁ ধৰ্ম প্ৰচাৰৰ প্ৰথম অৱস্থাতে ওজাপালি অনুষ্ঠানৰ ভিতৰেদি তেওঁৰ পদ-পুথিবোৰৰ সাৰমৰ্ম লোকসমাজত জনাজাত কৰাইছিল। ওজাপালি উভয় পৰম্পৰাই ধৰ্মীয় প্ৰসঙ্গৰ লগত সংপৃক্ত। সৰ্বভাৰতীয় কথকতা পৰম্পৰাৰ পৰা যে ওজাপালিৰ উদ্ভৱ হৈছে তাত কোনো সন্দেহ নাই। অসমৰ সত্ৰসমূহতো ওজাপালিয়ে নিজৰ স্থান উলিয়াই ল'ব পাৰিছে। ওজাপালিয়েও গীত-নৃত্য আৰু বাদ্যযন্ত্ৰৰ সহায়ত বিষয়বস্তু আবৃত্তি কৰে। বৰ্তমান অসমৰ বিভিন্ন অঞ্চলত প্ৰতিষ্ঠিত যেনে দৰং, কামৰূপ, গোৱালপাৰা, বৰপেটাৰ কিছু অঞ্চলত এই ওজাপালি প্ৰচলন আছে। ■

সেইটোৱে হ'ল সুন্দৰ কলা সৃষ্টি— য'ত হাত, হৃদয় আৰু মগজুৰ সম্পূৰ্ণ সহযোগ পোৱা যায়। — জন ৰাস্কিন







# সোনোৱাল কছাৰীসকলৰ সাজ-পাৰ

**বিকিৰণ সোনোৱাল**
*তৃতীয় যাণ্মাসিক, সমাজতত্ত্ব বিভাগ*

অন্ন, বস্ত্ৰ আৰু বাসস্থান এই তিনিটাক কোৱা হয় মানুহৰ মৌলিক প্ৰয়োজনীয় সম্পদ। অৰ্থাৎ সভ্যতাৰ পোহৰে মানৱ সমাজক যেতিয়াৰে পৰা স্পৰ্শ কৰিলে তেতিয়া মানুহে উপলব্ধি কৰিলে যে জীয়াই থাকিবৰ বাবে মানুহক এই তিনিটা বস্তু অতি প্ৰয়োজন।

অসমৰ বিভিন্ন ঠাইত বিভিন্ন জাতি-জনগোষ্ঠীৰ লোকে বসবাস কৰে। প্ৰতিটো জাতি-জনগোষ্ঠীৰে নিজস্ব সাজপাৰ আছে। সাজপাৰেই সেই জনগোষ্ঠীটোৰ স্বকীয় বৈশিষ্ট্য বহন কৰে।

সোনোৱাল কছাৰী জনগোষ্ঠীৰ বৰ্তমান পৰিস্থিতি পৰ্যবেক্ষণ কৰা হয়, তেন্তে দেখা যায় যে জাতীয় সাজপাৰসমূহ যিদৰে পৰিধান কৰিব লাগিছিল ঠিক সেইদৰে পৰিধান কৰা দেখা নাযায়। কিছু সাজ আজি প্ৰায় লুপ্তপ্ৰায় হোৱা পৰিলক্ষিত হয়। জনগোষ্ঠীয় বৈশিষ্ট্য অটুট ৰাখিবলৈ হ'লে জাতীয় সাজপাৰসমূহৰ পুনৰ উদ্ধাৰ কৰিব লাগিব।

**সোনোৱাল কছাৰীসকলৰ সাজপাৰ পিন্ধন শৈলী ঃ**

এডোখৰ বস্ত্ৰই তেতিয়াহে মূল্য পায়, যেতিয়া এটা নিৰ্দিষ্ট সাজত গঢ় দি উপযুক্তভাৱে ব্যৱহাৰ কৰা হয়। বস্ত্ৰৰ লগত পিন্ধন শৈলীৰ এক নিবিড় সম্পৰ্ক আছে। গতিকে সোনোৱাল সমাজত পুৰুষ আৰু মহিলাই পৰিধান কৰা সাজপাৰৰ পিন্ধন শৈলী সম্পৰ্কে কিছু কথা তলত উল্লেখ কৰা হ'ল।

**পুৰুষৰ সাজপাৰ ঃ**

ক) পুৰুষসকলে প্ৰধানকৈ পূজা-পাৰ্বণত ধুতি-কামিজ, গামোচা আৰু চেলেং (বগা ৰঙৰ) ব্যৱহাৰ কৰে। হালধীয়া ৰঙৰ গামোচা বা সোনোৱালীখন কেৱল জাতীয় পৰিচয় দিবৰ বাবেহে ব্যৱহাৰ কৰে। সোনোৱালৰ গামোচাত দুয়োফালে ফুল নাথাকে আৰু দুয়োটা কাষে ৭ ডাল কৈ পুলি-ভঙা দিয়া হয়। গামোচাখনৰ দুটা আগক শিৱ-পাৰ্বতীৰ লগত তুলনা কৰা হয়। ফুল থকা আগটো শিৱ আৰু আনটো পাৰ্বতী হিচাপে ধৰা



হয়। গতিকে ফুল থকা আগটো সদায় পুৰুষে সোঁফালে ল'ব লাগে।

খ) গায়ন-বায়ন পৰিৱেশনৰ সময়ত ধুতি-কামিজ, ঘূৰি, কিংকিনী (বগা টঙালি) গামোচা আৰু মূৰত মথুৰা পাগ মাৰে।

গ) হায়দাং গীত পৰিৱেশন আৰু শাক্তমূলীয় পূজা-পাৰ্বণ কৰোঁতে পুৰুষসকলে মূৰত মথুৰা পাগ ব্যৱহাৰ কৰে। মথুৰা পাগৰ নেগুৰ থাকে। এই মথুৰা পাগ আজিকালি জাতিৰ চিনস্বৰূপে বিশিষ্ট অতিথিসকলক প্ৰদান কৰা দেখা যায়।

ঘ) চটিয়া চোলা হায়দাং গীত পৰিৱেশন কৰোঁতে ব্যৱহাৰ কৰা হয়।

ঙ) গাটোং চোলা লগবিহু পৰিৱেশন কৰোঁতে পৰিধান কৰা হয়। ইয়াৰ ওপৰি নিৰ্জায় চোলা নামৰ আন এক সাজ আছে যাৰ আজিও বহুল প্ৰচলন হোৱা দেখা নাযায়।

**সোনোৱাল কছাৰী মহিলাসকলৰ সাজপাৰ ঃ**

ক) মেখেলা, একাঠিয়া আৰু তকয়া ঃ জনজাতীয় মহিলাসকলৰ পিন্ধনশৈলীৰ প্ৰধান বৈশিষ্ট্য হৈছে বুকুত মেঠনি মৰা। জ্যেষ্ঠ মহিলাসকলে পূজা-পাৰ্বণত বিশেষকৈ বগা মেখেলা বুকুত পিন্ধি কঁকালত একাঠিয়া মাৰে। একাঠিয়া বগা আৰু যিকোনো ধৰণৰ ৰঙৰ পাৰি দিয়া পিন্ধিব পাৰে। পূজা-পাৰ্বণৰ বাহিৰেও ঘৰত সাধাৰণতে যিকোনো ৰঙৰ মেখেলা পিন্ধে যদিও একাঠিয়া বগা ৰঙৰহে দেখা যায়। ঠিক সেইদৰে ব্লাউজ পূজা-পাৰ্বণত বগা ৰঙৰ পিন্ধাৰ বাহিৰেও সাধাৰণতে যিকোনো ৰঙৰ পৰিধান কৰা দেখা যায়। প্ৰয়োজন সাপেক্ষে গাত বগা চেলেং চাদৰ পৰিধান কৰা হয়।

খ) ৰিহা মেখেলা ঃ ৰিহা-মেখেলা সাধাৰণতে গাভৰু আৰু বোৱাৰীসকলে পৰিধান কৰে। গাভৰুসকলে ৰিহা-মেখেলা পিন্ধিলে মূৰত টকয়া নেমাৰিলেও হয়। কাৰণ টকয়া বোৱাৰীসকলে জ্যেষ্ঠজনক সন্মান প্ৰদৰ্শন কৰিবৰ বাবেহে কৰা হয়। ৰিহাখন বুকুত মেঠনি মাৰে। কাৰণ মেঠনি মাৰিলে আচলতে নিজৰ জনজাতীয় পৰিচয় বহন কৰে।

গ) হালধীয়া গামোচাখনে জাতীয় পৰিচয় বহন কৰে। গতিকে মহিলাসকলে সেই গামোচাখন খোপাত ব্যৱহাৰ নকৰে। পূজা-পাৰ্বণৰ সময়ত বগা গামোচাৰে পূজা কৰিব লাগে; হালধীয়া গামোচা ল'ব নালাগে।

ঘ) সাধাৰণতে বহুলভাৱে প্ৰচলিত সাজবোৰ হৈছে মেখেলা-চাদৰ। কিন্তু মেখেলা চাদৰে সোনোৱালৰ স্বকীয় বৈশিষ্ট্য বুলি ধৰিব নোৱাৰে। গতিকে অন্য জনগোষ্ঠীৰ যদি কিবা অনুষ্ঠান হয় তেওঁলোকৰ সাজবোৰ দেখিয়েই ধৰিব পাৰি যিটো সোনোৱাল সমাজত হৈ উঠা নাই। তাৰবাবে প্ৰতিগৰাকী নাৰীয়ে জাতীয় দায়িত্ব হিচাপে উপলব্ধি কৰিবলৈ আগবাঢ়ি আহিব লাগিব কাৰণ নাৰীৰ হাতত সংস্কৃতি লুকাই থাকে। ■





# যুৱ উচ্ছৃংখলতা ঃ ইয়াৰ কাৰণ আৰু প্ৰতিকাৰ

**কল্পজ্যোতি গগৈ**
*পঞ্চম ষাণ্মাসিক, সমাজতত্ত্ব বিভাগ*

এখন দেশৰ সামগ্ৰিক উন্নয়নৰ মূল চালিকা শক্তি হ'ল যুৱ-সমাজ। সম্প্ৰতি যুৱশক্তিক কেন্দ্ৰ কৰি সমাজত গা কৰি উঠা এটা প্ৰধান সমস্যা যুৱ-উচ্ছৃংখলতাই ভয়াবহ ৰূপ পৰিগ্ৰহ কৰিছে। ঘাইকৈ ১৪/১৫ বছৰ বয়সৰ পৰা ২৫/৩০ বছৰৰ অনুৰ্দ্ধ, অবিবাহিত যুৱক-যুৱতীৰে যুৱ সমাজ গঠিত। পৰিৱেশ, পৰিস্থিতিৰ প্ৰতিকূলতাত ইয়াৰে এচাম যুৱক-যুৱতীয়ে আত্মনিয়ন্ত্ৰণ হেৰুৱাই পেলোৱাৰ ফলতেই সৃষ্টি হয় যুৱ-উচ্ছৃংখলতা। সাম্প্ৰতিক সমাজত ই এক সামাজিক ব্যাধি ৰূপে থিয় দিছে।

যুৱ মানসত কেৰোণ লাগিয়েই সৃষ্টি হয় উচ্ছৃংখলতা। কোনো উঠি অহা ডেকা-গাভৰুৱে স্ব-ইচ্ছাই উচ্ছৃংখল আচৰণ প্ৰদৰ্শন নকৰে। ইয়াৰ নেপথ্যত থাকে আন কিছু আনুষংগিক বিষয়। সেয়েহে সুস্থ যুৱ-মানসিকতাৰ বিপৰীতে উচ্ছৃংখল মানসিকতাক আঁকোৱালি লোৱাৰ বাবে পোনচাটেই যুৱ-সমাজক জগৰীয়া কৰিলে অন্যায় কৰা হ'ব। যুৱ-সমাজৰ এচাম বিপথে যোৱাৰ মূল কাৰণ বিচাৰিবলৈ গ'লে পৰিয়াল, সমাজ, ৰাজ্য তথা দেশৰ পাৰিপাৰ্শ্বিক অৱস্থাৰ কথা আহি পৰে। এটি সন্তানে শৈশৱৰে পৰা পৰিয়ালৰ সদস্যসকলক অনুকৰণ কৰিয়ে নিজৰ আচৰণ গঢ়ি তোলে গতিকে পৰিয়ালেই হ'ল প্ৰথম শিক্ষানুষ্ঠান, য'ত সন্তানে নিৰাপদে জীৱন নিৰ্বাহ কৰি নিজৰ আচৰণ গঢ়ি তুলিব পাৰে। সেইবাবেই কোৱা হয় যে, 'পিতৃ চাই পুত্ৰ' অথবা 'মাক চাই জীয়েক' আদি প্ৰবচনে সন্তানে মাক-দেউতাকক অনুকৰণ কৰাটোকে বুজায়। সম্প্ৰতি যৌথ পৰিয়ালৰ সলনি একক পৰিয়ালৰ সীমাবদ্ধতাৰ মাজত এটি শিশুৱে শৈশৱৰে পৰা যৌৱনৰ দুৱাৰ ডলিত ভৰি দিয়ালৈকে যি শিক্ষা গ্ৰহণ কৰে সিয়েই হৈ পৰে ভৱিষ্যতৰ প্ৰাথমিক বুনিয়াদ। সম্প্ৰতি একক পৰিয়ালৰ সীমাবদ্ধতাৰ মাজত এটি শিশুৱে কেৱল পিতৃ-মাতৃৰ দ্বাৰাই সামাজিকৰণৰ শিক্ষা লাভ কৰে। যাৰ ফলত সামাজিকীকৰণৰ শিক্ষা হৈ পৰে সীমাবদ্ধ; পিতৃ-মাতৃৰ কৰ্ম-সংস্থাপনৰ ফলত পিতৃ-মাতৃৰ অনুপস্থিতিত শিশুৰ অকলশৰীয়া মনোভাব গঢ় লয়।

সাম্প্ৰতিক সমাজত কিশোৰ-কিশোৰী তথা কম বয়সীয়া যুৱক-যুৱতীক বিনা দ্বিধাই ভোগ সৰ্বস্ব জীৱনৰ সহজে পথ দেখুৱাই দিয়াৰ বাবে প্ৰথম জগৰীয়া পিতৃ-মাতৃ, অভিভাৱকসকল। সাম্প্ৰতিক সমাজ মানেই বন্ধনহীন, উন্মুক্ত সমাজ, এনে এখন সমাজত অভিভাৱকৰ সময়োপযোগী নিয়ন্ত্ৰণ অবিহনে যুৱ-মানসৰ উচ্ছৃংখলতাৰ সৃষ্টি হোৱাটো অৱশ্যম্ভাৱী। কিমান সময়ত, কি পৰিস্থিতিত, কিমান বয়সত কি ধৰণৰ প্ৰয়োজনীয়তা আছে তাৰ প্ৰতি অভিভাৱকৰ দৃষ্টি প্ৰসৰ হ'ব লাগে। টেলিভিচন যোগে প্ৰচাৰিত বিভিন্ন দেশী-বিদেশী চেনেলসমূহৰ কোন কেইটা জ্ঞানবৰ্দ্ধক আৰু দৰ্শনৰ উপযোগী সেয়া সৰুতে শিশুক নিৰ্ধাৰণ কৰি দিয়াটো অভিভাৱকৰ কৰ্তব্য। তাৰ বিপৰীতে ৰিম'ট হাতত তুলি দি হকে-বিহকে চেনেলৰ অনুষ্ঠান চোৱাৰ সুযোগ দিয়া, ইণ্টাৰনেটত জ্ঞান-বিজ্ঞানৰ বতৰা

লোৱাৰ সলনি নেতিবাচক কাম কৰাৰ বাট মুকলি কৰি দিয়া লোকে এই সমাজত বিৰল নহয়। বৰ্তমান গোলকীয়কৰণৰ যুগত মুক্ত অৰ্থনীতিৰ গইনা লৈ ভাৰতত প্ৰৱেশ কৰা পশ্চিমীয়া সংস্কৃতিয়ে গাঁও-ভূঁই, নগৰ-চহৰ সৰ্বত্ৰ গ্ৰাস কৰি আহিছে। এসময়ত ৰেডিঅ'টোকে বাপতি-সাহোন ৰূপে লৈ দেশৰবা-বাতৰি সমজুৱাভাৱে লোৱাৰ দিন এতিয়া উকলিল। চিডি, ভিচিডিৰ অবৈধ কেছেটৰ ৰমৰমীয়া ব্যৱসায় চলিল। দেশৰ বা-বাতৰিৰ লগতে যিকোনো ধৰণৰ ঘটনাৰ খবৰ মানুহে হাতে হাতে পাব পৰা হ'ল। জাতীয় উৎসৱ বিহু, তিথি, অন্যান্য উৎসৱ-পাৰ্বণৰ নামত এচলু পানী দি ৰংচঙীয়া পাশ্চাত্যৰ জীৱনাদৰ্শক আঁকোৱালি ল'বলৈ যেতিয়াই সমাজৰ অগ্ৰণী এচাম ওলাই আহিল তেতিয়া আৰু যুৱ-সমাজৰ ভৱিষ্যত হিচাপে একো বাকী নাথাকিল। অনুশালনহীনতাই যুৱ-সমাজত উচ্ছৃংখলতাৰ বীজ ৰোপণ কৰাত ইন্ধন যোগায়। অভিজাত পিতৃৰ ধনেৰে যেতিয়া যুৱ-সমাজৰে কোনো কোনোৱে বিলাসিতাপূৰ্ণ গাড়ী, বাইকত উঠি হাতে হাতে ম'বাইল ফ'ন লৈ পঢ়াৰ নামত ৰেগিং, ইংৰাজী গীত-নৃত্যত অশালীন নৃত্য পৰিৱেশন আদিবোৰ পৰম্পৰা হৈ উঠিছে আৰু যিয়ে সহপাঠী বা অন্যান্য পথৰুৱাক মানসিকভাৱে ভাৰাক্ৰান্ত কৰে, তেতিয়া সমাজৰ কেইজন আগবাঢ়ি আহে সিও বিচাৰ্যৰ বিষয়।

যুৱ উচ্ছৃংখলতাৰ অন্য এক কাৰণ হ'ল নিচাযুক্ত দ্ৰব্য। মদ, ভাং, কানি, ব্ৰাউন চুগাৰ, হিৰ'ইন আদি নিচাযুক্ত ড্ৰাগছ সেৱন কৰি আজি বহু উঠি অহা যুৱকে সমাজলৈ বিষ কঢ়িয়াই অনা স'ততে পৰিলক্ষিত হৈছে। ভোগসৰ্বস্ব বস্তুবাদী সমাজৰ স'তে ফেৰ মাৰিবলৈ এচাম যুৱক-যুৱতী সহজে বলি হয় এনে মাৰাত্মক বৰবিহৰ। এই বৰবিহ হাঁহি মুখে গলাধঃকৰণ কৰি লাভ কৰা সাময়িক তৃপ্তিৰ পাৰ্শ্বক্ৰিয়া কিন্তু ব্যক্তি তথা সমাজৰ বাবে অতি বিষময়। এনে নিচাযুক্ত দ্ৰব্যৰ পৰা যুৱ-সমাজক আঁতৰাই ৰাখিব নোৱাৰিলে সমাজলৈ আচৰিত বিভীষিকা নামি অহাৰ সম্ভাৱনীয়তাক কোনেও নুইকৰিব নোৱাৰে। নাৰীৰ অশালীন সাজ-পোছাক পৰিধান, সস্তীয়া আলোচনী, গ্ৰন্থাদি, যৌনগন্ধী চিনেমা, বাটে-ঘাটে, কাকতে পত্ৰই প্ৰকাশিত দৃষ্টিকটু বিজ্ঞাপন আদিও যুৱ-উচ্ছৃংখলতাৰ পৰোক্ষ কাৰক। দৈনিক কাকত, টিভিৰ প্ৰথম প্ৰধান বাতৰি হিচাপে কেৱল ধৰ্ষণ, বলাৎকাৰ আদি শব্দ বা পৰিঘটনাৰ বৰ্ণনাই কিশোৰ-কিশোৰীৰ অনুসন্ধিৎসু মনত কেনে প্ৰভাৱ পেলাব পাৰে সেয়া সকলোৰে বাবে সহজে অনুমেয়। যোৱা দুটা দশকৰ পৰা যুৱ সমাজৰ মাজত সঘনাই উচ্ছৃংখলতাই খোপনি পোতাৰ মানসিকতা গঢ়ি উঠিছে যাক লৈ সমাজত আলোড়নৰ সৃষ্টি হৈছে। আজি সমাজৰ এনে এডোখৰ নিৰাপদ ঠাই নাই য'ত এই 'যুৱ-উচ্ছৃংখলতা' শব্দটোৱে খোপনি পোতা নাই। শিক্ষানুষ্ঠান, সাংস্কৃতিক মঞ্চ, খেল-পথাৰ, চিনেমা-গৃহ, পাৰ্ক আদি আমোদ-প্ৰমোদৰ ঠাইসকলোতে চকুত পৰে এচাম যুৱক-যুৱতীৰ উচ্ছৃংখল আচৰণ।

সম্প্ৰতি শিক্ষাগত অৰ্হতা থকা সত্ত্বেও উপযুক্ত সংস্থাপনৰ অভাৱত দেখা দিয়া নিবনুৱা সমস্যাই যুৱ-প্ৰজন্মক হতাশগ্ৰস্ত কৰি তুলিছে। আমাৰ প্ৰচলিত উচ্চতৰ মাধ্যমিক, স্নাতক তথা স্নাতকোত্তৰ পাঠ্যক্ৰমৰ বিষয়বস্তু তথা পৰীক্ষা পদ্ধতি অন্যান্য প্ৰতিযোগিতামূলক পৰীক্ষাৰ উপযোগীকৈ প্ৰস্তুত নোহোৱাৰ বাবে বহু মেধা যুৱক-যুৱতীয়ে প্ৰাপ্য কৰ্মসংস্থাপনৰ পৰা বঞ্চিত হৈ আহিছে। স্নাতক বা স্নাতকোত্তৰ ডিগ্ৰী লোৱাৰ পাছতো চাকৰিহীন জীৱন এটা কটাবলৈ যাওঁতে বিৰক্ত হৈ এটা সময়ত স্ব-নিৰ্ভৰশীলতাৰ নামত বাট এৰি অবাটে যোৱা যুৱক-যুৱতীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। আমাৰ উচ্চ শিক্ষা পদ্ধতিত কেৱল পুথিগত পাঠ্যক্ৰম সন্নিবিষ্ট হোৱাৰ বাবে চাকৰিমুখী সেৱাৰ বাহিৰে হাতে-কামে ধন উপাৰ্জন কৰাৰ পথ বন্ধ; যাৰ ফলত একেঘেয়ামি শিক্ষাকে গ্ৰহণ কৰিবলগীয়া হয়।

'দেশৰ ভৱিষ্যত যুৱ-প্ৰজন্মৰ হাতত' — বুলি ক'লেইনহ'ব, বৰং তেওঁলোকক সঠিক দিক্ দৰ্শন কৰাটোহে হ'ব অগ্ৰজসকলৰ প্ৰধান কৰ্তব্য। যুৱ-সমাজক সু-পথত পৰিচালিত কৰিবলৈ হ'লে প্ৰাথমিক শিক্ষাৰ পৰ্যায়ৰ পৰা নিয়মানুৱৰ্তিতা, অনুশাসন, যোগৰ অভ্যাসেৰে সংযম আয়ত্ত কৰাৰ কৌশল শিকালে নিশ্চয় সুফল পোৱা যাব। মাধ্যমিক শিক্ষা পদ্ধতিত আধ্যত্মিক শিক্ষাৰ ব্যৱস্থা কৰিলে ভোগবাদী চিন্তাধাৰাৰ পৰিৱৰ্তে এক সু শৃংখলিত আদৰ্শ গঢ়লৈ উঠিব। এনে শিক্ষা গ্ৰহণ কৰা কিশোৰ-কিশোৰীয়ে যৌৱনৰ সোণোৱালী দিনবোৰত নিজকে সৎ ব্যক্তিৰূপে সমাজত থিয় কৰাবলৈহে দৃঢ় সংকল্পবদ্ধ হ'ব। যুৱ-উচ্ছৃংখলতাই ব্যক্তিগতভাৱে ক্ষতি কৰাৰ উপৰিও, সমাজ, অৰ্থনীতি, ৰাজনীতি আদি সকলো দিশতে ঋণাত্মক প্ৰভাৱ পেলায়। এনে এক অশুভ আচৰণক ৰোধ কৰাৰ প্ৰথম উপায় হ'ল যুৱ-শক্তিক সদা সৎ কৰ্ম, সৎ চিন্তাত প্ৰৱিষ্ট কৰি ৰখা। ইয়াৰ বাবে প্ৰথমে নিজে বিবেকৰ দ্বাৰা পৰিচালিত হ'ব লাগিব। দ্বিতীয়তে পিতৃ-মাতৃ, সমাজৰ অগ্ৰণী লোক, শিক্ষক আৰু চৰকাৰো সদা সচেষ্ট হ'ব লাগিব। ঘৰুৱা পৰিৱেশ লাগিব আধ্যাত্মিকসম্পন্ন, সুস্থ আৰু নিৰস। বিদ্যালয়ত পুথিগত অধ্যয়নৰ উপৰিও খেলা-ধূলা, নৃত্য, সংগীত, চিত্ৰকলাৰ দৰে সুকুমাৰ শিল্পৰ চৰ্চা, জ্ঞানৰ পৰিসৰ বৃদ্ধিৰ বাবে কিতাপ পঢ়াৰ অভ্যাস কৰা, সৃষ্টিশীল কৰ্মত ছাত্ৰ-ছাত্ৰীক নিয়োগ কৰি সৃজনীশীল প্ৰতিভাৰ স্ফুৰণ ঘটোৱা, ভ্ৰমণৰ জৰিয়তে দেশ-জাতি-মানুহৰ হৃদয়ৰ বতৰা লোৱা, জ্ঞানৰ প্ৰতি দয়াশীল হ'বৰ বাবে উদ্গনি যোগোৱা, ছাত্ৰ-জীৱনৰ পথ সঠিকভাৱে নিৰূপণ কৰি লোৱাত দিগ্‌দৰ্শী হোৱা বিষয়বোৰ সন্নিবিষ্ট হ'লে যুৱ-মানসিকতাৰ কেতিয়াও স্খলন হ'ব নোৱাৰে। তদুপৰি আৱেগক সংযত কৰি ৰখাৰ অভ্যাসো এই বয়সতে গঢ়ি তুলিবলৈ লাগিব।

কৰ্মহীনতাই মনলৈ আলস্য ভাব আনে; এনে ক্ষেত্ৰত কেৱল চাকৰিমুখী নহৈ শিক্ষা, বাণিজ্যত মনোনিৱেশ কৰিলে যুৱক-যুৱতীৰ হাতলৈ সৎপথেৰে অৰ্জা ধনো আহিব, অভাৱো আঁতৰিব। সমাজৰ বুদ্ধিজীৱীসকলেও আগভাগ লৈ দেশ তথা জাতিৰ ভৱিষ্যত প্ৰজন্মক দিক্‌দৰ্শন কৰি উচ্ছৃংখলতা ৰোধ কৰিবলৈ ওলাই আহক; কিয়নো যুৱ মানসত এবাৰ উচ্ছৃংখলতাই খোপনি পুতিলে জাতি তথা দেশৰ অধঃপতন অনিবাৰ্য। ■







# HIV আৰু সজাগতা

**পল্লৱী ওৰাং**
*পঞ্চম ষাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ*

বৰ্তমান বিশ্বৰ আটাইতকৈ ভয়াবহ আৰু চিন্তনীয় বিষয়টো হৈছে এইড্‌ছ। ইয়াৰ সম্পূৰ্ণ নাম হৈছে — একুৱাৰ্ড ইমিন'ডেফিছিয়েন্সি ছিনড্ৰম (Human immunodeficiency virus infection and acquired immune deficiency syndrome (HIV/AIDS)) অৰ্থাৎ দেহত ৰোগ প্ৰতিৰোধৰ ক্ষমতাৰ অভাৱ। এইচ. আই. ভি. ভাইৰাছৰ আক্ৰমণৰ ফলত এই ৰোগৰ সৃষ্টি হয়।

মানুহৰ দেহত ৰোগ প্ৰতিৰোধৰ ক্ষমতা সৃষ্টিকাৰী এবিধ কোষ আছে। এইচ.আই.ভি. ভাইৰাছে এই কোষ বিধক আক্ৰমণ কৰে। আক্ৰমণৰ ফলত দেহত ৰোগ প্ৰতিৰোধৰ ক্ষমতা লোপ পাবলৈ ধৰে। লাহে লাহে এই ক্ষমতা লোপ হৈ সময়ত সম্পূৰ্ণভাৱে দেহৰ ৰোগ প্ৰতিৰোধৰ ক্ষমতা নোহোৱা হৈ পৰে। এজন মানুহৰ পৰা বিভিন্ন কাৰণত আন মানুহলৈ এই ৰোগ বিয়পিব পাৰে। এইডছ্ আক্ৰান্ত পুৰুষ বা মহিলাৰ সম্পৰ্কৰ ফলত ইজনৰ পৰা সিজনৰ গালৈ এই ভাইৰাছ বিয়পিব পাৰে। এইডছ্ ৰোগৰ দ্বাৰা আক্ৰান্ত এজন ৰোগীয়ে ব্যৱহাৰ কৰা বেজী আদি আন সুস্থ মানুহৰ গাত সুমুৱাই দিয়া হয়, তেতিয়া সুস্থ মানুহজনৰ গালৈ এই ৰোগ বিয়পিব পাৰে। এইডছ্ ভাইৰাছৰ আক্ৰান্ত ৰোগীগৰাকীৰ তেজ আদি বেলেগ এজন নিৰোগী ব্যক্তিৰ দেহত সঞ্চাৰণ কৰা হয় তেতিয়া হ'লে নিৰোগী ব্যক্তিগৰাকী এই বেমাৰৰ বলি হ'বলগীয়া হ'ব। এইডছ্ আক্ৰান্ত গৰ্ভৱতী মাতৃৰ গৰ্ভত এই ভাইৰাছে সন্তানৰ গালৈ বিয়পাব পাৰে। তদুপৰি তেনে মাতৃৰ গাখীৰৰ জৰিয়তেও এই ভাইৰাছ বিয়পিব পাৰে।

এইডছ ৰোগৰ বীজাণুৱে আক্ৰমণ কৰাৰ বহু দিনৰ পাছলৈকে শৰীৰত কোনোধৰণৰ লক্ষণে দেখা নিদিব পাৰে। সাধাৰণতে আক্ৰমণৰ ৮/১০ বছৰ পাছতহে ইয়াৰ লক্ষণবোৰ দেখা দিব পাৰে। শৰীৰৰ ৰোগ প্ৰতিৰোধ ক্ষমতা নাইকিয়া হোৱাৰ ফলত ৰোগীজন নানা ধৰণৰ বীজাণুৰ দ্বাৰা আক্ৰান্ত হয়। এই সময়ছোৱাত তেওঁৰ শৰীৰৰ ওজন কমি যায় আৰু তেওঁ অতি দুৰ্বল হৈ পৰে। এনেদৰে দুৰ্বল হৈ পৰা ৰোগীজন বীজাণু আক্ৰমণৰ ফলত মৃত্যুৰ মুখত পৰে। এইডছ্ ৰোগৰ কোনো চিকিৎসা বা প্ৰতিকাৰ আৱিষ্কাৰ হোৱা নাই যদিও সমগ্ৰ পৃথিৱীৰ চিকিৎসা বিজ্ঞানীসকলে এই দিশত গৱেষণা কৰি আছে। এইৰোগ নিৰ্ণয়ৰ বাবে বৈজ্ঞানিক পৰীক্ষা পদ্ধতি উলিওৱা হৈছে। 'এলিজা' আৰু 'ৱেষ্টাৰ্ণ বুট' নামৰ পৰীক্ষা পদ্ধতিৰ দ্বাৰা ইয়াক চিনাক্তকৰণ কৰা হয়। এই ভাইৰাছটো ধ্বংস কৰিবলৈ কিছুমান ঔষধ যেনে— এবিজ হাইমিউন আৰু TIAS আদি ব্যৱহাৰ কৰা হয়।




নিৰাময়ৰ উপায় নথকা এইডছ্ৰ ৰোগৰ প্ৰতিকাৰ হ'ল এইৰোগৰ বিষয়ে শিক্ষা আৰু সচেতনতা। ড্ৰাগছ সেৱনৰ বিৰুদ্ধে অভিযান, অবৈধ যৌন সম্পৰ্কৰ বিৰুদ্ধে সজাগতা কৰা এই ৰোগ প্ৰতিৰোধক ব্যৱস্থা কৰা আদি সম্পৰ্কে শিক্ষা, ৰক্তদান ক্ষেত্ৰত ল'বলগীয়া সাৱধানতা হোৱা উচিত।

পিতৃ-মাতৃয়ে নিজৰ সন্তানৰ আগত এইডছ্ৰ ভয়াবহতা ল'ব লগা সাৱধনতাৰ আদিৰ বিষয়ে তথা এইডছ্ৰ বিষয়ে বিতংভাৱে আলোচনা কৰিব লাগে। লগতে স্কুলীয়া ল'ৰা-ছোৱালীৰ মাজত 'এইডছ্' বিষয়ৰ ওপৰত সজাগতা সভা অনুষ্ঠিত কৰি ইয়াৰ ভয়াবহতাৰ বিষয়ে তেওঁলোকক অৱগত কৰোৱাই তেওঁলোকক সজাগ কৰি তুলিব লাগে। উঠি অহা নৱপ্ৰজন্মক এইদৰে শিক্ষা দি ইয়াৰ পৰা বিৰত ৰাখিব পাৰি। আমাৰ দেশত স্কুল-কলেজ আদিৰ লগতে জনসাধাৰণৰ মাজত প্ৰচাৰ অভিযানৰ দ্বাৰা এনে ৰোগৰ বিষয়ে সচেতনতা গঢ়ি তুলিব পাৰি। এই উদ্দেশ্যৰে প্ৰতি বছৰৰ ডিচেম্বৰৰ দুই তাৰিখে 'বিশ্ব এইডছ্ দিৱস' পালন কৰা হয়।

মুঠতে এইডছ্ ৰোগৰ একমাত্ৰ প্ৰতিকাৰেই হৈছে সজাগতা। মানুহৰ মাজত সচেতনতা আনিব নোৱাৰিলে এই ৰোগৰ পৰা দেশখনক মুক্ত কৰিব পৰা নাযাব। পৃথিৱীৰ সকলো মানুহৰে HIV ৰোগ সম্পৰ্কীয় সজাগতা থাকিব লাগে তেতিয়াহে আমি এখন এইডছ মুক্ত দেশ গঢ়িব পাৰিম। ■

No one can saved without self-knowledge – St. Bernard of Clairoaux







# অন্ধবিশ্বাস

**হেমাশ্ৰী গগৈ**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

লোকবিশ্বাসৰ মাজত লোকজীৱনৰ স্বৰূপ বা মনস্তাত্ত্বিক দিশৰ প্ৰতিফলন ঘটে। পৰম্পৰাগতভাৱে চলি অহা লোকবিশ্বাসসমূহৰ আধাৰতে লোকসংস্কৃতি গঢ় লৈ উঠিছে বুলিব পাৰি। লোকবিশ্বাস আৰু অন্ধবিশ্বাসে সমান্তৰালভাৱে গঢ় লয়। সাধাৰণতে যিবিলাক কাৰ্যৰ কোনো বিজ্ঞানসন্মত ভিত্তি, যুক্তিপূৰ্ণ অৰ্থ নাই; মাত্ৰ যুগ যুগ ধৰি পৰম্পৰাগতভাৱে চলি অহাৰ বাবেই মানি চলা হয়; সেইবিলাক হৈছে লোকবিশ্বাস।

অন্ধবিশ্বাস সম্পৰ্কে ভালদৰে বিশ্লেষণ কৰিলে দেখা যায় যে অন্ধবিশ্বাসে অসমৰ বিশেষকৈ গাঁৱলীয়া সমাজত গুৰুত্ব লাভ কৰি আহিছে আৰু বৰ্তমান সময়তো যে ইয়াৰ গুৰুত্ব লাভ কৰি আহিছে আৰু বৰ্তমান সময়তো যে ইয়াৰ গুৰুত্ব কম হোৱা নাই এই কথাক সম্পূৰ্ণৰূপে উপেক্ষা কৰিব নোৱাৰি। যদিও দুই এজন বিশিষ্ট লেখকৰ কলমে অন্ধবিশ্বাসৰ বিৰুদ্ধে যুক্তি সহকাৰে মত দাঙি ধৰিছে তথাপি সমাজ জীৱনত ইয়াৰ বৰ এটা প্ৰভাৱ পৰা দেখা নাযায়। এই প্ৰৱন্ধটিত বিশেষকৈ গাঁৱলীয়া সমাজত অন্ধবিশ্বাস সম্পৰ্কে কিছু কথা আলোচনা কৰিবলৈ লোৱা হৈছে। কিন্তু চহৰ অঞ্চলত যে অন্ধবিশ্বাসৰ প্ৰভাৱ কমে, তেনে নহয়।

অন্ধবিশ্বাস হ'ল এক প্ৰকাৰৰ ভয়। এই ভয়ৰ বাবেই মানৱ জীৱনৰ একাঁ-বেঁকা বাটত বাট বোলোতে সন্মুখীন হোৱা সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ উপায় হিচাপে পানীত কক্বকাই থকাজনে খেৰ-কুটাডালকে আশ্ৰয় হিচাপে গণ্য কৰাৰ দৰে কিছুমান নীতি-নিয়মক সমাজত আকোঁৱালি লয় আৰু পৰ্যায়ক্ৰমে সেই নীতি-নিয়মবোৰকে ৰীতিত পৰিণত কৰা যেন অনুমান হয়। কালক্ৰমত প্ৰচলিত এই নীতি-নিয়মক সমাজে এনে এটা উচ্চ স্থান দিয়ে যে তাক উলাই কৰি চলিব নোৱাৰা হয়।

অসমৰ ভিতৰুৱা অঞ্চলত এতিয়াও ৰোগাক্ৰান্ত ৰোগীক সুস্থ কৰিবৰ বাবে চিকিৎসালয়লৈ নিয়াৰ পৰিৱৰ্তে বেদ-মন্ত্ৰ পাঠ কৰা, বেজ বা ওজাৰ ওচৰলৈ নিয়া হয়, বসন্ত দেখা দিলে আই নামত টোপোলা বন্ধা, অপদেৱতাৰ নামত আইথানত শৰাই আগবঢ়োৱা, গোঁসাই ঘৰত চাকি দিয়া আদি কাৰ্যত গুৰুত্ব দিয়াটো নিত্য-নৈমিত্তিক ঘটনাৰূপে দেখা যায়। মৃত্যুশৰ্যাত থকা লোকজনক চিকিৎসালয়লৈ নিনি ঘৰতে গীতা-ভাগৱত পাঠ কৰিলে কোনো দৈৱ শক্তিয়ে আহি তেওঁক সুস্থ কৰি তুলিব পাৰে বুলি বিশ্বাস কৰে আৰু দৈৱক্ৰমে যদি কোনোজনে



সাময়িক আৰোগ্য লাভ কৰে তেতিয়া তাকে বিৰল উদাহৰণস্বৰূপে দাঙি ধৰি অন্ধবিশ্বাসৰ গভীৰৰ পৰা গভীৰতালৈ সোমাই পৰে।

এটা যুগৰ অন্ধবিশ্বাস আন এটা যুগৰ পৰম্পৰা হয়। তেনে এটা পৰম্পৰা হ'ল বলি প্ৰথা। দুৰ্গাপূজাৰ সময়ত বলি প্ৰথাক লৈ বহু বিতৰ্ক হৈ আহিছে। সহজ-সৰল গাঁৱলীয়া ৰাইজে বেদৰ বিধান মতে বা কিছুমান ধুৰন্ধৰ বেজ বা বাবাৰ কথা মানি অন্য এটি নিষ্পাপ নিদোষী প্ৰাণীৰ প্ৰাণৰ বিনিময়ত আত্মীয়জনৰ সুখ-শান্তিৰ ভিক্ষা কৰে। ক'বলৈ গ'লে একপ্ৰকাৰে ভগৱানক ঘোচ দিয়ে। বোলো 'হে ভগৱান ... মই আপোনালৈ এই প্ৰাণীৰ শিৰ দান কৰিছোঁ, বিনিময়ত মোৰ সকলো অপায়-অমঙ্গল দূৰ কৰি দিয়ক।" কিন্তু দূৰ্বল নিৰ্দোষী প্ৰাণী এটি ধৰি বান্ধি গোঁসানীৰ আগত বলি দি পৰিয়ালৰ কুশল আৰু উন্নতিৰ বাবে প্ৰাৰ্থনা কৰাতো বলীয়ে দুৰ্বলৰ ওপৰত কৰা অত্যাচাৰৰ বাদে আন একো নহয়। বিজ্ঞানে চূড়ান্ত শীৰ্ষত অৱতীৰ্ণ হৈ মানুহৰ বিভিন্ন অযুক্তিকৰ, অন্ধবিশ্বাসৰ বিৰুদ্ধে থিয় হৈ মিছা বুলি প্ৰতিপন্ন কৰাৰ পিছতো বহুতো অযুক্তিকৰ কাৰ্য সমাজত নীতি-নিয়ম ৰূপেই বৰ্তি আছে। বিজ্ঞানৰ যুগৰ মানুহ বুলি সকলোৱে গৌৰৱ কৰে আৰু আনফালে অন্ধবিশ্বাসৰ বলি হৈ জীৱ শ্ৰেষ্ঠ মানুহে বলীয়ে দুৰ্বলীৰ ওপৰত অত্যাচাৰ কৰে। ইয়াতকৈ লজ্জাজনক বিষয় আৰু কিবা হ'ব পাৰেনে!

দৈৱজ্ঞ-জ্যোতিষী আৰু বেজ-ওজা আদিয়ে দিয় নিৰ্দেশ বাৰু কিমানজনে আওকাণ কৰে? এশজনৰ ভিতৰত হয়তো এজনহে। জ্যোতিষীয়ে কিছুমান অযুক্তিকৰ, অযথা বিধান দি তাবিজ, মাদুলি-কৱচ, দহটা আঙুলিত এঘাৰটা আঙুঠি পিন্ধিলে সু-ফল পাব বুলি কোৱা কথাত সহজ সৰললোকে ভোল গৈ ৰোগ নিৰাময়ৰ বাবেই হওক বা বিভি অমঙ্গল দূৰ কৰিবৰ বাবেই হওক এইবোৰ ধাৰণ কৰে। পিছে ধাৰণ কৰাৰ পাছত সু-ফল পাইছেনে নাই সেয়া বিচাৰ কৰিবলৈ কাৰো সময় নাথাকে। এইবোৰৰ সুযোগ লৈয়ে বেজ বা বাবাবোৰে ঠগবাজি কৰি এটা লাভজনক ব্যৱসায় চলাই থাকে।

উল্লেখ বিষয় যে, প্ৰতিনিয়ত কাকত, সংবাদ মাধ্যম যোগেদি কু-সংস্কাৰ আৰু অন্ধবিশ্বাসৰ বিষয়ে প্ৰকাশ পা থাকে। ডাইনী হত্যাৰ দৰে লোমহৰ্ষক ঘটনাই অতীজৰে পৰা সমাজত প্ৰভাৱ বিস্তাৰ কৰি আছে। ডাইনী হত্যা কু-সংস্কা আৰু অন্ধবিশ্বাসৰ ফল। দুৰ্ভাগ্যজনক কথা এয়াই যে কেৱ অশিক্ষিত লোকেই এনে কথা বিশ্বাস নকৰে, বহুতো শিক্ষি লোকেও এই জঘন্য কাৰ্যক সমৰ্থন কৰা পৰিলক্ষিত হয়।







## উত্তৰ-পূব ভাৰতৰ সমাজ

**দিপশিখা সন্দিকৈ**
*পঞ্চম ষাণ্মাষিক, সমাজ বিজ্ঞান বিভাগ*

ভাৰতবৰ্ষৰ একেবাৰে পূবপ্ৰান্তত অৱস্থিত আৰু একাধিক বিদেশী ৰাষ্ট্ৰৰে পৰিবেষ্টিত ভূমিখণ্ডক উত্তৰ-পূব ভাৰত বুলি জনা যায়। উত্তৰ-পূৱ ভাৰত মূলতঃ সাতখন ৰাজ্যৰ সমষ্টি, ৰাজ্য কেইখন হ'ল— অসম, অৰুণাচল প্ৰদেশ, মেঘালয়, মিজোৰাম, মণিপুৰ, নাগালেণ্ড আৰু ত্ৰিপুৰা, অৱশ্যে ২০০২ চনৰ পৰা চিকিমকো উত্তৰ-পূব ভাৰতত অন্তৰ্ভুক্ত কৰাত বৰ্তমান উত্তৰ-পূবত মুঠ ৰাজ্যৰ পৰিমাণ আঠখন হৈছেগৈ।

উত্তৰ-পূব ভাৰতৰ অৱধাৰণাটোৰ উৎপত্তি হয় বিট্ৰিছৰ ৰাজত্বৰ সময়ৰ পৰা। উক্ত সময়ত উত্তৰ-পূব ভাৰতৰ প্ৰশাসন ব্যৱস্থা বেংগল প্ৰদেশৰ অন্তৰ্ভুক্ত আছিল। ১৮৭৪ চনত বিট্ৰিছ ভাৰতত অসম ৰাজ্যৰ সুকীয়া অস্তিত্ব প্ৰতিষ্ঠা হয়। দেশে স্বাধীনতা লাভ কৰাৰ পাছত অসম, ৰাজতান্ত্ৰিক মণিপুৰ আৰু ত্ৰিপুৰাকলৈ উত্তৰ-পূৱ ভাৰতৰ ৰূপ প্ৰদান কৰা হয়। পৰৱৰ্তী সময়ত অসমৰ পৰা আঁতৰি গৈ পৃথক অস্তিত্বৰে ১৯৬৩ চনত নাগালেণ্ড, ১৯৭২ চনত মেঘালয়, ১৯৭৫ চনত অৰুণাচল প্ৰদেশ আৰু ১৯৮৭ চনত মিজোৰামে জন্ম লাভ কৰে। ১৯৭৫ চনৰ পৰা ভাৰতৰ অঙ্গৰাজ্যত পৰিণত হোৱা চিকিমক ২০০২ চনত উত্তৰ-পূৱ ভাৰতত অন্তৰ্ভুক্ত কৰা হয়। বিট্ৰিছ ৰাজত্বৰ সময়ৰ পৰা অসমৰ ৰাজধানী আছিল চিলং। স্বাধীনতাৰ পৰৱৰ্তী কালতো ১৯৭২ চনলৈকে অসমৰ ৰাজধানী হিচাপে আছিল, কিন্তু ১৯৭২ চনত পৃথক মেঘালয় ৰাজ্য প্ৰতিষ্ঠা হোৱাত অসমৰ ৰাজধানী দিছপুৰলৈ স্থানান্তৰিত কৰা হয় আৰু চিলঙে মেঘালয়ৰ ৰাজধানী হিচাপে নতুন পৰিচয় লাভ কৰে।

উত্তৰ-পূব ভাৰতৰ এক অতি তাৎপৰ্যপূৰ্ণ দিশ হ'ল ই ভাৰতবৰ্ষৰ মূল ভূখণ্ডৰ স'তে বাংলাদেশ আৰু নেপালেৰে পৰিবেষ্টিত মাথোন ২০ কিলোমিটাৰ প্ৰস্থৰ এক ভূখণ্ড (Chicken Neck)ৰ জৰিয়তেহে সংযোগ হৈ আছে। অঞ্চলটোৰ মুঠ সীমাৰ প্ৰায় ২০০০ কিলোমিটাৰ সীমা ভূটান, চীন, বাংলাদেশ আৰু ম্যানমাৰ এইকেইখন বিদেশী ৰাষ্ট্ৰৰ দ্বাৰা পৰিবেষ্টিত হৈ

আছে। মাটিকালিৰ পৰিমাণ অৰুণাচল প্ৰদেশ ৮৩,৭৪৩ বৰ্গকিলোমিটাৰ, অসম ৭৮,৪৩৯ বৰ্গ কিলোমিটাৰ, মণিপুৰ ২২,৩২৭ বৰ্গ কিলোমিটাৰ, ত্ৰিপুৰা ১০, ৪৯২ বৰ্গ কিলোমিটাৰ, মেঘালয় ২২,৭২০ বৰ্গ কিলোমিটাৰ, নাগালেণ্ড ১৬,৫৭৯ বৰ্গ কিলোমিটাৰ, মিজোৰাম ২১,০৮১ বৰ্গ কিলোমিটাৰ আৰু চিকিম ৭,০৯৬ বৰ্গ কিলোমিটাৰ ভূমিৰ অন্তৰ্ভুক্ত।

উত্তৰ-পূব ভাৰতত জাতি-প্ৰজাতি, ভাষা, ধৰ্ম আদিৰ ক্ষেত্ৰত যথেষ্ট বিভিন্নতা দেখিবলৈ পোৱা যায়। অঞ্চলটোত প্ৰায় ২২০টা মান বিভিন্ন নৃগোষ্ঠী আৰু সম সংখ্যক ভাষা-উপভাষা দেখিবলৈ পোৱা যায়। এই নৃগোষ্ঠীবিলাকৰ ভিতৰত প্ৰায় ১৬০টা মান জনজাতি আৰু ৪০০মান উপ-জনজাতিৰ লোক আছে। অসমৰ পাহাৰীয়া অঞ্চলবিলাক মূলতঃ পাহাৰীয়া জনজাতিবিলাকৰ বাসভূমি। সৰ্বাধিক জনজাতি থকা ৰাজ্যখনেই হৈছে মিজোৰাম। য'ত প্ৰায় ৯৫ শতাংশ লোকেই জনজাতীয় সম্প্ৰদায়ৰ। অৰশ্যে অসমৰ ভৈয়াম অঞ্চলতো ভালেমান জনজাতীয় লোকে বাস কৰে। ভাষাবিলাক মূলতঃ ইন্দো-আৰ্য্য, চীনো-তিব্বেতান আৰু অষ্ট্ৰিক ভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত। প্ৰধান ভাষাবিলাক হ'ল— অসমীয়া, বাঙালী, নেপালী, বড়ো, মিচিং, ৰাভা, তিৱা, দেউৰী, খাচী, গাৰো, জয়ন্তীয়া, আংগামী, চেমা, লোথা, কন্যাক, মণিপুৰী, টাংখুল, একপাটে, ত্ৰিপুৰী, কুকি ইত্যাদি।

ধৰ্মৰ ক্ষেত্ৰত উত্তৰ-পূব ভাৰতত মূলতঃ হিন্দু, ইছলাম আৰু খ্ৰীষ্টান ধৰ্মৰ প্ৰভাৱ অধিক। অৰশ্যে তুলনামূলকৰূপে অন্য অঞ্চলতকৈ এই অঞ্চলত বৌদ্ধধৰ্মৰ লোকো অধিক পৰিমাণে দেখিবলৈ পোৱা যায়। ৰাজ্য হিচাপে অসম, মণিপুৰ আৰু ত্ৰিপুৰাত হিন্দু ধৰ্মৰ লোক অধিক পৰিমাণে বাস কৰে, অন্যহাতে মেঘালয়, মিজোৰাম আৰু নাগালেণ্ডত খ্ৰীষ্টান ধৰ্মৰ লোক সৰ্বাধিক দেখিবলৈ পোৱা যায়। বৌদ্ধধৰ্মৰ প্ৰভাৱ থকা ৰাজ্য কেইখন হ'ল— চিকিম আৰু অৰুণাচল প্ৰদেশ। ইছলাম ধৰ্মাৱলম্বী লোকসকলৰ অধিকাংশই অসমতে বসবাস কৰে। কিছু সংখ্যক মণিপুৰ ৰাজ্যটো বসবাস কৰে। অৰশ্যে এই মূল ধৰ্ম কেইটাৰ উপৰিও অন্যান্য ধৰ্ম যেনে— জৈন, শিখ আদি ধৰ্মৰ লোকো কিছু পৰিমাণে অঞ্চলটোত পোৱা যায়। তদুপৰি কিছুমান লোকে অঞ্চলটোৰ পৰম্পৰাগত ধৰ্ম পালন কৰে। ২০১১ চনৰ লোকপিয়ল মতে সামগ্ৰিকভাৱে অঞ্চলটোৰ শিক্ষিত লোকৰ হাৰ হ'ল ৭৯.৬৫ শতাংশ, এই পৰিমাণ ২০০১ চনৰ লোক পিয়লতকৈ ১১.১৫ শতাংশ অধিক (২০০১ লোক পিয়ল মতে ৬৮.৫০শতাংশ) অঞ্চলটোৰ সৰ্বাধিক শিক্ষিত লোক থকা ৰাজ্যখন হ'ল মিজোৰাম (৯১.৬০ শতাংশ) এই পৰিমাণ মাথোন উত্তৰ-পূব ভাৰতৰ ক্ষেত্ৰতে সৰ্বাধিক নহয়। ই সমগ্ৰ দেশৰ ভিতৰতে দ্বিতীয় সৰ্বাধিক সাক্ষৰতা। লোকপিয়ল অনুসৰি উত্তৰ-পূব ভাৰতৰ জনসংখ্যা— অসম ৩.১২ নিযুত, মেঘালয়— ২৯.৬৭নিযুত, চিকিম ৫.১১নিযুত, ত্ৰিপুৰা — ৩৬.৭৪নিযুত, নাগালেণ্ড — ১,৯৭৮ নিযুত, মিজোৰাম — ১০.৯৭নিযুত, অৰুণাচল প্ৰদেশ —১৩.৮৪নিযুত, মণিপুৰ — ২৮.৫৬ নিযুত।■







# দাৰ্জিলিং-হিমালয় ৰেল ঃ ব্যক্তিগত ভ্ৰমণ-জ্ঞান

**পুৰঞ্জয় গগৈ**
*ষষ্ঠ ষাণ্মাসিক, ৰাজনীতি বিভাগ*



ভাৰতবৰ্ষৰ বুকুত মনোৰঞ্জন প্ৰাকৃতিক সম্পদেৰে তথা বিশ্ব ঐতিহ্যৰে ভৰপূৰ এক সুন্দৰ ঠাই হৈছে দাৰ্জিলিং। দাৰ্জিলিঙখনত বসবাস কৰা প্ৰধান জনজাতি হৈছে নেপালী সম্প্ৰদায়। তেওঁলোক বহুত সৰল। তেওঁলোকৰ কৃষ্টি-সংস্কৃতি বহুত উন্নত। দাৰ্জিলিঙত বহুতো আকৰ্ষণীয় বৌদ্ধ মঠ-মন্দিৰে ভৰপূৰ। এই মনোৰম দাৰ্জিলিং খনৰ প্ৰকৃতিক পৰিৱেশ উপভোগ কৰিবৰ বাবে মা, ভাইটি, খুৰা আৰু মই কামৰূপ ৰেলেৰে যাত্ৰা আৰম্ভ কৰিলোঁ আৰু আগৰ পৰা বন্দোবস্ত কৰি ৰখা হোটেললৈ গৈ পিছদিনা পুৱাই আমাৰ দাৰ্জিলিঙৰ দৃশ্য চোৱাৰ পৰ্ব আৰম্ভ কৰিলোঁ।

দাৰ্জিলিং হিমালয় ৰেল ঃ

দাৰ্জিলিং হিমালয় ৰেলখন বিশ্বৰ ভিতৰতে তথা ভাৰতৰ বাবে ৰাষ্ট্ৰীয় তথা গৌৰৱ কঢ়িয়াই আনিছে। এই ৰেলখনৰ ইতিহাস বহুতো আছে। এই ৰেলখন বিট্ৰিছে নিৰ্মাণ কৰিছিল। ১৮৮০ চনত সম্পূৰ্ণ হয় দাৰ্জিলিং হিমালয় ৰেল। এই ৰেলখনক 'পুতলা ৰেল' বুলিও জনাজাত। ভাৰতবৰ্ষৰ একমাত্ৰ নেৰ' গজৰ যাত্ৰা কৰা ৰেল। এই ৰেলখন UNESCOৰ দ্বাৰা বিশেষ সন্মান পাবলৈ সক্ষম হৈছে। এই ৰেলখনৰ ভ্ৰমণ বৰ সুন্দৰ। ৰেলখনৰ দীঘল উকিৰ শব্দ, ঘন কুঁৱলী, ওখ ওখ পাহাৰ, অকোৰা-পকোৰা আলিবাট, পাহাৰৰ পৰা বৈ অহা জলপ্ৰপাতৰ পানীৰ শব্দ আদিয়ে আমাৰ পৰিয়ালটোৰ মনটো বৰ আকৰ্ষণ কৰি তুলিলে। দাৰ্জিলিং হিমালয় ৰেলৰ মুঠ সৰু ইঞ্জিন আৰু তিনিটা ডবা যুক্ত ৰেল। এই ৰেলখনৰ বিশেষ বৈশিষ্ট আছে। এই ৰেলৰ ষ্টেচনবোৰ বহুত সুন্দৰ, পৰিষ্কাৰ আৰু মনোমোহা পৰিৱেশ। দাৰ্জিলিং হিমালয়




ৰেলৰে এতিয়াও ভাপ ইঞ্জিন তথা কয়লাৰ দ্বাৰা চলোৱা হয়। জানিব পৰা মতে ৰেলৰ ইঞ্জিনৰ আন্তঃগাঁথনি অতীতৰ বিট্ৰিছে নিৰ্মাণ কৰা ইঞ্জিনবোৰ এতিয়াও সক্ষম হৈছে। ১৪০ বছৰ অতিক্ৰম কৰা ভাৰতবৰ্ষৰ প্ৰথম ভাপ ইঞ্জিন। ভাপ ইঞ্জিনবোৰত ভ্ৰমণ কৰিবলৈ বৰ কষ্টকৰ। স্মৰ্তব্য যে দাৰ্জিলিং-ষ্ট্ৰীমট্ৰামৱে কোম্পানীয়ে হিলবাট পথৰ দাঁতিয়েদি দাৰ্জিলিং-হিমালয়ান ৰেলৱে নিৰ্মাণকাৰ্য আৰম্ভ কৰে ১৮৭৯ চনত। যাত্ৰী পৰিবহনৰ উপৰিও মূলতঃ দৈনন্দিন জীৱনৰ প্ৰয়োজনীয় সামগ্ৰী কঢ়িয়াবলৈ আৰু দাৰ্জিলিঙৰ চাহ উদ্যোগৰ প্ৰতি দৃষ্টি ৰাখিয়ে কেন্দ্ৰীয় ৰেল বিভাগৰ ফালৰ পৰা এতিয়াও কোনো আঁচনি ৰূপায়ণ নকৰাৰ ফলত তাত ৰেলৰ কৰ্মচাৰীয়ে দুখ প্ৰকাশ কৰিছে। মই যেতিয়া তাত উপস্থিত হ'লো তেতিয়া মোৰ চকুৰ সন্মুখত ভাপ ইঞ্জিনৰ নম্বৰ প্লেট দেখা পালোঁ। এই নম্বৰ প্লেটৰ এক বৈশিষ্ট আছে। অতীতত বিট্ৰিছে ৰেল যাত্ৰা কৰিবলৈ বাৰিষা কালত ভয়াবহ ভূমিস্খলন তথা ৰেল দূৰ্ঘটনা হ'লে লগে লগে ষ্টেচনবোৰক জনোৱা হয়। নিউ জলফাইগুৰিৰ পৰা দাৰ্জিলিঙলৈ মুঠ ৪৪ কিলোমিটাৰ। এই ৰেলপথৰ মাজৰ তিনিটাকৈ দুৰ্গম পাৰ্বত্য অঞ্চলত বাধা-বিপত্তি সত্ত্বেও সাহসী আৰু অনবদ্য ইঞ্জিনিয়াৰিং দক্ষতাত কাৰ্যকৰী ৰেলপথৰ স্থাপনৰ নিদৰ্শন হিচাপে ইউনেস্ক'ৰ বিশ্ব ঐতিহ্য তালিকাৰ অন্তৰ্ভুক্ত কৰা হয়।■

কামে মানুহক তিনিধৰণৰ অসততাৰ পৰা আতঁৰাই ৰাখে; এক ঘেয়ামী, দুই পাপ আৰু অভাৱ।
— ভলটেয়াৰ







# শদিয়াৰ ইতিহাসত এভুমুকি

ৰেৱত চিৰিং
*ষষ্ঠ ষান্মাষিক, অসমীয়া বিভাগ*

অসমৰ পূৱ প্ৰান্তৰত তথা উজনিত অৱস্থিত শদিয়া এটি ক্ষুদ্ৰ অঞ্চল। ইতিহাসপ্ৰসিদ্ধ 'শদিয়া' নামটোৱে যাৰ বুকুৰ ভিতৰৰ অন্তৰ্নিহিত ভাৱৰ পৰিচয় দাঙি ধৰে। শদিয়াৰ বুকুৰ ভিতৰত সোমাই আছে প্ৰাচীন সভ্যতা আৰু ঐতিহ্যমণ্ডিত সংস্কৃতিৰ বুনিয়াদ। শদিয়া আছিল আপুৰুগীয়া সভ্যতা সংস্কৃতিৰ অভিনৱ প্ৰাণকেন্দ্ৰ। ঐতিহাসিক বিৱৰ্তনৰ জীৱন্ত সাক্ষী হৈ আছে শদিয়া। ঐতিহাসিক, প্ৰাগ্ ঐতিহাসিক কালৰ পৰা শদিয়াই সৃষ্টি কৰি আহিছে ইতিহাস। প্ৰাগ্ঐতিহাসিক যুগৰ বিখ্যাত বিদৰ্ভ ৰাজ্যৰ ৰজা ভীষ্মকৰ ৰাজকুমাৰী ৰুক্মিণীদেৱী সুদূৰ দ্বাৰকাৰ শ্ৰীকৃষ্ণৰ সৈতে শাস্ত্ৰীয় সংগতীৰ নীৰৱ সাক্ষী এই শদিয়া। শদিয়াৰ সীমান্তৰ শাৰী শাৰী মনোৰম পৰ্বত-পাহাৰৰ মাজেদি বৈ আহিছে অবিৰতভাৱে পৰশুৰামৰ মাতৃহত্যাৰ তেজৰ কৰালেৰে কলংকিত ব্ৰহ্মকুণ্ডলৰ তেজ ৰঙা পানী।

প্ৰাগ্ঐতিহাসিক কালৰ পৰা ভীষ্মকৰ ৰাজধানী আছিল কুণ্ডিল। পিছৰ কালত ৰজা ভীষ্মকৰ বংশধৰ বিখ্যাত চুতীয়া সভ্যতাৰ ৰাজধানীৰ নামো আছিল কুণ্ডিল। অৱশ্যে কুণ্ডিল এখন নদীৰ নাম। কুণ্ডৰ পৰা ওলোৱা বাবেই নদীখনৰ নাম হৈছিল কুণ্ডিল। কুণ্ডিলৰ পানী অতি স্বচ্ছ আৰু খৰস্ৰোতা। কথিত আছে যে, কুণ্ডিলৰ স্বচ্ছ পানীত নিজৰ প্ৰতিবিম্ব চাই নিজকে সজাই তুলিছিল ভীষ্মৰ দুহিতা ৰুক্মিণীদেৱীয়ে। এই কুণ্ডিলতে চুতীয়া ৰাজ্যৰ ৰাজধানী আছিল। সতী সাধিনীয়ে চুতীয়াসকলৰ কুবেৰ প্ৰদত্ত ৰাজসম্পত্তি সোণৰ মেকুৰী, ঢাল-তৰোৱাল বুকুত বান্ধি জাপ দি আত্মবিসৰ্জন দি চুতীয়া ৰাজত্বৰ মহত্ব অক্ষুণ্ণ ৰাখিছিল। সেই কুণ্ডিলে কল্কল শব্দৰে আজিও শদিয়াৰ মাজেদি বৈ আছে আৰু বৈ থাকিব।

'শদিয়া' নামটোৰো এটি শ্ৰুতিমধুৰ ঐতিহাসিক আঁতিগুৰি আছে। প্ৰাগ্ঐতিহাসিক যুগত শদিয়াৰ নাম আছিল 'সিন্ধুক্ষেত্ৰ' আৰু 'স্বধা'। মধ্যযুগত শদিয়াৰ নাম আছিল 'স্বধয়াপুৰী' বা 'সধয়াপুৰী'। ঐতিহাসিক কালত ইয়াৰ নাম আছিল 'সধয়া', 'সদিয়া', 'শদিয়া'। জনশ্ৰুতি

অনুসৰি 'শদিয়া' নামৰ উৎপত্তি হৈছিল এনেদৰে - চুতীয়া ৰজা গৌৰীনাৰায়ণ বা ৰত্নধ্বজ পালৰ ৰাজত্ব কালত পশ্চিম কমতাৰাজ সন্ধ্যা আৰু গৌৰীৰাজ কেশৱ সেনৰ লগত চুতীয়াসকলৰ মিত্ৰতা স্থাপন হৈছিল। কমতাৰাজ সন্ধ্যাই গৌৰীনাৰায়ণৰ পুত্ৰ বিজয়ধ্বজ পাললৈ নিজৰ জীয়েকক বিয়া দিছিল। তাৰোপৰি গৌড় দেশত এওঁ এজন ৰাজকোঁৱৰক অধ্যয়ন কৰিবলৈ পঠায়। জনা যায় যে, এই মৃতদেহটো আহি পোৱাৰ অৱস্থাত ৰজা গৌৰীনাৰায়ণে কুণ্ডিল নদীৰ কাষত সিন্ধুক্ষেত্ৰ নামে ঠাইত এখন নতুন নগৰৰ নিৰ্মাণ কাৰ্যত ব্যস্ত আছিল। সেই অৱস্থাতে গৌড়ৰ পৰা অহা লোকসকলে কোঁৱৰৰ মৰা 'শ' ৰজাৰ হাতত গতাই দিয়া বাবে নতুনকৈ নিৰ্মাণ কৰি থকা নগৰখনৰ নাম 'শদিয়া'।

শদিয়াতে কালিকা পুৰাণখ্যাত তাম্ৰেশ্বৰী মন্দিৰ বা কেঁচাইখাতী গোসাঁনী মন্দিৰ অৱস্থিত। কেঁচাইখাতী মন্দিৰত ছয় শতাব্দীজুৰি চলিছিল নৰবলি প্ৰথা। অৱশ্যে আহোম ৰজা গৌৰীনাথ সিংহৰ ৰাজত্বকালত নৰবলি প্ৰথা বন্ধ হৈছিল। কিন্তু তাৰ ঠাইত পশু-পক্ষীৰ বলি-বিধান প্ৰচলিত হৈ আজিও অব্যাহত আছে। আজিও চাৰিখন শালত বলিৰ তেজেৰে তুমুৰলি হয় বলিশাল। কিন্তু সেই অতবোৰ সম্বলেৰে চহকী শদিয়াই জনমানসত আজিৰ তাৰিখত নিজক চিনাকি দিবলৈ যেন কিহবাৰ অভাৱ ঘটিছে। আজি নাই সেই তাহানিৰ নৰবলিৰ স্থান তাম্ৰেশ্বৰী মন্দিৰত। নাই সেই বিখ্যাত চুতীয়া সভ্যতাৰ ৰাজকাৰেং, দুৰ্গ-দেৱালয়ৰ ভগ্নাৱশেষ। সকলো যেন কালৰ কুটিল গ্ৰাসত নিঃচিহ্ন হৈ পৰিছে। যি অলপ বাকী হৈছে তাৰো নিঃচিহ্ন হ'বলৈ বেছিপৰ নেলাগিব। বহুতো জাতি-জনগোষ্ঠী, পৌৰাণিক সংগতিৰ অভিলেখেৰে সমৃদ্ধ শদিয়াৰ ভগ্নাৱশেষত কিৰাট, কছাৰী, চুতীয়া, আহোম, খামতি, চিংফৌ, ইংৰাজ - এইবোৰ প্ৰাচীন আৰু নতুন সভ্যতাৰ আঁচোৰ পৰাৰ ঐতিহাসিক সত্য উপলব্ধি কৰা হয়।

আগৰ শদিয়া, আগৰ ৰাজনীতি, আগৰ ৰজা-ৰাজ্য এতিয়া নাই। কিন্তু চুতীয়া ৰাজত্বৰ 'শদিয়া'ৰ সাংস্কৃতিক ঐতিহ্যৰ বুনিয়াদ এতিয়াও আছে। ইংৰাজৰ দিনত শদিয়া চহৰখন দ্বিতীয় শ্বিলং ৰূপে গঢ়ি উঠিছিল আৰু সমগ্ৰ উত্তৰ-পূব সীমান্ত (নেফা) ৰ মুখ্য প্ৰশাসনিক কেন্দ্ৰ আছিল। আনকি ভাৰতে স্বাধীনতা লাভ কৰা সময়তো শদিয়া 'নেফা'ৰ অন্তৰ্গত আছিল। তেতিয়াৰ শদিয়াৰ ভৌগোলিক পৰিসীমা আজিৰ শদিয়াৰ গুচি যোৱাৰ পাছত ইং ১৯৫১ চনত চৰকাৰী অধিসূচনা নং TAD/R/35/109 Dated 23/02/1951 ৰ যোগেদি প্ৰায় ৯৭৮.৩০ বৰ্গ কিলোমিটাৰ জোৰা ভূ-খণ্ড অৰুণাচল প্ৰদেশৰ পৰা অসমলৈ হস্তান্তৰ কৰা হ'ল আৰু লক্ষীমপুৰ জিলাৰ লগত সাঙুৰি দিয়া হ'ল। তেতিয়াই শদিয়াৰ ভৌগোলিক পৰিসীমা বহুখিনি কমি যোৱাৰ ফলত ইয়াৰ আকাৰ ক্ষুদ্ৰ হৈ পৰিছিল। সেই শদিয়াক ১৯৭৯ চনত মহকুমা হিচাপে স্বীকৃতি প্ৰদান কৰা হয়।

ইতিহাসপ্ৰসিদ্ধ শদিয়াতে আছে প্ৰাগ-ঐতিহাসিক কালৰ বিখ্যাত বিদৰ্ভ ৰাজ্য, ৰজা ভীষ্মক, ৰাজকুমাৰী ৰুক্মিণী, শদিয়াৰ বুকুতে আছে ছয় শতাব্দী জুৰি নৰবলি প্ৰথা গ্ৰহণ কৰা কেঁচাইখাতী মন্দিৰ, তাম্ৰেশ্বৰী মন্দিৰ; ইয়াৰ বুকুতে আছে পৰশুৰামৰ মাতৃ হত্যাৰ পাপ মোচনৰ বিখ্যাত জলকুণ্ড পৰশুকুণ্ড তীৰ্থস্থান, বিখ্যাত চুতীয়া সভ্যতাৰ ৰাজকাৰেং দুৰ্গ আৰু বিভিন্ন আকৃতিৰ পুখুৰীসমূহ, সৰ্পস্তম্ভ, বুঢ়া-বুঢ়ী মন্দিৰ, বলিয়া বাবাৰ মন্দিৰ, ভীষ্মক নগৰ, ৰুক্মিণী নগৰ, তেজুৰ মাটিৰ দুৰ্গ, ৰাজগড় আলি, শিশুপাল দুৰ্গ ইত্যাদি। ১৮৩৬ চনত মিছনেৰীসকলে ধৰ্মপ্ৰচাৰ কৰিবলৈ আহি শদিয়াতে প্ৰথম ছপাশাল পাতি ধৰ্মীয় পুথি ছপা কৰিছিল। ইয়াৰোপৰি শদিয়াতে আছে বিখ্যাত বৈৰাগীথান, মৌ-বাহৰ বৰপুখুৰী, যুৰীয়া মৈদাম, পদুম পুখুৰী ইত্যাদি।

অৱশেষত ক'ব বিচাৰিছোঁ যে, অসমৰ এটা অতি ক্ষুদ্ৰ অঞ্চল হৈও ইমানবোৰ ঐতিহাসিক সম্বলেৰে পৰিপূৰ্ণ ঠাইৰ নিজেও এজন শদিয়াবাসী হিচাপে গৌৰৱান্বিত। নিজৰ জন্মভূমিৰ কথা আনৰ আগত পৰিচয় কৰাই দিয়াটো আমাৰ কৰ্তব্য।

সংগ্ৰহ ঃ এই প্ৰৱন্ধটি 'কুণ্ডিল লেখিকা সমাৰোহ সমিটি'ৰ সভানেত্ৰী প্ৰণতি গগৈৰ ৰচিত 'শদিয়া ঃ অতীত আৰু বৰ্তমান' নামৰ পুথিখনৰ পৰা সহায় লৈ যুগুতোৱা হৈছে। ■







# গীতিকাব্য

নমিতা শইকীয়া
*বি.এ. পঞ্চম যান্মাষিক, সংস্কৃত বিভাগ*

গীতিকাব্য সংস্কৃত সাহিত্যৰ এক পৰম ৰমণীয় অংগ স্বৰূপ। হৃদয়ৰ ৰসাত্মক ভাৱনাক ছন্দোৱদ্ধ ৰূপত প্ৰকাশ কৰাটোৱেই গীতিকাব্যৰ মূল উদ্দেশ্য। গীতিকাব্যক ইংৰাজীত 'লিৰিক' (Lyric) বুলি কোৱা হয়। কিন্তু ইংৰাজীত 'লিৰিক' (Lyric) বুলিলে যি জাতীয় ৰচনাক বুজায়, সংস্কৃত সাহিত্যত সেই জাতীয় ৰচনা নাই বুলিয়ে ক'ব পাৰি। কিয়নো সংস্কৃত গীতি-কাব্যত ভক্তিমূলক আৰু শৃংগাৰমূলক ৰচনাই প্ৰাধান্যতা লাভ কৰে।

গীতি কাব্যৰ প্ৰকাৰ দুই ভাগত বিভক্ত কৰা হৈছে -

১) স্তোত্ৰকাব্য বা ভক্তিকাব্য

২) শৃংগাৰ কাব্য বা সন্দেশকাব্য

স্তোত্ৰকাব্যত আধ্যাত্মিক ভাৱনাত অভিভূত হৈ ভক্তসকলৰ ঐকান্তিক হৃদয়োদ্‌গাৰ প্ৰৱলৰূপে প্ৰবাহিত হয়। অন্যহাতে আত্মনিবেদনৰ তীব্ৰ অনুভূতি শৃংগাৰ কাব্যৰ বিশিষ্টতা। শৃংগাৰমূলক কাব্যৰ ভিতৰত কালিদাসকৃত মেঘদূত আটাইতকৈ প্ৰখ্যাত। কালিদাসৰ ঋতুসংহাৰ আৰু জয়দেৱৰ গীতগোবিন্দও শৃংগাৰ শ্ৰেণীৰ পূৰ্ণাঙ্গ ৰূপ। অন্যহাতে ভৰ্ত্তৃহৰিৰ ৰচিত শৃংগাৰশতক, নীতিশতক আৰু বৈৰাগ্যশতক ভক্তিমূলক কাব্যৰ অন্যতম নিদৰ্শন। ■

গীতিকবিতাৰ উপকৰণ হ'ব একেটি মাথোন চিন্তা, অনুভূতি অথবা পৰিস্থিতি।
— ফ্ৰান্সিছ টাৰ্ণাৰ পেলগ্ৰ'ভ



# আমাজনৰ ৰক্তফুল

নব্য সোনোৱাল
*প্ৰথম যাণ্মাষিক, ভূতত্ত্ব বিভাগ*

বিশ্বৰ সৰ্ববৃহৎ বৰ্ষাৰণ্য আমাজন ব্ৰাজিলৰ উত্তৰাঞ্চলীয় ৰাজ্য ৰোৰেইমা, একৰে, ৰণ্ডোনিয়া আৰু আমাজনক স্পৰ্শ কৰি আছে। আমাজন অৱবাহিকাত ৩০ লাখ বিভিন্ন উদ্ভিদ আছে। সেইদৰে জীৱ-জন্তু আৰু দহ লাখ আদিম মানৱ গোষ্ঠী বাস কৰি আছে।

গোলকীয় উত্তাপ ৰোধ কৰাত কিম্বা নিয়ন্ত্ৰণত আমাজনৰ জীৱ বৈচিত্ৰ্যৰ অৰিহণা অভূতপূৰ্ব। প্ৰতিবছৰে বিশ্বই নিৰ্গত কৰা লাখ লাখ কাৰ্বন শোষণ কৰে আমাজনৰ বৰ্ষাৰণ্যই। অক্সফ'ৰ্ড এনভিৰনণ্টেল বেঞ্চ ইনষ্টিটিউটৰ বিজ্ঞানী ইৰিকা ৰেনগুৱেৰে দহ বছৰ ধৰি গছ-গছনিৰ গৱেষণা কৰি আহিছে। আমাজন বৰ্ষাৰণ্যৰ লাখ লাখ গছৰ পাতে কাৰ্বন শুহি লয় আৰু বায়ুমণ্ডল নিৰ্মল কৰাত সহায় কৰে। তদুপৰি বিশ্বৰ বায়ুমণ্ডলত ২০ শতাংশ অক্সিজেন আমাজন বৰ্ষাৰণ্যৰ পৰা বিশ্ববাসীয়ে পায়। গোলকীয় উত্তাপ ৰোধত সেইবাবে আমাজনৰ ভূমিকা অনস্বীকাৰ্য। কিন্তু ২০০০ চনত ৭.৪ নিযুত বৰ্গকিলোমিটাৰ ব্যাপি থকা আমাজনৰ গছ-গছনি কাঠৰ চোৰাং ব্যৱসায়ীয়ে কাটি খাস্তাং কৰাৰ পৰিণতিত অসুখীয়া হৈ পৰিছে আমাজন বৰ্ষাৰণ্য। পৰিসংখ্যা অনুসৰি বিগত বৰ্ষৰ জুলাই তুলনাত চলিত বৰ্ষৰ জুলাইত আমাজনত বনাঞ্চল ধ্বংসৰ ঘটনা ২৭৮ শতাংশলৈ বৃদ্ধি পাইছে। এতিয়া ২৫.৪০ শতাংশ বনাঞ্চল বনজুইৰ ফলত বিলুপ্তিৰ গৰাহত। জন জাগৰণে আমাজনক ৰক্ষা নকৰিলে পৃথিৱীৰ বিপদ অনিবাৰ্য। অসংখ্য ৰক্তফুলে মানৱ সভ্যতাক জ্ঞানেৰে আলোকিত কৰাৰ দৰে এদিন আমাজনৰ ৰক্ত ফুলে গ্ৰাস কৰিব অজ্ঞানী, অহংকাৰী হৈ পৰা মানৱ সভ্যতা। ■










# The Founder of Number Theory

**Suiki Sukanya Buragohain**
*6th Sem. Deptt. of Mathematics*

Number theory for arithemetic in older usges is a branch of pure Mathematics. German Mathematician Cal Friedrich Gaus (1777-1855) said "Mathematician who is often called the founder of the modern theory of numbers. He never published his writings in particular, his wosh an number theory is contained almost writirely in letters to mathematician and in private marginal notes. He wrote down nearly no proofs in number theory. He did make repeated use of mathematical indvetion introducing the method of infinite descurt one of the Fermates first interest was perfect numbers and amicable numbers, this led Rim to worsh an integer divisors Ratters ris interest had shiefted largely to Diophentive problems and surves of square.

* Fermat's little theoreum (1640) : He stated that if a is not divisible by a privce P, he staled the is then a $P^{-1}$=1 (mod P)
* If a and be are comprive, then $q^v + b^v$ is not divisible by any prime congret to -1 modulus 4, and every prime congruent to +1 moulus 4 can be coritten in the form $a^v + b^v$ , these two statements also date form 1640, in 1659 Fermate also stated to Huygens that Re Rad Proven the latter statements by the method of infivite discurt.
* Fermat passed the problem of solving $x^v$ - $Ny^v$ - 1 as a challange to english mathematician (1657). The problem was solved by wallis and Brouncher. Fermet considered their solution valid but pointed out they had provided an algorithm without a proof and states that can be founds by discent.
* Fermat's last theorium : It states that these are no solutions to $x^n + y^n = z^n \nvdash n \geqslant 3$ appears only in his an natations an the margin of his copy of Diophanteus. ■

# Loss Of Biodiversity In Assam & Its Conservation

**Ankur Dutta**
*1st Sem., Zoology*

**What is biodiversity? :**

The word biodiversity is the combination of two different words 'biological' and 'diversity'. Biodiversity refers to all the varieties of life from that can be found on the earth which include plants, animals, fungi, micro-organisms as well as the groups or communities that they form and their habitates.

**Biodiversity of Assam :**

The biodiversity of Assam makes it a biological hotspot with many rare and endemic plants and animals species.

The one-horned Asian rhinoceros, deer, tiger, swamp deer or dolhorina (Cerswa dunavcell dunavcell) hoolock gibbon, pygmy hog or nol gahori (Porcula salvania), golden langur (Trachypithecus geel), golden cat, giant civet, porcupine are found in Assam.

The major birds in Assam include the blue-throated barbet or hetuluka (Megalaima asiatica), white-winged wood duck or deuhah (Asarcornis scultulate), ring-tailed fishing eagle or kuruwa (Haliaeetus leucorythus), great pied hornbill or rajdhonesh (Buceros bicornis homrai), Himalayan golden backed three toed woodpecker or bar haituka (Dinopium shorii shorii) and migratory pelican.

Some important tree species found in Assam are Hollong (Dipterocarpus macrocarpus), Gurjan (Dipterocarpus tubinatus), Nahar (Mesua ferrea), Sia-nahar (Keyea assamica), Sissoo (Dalbergia sissoo), Khair (Acacia catechu) etc.

**Loss of biodiversity :**

The loss of biodiversity is considered to be the one of the most serious problems than global climatic change or ozone depletion. It is increasing with the increase in human population. Ever increasing human population has disturbed the balance between the nature and the living organisms. Habitat destruction is a major cause for biodiversity loss. Habitat loss is caused by deforestation, overpopulation, pollution and global warming. Species which are physically large and those living in forests or oceans are more affected by habitat reduction.



Best example of loss of biodiversity in Assam can be seen in Kaziranga National Park, famous for one-horned Asian rhinoceros. In recent years the national park is battling a number of problems such as rhino poaching, erosion and flood. The rhinoceros which is conserve in the Kaziranga National Park but due to the rapid growth of human pollution it is also not safe there. Not only rhinoceros, many other animals and also varieties of valuable plants are also getting threaten.

**Conservation :**

Our beautiful state Assam is rich in biodiversity. Natural resources dense forests, different species of animals and beautiful varieties of plants are found in the state. But we human are so busy in creating our artificial world that we are spoiling the beautiful nature, Today, we have exploited most of the things that were available abundantly in nature. Many species of plants and animals become extinct.

Here are some methods that can help in the conservation of biodiversity.

1. Control population : One of the reasons why biodiversity is declining because of the growing human population. The greater the population the higher the needs which would result in exploitation of the flora and fauna and in biodiversity. To control human population is the first and foremost thing that needs to be done for the conservation of biodiversity.

2. Stop deforestation : Forsts are the main habitat for varieties of plants and animals. Deforsetation is one of the main reasons for the extinction of numerous wild animals as well as various beautiful plants. If we do not stop deforestation then the valuable trees as well as other living animals could not survive.

3. Spread Awarness : One of the best methods to conserve biodiversity is by spreading awarness. People need to be sensible about the issue so, they act responsibly and contribute towards conserving biodiversity.

**Conclusion :**

The biodiversity not only in Assam but also in the whole world is in great danger. Conservation of biodiversity is extremely important to maintain a healthy environment. There are many ways in which we can conserve it. We must all contribute towards conserving the biodiversity. ■



জীৱবৈচিত্ৰ্য এক মূল্যৱান সম্পদ। ই প্ৰকৃততে মানৱ জাতিৰ ভৱিষ্যতৰ সীমাৰেখা।
জীৱবৈচিত্ৰৰ অবিহনে আমি কোনো জীয়াই থাকিব নোৱাৰোঁ।



# Assam's Flood and Live Stock

**Lovely Borah**
*1st Sem., Zoology*

Flood is a natural disaster which affects lots and lots of lives and natural resources in a massive scale. The state of Assam is frequently managed by the fury of mighty Brahmaputra and its tributaries causing untold human misery and devastation of indescribable nature.

Several factors are responsible for the recurrence of flood in Assam. First and foremost, Assam lies in the heart of monsoon belt and so gets an overabundance of rain. Secondly, the existance of the long range of mountaing on its northern and eastern borders compels the water to flow down into the vast plain below causing the rivers to swell. Thirdly, the increased level of over beds due to constant deposition of silt has been also a major cause of flood in the state. Fourthly, flood in also caused due to deforestation (cutting of plants and trees) by the people residing in Assam, and later on they themselves faces the severe effect of flood. Due to deforestation, soil becomes loose and erosion takes place which leads to flood.

The havoc caused by flood in Assam is beyond description. Hundreds of villages along the river Brahmaputra and its trubutaries get submerged and get cut off. Many people lose their houses. Thousands are rendered homeless. Properties and goods get destroyed. Standing crops are damaged. Cattle and valuable goods are washed away.

Embankements are forced to give in. Roads and communication links are interrupted. Vast arreas of the state are turned into sea and many parts of the state remain cut off for long. Flood also causes lots of diseases due to the spresd of communicable diseases such as cholera. typhoid, dysentery etc. due to the unavailibility of fresh drinking water and food.

The human misery and economic hardships that accompany flood in unfathomable. It ruins states already impoverished economy and finance. Nevertheless, flood has some beneficial effects an well. It increases the fertility of soil, washes away all the accumulated dirt and encourages the breeding of fishes.



One of most important heritage of Assam is the Kaziranga National Park, and every year due to flood it suffers in such a bad way that the whole national park gets affected by the flood. The wild animals such as rhinoceros, elephants, Tigers, deers etc. in order to get rid of the flood moves to other high areas such as roads, hills and mountains and many also dies as they become unable to move to high areas. As the animals moves to the roads in order to save themselvs from the devastating flood many faces accidents and in this way a lots of animals lost their lives and the passengers also faces lots of problems and insecurities while crossing the roads.



No doubt, the government and other non governmental organizations have taken several flood control measures to lessen the meance and effect of flood in the state. Immediate flood relief measures included are setting up of relief camps, free distribution of foods, clothes and medicines for the affected people etc. The chief flood control measures have been the construction of embankments along the banks of the rivers in the affected areas.

But it has not improved the overall situation. Moreover alarming situations arise when these embankments give way. Measures like palisading, forestation along river banks and dredging the riverbeds have been undertaken with little success. Construction of check dams all along the course of river, creation of more reservoirs and dams, establishment of river vally projects etc. may reduce the problem considerably in the long run. ■

**How to Solve The Flood Problem**

A. Stop playing with nature. Because nature is the master of the whole game. Therefore stop doing such things like deforestation, soil erosion.

B. The major flood creator Brahmaputra needs to be deeper and dug, therefore, its government duty to make more fossorial the river chest, either individual has to be more responsible.

C. Artificial flood is actually human creation, therefore, stop building houses unscientifically anywhere and either stop jamming water drains, ponds, by through garbages anywhere.

# Artificial Flood in Assam & Its Effects



**Purnima Baruah**
*1st Sem., Zoology*

Artificial flood is the deliberate release of water from dam reservoirs to creat downstream flooding that is beneficial to farmland on wetland areas. Artificial flood is not so different from natural flood, only thing is this flood can be beneficial sometime. Mankind play with nature and society's impact on nature is an important factor or the cause of artificial flood. Assam is a flood prone area. Areas that frequently face problems due to artificial flood are Guwahati, Dibrugarh, North Lakhimpur etc.

As mentioned above mankind and society's impact on nature plays an important role in causing artificial flood. Man made hazards like deforestation, improper drainage system on unplanned urban development, migration, road building and many more factors are resposible for causing artificial flood.

The most serious environmental problem we face now is deforestation. Its effects, if unchecked are most certain to bring about permament ecological harm with a dramatic increase in flash flood problem. Many parts of Assam faces the problem of landslide, and the major cause of it is deforestation. With landslide. the excessive rain in the monsoon season add to the woes and carries the loose soil to the drain channels leading to siltation, Unplanned road building has wrought havoc in eco-sensitive zones comprising hillocks, forests and wetlands. Because of the unprecedented population growth, the constructions of roads for transport has become inevitable. Little concern is shown up for the natural environment in the process, the severe effect of which is shown up in the from of flash flood. One of the important tributaties of the Brahmaputra, the Bharalu river which flows through the city Guwahati is an important channel for the drainage. Due to the discharge of waste into this tributray the natural drainage has become prone to waterlogging and urban flooding. The same thing happens in almost all the major towns of Assam due to which artificial flood occurs frequently.

Antificial flood like the natural flood which occurs during the the monsoons also affects the lives of the people residing in the major cities or towns and all over Assam. Due to artificial flood several roads and by-lanes are flooded with water therby paralyzing normal life. Waters born disease like amoebiasis etc. are caused becauses of the polluted water that leaks out through the drains. The flooded areas remains accumulated with water for many weeks which becames a bruding place for mosquitoes, thus causing diseases.

Therefore, we the people residing in this land should participate with the govermant in improving the drainage systems thereby solving the problem of 'Artificial Flood'. So, say no to deforestation and start planting trees which will not only solve this issue but also many other problems which are threatening our lives.■







# Amazing Amazon

**Mrittika Das**
*Dept. of Botany, B.Sc. 5th Semester*

The Amazon rainforest, is the world's largest tropical rainforest, well known for its biodiversity. The Amazon rainforest is also referred to as the 'Lungs of the Planet' because it produces more than 20% of the world's oxygen. The rainforest is located in South America and covers most of the Amazon Basin. The basin is 207 million square miles while the Amazon covers 201 million square miles of it. If the Amazon rainforest was a country, it would rank 9th in size. There are altogether nine nations which cover this forest. Brazil covers the most area, i.e. about 60% of the area of Amazon rainforest, Peru has 13% and Columbia has 10% while other countries like Venezuela, Ecuador, Bolivia, Guyana, Suriname and French Guiana have very small parts of the rainforest within their borders.

The Amazon rainforest is home to 10% of the known species in the world. There are over more than 1500 of the bird species, 40000 different plant species and approximately 205 million insect species are found in Amazon rainforest. There are approximately 10 million species of animals, plants and insects are known to man and half of them call Amazon rainforest home. There are approximately 3000 fruits that grow in the rainforest are edible. There are many dangerous species of snakes, spiders and animals in the Amazon rainforest. It is also home to the anaconda. There are vampire bats as well as poisonous dart frogs in the rainforest.

The Amazon rainforest has been recognised as respository of ecological services not only for the local tribes and communities, but for the rest of the world. Most of the known uncontacted tribes live in South America, deep in Amazon rainforest. In 1500, there were between 6 and 9 million Amazon natives. Today there are only an estimated 2,50,000 left. There are approximately 170 different languages spoken by Amazon natives. It is believed that there many still be as many as 50 Amazon native tribes living in the rainforest that have never been in contact with rest of the world.

The Amazon rainforest has existed for at least 55 million years. But now the rainforest is facing many environmental crisis. The human impact on the Amazon rainforest has been grossly understimated according to an international team of some researchers. They found that selective logging and surface wildfires can result in an annual loss of 54 billion tons of carbon from the Brazilian Amazon, increasing greenhouse gas emissions. Due to efforts to fight deforestation in the Amazon, deforestation rates have been reducing slightly, but it is still an issue today. The droughts in 2005 and 2010 destroyed huge amount of vegetation in the areas worst affected. Wildfires normally accur around the dry season as slash and burn methods are used to clear the forest to make way for agriculture. The increased rates of five counts in 2019 led to international concern about the fate of the Amazon rainforest by burning an estimated area of 2,240,000 acres.



If Amazon rainforest were gone, the tropical trees and the fauna they support would disappear, releasing upto 140 billion tons of stored carbon into the atmosphere. It is estimated that if the climate change were to increase the world's temperature by only 3 degree celcius, then 75% of the Amazon would be destroyed. So it is the dusty and responsibility of us, the humankind to protect these priceless treasures of Mother Nature. ■










# Impact of Social Media on Young Minds

**Priyanka Sen**
*Dept. of Chemistry, B.Sc. 6th Semester*

"WhatsApp : 12 messages from 5 chats" with this notification we start our day. I won't deny but the same goes with me. Internet is an indispensible part of our lives now. Say it be the daily notifications or birthday reminders or the news or any updates of our day-to-day routine are reached to us by this. The age old "Adda" is now just not seen in between friends because it has been replaced by social media chat group. Young ones join different sites to make friends from all over because they feel that chatting will make them gain social media followers. Yes, I know that popularity pays now a days by promoting internet marketing but I wish that a handful of the teens would make use of it rather than simply surfing for unnecessary things. The old friendships are now filled with gaps because now they enjoy palying online games from home. With time the question that arises in my mind is will there be any day when all the National and International sports will be played on internet by the so called "Applications or Apps" over mobile phone ? ■

**Most-used social media tools by some of the world's top brands :**

– Buzz Sumo
– Google Trends
– Buffer Publish
– Canva
– Unsplash
– Animoto
– Feedly
– Buffer Reply



# Reborn from the Ashes

**Mriganka Deka**
*Dept. of Political Science, B.A. 3rd Semester*

This is the story of Munni, a commercial sex worker from Sonagachi, the largest red light district in Kolkata, India.

"All I remember is I am from Bangladesh and I came here when I was ten years old I am sixteen now but I tell people that I am twenty years old. I have no family. 'Ma' (the lady pimp) is my family. She looks after me, feeds me, even gives me money to buy sarees (dresses) for Durga Puja. But she means business and I have to work. When I was a little, a man came to my house and said that he would keep me in a palace and that I would marry a prince but I would have to do whatever he says. He bought me to Kolkata and left me at one of the dirties brothels promising to return but never showed up.

The brothel was owned by a fat woman and we called her 'aunty'. She bathed me and fed me. I was happy to be among kind people. Then on the third day she put make up on my face and made me stand along with 20 other girls, for the men to pick their choice. At first, I did not understand what was happening and thought we would be selected to go for a new home. When I understood what was happening I tried to escape, I was caught, locked in a dark room for a week and beaten with a thick wooden stick. They made it sure not to hit on my face, chest, thigh and stomach as customers would not choose me.

One night aunty was drunk and sleepy and her brother was in another brothel. I raw as fast as I could, I saw police man on the road and told him my story. He promised to help me. He and his three friends raped me. I returned to sonagachi and found a new aunty.



'Ma' will never let me to go and she is good to me and this is my family. She has promised me to send me to Mumbai someday. I am here on my own will. Even if I leave this place where will I go ? The society will always label me as a prostitute. I am scared wherever I will be employed, men will rape me. Even if I marry a prince tomorrow and wear expensive sarees and sit in a big car, people will think I am a prostitute. I cannot change that. I wanted to become a nurse, and take care of people. I have a secret lover and used to be my regular customer. He is a taxi driver and we are planning to marry. I will make sure my daughter is never born in a brothel, is educated and lives her dream."

The condition of a woman (Munni) from the above interview seems to be so pathetic. A small girl wanting to live a happy life converts into something undesirable. To be honest we are not able to deal with this, we are demon with a smile. Most of the research done by the development organisation 'Sanlaap' indicates that the majority of sex workers in India work as prostitutes due to lacking resources to support themselves of their children. Most do not choose the profession but out of necessity, often after the breakup of a marriage or after being disowned and thrown out of their homes by their families. A survey completed in 1988 by the All Bengal Women's Union interviewed a random sample of 160 sex workers in Calcutta. Of those, 23 claimed that they had come of their own accord, whereas the remaining 137 women claimed to have been introduced into the sex trade by agents. ■

## মহাবিদ্যালয়ৰ প্ৰতীকৰূপে ব্যৱহৃত প্ৰতীকী-ব্যাখ্যা

ক) পানীৰ বুৰ্বুৰণি — জ্ঞানসাগৰৰ বিস্তৃত জলৰাশিৰ কথাকে বুজাইছে।

খ) এগছি চাকি — বন্তি জ্বলোৱা ধাতু বা মাটিৰ ঘূৰণীয়া পাত্ৰটিয়ে জ্ঞানৰ পোহৰ বিলোৱা কথাকে সূচাইছে।

গ) এটি সূৰ্য — সূৰ্যৰ প্ৰতীকীয়ে অজ্ঞানৰ বিনাশ ঘটাই পৃথিৱীক জ্ঞানৰ পোহৰেৰে আলোকিত হ'বলৈ আহ্বান জনাইছে।

ঘ) বীণা — তন্ত্ৰীবাদ্য বীণাৰ ঝংকাৰেৰে অজ্ঞানীজনৰ মনভাবনাত শিক্ষা-তৰঙ্গৰ স্ফুৰণকে বুজাইছে।

ঙ) ৰাজহাঁহৰ বিমূৰ্ত ৰূপ — সৰস্বতীৰ বাহনস্বৰূপ ৰাজহাঁহৰ বিমূৰ্তৰূপে মহাবিদ্যালয়খনিত সৰস্বতীৰ বসতিকে বুজাইছে।

পূৰ্ণ প্ৰতীকীটোত জীৱন-পৰিক্ৰমাত শিক্ষাৰ অপৰিহাৰ্যতাক এখন ঢাল (shield)ৰ মাধ্যমেৰে অংকিত কৰা হৈছে। ইহে মহাবিদ্যালয়খনিৰ স্বীকৃত আৰু সুৰক্ষিত ৰক্ষা-কৱচ।

প্ৰতীক অংকন (১৯৭৭-৭৯) ঃ দেৱ প্ৰসাদ বৰা (প্ৰাক্তন ছাত্ৰ), গোলাঘাট








# The History of Indian Rupee Sign

**Raj Kumar Chetry**
*3rd Sem., Deptt. of Economics*

The Indian rupee sign (Sign ₹; code ; INR) is the currency symbol for the Indian Rupee, the officel currency of India. Designed by Dr. Udaya Kumar, it was presented to the public by the goverment of India on 15th July 2010, following its selection through an 'open' competition among Indian residents. Before its adoption, the most commonly used symbols for the rupee were Rs. Re or  in texts in Indian languages, an appropriate abbreviation in the language used.

The design is based on the Devanagari letter 'र' (Ra) with a double horizontal line at top. It also resembles the Latin capital letter 'R', especially R, rotunda (ꝛ).

The Unicode character for the Indian rupee sign is U+20B9₹.

Dr. Udaya Kumar Dharmalingam born 10 October 1978 in Kamakurichi, Tamil Nadu is the designer of the Indian rupee sign. His design was selected from among five short listed symbols. According to Dr. Udaya Kumar the design is based on the Indian tricolour. ■







# Bitcoin : The Future of Currency

**Bibhuti Sonowal**
*1st Sem., Deptt. of Economics*

Bitcoin is a crypto currency, a form of electronic cash. It is a decentralized digital currency without a central bank or single administrator that can be sent from user to user on the peer-to-peer bitcoin network without the need of intermediaries.

Bitcoin was created by an anonymous group of person, that goes by the pseudonym 'Satoshi Nakamoto'. Bitcoin is an open source software.

**Economics of Bitcoin :**

Bitcoin is a digital asset designed to work in peer to peer transactions as a currency. Bitcoin have three qualities useful in a currency according to the 'Economist' in january, 2015. They are hard to earn, limited in supply and easy to verify.

Economists define money as a store of value, a medium of exchange, and a unit of account. According to the Economist in 2014, bitcoin functions best as a medium of exchange. However, this debated, and a 2018 assessment by the economist stated that cripto currecies met none of these three criteria.

According to research by Cambridge University, between 2.9 million and 5.8 million unique users used a crypto currency wallet in 2017, most of them for Bitcoin. The number of user has grown significantly since 2013, when there were 3,00,000-1.3 million users. In addition to being charcterized as a crypto currency bitcoin is also characterized as a payment system.

It is legel to use Bitcoin in the United States, and payments are subject to the same tones and reporting requirements as any other currency. ■



# Is there life in Mars

**Saurav Bardhan**
*3rd Sem., Deptt. of Physics*

The possibility of life on Mars is a subject of significant interest to astrobiology due to its proximity and similarities to Earth. To date, no proof has been found of past or present life on Mars. Cumulative evidence shows that during the ancient noachian time period, the surface environment of mars had liquid water and may have been habitable for micro organisims. The existence of habitable conditions does not necessaruly indicate the presence of life. Scientific searches for evidence of life began in the 19th century and still continued today via. telescope investigations and deployed probes. While early work focused on phenomenology and bordered on fantasy, the mordern scientific inquiry has emphasized the search for water, chemical biogipantures in the soil and rocks at the planet's surface and bromerker gases in the Mars is of particular interest for the study of the origins of life because of its similarly to the early earth. This is especially so since Mars has a cold climate and lacks plate tectonic or continental drift, so has remained almost unchanged since the end of Hesperian period. At least two thirds of Mars surface is more than 3.5 billion year old and Mars may thus hold the best record of the prebiotic conditions leading to life even if it does not or has never existed there, which might have started developing as early as 4.48 billion years ago.

Following the confirmation of the past existence of surface liquid water, the Curiosity and Opportunity Rovers started searching for evidence of past life. ■







# Tutankhamun's Death of Mystery

**Arfat Haque**
*5th Sem. Deptt. Anthropology*

Tutankhamun's ruled Egypt for approximately 10 years from around 1336-1377 BC. In November 1912, Howard Carter and Lord Carraven discovered Tutankhamun's near incept tomb in the valley of the kings. The kings mummefield body was found surrounded by previous grave goods in his golden coffin after his burial chamber was officially opened on 17th February in the presence of Egyptologists and government officials.

Tutankhamen was born in 1134 BC., possibly at Amarna, the city of his father, Akhenaton, Tutankhamun's mummy shows that he died when he was approximately 18 years old, but it is not known exactly how he died. Archeological evidence indicates that Tutankhamun suffered from ill health. A study of his remains published in 200 found that he suffered from a variety of maladies, including Malaria and Keller disease a rare bone disorder of the foot. It is not major what killed Tutankhamun. There have been numerous hypotheses put forward over the year some scientist say king Tut probably died from a broken leg.

Burial :

Present research suggests that returning Egypt to its traditional polytheistic belief was so important to Tutankhamun that he had himself mummified in an unusual way to emphasize his strong association with Osiris, the God of the Underworld.

Research shows that Tutankhamun's tomb was prepared in a hurry. Another hypothesis is that the tomb has two undiscovered chambers that were walled over when the boy king was buried. Today Tutankhamun is ancient Egypt's most famous Pharaoh. He has the smallest royal tomb in the valley of the kings. ■



# Culture of Egypt

**Asheem Devekashyap**
*5th Sem. Deptt. Anthropology*

The culture of Egypt has thousands of years of recorded history. Ancient Egypt was among the earliest civilizations in middle East and Africa. For millennia, Egypt maintained a strikingly antique, complex and stable culture that influenced later cultures of Europe.

**Languages :**

Many Egyptians believed that when it comes to a death of their Pharaoh, they would have to bury the Pharaoh deep inside the Pyramid. The later secular literature of ancient Egypt includes the 'wisdom texts' became coffin texts and finally, the mortuary literature produced itself its masterpiece, the mortuary literature and the Book of the Dead, during the new kingdom.

Religion :

About 75% of Egypt population is Muslim with a Sunni majority. About 22% of the population is Coptic Christian, other religions and other form of Christianity comprised the remaining three percent. Sunni Islam sees Egypt as an important part of its religion. Due to the at Azhar University, one of the earliest of the world universities and the longest functioning, it was created as a school for religion studies and works.■





# গল্প

আভিধানিক অৰ্থ অনুযায়ী গল্প হৈছে সাধু-কথা, মনে-সজা কাহিনী (a tale, a story), কাহিনী (a narrative), বৃত্তান্ত, উপাখ্যান (an account), অলীক কথা (fib)। লেখকে জীৱনৰ বাস্তৱধৰ্মী সৰু-বৰ পৰিঘটনা আৰু নিজস্ব চিন্তা-চেতনাৰ সংকৰ্ষণত গল্প লিখে। এনে গল্পবোৰ প্ৰকৃততে সাহিত্য জগতৰ অভিনৱ সৃষ্টি। এজন গল্পকাৰে ভিন্নসূৰী পৰিৱেশ, কাহিনী আৰু চৰিত্ৰৰ মাজেদি গল্পবোৰ সজাই তোলে।





# উঁৰিয়লি

**মৌচুমী গগৈ**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

কেলিৰ্ফনিয়া চহৰৰ মনোৰম প্ৰাক্‌সন্ধ্যাত জিক্‌মিকাই থকা Ranch আৰ্হিৰ ঘৰটোৰ বেলকনিত উন্মেষে কফিৰ পিয়লাটো লৈ বহি আছে। শাৰী শাৰীকৈ থকা পথৰ দাঁতিৰ গছবোৰৰ মাজৰ পোহৰবোৰ ক্ৰমান্বয়ে আন্ধাৰ হৈ আহিছে। হঠাৎ মেৰিনাই মাত দিয়াত প্ৰকাণ্ড নিস্তব্ধ ঘৰটোৰ একোণত বহি থকা উন্মেষ উচ্‌প খাই উঠিল। উচপনিত চকুৰ কোণত সমান্তৰালকৈ থকা চচমাযোৰ নাকলৈ খহি অহাত মেৰিনাই খিল্‌খিলাই হাঁহি দিলে। "তোমাৰ এই বয়সতো ইমান ভয় নে?" মেৰিনাৰ প্ৰশ্নৰ উত্তৰত উন্মেষ প্ৰায় ভাগ পকিবলৈ ধৰা মূৰৰ চুলি কেইডাল লাহেকৈ খজুৱাই ক'লে, "জুৰোৰ ফ'ন আহিছিল নেকি?" মেৰিনাই মুখৰ হাঁহিটিৰ জিলিকনি হ্ৰাস কৰি ক'লে, "দুই-চাৰিদিন বাহিৰত থাকিলেও দেখোন কোনো দিনে নজনায়।" উন্মেষে মেৰিনাৰ মুখলৈ এপলক স্থিৰভাৱে চাই ঘৰৰ ভিতৰৰ কোঠালৈ আঁতৰি গ'ল। ঘৰটোৰ ভিতৰতেই সযত্নৰে ৰখা সৰু লাইব্ৰেৰীটোৰ পৰা বিখ্যাত লেখক John Steinbeckৰ Moon Is Down গ্ৰন্থখনি লৈ আৰামী চকীৰ আমেজত পঢ়িবলৈ চেষ্টা কৰিছে যদিও ভাঁহি আহিছে জুৰোৰ শৈশৱৰ ছবিখনলৈ, মগজুৰ প্ৰত্যেকডাল নিউৰন জোকাৰ খাই উঠিছে; উন্মেষক লৈ যাব খুজিছে স্মৃতিৰ দুৱাৰত এৰি থৈ অহা দিনবোৰলৈ। জুৰো উন্মেষৰ একমাত্ৰ পুত্ৰ সন্তান। ভাল নাম জুৰাচ শইকীয়া। Software Engineer

হিচাপে খ্যাত উন্মেষ শইকীয়া বৰ্তমান কেলিৰ্ফনিয়া চহৰত স্থায়ীভাৱে বাস কৰি আহিছে। উন্মেষ শইকীয়াৰ জন্ম ঠাই অসমৰ যোৰহাটত।

মেৰিনাই দিয়া মধুমেহৰ দৰবটো গ্ৰহণ কৰি উন্মেষে কিতাপ পঢ়াৰ ভাও ধৰি পুনৰ ভাৱনাৰ সাগৰত ডুব গ'ল, ৰোমন্থন হ'ল মনৰ একোণত সজীৱ হৈ ৰোৱা স্মৃতিবোৰ, উন্মেষ আৰু মেৰিনাৰ পাঁচ বছৰৰ প্ৰেমৰ মধুৰ সম্পৰ্ক শেষত দুয়ো বিবাহপাশত আৱদ্ধ হোৱাৰ প্ৰায় দুবছৰৰ পাছতেই আগমন ঘটে দুয়োৰে মৰমৰ চিন জুমনৰ, যদিওবা ফেশ্বনৰ দিনত জুমন নামটোৰ সলনি সি জুৱো ৰাখি ল'লে। তিনিজনীয়া পৰিয়াল পোহপাল দিবলৈ উন্মেষে কোনোধৰণৰ খুঁত নাৰাখিলে। দুৱোৰে স্কুলীয়া জীৱনৰ সামৰণি পেলালে বৰ্তমান সি Universityত নাম দাখিল কৰিছে যদিও দেউতাকক স্পষ্টকৈ জনাইছে যে তাৰ পঢ়িবলৈ আৰু অলপো আগ্ৰহ নথকাৰ কথা। মাক-দেউতাকে অলেখ উপায়-উপমাৰে বুজাব বিচাৰিলেও সি সকলো কথা আওকাণ কৰি পেলায়। আজি ৩০ বছৰ সময় কেলিৰ্ফনিয়াত পাৰ কৰি উন্মেষৰ মনত পৰিছে যোৰহাট তৰাজানৰ চাৰি গাঁৱৰ ঘৰটোলৈ। ঘৰৰ মুৰব্বী উন্মেষৰ পিতৃ দেৱানন্দ শইকীয়া পেছাত এগৰাকী শিক্ষক, দেখাত এজন বৰ কঠোৰ যেন লগা স্বত্বেও খুবেই মৰমীয়াল আৰু দয়ালু আছিল। গাঁৱৰ ডেকাচামে দেৱ মাষ্টৰ বুলিও তেওঁ নুশুনাকৈ সম্বোধন কৰিছিল। চাৰি গাঁও নামে প্ৰসিদ্ধ গাঁওখনত আছিল ঘাই উৎসৱ বিহুৰ পৰা আদি কৰি অন্যান্য উৎসৱ পতাৰ ৰীতি। গাঁৱৰে কেঁচুৱাৰ বাহিৰ দৰ্শন ৰীতি জুমনৰ দিনত কৰিবলৈ আগবাঢ়োতেই কত যে দুৰ্দশা হৈছিল আজিও মনত পৰিলে উন্মেষৰ হাঁহি উঠে। কেলিৰ্ফনিয়া দৰে চহৰৰ এজন পণ্ডিতক পাই শুচি কৰিবলৈ আনি ব্ৰাহ্মণ পণ্ডিতৰ মন্ত্ৰ উচ্চাৰণ অসমীয়া হিন্দী একোকে নুবুজা মেৰিনাৰ ওঁঠত বেবেৰিবাং হৈছিল গৈ। তথাপিও তাই উন্মেষৰ এনেবোৰ কাৰ্যত সাধ্যানুসাৰে সহযোগ কৰিছিল। বিদেশত আছিল যদিও অসমীয়া বোৱাৰী হিচাপে বিহু সংক্ৰান্তিত বাঁওহাতে ল'বলগীয়া চাদৰৰ আঁচল সোঁহাতে লৈ দেখা দিছিল উন্মেষৰ



আগত। উন্মেষেও ওঁঠৰ জোৰেৰে হাঁহি লুকুৱাই চাদৰ-মেখেলাযোৰ থান-থিত লগাই দিছিল, উন্মেষৰ অস্থিৰ মনৰ আকাশত চেঁচা ডাৱৰৰ কলি মুকলি কৰা মেৰিনাৰ চকুত এসাগৰ মৰম উঠিছিল উন্মেষৰ বাবে। এই মৰমৰ পৰিসীমা সদায় বাঢ়ি গৈ আছে দুয়োৰে মাজত। উন্মেষৰ স্মৰণ হৈছে তৰাজানৰ খেৰ, মাটি, কাঠেৰে নিৰ্মিত ঘৰটোলৈ। দুপৰীয়া ভাতৰ পাতত বহি কৰা দেউতাক-মাকক লৈ কৰা মাৰ্জিত ধেমালিবোৰলৈ। উন্মেষৰ মাতৃ তনয়াময়ী শইকীয়ানী মমতাৰ প্ৰতীক। মাকগৰাকী তেনেই আজলী আৰু সাদৰী তিৰোতা। মৰমেৰে উন্মেষক সোণটো বুলি মাতিছিল। উন্মেষৰ পঢ়া-শুনা প্ৰথমছোৱা দেউতাকে চাইছিল। নেওঁতা মনত ৰখাত আসোঁৱাহত চেকনী এছাৰি কোবত বাঁহনি ডৰাৰ মাজত হে লুকাই সাৰিছিল। তৰাজান হাইস্কুলৰ পৰা শিক্ষান্ত পৰীক্ষাত উপনীত হোৱালৈকে দেউতাকৰ তদাৰকত গঢ়ি গৈছিল উন্মেষ। গুৱাহাটী কটন কলেজৰ পৰা মাধ্যমিক শিক্ষা লাভ কৰি মাদ্ৰাজ ইঞ্জিনীয়াৰিং কলেজৰ পৰা কৃতী ছাত্ৰৰূপে প্ৰতিষ্ঠা লাভ কৰিছিল। সেই সময়খিনিয়ে আছিল তাৰ জীৱনৰ এক অজনা কেঁকুৰি। উন্মেষৰ মনত সংযোজন হৈছিল নানান মায়াবিক পৃথিৱীৰ ৰসাল সোৱাদ। উন্মেষ প্ৰথমবাৰৰ বাবে গুৱাহাটীলৈ ওলাই আহোঁতে মাকক এৰি অহাৰ দুখৰ হেঁচা, বাহিৰৰ পৰিৱেশৰ লগত খাপ-খাব নোৱাৰাৰ ভয়ে একেবাৰে জুৰুলা কৰি পেলাইছিল। তথাপি দেউতাকৰ আদেশ মৰ্মে পঢ়িবলৈ ওলাই গৈছিল উন্মেষ। গুৱাহাটীত প্ৰায় এক বছৰৰ বেছি সময়ে লাগিছিল মাকৰ হাতৰ ভাত কেইটা, মৰমৰ মাতষাৰ নুশুনি খাপ-খাই থাকিবলৈ। সকলো বাহিৰা কথাই আওকান কৰি ভালদৰে পঢ়া-শুনা কৰি সুন্দৰ ফলাফল কঢ়িয়াই আনি মাক-দেউতাকক অলেখ সুখ দিছিল সি। দেউতাকৰ অশেষ কষ্টৰ বৰণখনি মচি দিছিল উন্মেষৰ কৃতিত্বই। দেউতাক দেৱানন্দ শইকীয়া মহোদয়ে পঢ়াই থকা বিদ্যালয়খনো চৰকাৰীকৰণ হোৱাগৈ নাছিল; তাৰে অনিয়মিত বেতনৰ বাবে আৰ্থিক সমস্যাত পৰিছিল যদিও কাহানিও উন্মেষ আৰু মাকক নজনোৱাকৈ সুন্দৰভাৱে চলাই লৈ গৈছিল। গাঁৱৰে মহাজন এজনৰ পৰা খেতি-মাটি বন্ধকত দি উন্মেষক মাদ্ৰাজত পঢ়িবলৈ পঠিয়াইছিল দেউতাকে, সেই ধাৰলৈ অনা টকা কেইটাৰে উন্মেষৰ সকলো যোগাৰ কৰি এক অংশ বিধবা পেহীয়েকলৈ দিছিল। পেহীয়েকৰ একমাত্ৰ ছোৱালীজনীক পঢ়াবলৈ পেহাৰ অনুপস্থিতিত অসুবিধাৰ বাবে দেউতাকে সহায় কৰিছিল। মাক-দেউতাকৰ অলেখ সপোন লৈ উন্মেষ মাদ্ৰাজলৈ গৈছিল; তাতোতকৈ বেছি সপোন, আশা, সহায় বুকুত লৈ ৰৈ আছিল মাক-দেউতাক হাল। পিছে সময়ৰ সোঁতত এদিন সকলো শেষ হ'বলৈ ধৰিলে। উন্মেষে পঢ়া-শুনা চলাই নিছিল যদিও নগৰীয়া ধৰণ প্ৰতি আকৃষ্ট হৈ নিজৰ মাতৃভূমিলৈ তাৰ ঘূৰি যাবলৈ মন নেমেলিলে। উন্মেষ উৰি ফুৰিব খুজিছিল দূৰণিৰ দেশলৈ, দুৰ্বলতা হ'ল বিলাসী জীৱনৰ প্ৰতি। মাক-দেউতাকৰ পৰা পোৱা চিঠিবোৰৰ উত্তৰ বৰ ঘনকৈ নিদিয়া হ'ল। তেওঁলোকে নজনাকৈয়ে আমেৰিকাৰ এটা বিখ্যাত ছফ্টৱেৰ কোম্পানীত যোগ দিছিল। চাকৰি সূত্ৰে ইপিনে তৰাজানৰ গাঁৱত দেউতাকে মহাজনৰ ধন আদায় দি জুৰুলা হৈ পৰিছিল। আৰ্থিক নাটনিৰ বাবে মৰমৰ পত্নীৰ কেন্সাৰ ৰোগকো চিকিৎসা কৰাব নোৱাৰা হৈছিল তেওঁ। বিধাতাৰ ওপৰত সকলোবোৰ এৰি দিছিল। তেওঁ বাহিৰৰ পৰা খুবেই শক্তিশালী দেখুওৱা মানুহজন ভিতৰৰ পৰা নিঃশেষ হৈ পৰিছিল। মাতৃ তনয়াময়ীৰ এটাই যেন শেষ আশা এবাৰ পুত্ৰক বুকুৰ মাজত লৈ তাৰ মুখখনি চোৱাৰ। পিছে নেদেখা জনেও তেওঁলৈ চাই কৃপা কৰা নাই এনে দুৰ্বাৰ ভাব হ'ল দেৱানন্দৰ মনত। ইফালে উন্মেষ কেলিৰ্ফনিয়াত নিজৰ জীৱনক স্থিতি দিবলৈ ব্যস্ত হৈ সকলো পাহৰি পেলালে। প্ৰায় তিনি বছৰৰ পাছত এখন চিঠি পাই উন্মেষৰ মূৰত সৰগ ভাগি পৰিল। এয়া সি কি পঢ়িলে, কি শুনিলে। তাৰ মৰমৰ মাক এই পৃথিৱীত আৰু নাই। দুখ কৰা দূৰৰেই কথা সি এক অপ্ৰস্তুত ভাবেৰে নিজৰ ঘৰলৈ বুলি উৰা মাৰে। তৰাজানৰ ঘৰটোৰ চোতালত বাঁহৰ পাটি শয্যাত পৰি ৰোৱা নিথৰ দেহটো, মুখৰ উজ্জ্বল ৰং অধিকাৰী মাকৰ শেঁতা পৰা ৰঙে উন্মেষক বুজাই দিলে এয়া বাস্তৱ। সঁচাকৈয়ে মাকে তাৰ অপেক্ষাত প্ৰাণ এৰিলে আৰু দেউতাক শিলপৰা কপৌ যেন ৰূপেহে ল'লে। মৰমেৰে সজা ঘৰটোত বেছিদিন নৰৈ দুখৰ সমাধি বান্ধি পুনৰ যাবলৈ ওলালে। যাওঁতে মহাজনৰ টকা দিবলৈ উপস্থিত হওঁতেই জানিব পাৰিলে পেহীয়েকৰ জীয়েকে অৰ্থাৎ তাৰ ভনীয়েক মাধুৰীয়ে; (বৰ্তমান জিলা পৰিষদৰ ভাল অধিকাৰী) সকলো লেন-দেন শেষ কৰিছে। উন্মেষ মেৰিনাৰ বিবাহ, জুৱোৰ জন্ম কোনো ক্ষেত্ৰতে নাপালে সি দেউতাকক। জুৱোৰ চাৰি বছৰ হওঁতে দেউতাকৰ শেষ অৱস্থাত পাইছিলগৈ। জুৱোক শেষ আশীৰ্বাদ দি দেউতাকে শেষ নিশ্বাস এৰি দিছিল। এদিনৰ দেৱ মাষ্টৰৰ জিক্‌মিকাই থকা ঘৰখন এতিয়া হাবি-বনেৰে একাকাৰ হৈ পৰি আছে। আজিও জীৱনৰ আধাকাল অতিক্ৰম কৰিল যদিও পাহৰিব নোৱাৰা দুখত সোমাই নিথৰ হ'ল উন্মেষ। জুৱোৰ জীৱনশৈলীত বাধা দিব নোৱাৰে উন্মেষে, ভয় হয় নিজৰ ৰূপৰ প্ৰকৃত স্বীকৃতি ওলাই পৰাৰ। বিলাসী জীৱনৰ পাছত দৌৰি একগোট কৰা সা-সম্পত্তি আজি তেওঁৰ বাবে মূল্যহীন হৈ ৰৈছে। পিতৃ-মাতৃৰ স্নেহৰ পৰা নিজক বঞ্চিত কৰা, পৰিশ্ৰমৰ স্বীকৃতি নিদিয়া আজি উন্মেষে জুৱোচৰ জীৱন চৰিত্ৰ দেখিবলৈ পাইছে। হেলনীয়াকৈ সোমাই অহা লাইটৰ ৰশ্মিৰ আৱেশত নিস্তব্ধভাৱে বহি আছে উন্মেষ তেওঁৰ কাষতেই কান্ধত মূৰ থৈ মেৰিনা নিথৰতাৰে থমকি ৰৈছে।■

## গুটিদিয়েক শব্দ-শব্দাৰ্থ



আড্ডা ঃ মিলন-স্থল (a rendezvous)
গলা-গোপা ঃ গোপনে কৰা আলোচনা (secret conversation)
গুজ্‌গুজীয়া ঃ ফুচ্‌ফুচীয়া মেল (secret)
ফাজ্‌লামি ঃ চুপতি, পাতল বা চেলেপু কথা (shallow talk)
ফুচুৰি ঃ অৰ্থহীন, পাতল, ধেমেলীয়া কথা (joking)





# অন্ধকাৰৰ শেষত

মুকুন্দ সোনোৱাল
*প্ৰথম যাণ্মাসিক, অসমীয়া বিভাগ*

ব্যস্ত ঘাইপথটোৰ কাষতে এটা জুপুৰি। জুপুৰিটোৰ অধিবাসী এহাল বৃদ্ধ দম্পতী। তেওঁলোকৰ জুপুৰিটোৰ চাৰিবেৰ বাঁহেৰে নিৰ্মিত যদিও পুৰণা হোৱাত বাঁহবোৰ পচি প্ৰায় ভাঙি গৈছে। জুপুৰিটোৰ নতুনত্ব বুলিবলৈ ভগা ঠাইবোৰত কেৱল বস্তা আৰু টিৰ্পালেৰে ঢাকি ৰাখিছে। জুপুৰিটোত দম্পতীহালৰ বাহিৰে তেওঁলোকৰ কেইযোৰমান পুৰণি ফটা মলিয়ন কাপোৰ আৰু ৰন্ধা-বঢ়া কৰিবৰ বাবে কেইটামান বাচন-বৰ্তন। পতি ৰমেশৰ বহু দিনৰ পৰা শোৱাপাতি এৰিব নোৱাৰা ৰোগত আক্ৰান্ত হৈ আছে। যাৰ ফলত তেওঁলোক আৰ্থিকভাৱে বহু কষ্টৰ সন্মুখীন হ'ব লগা হৈছে। সেইবাবে পত্নী ৰাণুৱে কামলৈ যাবলগীয়া হৈছে। ৰাণুৱে পুৱা সোনকালে উঠি পথৰ কাষে কাষে পৰি থকা প্লাষ্টিকৰ পেলনীয়া সামগ্ৰীবোৰ এটা বস্তাত বুটলি আনি সেইসমূহ ওচৰৰে ফেক্টৰীত বিক্ৰী কৰি আহে। তাৰ পৰা যি উপাৰ্জন কৰে সেই টকাৰে ৰমেশৰ বাবে ঔষধ আৰু খোৱা সামগ্ৰী কিনি আনে। তেওঁলোকে এইদৰে অতি কষ্টৰে জীৱন অতিবাহিত কৰি আহিছে। তেওঁলোকৰ দুৰ্দশা চাবলৈ কাৰো সময় নাই। অথচ সেই বাটেৰেই অসংখ্যলোক দৈনন্দিন পুৱা-গধূলি অহা-যোৱা কৰে। তেওঁলোকৰ জুপুৰিটোত আজিলৈকে কোনেও ভুমুকি মাৰি চোৱা নাই। তেনেতে পৰিমল আৰু তাৰ বন্ধু কেইজনমানে এদিন জুপুৰিটোত ভৰি দিয়েহি।



পৰিমলহঁতে বৃদ্ধ দম্পতীহালৰ বাবে কিছুমান খোৱা বস্তু আৰু ঔষধলৈ আহিছিল। সিহঁতে তেওঁলোকৰ লগত বহুসময় কথা-বতৰা পাতে আৰু গুচি যায়। তেওঁলোকেও বহুদিন প্ৰায় দুই-তিনিবছৰ কাল কাৰো লগত কথা পতা নাই আৰু তেওঁলোকৰ জুপুৰিত কাৰো প্ৰৱেশ হোৱা নাই। সেইবাবে তেওঁলোক আজি বহু আনন্দিত হৈছে। পৰিমলহঁতে কিবা প্ৰজেক্টৰ কামত নিজৰ উদ্দেশ্য আগত ৰাখি জুপুৰিটোলৈ গৈছিল। তেওঁলোকৰ প্ৰতি পৰিমলৰ কৰুণা জন্মিছিল বাবে তেওঁলোকৰ অৱস্থাৰ বিষয়ে জানিবলৈ ইচ্ছা কৰিলে। সেইমতে পৰিমলে দম্পতীহালৰ ওচৰলৈ প্ৰায় আহ-যাহ কৰিবলৈ ধৰিলে। সি যেতিয়াই তেওঁলোকৰ ওচৰলৈ যায় খোৱা বস্তু আৰু ঔষধ-পাতি আদি লৈ যায়। দম্পতীহালৰো ল'ৰাটোৰ প্ৰতি কিবা আপোনভাব জাগ্ৰত হ'ল। পৰিমলে এইদৰেই প্ৰায় তেওঁলোকৰ কাষলৈ আহি থাকে।

পৰিমলে এদিন সুবিধা বুজি সুধিয়ে পেলালে যে ৰমেশ আৰু ৰাণুৰ কোনো সন্তান-সন্ততি নাই নেকি? আছিলে বুলি ৰাণুৱে ক'লে। ছোৱালী দুজনী আৰু ল'ৰা এটা। ছোৱালী কেইজনী ভাড়া ঘৰত থাকোতেই পলাই বিয়া কৰিলে। ডাঙৰজনীয়ে বি.এ. পঢ়ি থাকোতেই গোলাঘাটৰ ল'ৰা এটাৰ লগত ৰাতিয়ে পলাই গ'ল। আগৰ গৰু যেনি যায়, পিছৰ গৰু তেতিয়ে যায়। মাজুজনীয়ো হায়াৰ ছেকেণ্ডেৰী পৰীক্ষাৰ সময়তে এদিন শ্বিলঙৰ ল'ৰা এটালৈ পলাই গ'ল। অৱশ্যে ভালেই হ'ল, মাক-দেউতাকৰ ওপৰত থকা বোজা নোহোৱা কৰিলে। বিয়াৰ পিছত মাজুজনীয়ে এদিন তেওঁলোকক চাবলৈ আহিছিল। এৰাতি থাকি গুচি গ'ল তাৰ পৰা অহা নাই। ল'ৰাটোৱে কিবা বেয়া নিচাজাতীয় বস্তু খাবলৈ ধৰিছিল। এদিন মোক টকা দাবী কৰি হাত তুলিব বিচাৰোতে দেউতাকে ধমকিৰ সুৰত ঘৰৰ পৰা ওলাই যাবলৈ কোৱাত যি গ'ল আৰু গ'ল। তাৰ পিছত কেতিয়াও উভতি নাহিলে। ৰমেশে অফিচত ৰাজনৈতিক চক্ৰবেহুত পৰি এটা নোহোৱা-নোপোজা ঘটনা নিজৰ গাত জাপি লৈ চাকৰিৰ পৰা বহিষ্কাৰ হোৱাৰ পিছতো ল'ৰা-ছোৱালী কেইটাই যাতে কোনো দুখ নাপায় তাৰবাবে ৰিক্সা চালক হ'বলগীয়া হৈছিল। কিন্তু সিহঁতে দেউতাকৰ কষ্টৰ কথা নাভাবি এইবোৰ কাৰ্যহে সংঘটিত কৰিলে। তাৰ দুখতে ৰমেশ লাহে লাহে অসুস্থ হ'বলৈ ধৰিলে। ৰমেশ কামলৈ যাবলৈ নোৱাৰাৰ ফলত দম্পতীহাল আৰ্থিকভাৱে বহু কষ্টৰ সন্মুখীন হ'বলগীয়া হৈছিল। যাৰ ফলত তেওঁলোকে থকা ভাড়াঘৰৰ ভাড়া দিব নোৱাৰাত মালিকে তেওঁলোকক খেদি পঠিয়ালে। তাৰপিছত ভাড়াঘৰ বিচাৰিছিল যদিও কোনোৱেই ভাড়াঘৰ দিবলৈ মান্তি হোৱা নাছিল; কাৰণ সকলোৱে আগধন বিচাৰে। অৱশেষত তেওঁলোকে অফিচৰ সন্মুখতে থকা বটগছজোপাৰ তলৰ জিৰণি চ'ৰাটোতে থাকিবলৈ ল'লে। অফিচৰ কৰ্মচাৰী দুজনমানে ৰমেশ আৰু ৰাণুৰ দুৰ্দশা দেখিব নোৱাৰি তেওঁলোক থাকিবৰ সুবিধাৰ বাবে বাঁহ আৰু টিনেৰে এটা সৰু ঘৰ সাজি দিলে। এনেদৰে সময়বোৰ পাৰ হৈ গৈ তিনি বছৰ কাল অতিবাহিত হৈ আজি এই অৱস্থা পালে।

পৰিমলে তেওঁলোকৰ দুৰ্দশাৰ কথা শুনি কি কৰিব ভাবি ভাবি অৱশেষত সি সংবাদ মাধ্যমৰ সহায় লোৱাৰ কথা ভাবিলে। কিন্তু তাৰ এই কাহিনী গ্ৰহণ কৰিব জানো; ভাবি ভাবি পিছদিনা সংবাদ মাধ্যমক খবৰ দিলে। লগে লগে বাতৰি প্ৰচাৰ হ'ল। ক্ষন্তেক সময় পিছতে সেই ঠাইত অসংখ্য লোকে পৰিপূৰ্ণ হ'ল। নিউজ চেনেলসমূহৰ লগতে স্থানীয় বিধায়ক আহি উপস্থিত হ'লহি। স্থানীয় বিধায়কে তেওঁলোকক চৰকাৰী ঘৰৰ লগতে বৃদ্ধ পেঞ্চন দিয়া হ'ব বুলি ঘোষণা কৰিলে। কিন্তু ইমান দিনে এই মানুহবোৰ ক'ত আছিল? তাকে ভাবি আছিল পৰিমলে, তেনেতে ইমানবোৰ মানুহৰ সমাগমৰ মাজত ৰমেশ আৰু ৰাণুৱে পৰিমলক বিচাৰিছিল যদিও সি গম নাপালে। তেওঁলোকে কেতিয়াও ইমানবোৰ মানুহ একেলগে দেখা নাছিল হঠাৎ ইমানবোৰ মানুহৰ সমাগম দেখি ৰমেশ আৰু ৰাণু দুয়োজন ঠাইতে মূৰ্চা গ'ল। ততাতৈয়াকৈ এম্বলেঞ্চ মতা হ'ল আৰু তেওঁলোকক হাস্পতালত ভৰ্তি কৰোৱা হয়। সেইদিনা ৰাতি নিউজ চেনেলবোৰত কেৱল ৰমেশ আৰু ৰাণুৰ কথা। নিশা আঠ বজাৰ আলোচনা চক্ৰত বুদ্ধিজীৱীসকলে তেওঁলোকৰ দৰে বৃদ্ধ পিতৃ-মাতৃৰ বাবে যাতে বৃদ্ধাশ্ৰমৰ সংখ্যা বৃদ্ধি কৰা হয় তাৰেই আলোচনা হৈছিল। পিতৃ-মাতৃ নথকা পৰিমলে আজি কেতিয়াও অনুভৱ নকৰা তাৰ বিশাল ঘৰটোত নিজকে অকলশৰীয়া বুলি দায়ী কৰিছে। কিয়নো পৰিমলৰ এটা সামান্য ভুলৰ বাবেই ৰমেশ আৰু ৰাণু হাস্পতালত ভৰ্তি হ'ব লগা হ'ল। সংবাদ মাধ্যমক খবৰ দিয়াৰ সলনি যদি সি তাৰ বিশাল ঘৰটোৰ কোনোবা এটা কোঠা যদি তেওঁলোকক দিলেহেঁতেন তেতিয়া দিনৰ সেই ঘটনাতো সংঘটিত নহ'লহেঁতেন। সি নিজকে আজি বৰ নিসংগতা অনুভৱ কৰিছে। পৰিমলে মনতে ভাবিলে যে কাইলৈ ৰাতিপুৱাই ৰমেশ আৰু ৰাণুক হাস্পতালৰ পৰা নিজৰ ঘৰলৈ লৈ আহিব আৰু পিতৃ-মাতৃৰ খালী গৈ থকা স্থান তেওঁলোকক দিব। তাকে ভাবি সি গভীৰ অন্ধকাৰ নিশা মনত এক নতুন সূৰ্যৰ উদয়ৰ অপেক্ষাত নিদ্ৰা দেৱীৰ কোলাত শুই পৰিল। ■



# কবিতা

গভীৰ ভাবযুক্ত ব্যঞ্জনাপূৰ্ণ ৰসাত্মক ৰচনাই হৈছে কবিতা। কাব্যৰসিক ব্যক্তিয়ে কাব্যকলাৰ যোগেদি মনৰ উথল হেন্দোলনিবোৰ প্ৰকাশ কৰে—

"হয়তোবা
শব্দৰ পকনীয়াত
কবিয়ে বোধন কৰিব খোজে
দিহিঙে-দিপাঙে
খহি যোৱা গৰা বোধৱতীৰ!"



## এৰি অহা দিনৰ স্মৃতি

**ৰাখী হাজৰিকা**
*পঞ্চম ষাণ্মাসিক, সংস্কৃত বিভাগ*

এপাহ শেৱালি ফুলৰ সুবাসত
অন্তৰৰ নিভৃত কোণত,
এৰি অহা দিনৰ স্মৃতিবোৰে
সাৰ পাই উঠিছিল।
স্মৃতিৰ চাকি গছিত
শৰতৰ জোনাক ৰাতি
টোপ্ টোপ্‌কৈ সৰি পৰা নিয়ৰবোৰ
কিয় বাৰু বাধা দিয়ে
চাকিগছ জ্বলি উঠাত?
সোঁৱৰণিৰ ডুখৰীয়া স্মৃতিত
আপোন পাহৰা হ'ব খোজা
মোৰ আকুল মনত
এই নিষ্ঠুৰ নিয়ঁৰবোৰ
কেতিয়াবা দিব নে বাৰু
মোক পুৱাৰ সূৰুযৰ
সেন্দুৰীয়া কিৰণৰ লগত
আলিঙ্গন কৰিবলৈ
জীৱনৰ অন্তিম ক্ষণত
এৰি অহা দিনৰ স্মৃতিৰ মাজত।■





## মই বাৰিষা

**গায়ত্ৰী গগৈ**
*প্ৰথম ষাণ্মাসিক, উদ্ভিদ বিজ্ঞান*

মই বাৰিষা বহুৰূপী মই
কেতিয়াবা আহোঁ মই
জান-জুৰি, নদ-নদী
সকলোবোৰ ভৰি
ফেনে-ফুটুকাৰে উটি-ভাঁহি
চাফা কৰি লৈ যাওঁ
সকলো লেতেৰা আৱৰ্জনা
পেলাওঁ নি সাগৰ-মহাসাগৰত
তথাপি বেয়া পায় মোক মানুহে
বাৰিষা অহা বুলি
মই আহিলে কেতিয়াবা কেতিয়াবা
মানুহে পৰে বিপদত
মোৰ সমুখৰ
মানুহ, গৰু, গছ-গছনি, ঘৰ, মাটি আদি
নিওঁ মোৰ প্ৰবল সোঁতত উটুৱাই
এনেকৈয়ে ৰূপ সলাওঁ
মই মোৰ সময়ছোৱাত
সময়ৰ শেষত নীৰৱ হৈ যাওঁ মই
আকৌ ঘূৰি অহা দিনটৌলৈ।■

# অনুভৱ

সঞ্জীৱ দাস
*পঞ্চম যাণ্মাসিক, বুৰঞ্জী বিভাগ*

কান্ধত এটা টোপোলা লৈ ঘৰখন
এৰি অহা দিনা
তিনিআলিৰ পৰাই ডাক কেন্দ্ৰত থকা
গাড়ীত উঠালৈকে তই চাই আছিলি মোক
মই নোচোৱাকৈ অনুভৱ কৰিছিলোঁ
মই নেদেখাকৈ চাদৰৰ আঁচলেৰে মচিলি দুচকুৰ টোপাল
তোৰ চকুলৈ মোৰ চাবলে ভয় লাগিছিল।
চাই আছ বুলি জানিও হয়তো পিছলৈ চাবলৈ
মোৰ সাহস হোৱা নাছিল।
সেইয়ে তোক এৰি থৈ আহিলোঁ
তেতিয়াৰ পৰাই সলনি হ'লো ঐ মা
তোৰ কথা ভাবিলে মোৰ কান্দিবৰ মন যায়।
উভতি যাবৰ মন যায় তোৰ কাষলৈ
নাজানো মা কিয় মোৰ ৰাতি টোপনি নাই।
ম'বাইলৰ নেট্‌পেক্ শেষ নোহোৱালৈকে
অনুভৱবোৰ বুকুৰ মাজতেই ৰয়
সপোন দেখিবলৈ ভালপোৱা ল'ৰাটো
আজিকালি সপোন দেখিবৰ সাহস নোহোৱা হ'ল
তোক সকলো ক'বৰ মন যায় ঐ মা
তোৰ হয়তো সাহস নহ'ব শুনিবৰ
বিবেক যুদ্ধত পৰাজিত হৈ
সকলোবোৰ নিজৰ মাজতেই ৰাখোঁ।
পৃথিৱীখন বহুত জটিল ঐ মা
মই ভবাতকৈও, তই নুবুজিবি
মইও বুজা নাছিলোঁ।



এতিয়া লাহে লাহে সকলোবোৰ বুজা হৈছো
দোকানৰ চাহ খাবলৈ কেনেকুৱা লগ লাগে
জেপত টকা থাকিলে ইয়াত কি কি কিনিব পাৰি
গম পালে তই মূৰ্চ্ছা হৈ যাবি
নালাগে দে সেইবিলাক
গম নোপোৱাকৈ থকাটোৱেই ভাল
বহুত সৰু মানুহ ঐ মা আমি
ডাঙৰ মানুহ হ'বলৈ আহি
মইচোন নিজেই সলনি হৈ গ'লো।
তোৰ হয়তো মনত আছে
এদিন তোক কৈছিলোঁ ডাঙৰ মানুহ হোৱাৰ হেঁপাহ
ভাড়া ঘৰলৈ অহা দিনা ভাল লাগিছিল
আনন্দতে ভাবিছিলোঁ এতিয়াৰ পৰা তোৰ আৰু
গালি শুনিব নালাগে।
এতিয়া অনুভৱ হ'ল ব্যস্ততাৰ মাজতো
তোৰ গালিবোৰৰ সোৱাদ আছিল ঐ মা
ভাল মানুহ হোৱা আখৰা কৰি ভাবিছোঁ ঐ মা
পাৰিম নে ভাল মানুহ হ'বলৈ ঐ মা
মা ঐ মা তই শুনিছ নে ঐ মোৰ
মোৰ মনৰ কথাবোৰ ...।।■





# আশাৰ পৃথিৱী

স্নেহা সোনোৱাল
*প্ৰথম যাণ্মাসিক, উদ্ভিদ বিজ্ঞান বিভাগ*

সন্ধান মাথো মোৰ
এক নতুন পৃথিৱী
সন্ধান মাথো মোৰ
এক উৎস স্বচ্ছল জলাধাৰ।।
হৃদয়ত এক অন্তহীন হেপাঁহ
সাজিবলৈ কংক্ৰিটময় জীৱনক
শ্ৰুতিমধুৰ ধাৰা,
অতীতৰ সেই সুবাস
তলসৰা শেৱালি আৰু হাচ্‌নাহানা।।
সপোনবোৰ যেন স্থিতিহীন স্তাৱক
ঠিক সোঁতৰ দৰে
গতিশীল জীৱনত বাস্তৱিকতাৰ পৰশত
বাধ্য হ'লো জীৱনৰ হাতত থমকিবলৈ।।
তথাপিও হৃদয়ত ৰাখিছোঁ জীয়াই
এক আশাৰ উদ্দীপনা,
যিয়ে দিব মোৰ জীৱনক এক নতুন ঠিকনা।।■

# ৰগীবিল পাৰ-ঘাট

জিতুৰাজ পেগু
*পঞ্চম যাণ্মাসিক, প্ৰাণী বিজ্ঞান বিভাগ*

এই নদীখন যে দেখিছা!
তাইৰ ঘৰ আছিল
নৈ খনৰ সিপাৰে ...
নদীখনৰ ওপৰত যে দলং খন দেখিছা
তেতিয়া এইখন বনোৱা হোৱা নাছিল,
তাইৰ হেনো কেন্সাৰ হৈছিল।
চোৱা না তাইৰ কিমান প্ৰেম,
মৃত্যুৰ শেষ সময়লৈকে মোক নজনালে
জানোচা তাইৰ প্ৰতি মোৰ প্ৰেম কমি যায়।
কিন্তু!
কিন্তু তাই বিচাৰিছিল মোক
শেষ সময়ছোৱাত তাইৰ কাষত
দিবলৈ শেষ চুমাকণ
"দাদা সোনকালে বলক না প্লিজ
নহ'লে তাই ..."
কিন্তু
ফেৰী নাৱৰ মালিকহঁতে কি বুজিব
মোৰ বুকুৰ ধপ্‌ধপনি
নদীখন যে সোনকালেই পাৰ হ'ব লাগে ...
আজি হোৱা হ'লে চাগৈ তাইৰ শেষ
হাঁহিকণ চাব পালোঁহেঁতেন
কিন্তু
তেতিয়া যে দলঙখন সজোৱা হোৱাই নাছিল ■

(সঁচাকে দলং খন সম্পূৰ্ণ হোৱাৰ কাৰণে কিমান যে অসুবিধাবোৰ দূৰ হ'ব। আশা কৰোঁ দলং খন নদীৰ দুইপাৰৰ মানুহৰ কাৰণে সমন্বয়ৰ এনাজৰী হৈ ৰ'ব।)

# দুৰ্ভগীয়া পথিক

**মনিষ ছেত্ৰী**
*পঞ্চম যাণ্মাসিক*

সীমাহীন কল্পনা মধুৰতম ভাষা
তোমাকে দিছিলোঁ সঁচা মৰম ভালপোৱা।
চলনাহীন মিঠা ভাষা নিদিছিলা ধৰা
মিছাতে জ্বলাই দিলা আলসুৱা হিয়া
প্ৰেমহীন জীৱন মোৰ বিষাদ ভৰা বুকু
সেয়েহে মই চিন্তাশীল, জীৱন কিহেৰে গঢ়োঁ
মৰমহীন মিঠা মাত বেদনাহীন ভাষা
সেয়েহে মোৰ বুকুত জ্বলে প্ৰতিশোধৰ শিখা।
আশাহীন আশা দিলোঁ ভাঙি দিলা হিয়া,
সেয়েহে বাচি ল'লোঁ স্বাধীনতাৰ সেৱা ...?
বিদায়হীন পৰত আজি অন্ধকাৰ ৰাতি
বাৰে বাৰে আহি আছে তোমাৰে ছবি।
দূৰ্ভগীয়া জীৱনৰ মায়া গুছি যোৱা
তুমি যেন চাই যোৱা মোৰ নশ্বৰ দেহা,
নৈৰে পাৰতে মোৰ চিতা জ্বলিব।
ওপৰে উৰিব ধোঁৱা সেইদিনাৰে পৰা
যৱনিকা পৰিব মোৰে জীৱনৰ কথা।■



# সময়

**লিলিবন লেখাৰু**
*ষষ্ঠ যাণ্মাসিক, গণিত বিভাগ*

হেৰাই যায় হেঁপাহৰ ঠিকনা
কিৰিলি পাৰি উৰি গুচি যায় চৰাই এজাক
নিজৰ বাহলৈ বুলি
হো হোৱাই গৈ থাকে
দূৰন্ত গতিৰ ৰেলখন
কুঁৱলীৰ চাদৰখনৰ স'তে
বাঢ়ি আহে ক্ৰমান্বয়ে সন্ধিয়া
মাজে মাজে ব্যস্ত হৈ পৰে
ৰেলৰ দবাবোৰ
চিটৰ বাবে হেতাওপৰা
লাগি থাকে মানুহবোৰ।
ৰেলৰ উকিত আৰু কোলাহলত
কণমানি কেঁচুৱা কেইটি
অজানিতে চকুমেলি কান্দিবলৈ ধৰে।
ইটোৰ পিছত সিটো প্লেটফৰ্ম
থৰ হৈ জ্বলি থকা
ষ্ট্ৰিট লাইটবোৰ
এৰি থৈ যায়।
কোনেৰে টোপনিত লালকাল
কোনেৰে উজাগৰে থাকি
পূব দিগন্তলৈ সূৰ্য উদয়ৰ
ক্ষণ গণে
হেঁপাহেৰে বাট চাওঁ
ব্যস্ততাৰ সময় আৰু
নতুন ঠাইৰ নতুন
সুবাস বিচাৰি।■



# হাঁহি আৰু অশ্ৰু

**গৌৰৱজ্যোতি বৰুৱা**
*প্ৰথম যাণ্মাসিক, প্ৰাণী বিজ্ঞান*

হাঁহিয়ে যদি আনন্দ,
তেন্তে আনন্দত অশ্ৰু কিয়?
অশ্ৰুৱে যদি দুখ,
তেন্তে আনন্দত অশ্ৰুৰ পৰশ কিয়?
যদি হাঁহি আৰু অশ্ৰুৰ আজীৱন বন্ধুত্ব
তেন্তে মোৰ দুখত ইহঁতৰ বিভঞ্জন কিয়?
অশ্ৰুৰ অন্তত যদি হাঁহি হয়,
তেন্তে মোৰ অন্তত অশ্ৰু কিয়?
আনন্দই যদি হাঁহি আৰু অশ্ৰুৰ সমভাগী,
তেন্তে মোৰ সুখত হাঁহিৰ বিশ্বাসঘাতকতা কিয়?
হাঁহিয়ে যদি আনন্দক আদৰে,
তেন্তে মোৰ আদৰণিত কেৱল অশ্ৰু কিয়?
অশ্ৰুত যদি মূল্য আছে,
তেন্তে মোৰ অশ্ৰু মূল্যহীন কিয়?
অশ্ৰুত যদি কাকুতি অন্তৰ্নিহিত,
তেন্তে মোৰ কাকুতি হাঁহিৰ উপহাস কিয়?
এই কথাবোৰ যদি অনৰ্থক হয়,
তেন্তে বাস্তৱ জীৱনৰ ইয়াৰ প্ৰতিফলন কিয়?■





# বাস্তৱৰ কোলাত সপোনৰ তুলিকা

**প্ৰিয়া দাস**
*প্ৰথম যাণ্মাসিক, প্ৰাণী বিজ্ঞান*

সপোনৰ তুলিকাত মন মোৰ উমলিছে
বাস্তৱে আজি লুকা-ভাকু খেলিছে।
সহজ নহয় বাস্তৱৰ কোনো চেতনা
সপোনে পূৰ কৰিছে এই কামনা।
সপোন পাৰৰ সেই উজ্জ্বলিত লিখা
দুৰ্গম কিন্তু বাস্তৱৰ প্ৰতিটো নিশা
সপোনত আজি মোৰ অনাবিল কল্পনা
বাস্তৱে দিলে মোক এক বিস্ময় পৰিঘটনা
সপোনে দিব নোৱাৰে বাস্তৱৰ বৰ্ণনা
সেয়েহে আজি বাস্তৱৰ কোলাত সপোনৰ তুলিকা।■

# মা

**মিতালী গগৈ**
*প্ৰথম ষাণ্মাসিক, প্ৰাণী বিজ্ঞান*

মা, তুমি আকাশৰ জোনটিৰ দৰে,
পোহৰ বিলাই ফুৰা সেউজী ধৰণীলৈ।
চাওঁযে মই সেই জোনটিকে মা
তোমাৰ স্মৃতি সোঁৱৰিবলৈ।

নীৰৱে নীৰৱে ভাবো তোমাৰ কথাকে মই
মতলীয়া হৈ ঘূৰি ফুৰোঁ জোনাক
ৰাতিত চাবলৈ।।
নীলা আকাশৰ তৰাৰ দৰে
তিৰ্‌বিৰোৱা তুমি
তাকে দেখি উঠলি উঠে মোৰ
তোমাৰ প্ৰতি মাতৃ পিৰীতি।

জোনটিৰ পোহৰত দেখো তোমাৰ হাঁহিটি
যদিও নাই তুমি মোৰ কাষত,
তোমাৰ মৰম আৰু আশীৰ্বাদ
সদায় থাকিব ছাঁ হৈ মোৰ হৃদয়ত।

ৰৈ আছো তোমালৈ
এবাৰ যে তোমাক চাবলৈ।। ■





# ভাৱনা

**লক্ষ্যজিত গোহাঁইৰীয়া**
*পঞ্চম ষাণ্মাসিক, অৰ্থনীতি বিভাগ*

নিজৰ মাজতেই হেৰাই গৈছো
নিজকে প্ৰতাৰণা কৰিছোঁ।
নিজৰ মনটোক আৱদ্ধ কৰিব বিচাৰিছোঁ,
লেপটপ, ম'বাইল ফ'ন, ছচিয়েল মেডিয়াৰ মাজত।
নিজকে ব্যস্ততাত থ'ব বিচাৰোঁ নিজৰ মাজত;
মই শূন্যতাত ভূগিছোঁ
লাহে লাহে মই ভাঙি পৰিছোঁ
নিজৰ মাজত যিমানেই সোমাব বিচাৰিছোঁ
সিমানেই হেৰাই গৈছোঁ
আপোন জনক, ভাঙি পৰিছোঁ মই
হেৰাই গৈছে মুখৰ হাঁহি
হেৰুৱাই পেলাইছোঁ নিজকে ... ■



# পাগলী

**হেমাশ্ৰী গগৈ**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*



আলিবাটৰ একাষে মলিয়ন ফটাচিটা কাপোৰেৰে
এহাতে আৱৰ্জনাৰ বস্তালৈ
আনহাতে আউলী-বাউলী চুলিখিনিৰ
মাজেৰে আঙুলি বুলাই আহি থকা
সেইজনী কেতেকী ...
অ' তাইৰ নাম কেতেকী
চঞ্চল কেতেকী চৰাইৰ দৰেই ঘূৰি ফুৰে তাই
বয়সে চাগে ষোলৰ আশে-পাশে
মলিন কপোৰ, চুলিত কোনো দিন ফণীৰ
আচোঁৰ নপৰা, ৰাস্তাৰ আৱৰ্জনা বুটলি ঘূৰি ফুৰা
দেখিবলৈ কুৎসিত লাগিলেও কিন্তু
শৰীৰৰ প্ৰতিটো ভাঁজতে গাভৰু দেহৰ মোহনীয়তা
ৰাস্তাত লগ পোৱা লোকে তাইক পাগলী বুলি
ক'লেও কিন্তু এপলক ৰৈ নোচোৱাকৈ নাযায়।
সেয়াই চাগে কেতেকীৰ দোষ
দেহত ভৰ যৌৱন, সেয়াই চাগে তাইৰ অভিশাপ



যাৰবাবে,
দিনৰ পোহৰত আৱৰ্জনা বুটলি
ঘূৰি ফুৰা কেতেকীৰ বাবে জোনাক নিশাটো
হৈ পৰে কাল আমাৱস্যা
কিছুমান লোভী জন্তুৰ বাবে
তাই হয় মাংসৰ টুকুৰা।
বহুদিন খাবলৈ নোপোৱাৰ দৰে
টানি আজুৰি শেষ কৰি
পেলাই যায় তাইক যন্ত্ৰণাৰ সাগৰত
বিননিৰ গীত জুৰিব নজনা কেতেকী
পৰি থাকে শিল যেন হৈ ...
ৰাতিৰ আকাশৰ জোন-তৰাইও যেন তাইক পৰিহাস কৰে।
কয়— "পাগলী, তই দিনৰ পোহৰতহে পাগলী ...
ৰাতিয়ে আহি চাৰিওদিশে অন্ধকাৰ কৰিলে
কি হ'ব ?
এই অন্ধকাৰতে দিনত সভ্যতাৰ মুখা পিন্ধা
মানুহৰ আচল চেহেৰা জিলিকি পৰে ...
মুখা খুলি নিজৰ পিয়াঁহ গুচাবলৈ ওলাই
আহে তোৰ দৰে কেতেকী এজনী বিচাৰি ...
বাস্তৱ ... এয়াই নিষ্ঠুৰ বাস্তৱতা কেতেকী, কিন্তু তই নুবুজিবি,
কাৰণ তই যে কেতেকী পাগলী।■

# মহাত্মা গান্ধী

গৌৰী গগৈ
*পঞ্চম যাণ্মাসিক, সমাজতত্ত্ব বিভাগ*

বিশ্বৰ বন্ধু তুমি হে মহান স্বদেশী নেতা
দেশৰ বাবে প্ৰাণ দিবলৈ তুমি
অলপো নকৰিলা কুণ্ঠাবোধ
তোমাৰ সাহসত আহিল ওলাই
হাজাৰ জনতা ৰাজপথলৈ
নিজৰ প্ৰাণৰ মমতা এৰি
দেশৰ বাবে যুঁজ দিবলৈ
কৰিলা বৰ্জন বিদেশীৰ সামগ্ৰী
নিজ দেশত উৎপাদন কৰি।
অহিংসা পথেৰে আগবাঢ়ি কৰিলা
পৰাজয় শক্তিশালী বিদেশীক
দেশৰ বাবে সকলো ত্যাগ কৰি
হ'লা অমৰ প্ৰত্যেক যুগতে তুমি
হে মহা মানৱ মহাত্মা গান্ধী। ■



# নাৰীৰ এক জাগৰণ

দীপ গগৈ
*পঞ্চম যাণ্মাসিক, ৰাজনীতি বিভাগ*

হে মহিমাময়ী নাৰী
যুগময়ী ৰহস্যৰে ভৰা তুমি
বিচিত্ৰ বৰ্ণালীৰ এক সহজ প্ৰকাশ
প্ৰকৃতিৰ এক সৃষ্টি তুমি নাৰী
বসুন্ধৰাৰ সৃজনীশীল শক্তি তুমি নাৰী
প্ৰেয়সী ৰূপেৰে অভিমানী তুমি নাৰী
আকৌ নাৰী তুমি মায়াবিনী!
তোমাৰ সৃষ্টিতে তুমি কলংকিত
সৃষ্টিৰ হাতত তুমি যেন
এটি মাত্ৰ ভোগ্য পণ্য
সন্তান উৎপাদনৰ এটি যন্ত্ৰ।
তুমি যেন সকলোতে অৱহেলিত,
তুমি যেন অধিকাৰত নিস্পেষিত নাৰী।
এনেদৰে নহ'ব নাৰী
জাগা নাৰী জাগা আজি
চিঙি পেলোৱা তোমাৰ সেই
ভৰিত লগোৱা দাসত্বৰ শিকলি
আজি জাগিছো আমি
জাগিছে সকলো নাৰী
এইয়া আমাৰ জাগৰণ
এইয়া নাৰীৰ জাগৰণ। ■



# এটি নতুন পথৰ সন্ধানত

পিৰুমণি গোহাঁই
*পঞ্চম যাণ্মাসিক, সমাজতত্ত্ব বিভাগ*

বিচাৰিছোঁ এটি নতুন পুৱা
য'ত ৰক্ত ৰঙেৰে ৰঙালী হৈ
ওলাই আহিব এলান্ধুময় পৃথিৱীৰ বক্ষ ফালি
নালাগে মোক হিংসাৰে ছটিয়াই দিয়া ৰঙা ফাকু
লাগে মাথো প্ৰেম নিবেদনৰ ৰঙা গোলাপৰ পাহি
বেজাৰত মুখ গোমা কৰি থকা আন্ধাৰৰ জনক
পোহৰৰ উম দিবলৈ, বেৰৰ ফাঁকেৰে পোহৰ
সিঁচিবলৈ দিয়া এটি নতুন দিন।
তুমি অহাৰ দিনা সূৰ্যই সিঁচি দিয়ক নতুন কিৰণ
ৰামধেনুৰ দৰে জিলিকি উঠক চৌপাশৰ বৃক্ষবোৰ
ফুলো নুফুলোকৈ থকা কলিটি ওলাই আহক
নতুন পুৱাৰ জীৱনৰ সোণালী আশালৈ
তাৰে কামনাৰে . . . । ■



# জীৱনৰ হেঁপাহৰ

ৰিংকী গগৈ
*তৃতীয় যাণ্মাসিক, সমাজতত্ত্ব বিভাগ*

ৰামধেনুৰ সাঁতো ৰঙেৰে বোলাব খোজোঁ
জীৱনৰ উকা পৃষ্ঠা,
এনে লাগে যেন
ৰঙবোৰ নোহোৱা হ'ব ধৰিছে লাহে লাহে
হাতৰ তুলিকাও যেন
থমকি ৰৈছে।
নোৱাৰা হৈছো আজি বুলাই যাব ৰং
সময় পালে ঘূৰাই দিবাচোন
নতুনকৈ এখন ছবি আঁকিব খোজো
'জীৱনৰ'
হেৰুৱা সুৱাস ঠিকনা বিচাৰি
তুমি আঁকি থৈ যোৱা ছবিখন
উৰলি যাব ধৰিছে
মই অকলে নোৱাৰো সেই ছবিত
ৰং বুলাই যাব
তোমাৰ অনুপস্থিতিত
অৰ্থশূন্য সেই ছবি
সেয়ে এখনি নতুন ছবি আঁকিব খোজো
নিজৰ বাবেই নিজেই
'হেঁপাহৰ' ■

# যাত্ৰা

**চন্দ্ৰিকা গগৈ**
*তৃতীয় ষাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ*

এনেকৈয়ে আগুৱাই যায়
প্ৰতিটো দিন
কিম্বা ৰাতি,
উত্তৰণৰ সমল বিচাৰি
লুটপাত সমগ্ৰ ধৰিত্ৰী . . .।
বিপন্ন সময় নদীৰ সোঁতত
উটি যায় স্বপ্নৰ কাৰেং
আশাৰ পদূলিত তথাপি
থমকি ৰয়
প্ৰতিজন মানুহ . . .
কিবা এটা
এই যে কিবা এটা কৰাৰ
কিবা এটা গঢ়াৰ
প্ৰবল কামনা।
মৃত্যুৰ শ্বাসত অভিজ্ঞতা থাকিও
অন্ধৰ প্ৰতিজনৰে দৃষ্টি
খোজে খোজে
বিধ্বস্ততাৰ প্ৰাচীৰ নিৰ্মূল কৰি
নিজকে প্ৰতিষ্ঠা কৰিবলৈ
জ্ঞান বুদ্ধি অথবা চলনাৰ মন্ত্ৰেৰে
অগ্ৰসৰ প্ৰতিজনৰে যাত্ৰা . . .■



# कोशिश हमें करनी हैं

**अरूणा कुमारी**
*पंन्चम सेमीस्टर, प्राणी विज्ञान विभाग*

नया वर्ष आया है,
खवाब नया भी लाया है।
कुछ ने खुशियों से मनाया नव-वर्ष,
पर कुछ के नसीब ना आया खाना।
कहीं फिर जली किसी कौ बेटी
दहेज के आग में
किसी के घर फिर मरी बिटियाँ
माँ के कोश मे।
फिर खराब हुई किसी की नियत
किसी की बेटी पर
फिर बेरोजगारी ने किसी युवा को
मौत के निंद सुलाया।
फिर किसी गरीब का बच्चा
न पढ़ पाय।
भाता की वर्ष बदल गया
लेकिन नही बदला है, आज भी ये समाज।
नव वर्ष में नसीब उनकी भी बदलेगी
यही उम्मीद दिल में रहती हैं।
वक्त बदले ना बदले
लेकिन कोशिश हमें करनी हैं।■





# Hope for Happiness

**Kristi Saikia**
*5th Sem. Botany*

If everyday would be a day of joy,
With a smile and happiness in our faces
It would be a day of no danger,
It would be a day of no anger,
It would be a day of no cry,
By walk and walk our heart lough
Let the sunshine at the high sky.
Fall in our face with joy
Let the whole universe fall in love.
And be in joy without sorrow in their heart
And then there remains only a word,
That is happiness. n

# Stop this! Please

**Mriganka Deka**
*3rd Sem. Political Science*

Its 4 in the morning
And I'm waiting for the sunlight
To shower some mercy to my friend
Who is in a state, we no one would ever like

She is just 18
Who wore a skirt last night
Returning with a smile down the way
Unknown of the sctawi called man.

She cried and yelled
None came to save, none were besides two
A time a brutality and forced bestiality
Ravaged an innocent's life





Her family doesn't want
Anyone to know about it
The society and the people around
Well they say ill about it?

I got to know about it from my cousin
Who was in the party that night
Saw her lying on the side of the road
As if of a carcass's sight!

It's been five years now
I still ask myself
Was it the skirt?
The newspaper uttered about a diaper too

Disheartened me
Want to change this jarring truth
I want to scream so loud
Stop this! Please stop! ■



# Somewhere between smoke and hope

**Lovely Borah**
*1st Sem., Deptt. of Zoology*

The lungs of this Earth are burning away
Natural catastrophe– that's what they say
Hands are bound, send wishes and pray
Culture of destruction.

The lungs of this earth are eaten away
Man-lit fires breed and slay
Cut down trees, make space to prey
Choking on consumption.

And somewhere beyond global scope
Somewhere between smoke and hope
The tug of war of wrongs and rights.
Bursts raging trails through muted nights
And in my chest I safely contain
What seems to be half the earth's pain





Our mother bleeds
Our mother dies
Still we keep eating her alive
Too wrapped up to pointing the blame
At those who challenge we can't live the same
As we did before this emergency state
Change starts at the dinner plate
And spreads from there like wayes in motion
Slowly filling empty occans
Incresing demands for smarter designs
Building foundations of kinder kinds
Discarding what's unsustainable
Making choices primary assets
Investing in progress attainable
Enforcing a laws and ruling our bets
That play with the future of every nation
And perhape during their regenration
Of rebirthing trees and nurturing Earth
We'll start to treasure our rare nature's worth
And thus consume no more than we need
And stop exploiting for our own greed. ■

## ২। প্ৰাচীৰ পত্ৰিকাৰ পৰিৱেষ্টিত পৰিজ্ঞান ।।

## (ক) ছাত্ৰ একতা সভাৰ কাব্যিক পত্ৰ মঞ্জৰি



### নতুন অসুৰ


নৰজিত গগৈ
*ষষ্ঠ যাণ্মাসিক, অসমীয়া বিভাগ*


পাৰ হৈ গ'ল বহু দিন-ৰাতি
শেষ হ'ল বহু জীৱন কাহিনী
নদীয়েও সলালে গতি
জ্বলিল আৰু নুমাল পৃথিৱী
শেষ নহ'ল আজিও কালিমা শক্তি
নিতৌ জ্বলে ৰাতিৰ আকাশত জোন তৰালি
উৰি ফুৰে বনে উপবনে জোনাক
তাৰ মাজতো লুকাই থাকে উচুপনি
পিশাচৰ নখৰ আঁচোৰ লাগি
নিৰ্গত হোৱা কোনো অবলাৰ চিঞৰ শুনি
যি শব্দই ফালি যায় বুকু দুফাল কৰি
হ'ল মাথো সময় সলনি
বধ হ'ল বহুতো অসুৰ মহাবলী
কিন্তু বাৰে বাৰে আহিছে জন্মি
এই পৃথিৱীৰ ধ্বংস কৰিম বুলি
যাৰ নাম আজিৰ দিনত ধৰ্ষণকাৰী।■



### জাগৰণ


প্ৰসিদ্ধ সোনোৱাল
*পঞ্চম যাণ্মাসিক, অসমীয়া বিভাগ*


ক্লান্তি বিভ্ৰান্তি আজি জীৱন অশান্তি
কোন পথে যাওঁ মই ন্যায় বিচাৰি
সোণৰ অসম দেখাৰ সপোন ভাঙি হ'ব নেকি ছাৰখাৰ
বাংলাদেশী, আত্মহত্যা, ধনদাবী কিমান হ'ব বলাৎকাৰ
মানৱতা, সত্যতা সলনি দুৰ্নীতি মাত্ৰ
জাতি আৰু মাটিৰ স্বাৰ্থত কিছুৱে তুলিলে অস্ত্ৰ
কোনে দিব ৰক্ষা কৱচ কোনে কৰিব বিচাৰ
বাংলাদেশীয়ে কাঢ়িব নেকি অসমীয়াৰ অধিকাৰ
ধৰ্ম আৰু জাতিৰ নামত নকৰি বাচ-বিচাৰ
জাগি উঠা অসমীয়া বচোৱা দেশ আমাৰ
গুৰু জনাই সৰজা অসমীয়া সাহিত্য
জোনাকীয়ে দিছিল তেজীমলাৰ পদ্য
বৰফুকনে নৰিয়াত পৰিও দাঙিছিল অস্ত্ৰ
মনতপেলোৱা অসমীয়া চিলাৰায়ৰ বীৰত্ব
নবৌয়ে দি তামোল-ছালি আৰু আয়ে দিয়া গামোছাখনি
অসমীয়া মেলা মন ঘূৰাই দিয়া জাপিটো
তাতেই আছে মৰমকণ
ল'লো আজি পণ বচাম অসম দেশক
লিখি দিলো বচাম একবিংশ শতিকাৰ ৰণত।■



### মুক্ত আকাশ


ভাস্কৰ গগৈ
*তৃতীয় যাণ্মাসিক, অসমীয়া বিভাগ*


মোৰ মনে মুক্ত আকাশত
উৰিব খোজে
নাজানো জীৱনে কি বিচাৰে
মোৰ পৰা
মাথোঁ আশাৰে মালা গাঁঠি আছো
সপোনৰ কোলাত
মৰমে কি বিচাৰে নাজানোঁ
তোমাৰ পৰা
মাথোঁ ৰৈ আছো
তুমি দিয়া প্ৰতিশ্ৰুতিৰ কথা ভাবি
মৃত্যু হ'ব যদিও সেই
মোৰ সপোনৰ
আশাই ন কৈ
মোৰ মনত পাহি মেলে
আজি আকৌ মোৰ মনে
মুক্ত আকাশত উৰিব খোজে।■





### নতুন দিশত এখোজ


সুৰুজ গগৈ
*তৃতীয় যাণ্মাসিক, সমাজতত্ত্ব বিভাগ*


পুৰণিক পাহৰি তুমি আহিলা
নতুনৰ বাট বুলি
তুমি আহিলে সকলোৰে মন-মন্দিৰত
আশা-প্ৰত্যাশাৰ নতুন জোৱাৰ উঠে
তুমি অহাৰ লগে লগেই
মন দোলনাত ভোজ ভাতৰ জোৱাৰ উঠে
তোমাক আদৰিবলৈ সকলোৰে কঁকালত
টঙালি বান্ধি ৰৈ থাকে
তুমিয়ে হৈছা নতুন আশা, নতুন চিন্তা নৱবৰ্ষৰ
তোমাৰ মাজতেই আছে অতীত, বৰ্তমান আৰু ভৱিষ্যৎ
তুমি মানুহক লৈ যোৱা এক গভীৰৰ পৰা গভীৰতালৈ
তুমি লৈ যোৱা এক নতুন প্ৰকৃতিলৈ
তুমি অহাৰ লগে লগে মই
ভৱিষ্যতৰ নতুন সন্ধান পাওঁ
তুমিয়ে হ'লা নৱবৰ্ষ
তুমি আহিলে মোৰ অকণমানি হৃদয়খনিত
সাগৰৰ দৰে ঢৌবোৰ ওপৰলৈ উঠে
মন যায় সাগৰ হ'বলৈ প্ৰকৃতিৰ লগত
মুক্ত জীৱন কটাবলৈ
হে নৱবৰ্ষ, তোমাক জনাওঁ স্বাগতম।■

# সংকল্প লওঁ আহা

**দীপক ৰঞ্জন চেতিয়া**
*ষষ্ঠ ষাণ্মাসিক, অসমীয়া বিভাগ*

পুৰণি সূৰ্য ডুবিলে
নতুন ৰবি উঠিল
এনেকৈয়ে পাৰ হ'ল
আৰু এটি বছৰ।
নতুন বছৰত সংকল্প লওঁ আহা
লক্ষ্যস্থানত থমকি নৰওঁ
পালেও দুখ নাপালেও সুখ
আমি গৈ থাকিম
গৈ থাকিম
আগুৱাই যাম
লক্ষ্যস্থান তেতিয়া নিশ্চয় পাম,
সংকল্প লওঁ আহা সত্যৰ
তেতিয়া জিলিকিব আমাৰ চকুত
নতুন সূৰ্যৰ ৰশ্মিৰে
আগবাঢ়ি যাওঁ কৰ্ম-যজ্ঞৰে
সমাজ আৰু দেশ গঢ়াৰ প্ৰচেষ্টাৰে
অহিংসা নীতিৰে দুষ্কৃতি নাশি

শান্তি সুধাৰে সংস্কৃতি আদৰি
শান্তি, ঐক্য, প্ৰগতিৰ হকে
প্ৰাণত থকা বাহুবলেৰে
পোহৰাম আমি নতুন দিগন্ত।।■





# নষ্ট গলিত সিহঁতবোৰ

**বিশ্বজিত দাস**
*পঞ্চম ষাণ্মাসিক, ৰাজনীতি বিভাগ*

তইয়ে মৰমেৰে হাত বুলাই কথাবোৰ কৈছিলি আই
মোৰ মনত আছে অ' আই
মই পাহৰা নাই
কাৰ কথা কৈছিলি, কি বুলি কৈছিলি
সকলোবোৰ বাৰুকৈয়ে বুজিছিলোঁ
ভাল কামৰ ভাল ফল
বেয়া কামৰ না জল না থল।
আই অ' আই তই কোৱাৰ দৰে আজিৰ সমাজ
নহয় ইমান সহজ-সৰল।
পথে-ঘাটে থাকে দেখোন
সহজ লভ্য অমৃতৰূপী গৰল।
আই, মই সিহঁতে অমৃত পান কৰিছিলোঁ তোৰ কথাৰ
ইয়াত মই সেই অমৃত পোৱা নাই
আই, সিহঁতে দৌৰিছে, মাথোঁ দৌৰিছে
বাট কিন্তু বিচাৰি পোৱা নাই
সিহঁতবোৰৰ আই-বোপায়েকক কবিচোন আই
সিহঁতক বুজাবলৈ কবিচোন আই
নহ'লে যে সিহঁতৰ লগত
মোৰ কথা মিলা নাই।
আধুনিকতাৰ নামত অতি আধুনিকতাই
সিহঁতক পঙ্গু কৰিছে
ঈপ্সিত পৰিবৰ্তনবোৰো নিঃশেষ কৰিছে
এনেদৰেই নষ্ট গলিবোৰৰ বোকাত
নিজকে লুতুৰি-পুতুৰি কৰিছে।■



# নীৰৱতা

**উমামণি ওৰাং**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

আমি হেনো স্বাধীন
আমাৰ পৰিচয় স্বাধীন দেশৰ নাগৰিক
আমি কিয় মষিমূৰ কৰিব নোৱাৰো
শোষণ-শাসন আৰু নিপীড়ন
মানৱৰ দানৱীয় কৰ্ম-কাণ্ড
তেন্তে,
স্বাধীনতাৰ মূল্য ক'ত
শিক্ষা-প্ৰমূল্যবোধৰ অৰ্থ ক'ত
আছে জানো নীৰৱতাত
সাৰ্থক জীৱনৰ সফল অৰ্থ?■





# ৰাত্ৰি

**প্ৰস্তুতি বুঢ়াগোঁহাই**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

ৰাত্ৰিৰ আন্ধাৰ
ইমান মধুৰ
বিষাদৰ ছায়া
হয় সুমধুৰ।
নয়নৰ ফাঁকত
জিলিকে জোন
উন্মাদ জিলিৰ
ৰিম্‌ঝিম সুৰ
পূৰ্ণিমাই বিলাই
অজস্ৰ পোহৰ
আকাশত জিলিকে
তৰাটি সোণৰ
নাযাবা নাযাবা সোণ
দূৰলৈ নাযাবা
অমিয় ৰাত্ৰিৰ ভাৱ
কান্ধত পৰিব চাবা।■

# সেউজী অস্তিত্ব

**হেমাশ্ৰী গগৈ**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

সৌ সিদিনাৰ কথা আছিল
চাৰিওফালে সেউজীয়া ৰং সানি
উজ্বলি আছিলোঁ মই
স্বচ্ছ সুগন্ধি সানি বিয়পাইছিলোঁ সুগন্ধ
সৌ সিদিনাৰ কথা আছিল
মোৰ ওপৰতেই আছিল সকলোৰে সুখ-দুখ
জীয়াই থকাৰ আশ্বাস।
কিন্তু আজি ...
আজি যেন মই
সকলোৰে বাবে হেঙাৰ
যিয়ে এদিন মোক লৈ কৰিছে গৌৰৱ
সিয়ে মোক আজি কৰিছে ধৰ্ষণ
চিৰাচিৰ কৰি শেষ কৰি দিছে মোৰ
সেউজীয়া আঁচলখন
কাঢ়ি নিছে অস্তিত্ব
নিষ্ঠুৰভাৱে মোক লৈ গৈছে
শেহান্তৰলৈ।।■



# নতুন যাত্ৰা

**মৌচুমী গগৈ**
*চতুৰ্থ ষাণ্মাসিক, অসমীয়া বিভাগ*

নৱবৰ্ষৰ নতুন সময়ত
সকলো হৈ পৰক নতুন
সকলোৰে মাজত থকা বিদ্বেষবোৰ
ওৰ পৰক,
হৃদয় বিদাৰক কান্দোনবোৰ সলনি হৈ পৰক
শিশুসুলভ হাঁহি লৈ,
হৈ পৰক পাৰিৱেশবোৰ প্ৰদূষণমুক্ত
আৰু হওক সকলো দানৱ মানৱ।
দিনে দিনে বাঢ়ি যোৱা
হিংসা, অপৰাধ, দুৰ্নীতি, ব্যভিচাৰ
সকলো হৈ পৰক মষিমূৰ।
উচ্চতাৰ শিখৰলৈ আগবাঢ়ি
যোৱা সকলো লোকেই
আকাশ চুবলৈ ভয় নকৰক
পুৰুষ মহিলা উভয়েই
অংশীদাৰ হওক এখনি সুন্দৰ সমাজৰ
নিবনুৱাবোৰ বনুৱা হওক আৰু হওক
শিক্ষাবোৰ প্ৰমূল্যবোধ
নৱবৰ্ষত নতুন মুহূৰ্তত
সমাজখন হৈ পৰক শান্ত।
সকলোৰে মাজত মনুষ্যতাৰ ভাব
জাগি বৈ যাওক মিলনৰ নদী।■



# মায়াৰ পৃথিৱী

**সংযুক্তা দিহিঙীয়া**
*পঞ্চম ষাণ্মাসিক, শিক্ষাতত্ত্ব বিভাগ*

চাৰিও দিশে কেৱল বিভীষিকা
মায়াময় কংক্ৰিত জিলিকিছে উত্তাল মায়াবী জগত
আমিবোৰ যেন সৃষ্টিকৰ্তাৰ ক্ষুদ্ৰতম ধূলিকণা
মায়াবী মায়াৰে
দানৱে সাজিছে আকাশস্পৰ্শী অট্টালিকা
নাতিদূৰত নিংকিনভাৱে
চুবুৰীৰ কণমানিটোৱে পাতিছে হাত
'দাদা, দাদা কিবা এটা দিয়ক
কালিৰে পৰা একো খোৱা নাই, মাৰো বেমাৰ।
কি যে জীৱন যান্ত্ৰণা
প্ৰত্যুত্তৰত ভাহে
"যা যা! কাম নাই আৰু তহঁতৰ"
এনেদৰেই নৈতিক মানৱতাত খহিছে মায়াবী পৃথিৱী।
হে সৃষ্টিকৰ্তা বিমোচন,
মাটিৰ মানুহ আমি ত্ৰাণ কৰা
নালাগে আমাক এনে মায়াবী পৃথিৱী ... ■





# প্ৰকৃতিৰ প্ৰেম

**শিখামণি সোনোৱাল**
*পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ*

নিজান ৰাতিৰ আকাশী ছবিখন
কিয়ে বিমোহন।
বৰষুণজাক যেন নামি আহিছে পৃথিৱীলৈ,
বতাহজাকেও যেন বৰষুণজাকৰ লগত
ফেৰ মাৰিব লাগিছে।
ওপজিছে প্ৰেমৰ এক নতুন কবিতা
বিজুলীয়ে পোহৰাই তুলিছে সমগ্ৰ
উজলি উঠিছে সেউজী ধৰণীখন
প্ৰকৃতি প্ৰেমৰ সান্নিধ্যত
গছ বিৰিখবোৰে হালি-জালি
নাচিব লাগিছে।
জোনটিয়ে লাজুকী ভাবেৰে ডাৱৰৰ
আঁৰে-আঁৰে জুমা-জুমিকৈ
মনোৰম দৃশ্য উপভোগ কৰিছে।
প্ৰকৃতিৰ মনোমোহা ছবিখন
মোৰ জীৱনৰ এটি স্মৰণীয়
ক্ষণ হৈ ৰ'ব।■

## (খ) বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ পৰিৱেষ্টিত পৰিজ্ঞান ।।

**প্ৰথম ঃ বুৰঞ্জী বিভাগৰ 'বকলা' পত্ৰিকাৰ পৰা**

## নীলা খামৰ চিঠি

মৰমৰ অনামিকা,

তোমালৈ অন্তঃকৰণেৰে প্ৰীতিময় মৰম যাচিলোঁ। তুমি মোৰ বাবে অনামী, অনামিকা। সঁচা অৰ্থত তুমি মোৰ জীৱন যুঁজৰ এক সবল কল্পিত চৰিত্ৰ। জীৱন পৰিক্ৰমাত পদে পদে লব্ধ পৰিঘটনা, অজস্ৰ বিড়ম্বনা, সমস্যা জৰ্জৰিত উজুটি, বাৰে বিংকৰা ভাবৰ বুৰ-বুৰণিবোৰে মাজে মাজে মোক ভাৰাক্ৰান্ত কৰি তোলে। কথাবোৰ মই মুকলিভাৱে কাকো ক'বও নোৱাৰোঁ। তেনে কাক ক'ম বাৰু অনামিকা ? ? কবিতাময় ভাৱনাৰে ক'ব খুজিছোঁ—

অনামী সুৱাসৰ ৰাগীত / নৈ পৰীয়া ধূলিয়ৰি বাটত
গুঞ্জন তোলে দুটি বনৰীয়া পতঙ্গই / পৰাণ জুৰি ৰিণি ৰিণিকৈ বাজে
এক ৰহস্যময়ী সুৰৰ ঝংকাৰ ... /—এনে পৰিৱেশ পৰিস্থিতিত তোমাৰেই বিমূৰ্ত ছবিখন আঁকি লওঁ; সঁচাকৈয়ে আমাৰ পৰিসীমাত ঘটি থকা ঘটনাবোৰে ভাৰত-পাকিস্তানৰ যুদ্ধ সদৃশ বিভীষিকাবোৰ, নৱ-প্ৰজন্মৰ অধঃপতনবোৰে মোক প্ৰতিনিয়ত ব্যথিত কৰে। অথচ মই কোনো সমাধান সূত্ৰও বিচাৰি নেপাওঁ। ভাব হয় মই যেন এক জীৱস্মৃত ! সেয়ে পুনঃ উজ্জীৱিত হ'বলৈ তোমাকেই 'জীৱন আধাৰ' ৰূপে বিচাৰোঁ আৰু বিচাৰি ফুৰোঁ শান্তিময় জীৱনৰ সৱল প্ৰস্থিতি; যিহেতু মই কেতিয়াও বিষপান কৰি কৰি নীলকণ্ঠ হ'ম নোখোজো। সেই প্ৰসঙ্গতে নিৰ্মৃক্তভাৱে তোমাক ক'ব খুজিছোঁ যে অনাবিল অমৰ প্ৰেমৰ জৰীৰে তুমি যুগে যুগে মোৰ কল্পিত শুভাকাংক্ষিণী, অনামিকা। মোৰ বিশ্বাস, ভৱিষ্যত জীৱন যাত্ৰাতো তোমাৰ ইতিবাচক সহযোগিতাই মোক জীপাল কৰি ৰাখিব।

প্ৰীতিভৰা প্ৰত্যাশাৰে নীলাখামৰ চিঠিখন সামৰিলোঁ। ইতি■

**সৌন্দৰ্য বড়া**

*পঞ্চম যাণ্মাসিক, বুৰঞ্জী বিভাগ*

## এক মিনিটৰ গল্প

সিদিনা মই হোষ্টেলৰ পৰা ঘৰলৈ বুলি চৌকিডিঙ্গি চাৰি আলিত গাড়ীৰ বাবে অপেক্ষা কৰি আছিলোঁ। হঠাতে ক'লা ৰঙৰ গাড়ী এখন আহি মোৰ ঠিক কাষতে ৰ'লহি। গাড়ীৰ পৰা সুন্দৰ-সুঠাম ব্যক্তি এজন নামি ওচৰতে থকা মদৰ দোকানখনলৈ খৰ-খোজে আগবাঢ়িল। পদপথত থকা ভিক্ষাৰীজনে তেওঁলৈ বুলি হাতখন মেলি দিলে জানোচা কিবা এটা দিব ? মানুহজনে একো ভ্ৰূক্ষেপ নকৰাকৈ মদৰ দোকানখনৰ পৰা Black Dog এটা কিনি আনি পুনঃ গাড়ীৰ ভিতৰত সোমালহি। দ্ৰুত গতিত গাড়ীখন চকুৰ পচাৰতে আঁতৰি গ'ল। হায় ! কিয়ে মানৱীয় সত্তা ... ■

**চিমৰণ সোনাৰ**

*প্ৰথম যাণ্মাসিক, বুৰঞ্জী বিভাগ*

## লেছেৰি বুটলা সাধু

ভৰ দুপৰীয়া এটি কণমানি ল'ৰাই দোকানৰ পৰা এটা বেগত কণী কেইটামান লৈ ঘৰলৈ বুলি আহি আছিল। হঠাতে সি উজুটি খালে আৰু বেগৰ কণী কেইটা ভাগিল। এজনে ক'লে বেচেৰা ল'ৰাটো ! বুঢ়া এজনে ক'লে, "ঐ ল'ৰা, সাৱধানে খোজ কাঢ়িব নোৱাৰ !" আকৌ তপৰাই আন এজনে ক'লে, "মই ভাবো সি এনেকৈ বেগতো আনিব নালাগিছিল।" কথা-বতৰাবোৰ চলি থকাৰ মাজতে এজনে আগবাঢ়ি আহি ল'ৰাটোক ক'লে, "তোৰ ভঙা কণীখিনিৰ দাম কিমান চিলিং ?" ল'ৰাজনে উত্তৰ দিলে, "১ চিলিং দদাই।" মানুহজনে জেপৰ পৰা ১ চিলিং উলিয়াই ল'ৰাটোৰ জেপত গুজি ক'লে, "যা বোপা, তই আকৌ কিনি ল'গৈ।" এই সামান্য ঘটনাই মোক বিখ্যাত আমেৰিকাৰ সমাজ সংস্কাৰী শিক্ষাবিদ হেৰেচ ম্যান (Harace Mann)ৰ মহামূল্যবান উক্তিটো উপলব্ধি কৰোৱাইছে। তেওঁৰ মতে, "It is good to think well; it is divine to act well." ■

**মনজিৎ গগৈ**, *পঞ্চম যাণ্মাসিক, বুৰঞ্জী বিভাগ*

## ৰগৰ

আমাৰ ঘৰৰ পিছফালে এটা সৰু পুখুৰী আছিল। বাৰিষা বৰষুণ দিলেই ভেঁকুলীবোৰে টোৰটোৰকৈ চিঞৰিছিল কিন্তু শিলগুটি দলিয়াই দিলেই সিহঁতৰ চিঞৰ বন্ধ হৈ গৈছিল। সৰুতে বৰ মজা লাগিছিল তেনেকৈ শিলগুটি দলিয়াই। তাকে দেখি এবাৰ আইতাই গালি পাৰিছিল - "ঐ ভেঁকুলীক শিলগুটি মাৰিলে বোবা ঘৈণী পাবি।" আইতাৰ গালি শুনি বৰ ভয় খাইছিলো। সেইদিনাৰ পৰা শিলগুটি মৰা বন্ধ কৰি দিছিলো। বোবা ঘৈণী পালে ক'ম কথা হ'বনে ? একো ক'ব নোৱাৰিব, সকলো কথা অঙ্গী-ভঙ্গীৰে বুজাব লাগিব। পিছে এতিয়াহে ভাবিছোঁ . . . ভেঁকুলীক শিলগুটি মৰাই ভাল আছিল নেকি...!

**ৰোহিত সোনোৱাল**, *বুৰঞ্জী বিভাগ, পঞ্চম যাণ্মাষিক*



## ভদীয়া মাহৰ পৱিত্ৰময় নাম-কীৰ্তন

ভাৰতৰ অসমীয়া লোকসকলে অসমীয়া মাহসমূহৰ ভিতৰত ভাদ মাহটোক এটি পৱিত্ৰ মাহ হিচাপে গণ্য কৰে। এই গোটেই মাহটো অসমৰ নামঘৰসমূহত নাম-প্ৰসঙ্গ, কীৰ্তন আৰু বাদ্য-যন্ত্ৰৰ শব্দৰে ৰজনজনাই থাকে। এই সময়ত নামঘৰত পুৰুষ-মহিলা উভয়ে নাম প্ৰসঙ্গত অংশ গ্ৰহণত কৰে।

চতুৰ্দশ- পঞ্চদশ শতিকাত ভাৰতত প্ৰাৰম্ভ হোৱা ভক্তি আন্দোলনে অসমকো প্ৰভাৱিত কৰিছিল। তাৰেই পদাংকনত নৱবৈষ্ণৱ ধৰ্ম আন্দোলনে অসমত প্ৰতিষ্ঠা লাভ কৰে। ইয়াৰ উদ্দেশ্য আছিল ভাগৱতী ধৰ্ম প্ৰচাৰ আৰু প্ৰসাৰ। মহাপুৰুষ শংকৰ-মাধৱৰ মণিকাঞ্চন সংযোগত এক-শৰণ-নাম-ধৰ্মৰ উন্মেষ ঘটে। সেইবাবে গুৰুজনাৰ প্ৰতিষ্ঠিত সত্ৰ, নামঘৰবোৰ গীত, নৃত্য, নাটক আৰু ধৰ্ম শিক্ষাৰ কেন্দ্ৰ হৈ পৰিছে। ইবোৰ অসমীয়া সংস্কৃতিৰ বাৰ্তবাহক।

বিশ্বব্ৰহ্মাণ্ডত ভগৱানে সৃষ্টি কৰা জীৱসকলৰ ভিতৰত যিদৰে মানৱ শ্ৰেষ্ঠ বুলি কোৱা হয়, সেইদৰে অসমীয়া সমাজত ভাদ মাহটো অতি উত্তম আৰু পূণ্য মাহ হিচাপে ধৰা হয়। এই মাহটোত অষ্টমী তিথিত ভগৱান শ্ৰীকৃষ্ণই জন্মগ্ৰহণ কৰে আৰু জগতৰ গুৰু শঙ্কৰদেৱ আৰু মাধৱদেৱৰো এই মাহতে বৈকুণ্ঠগামী হৈছিল। গতিকে পৰম্পৰাগত ভদীয়া মাহৰ নাম-কীৰ্তন অসমীয়া মানুহৰ বাবে অতিকৈ পৱিত্ৰ।■

**ধৰ্মকান্ত দাস**

*পঞ্চম যাণ্মাষিক, বুৰঞ্জী বিভাগ*

## সাৱধানীৰ মৰণ নাই

'বুৰঞ্জী বিভাগৰ প্ৰাচীৰ পত্ৰিকা 'বকলা'ৰ দ্বাৰা ডিব্ৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক জনাব খুজিছোঁ যে, ১ চেপ্তেম্বৰ, ২০১৯ তাৰিখে 'Motor Vehicle Act' নামৰ এখন আইন বলবৎ কৰা হ'ল। মানুহৰ নিৰাপত্তালৈ লক্ষ্য ৰাখি এই আইনৰ দ্বাৰা পথৰ নীতি-নিৰ্দেশনা, যান-বাহন নিয়ন্ত্ৰণৰ বাবে বাধ্যতামূলকভাৱে কিছুমান ব্যৱস্থাপনা গ্ৰহণ কৰা হৈছে। সকলো নাগৰিকে যাতে এনে আইন-শৃংখলা পালন কৰে তাৰ বাবে জৰিমনা বিহাৰ ব্যৱস্থা গ্ৰহণ কৰিছে। এই নীতি-নিৰ্দেশনাৰ কিয়দংশ দাঙি ধৰা হ'ল—

| সংক্ষিপ্ত নিৰ্দেশনা | জৰিমনা |
|---|---|
| বিনা লাইচেন্সেৰে বাহন চলালে | ৫,০০০ টকা |
| মদ্যপান কৰি বাহন চলালে | ১০,০০০ টকা |
| অভাৰ স্পীডত বাহন চলালে | ১,০০০ টকা |
| হেলমেট নলগালে | ১,০০০ টকা |
| কম বয়সীয়া চালকে বাহন চলালে | ১০,০০০ টকা |

এই নীতি-নিৰ্দেশনাসমূহ আমি শ্ৰদ্ধাৰে গ্ৰহণ কৰি স্বাধীনতা উপভোগ কৰি স্বাধীন নাগৰিকৰ দৰে জীৱন যাপন কৰিব লাগে। এয়াই সহপাঠী ছাত্ৰী হিচাপে বন্ধু সমাজলৈ আমাৰ আন্তৰিক আহ্বান ■

**মুনমুন দেউৰী**

*প্ৰথম যান্মাষিক, বুৰঞ্জী বিভাগ*

## NRC

অতি সম্প্ৰতি অসমত তোলপাৰ লগাই থকা বিষয়টোৱেই হৈছে নাগৰিকত্ব সংশোধনী বিধেয়ক ২০১৬। এই নাগৰিকত্ব সংশোধনী, ২০১৬ হৈছে নাগৰিকত্ব আইন, ১৯৫৫ চনৰ সংশোধিত ৰূপ। বিধেয়কখনৰ মতে, ২০১৪ চনৰ ৩১ ডিচেম্বৰৰ আগলৈকে অবৈধভাৱে ভাৰতত প্ৰৱেশ কৰা হিন্দু- খ্ৰীষ্টান, বৌদ্ধসকলক ভাৰতৰ নাগৰিকত্ব প্ৰদান কৰা।

যোৱা ৩১ আগষ্ট, ২০১৯ তাৰিখে নাগৰিকপঞ্জীৰ চূড়ান্ত তালিকা প্ৰকাশ হোৱাৰ পাছত ইয়াক লৈ বিভিন্ন সংবাদ মাধ্যমত বিভিন্ন ধৰণৰ বাক-বিতৰ্ক হৈছে। অসমৰ বিভিন্ন দল সংগঠনে বিৰোধী স্থিতি লৈছে। উক্ত পঞ্জীয়নখনক লৈ আছুৱে কৈছে - "ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীক লৈ আমি সুখী নহয়।" এ.পি. ডাব্লিউৱে বিদেশীক স্বদেশী কৰিবলৈহে প্ৰস্তুত হ'ল এন.আৰ.চি.। বৰ্তমান অসমতো যথেষ্ট বাক-বিতৰ্কৰ সৃষ্টি হৈছে। গতিকে আমি এ.আৰ.চি. ক লৈ ভাবিব লাগে। আমি অসমীয়াই সুৰক্ষিত নে ! ৰাইজে কি ভাবে . . . ? ■

**দুলু কুৰ্মী**

*বুৰঞ্জী বিভাগ, পঞ্চম যান্মাষিক*

## আশা

মই যদি কেতিয়াবা কবি হওঁ
মোৰ কবিতাৰ প্ৰতিটো শব্দই হ'ব
এক অগ্নি-স্ফুলিংগ,
যি শব্দই চাৰখাৰ কৰিব
সমজুৱা জীৱনৰ বিশৃংখল জোথৰ
মই যদি কেতিয়াবা কবি হওঁ
মোৰ কবিতাৰ প্ৰতিটো শব্দই
উদ্বুদ্ধ কৰিব নব্য পুৰুষৰ জীৱন-স্পন্দন।

**প্ৰিয়া বৰগোঁহাই**

প্ৰথম যাণ্মাসিক, বুৰঞ্জী বিভাগ

# SANGKEN
## (festival of water)

Sangken a socio-religious festival and traditional culture of the Khamti tribe of Arunachal Pradesh. During the celebration images of Lord Buddha are bathed with holy water ceremoniously. This festival also marks the new year and Khamti people throw water on each other as a sign of happiness and respect.

The act of pouring water is also a show of blessings and good wishes. It it belived that on this water festival very old things must be thrown away or it will bring the owner bad consequences.

The festival is also celebrated by Singpho, Khamyang, Tikhaks (Tangsa) and Phakial community of Arunachal Pradesh and some of Assam. It is generally falls in the month of 'Naun-ha' of Khamti calender and correspond to the Sankranti of Baisaki. It is celebrated to welcome the new year which falls generally from 13th to 15th April. The word Sangken is literally derived from the sanskrit word 'Sankranti'.

On the day of the Sangken, the idols of lord Buddha are brought out from vihara (temple) to Kuongfra a temporary Shrine. The blessing of Lord is invoked by sprinkling clean water over the idols and puring water of the rope of the Dhama and Sangha that forms the three jewels of Buddha.

Sangken is a festival to invoke the blessings of Lord Buddha for protection of the mankind from the evils, for peace harmony, good luck and good health. At the end of the celebration which last for three days, the idols of Lord Buddha are taken back to the Vihara. Restoration of idols inside the vihara marks the end of the old year and beginning of the New Year. ■

**Devid Green Borah**
*5th Sem. Dept. of History*

# Amazon Rainforest fire

The Amazon rainforest, covering much of north-western Brazil and extending into Colombia, Puru and South American council is the world's largest tropical rainforest. It is often called the "lungs of the world". Though forest fires are common in the Amazon during this period as it is a dry season in the Southern Amazon. According to the environmentalists, 99% of the forest fires are a result of human actions, either on purpose or by accident. Formers and ranchers use fire generally to clear the land for further utilisation. The fire in Amazon rainforest has been burning at the highest rate. According to the scientist, the fire will release excess carbon-dioxide into atmosphere, release pollutants includings tonic gases.

"A nation that destroys its Soils destroys itself."
– Franking D. Roosevelt

**Rinkumoni Deori**
*1st Semester, Dept. of History*

# मैं बादल बन जाऊँ

कितनी ही अच्छी ही
यदि मैं बादल बन जाऊँ
नीले नीले आसमान में
इधर–उधर मंडराऊँ
जब भी देखूं सुखी धरती
झट पिघल मैं जाऊँ
गर्मी से तंग लोगों की
ठंडक मैं पहुचाऊँ
खुशी खुशी से गड़–गड़ करके
छम–छम बूँदे लाऊँ
इसी लिए ती कहनी हूँ
मैं बादल बन जाऊँ ■

**पूज्य श्वातीया देउरी**
*प्रथम ष्णामाषिक, बुरंजी बिभाग*





# মুখা শিল্প

মুখা শিল্প হৈছে অসমৰ এবিধ প্ৰাচীন শিল্প। অসমৰ মাজুলী আৰু গোলাঘাটৰ কেতবোৰ ঠাই মুখা শিল্পৰ বাবে জনাজাত।

মুখাসমূহ সম্পূৰ্ণ থলুৱা সা-সামগ্ৰী ব্যৱহাৰ কৰি তৈয়াৰ কৰা হয়। সেই সামগ্ৰীসমূহৰ ভিতৰত গোবৰ মাটি, বাঁহৰ ফ্ৰেম, কুমাৰ মাটি, কপাহী কাপোৰ, ৰং আদি অন্যতম। প্ৰথমে কোমল জাতি বাঁহেৰে মুখাৰ ফ্ৰেম তৈয়াৰ কৰি লোৱা হয়। তাৰ পিছত কপাহী কাপোৰত কুমাৰ মাটি (ৰঙচুৱা মাটি) মিহলি কৰি গোবৰ মাটিৰে আকৃতি দিয়া হয় আৰু পুনৰ কুমাৰ মাটিৰে প্ৰলেপ দি শুকুৱাৰ পিছত ৰং দিয়া হয়। ৰঙৰ ক্ষেত্ৰত তৈল-ৰঙকে আদি কৰি বহুতো ৰং ব্যৱহাৰ কৰা হয়।

উল্লেখযোগ্য যে, এই মুখাসমূহ নাটক, ভাওনা, ৰাস আদিৰ চৰিত্ৰৰ লগত সংগতি ৰাখি তৈয়াৰ কৰা হয় আৰু ঘৰ সজোৱা সামগ্ৰী হিচাপে ব্যৱহৃত হোৱাৰ লগতে বিভিন্ন প্ৰদৰ্শনীত প্ৰদৰ্শিত হয়। চামগুৰি সত্ৰৰ মুখাসমূহৰ তিনিটা প্ৰকাৰ আছে। সেই কেইটা হ'ল—

১) বৰমুখা বা চৌমুখা ঃ — বৰমুখা কোনো বিশেষ চৰিত্ৰৰ বাবে সমগ্ৰ দেহাবয়ৱ দেখুৱাই প্ৰস্তুত কৰি তোলা হয়।

২) লতাকৰী বা লোটোকাই মুখা ঃ এই মুখা বিভিন্ন জীৱ-জন্তুক কেন্দ্ৰ কৰি তৈয়াৰ কৰা হয়।

৩) মুখমুখা ঃ — এই মুখাসমূহ অসুৰৰ চৰিত্ৰসমূহ ৰূপায়ণৰ অৰ্থে তৈয়াৰ কৰা হয়। এই মুখমুখাসমূহ এক কৌশল অৱলম্বন কৰি তৈয়াৰ হয়। মুখমুখাসমূহে চৰিত্ৰ অনুসৰি হঁহা, চকু টিপিওৱা আদিবোৰ কাৰ্য সম্পাদিত কৰে।

উল্লেখ্য যে, মাজুলীৰ চামগুৰি সত্ৰৰ সত্ৰাধিকাৰ শ্ৰীকোষকান্ত দেৱ গোস্বামীদেৱে মাজুলীৰ মুখা শিল্পক প্ৰথমে বিশ্ব দৰবাৰলৈ উলিয়াই আনে। তেখেতে অসমৰ বিভিন্ন ঠাইৰ লগতে বহিঃৰাজ্যতো মুখা শিল্পৰ প্ৰদৰ্শনী অনুষ্ঠিত কৰি এই শিল্পক জনপ্ৰিয় কৰি তোলে। তেখেতৰ একক প্ৰচেষ্টাৰ বাবে তেখেতলৈ ২০০৩ চনত 'সংগীত নাটক একাডেমি' বঁটা আগবঢ়োৱা হয়। তেখেতৰ প্ৰয়াণৰ পিছতো তেখেতৰ উত্তৰসূৰীয়ে এই শিল্প প্ৰতিষ্ঠাৰ হকে কাম কৰি আছে। মাজুলীৰ চামগুৰি সত্ৰৰ মুখাশিল্প দৰ্শনৰ বাবে দেশ-বিদেশৰ পৰ্যটকো ইয়ালৈ আহে। ■

**নিশিতা ৰাজবংশী**
পঞ্চম ষাণ্মাসিক, অসমীয়া বিভাগ

# অসমৰ সংস্কৃতি আৰু নামঘৰ

অসমৰ সংস্কৃতি সমন্বয়ৰ সংস্কৃতি; ই কোনো নিৰ্দিষ্ট জনগোষ্ঠীৰ সংস্কৃতি নহয়। আৰ্য, কিৰাত, নিষাদ, দ্ৰাবিড় সকলো সংস্কৃতিৰে উপাদান সংমিশ্ৰিত হৈ বহুযুগৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে অসমীয়া সংস্কৃতি গঢ় লৈ উঠিছে। অৰ্থাৎ বৈচিত্ৰ্যৰ মাজত ঐক্য সাধনাই অসমীয়া সংস্কৃতিৰ বৈশিষ্ট্য।

সংস্কৃতি চিৰপ্ৰৱাহমান। আৱহমান কালৰে পৰাই ভাৰতীয় সভ্যতা-সংস্কৃতিয়ে জনমানসত গভীৰ ৰেখাপাত কৰি আহিছে। এই ভাৰতীয় সভ্যতাৰ বুকুতে গঢ়লৈ অসমৰ জাতি-উপজাতি, ভাষা-ভাষীৰ বৃহৎ অসমীয়া সংস্কৃতি। এই অসমীয়া সংস্কৃতিৰ গতিধাৰাক এক প্ৰণালীবদ্ধ পৰিশীলিত ৰূপত পুনৰ প্ৰতিষ্ঠা কৰিলে বৰ অসমৰ ভেটি গঢ়োতা যুগনায়ক মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে। ভাষা, ধৰ্ম, সাহিত্য-সংস্কৃতি আদি সকলোতে নতুনত্বৰ চিনাকি দিয়া গুৰুজনাৰ নেতৃত্বত গঢ় লৈ উঠা অসমৰ বৈষ্ণৱ আন্দোলনৰ এক অনুপম সৃষ্টি হ'ল নামঘৰ। সাধাৰণ দৃষ্টিত নামঘৰ সামূহিক উপাসনাৰ গৃহ; কিন্তু নামঘৰৰ লগত আধ্যাত্মিক, সামাজিক আৰু সাংস্কৃতিক কাৰ্যাৱলী এনেভাৱে জড়িত হৈ আছে যে ই অন্য বৈষ্ণৱ মঠ-মন্দিৰৰ দৰে সাধাৰণ প্ৰাৰ্থনা গৃহৰ স্তৰতে আৱদ্ধ নাথাকি এক সাংস্কৃতিক কেন্দ্ৰলৈ উন্নীত হৈছে। নাম-প্ৰসঙ্গ, ভাওনা, নৃত্য-গীতকে প্ৰমুখ্য কৰি শংকৰী সংস্কৃতিৰ সকলো অনুষ্ঠান আৰু অসমীয়া জাতীয় জীৱনৰ বিভিন্ন উৎসৱ-পাৰ্বন আদি পালনৰ মঞ্চ হ'ল এই নামঘৰ। চমুকৈ ক'বলৈ গ'লে অসমৰ সাংস্কৃতি আৰু সামাজিক জীৱনৰ ছবি এখন নামঘৰৰ মাধ্যমেদিয়েই উপলব্ধ হয়। তদুপৰি জাতিটো বা সমাজখনৰ বিভিন্ন উন্নয়নৰ পৰিকল্পনা, সামাজিক ৰীতি-নীতিৰ বিভিন্ন আলোচনা, সামাজিক অনুশাসন আদিৰ ব্যৱস্থাৰ স্থল হ'ল নামঘৰ। নামঘৰক কীৰ্তন ঘৰ আৰু অসমৰ জাতীয় ৰংগমঞ্চ বুলিও কোৱা হয়। আধ্যাত্মিক তত্ত্ব নিহিত থাকিলেও নামঘৰে জাতীয় জীৱনৰ নিখুঁত পৰিচয় দাঙি ধৰে। একেষাৰে ক'বলৈ গ'লে নামঘৰ হ'ল অসমৰ সংস্কৃতিৰ এক অনবদ্য অঙ্গ। ■

**ৰিছা গগৈ**
প্ৰথম ষাণ্মাসিক, অসমীয়া বিভাগ

## সত্ৰীয়া জীৱনত লোক-বিশ্বাস

পৃথিৱীৰ জনসমাজে পৰম্পৰাগতভাৱে কিছুমান বিশ্বাস, আচাৰ-ব্যৱহাৰ, ৰীতি-নীতি পালন কৰি আহিছে ; এনেদৰে পালন কৰা প্ৰতিটো ক্ষেত্ৰৰে কিছুমান বিশ্বাস আছে আৰু এনে বিশ্বাসৰ জৰিয়তে ভাল-বেয়া, শুভ-অশুভ, পাপ-পূণ্য, শুদ্ধ-অশুদ্ধ বিচাৰ কৰা হয় অৰ্থাৎ লোক-বিশ্বাস কিছু আধ্যাত্মিক আৰু সামাজিক মূল্যবোধ সৃষ্টি কৰে।

অসমৰ বাৰেৰহণীয়া সংস্কৃতিৰ অবিচ্ছেদ্য অংগ সত্ৰীয়া নৃত্যই লাভ কৰিছে ভাৰতৰ ধ্ৰুপদী বা শাস্ত্ৰীয় নৃত্যৰ স্বীকৃতি। স্বকীয় বৈশিষ্ট্যপূৰ্ণ সত্ৰীয়া নৃত্য মহাপুৰুষ দুজনাই প্ৰতিষ্ঠা কৰা সত্ৰসমূহৰ যোগেদি প্ৰচলিত। ভক্তিধৰ্ম প্ৰচাৰৰ বাবে বিভিন্ন ঠাইত সত্ৰ প্ৰতিষ্ঠাৰ লগতে নৃত্য-গীত আৰু অভিনয়ক সহায়ক হিচাপে লোৱা হৈছিল। শ্ৰীকৃষ্ণৰ লীলা-খেলা ৰসোত্তীৰ্ণভাৱে প্ৰদৰ্শন কৰিবলৈকে সত্ৰীয়া নৃত্যৰ জন্ম।

লোক-পৰম্পৰা আৰু লোক-বিশ্বাসবিলাকে সাংস্কৃতিক জীৱন পূৰ্ণাঙ্গ কৰি তোলে। সত্ৰানুষ্ঠানো এনে বিশ্বাস আৰু পৰম্পৰাসমূহৰ পৰা আঁতৰি থাকিব নোৱাৰে। যিহেতু সত্ৰানুষ্ঠানৰো এক সাংস্কৃতিক সত্তা আছে; সেইবোৰ সত্ৰীয়া জীৱনধাৰাত লোক-বিশ্বাস আৰু লোক-পৰম্পৰাৰ বিশেষ প্ৰভাৱ আছে। পূৰ্বতে মূলতঃ সত্ৰবিলাক কৃষিপ্ৰধান নাছিল কাৰণে কৃষি, সম্বন্ধীয় বিশ্বাস পৰম্পৰাৰ অধিক প্ৰভাৱ পৰা দেখা নাযায়। কিন্তু বৰ্তমান বহুতো সত্ৰৰ কৃষিমূল জীৱিকা হোৱা হেতু ইয়াৰ প্ৰভাৱ পৰিছে। সত্ৰানুষ্ঠানত প্ৰচলিত বিশ্বাসসমূহ যেনে—

১। আনুষ্ঠানিক ধৰ্মীয় মাঙ্গলিক কৰ্ম, ২। ব্যৱহাৰ্য সামগ্ৰীৰ নিৰ্মাণ আৰু ব্যৱহাৰ, ৩। খাদ্য সামগ্ৰী আৰু খোৱা-লোৱাৰ বিচাৰ, ৪। বস্ত্ৰ, আ-অলংকাৰৰ ব্যৱহাৰ, ৫। চিকিৎসা আৰু ঔষধপাতি, ৬। বিবিধ বৃক্ষ ৰোপণৰ ৰীতি, ৭। যাত্ৰা আৰু যিকোনো শুভ কৰ্মৰ দিন নিৰূপণ ব্যৱস্থা, ৮। সাৱধানৰ জাননী, শুভ-অশুভ ইঙ্গিত আৰু ইয়াৰ প্ৰতিকাৰ।

পাপ-পূণ্য কৰ্মৰ বাবে প্ৰায়চিত্ত বিধানৰ পৰম্পৰা আছে। এইবিলাক যদিও প্ৰত্যক্ষ উৎসৱৰ ভিতৰত নপৰে। তথাপি দেখা যায় যে লোক-বিশ্বাসৰ প্ৰভাৱেও আচাৰ-অনুষ্ঠানৰ জন্ম দিছে। এনে আচাৰ অনুষ্ঠানবিলাকো সত্ৰীয়া জীৱনৰ অবিচ্ছেদ্য অংগত পৰিণত হৈছে। সত্ৰীয়া জীৱন নিয়ন্ত্ৰণ কৰাত লোক-বিশ্বাস, লোক-পৰম্পৰা, জ্যোতিষ গণনা আদিৰ প্ৰভাৱ এৰাব নোৱাৰা। ■

মীনাক্ষী ফুকন
*পঞ্চম যাণ্মাসিক, অসমীয়া বিভাগ*

## মাটি আখৰা ঃ মহাপুৰুষীয়া শৰীৰ-চৰ্চা

পঞ্চদশ শতিকাৰ নৱবৈষ্ণৱবাদৰ মূলমন্ত্ৰ প্ৰচাৰৰ বাবে মহাপুৰুষ শ্ৰীমন্তশংকৰদেৱ গুৰুজনাই অসমত কৃষ্ণ সেৱা-ৰস বিস্তাৰৰ হেতু (মাৰ্গীয়) নৃত্যক প্ৰশান্ত মাধ্যম হিচাপে গ্ৰহণ কৰিছিল। বৰদোৱা সত্ৰৰ অনুষ্ঠিত কৰা 'চিহ্নযাত্ৰা'তেই সত্ৰীয়া নৃত্যৰ প্ৰথম সমাবেশ ঘটোৱা হয়। কালক্ৰমত সত্ৰীয়া পৰিৱেশৰ মাজত ই জীপাল হৈ কীৰ্তন ঘৰৰ মজিয়াত প্ৰৱেশ কৰে। কীৰ্তন ঘৰৰ গুৰু আসন তথা প্ৰজ্বলিত বন্তিৰ সন্মুখত গুৰু গম্ভীৰ গায়ন-বায়নৰ যোৱাৰ সহযোগত এই ভাগি নৃত্য সত্ৰীয়া নৈমিত্তিক উৎসৱাদিত নচুৱাৰ ব্যৱস্থা কৰা হয়।

নৃত্য শিক্ষাৰ প্ৰয়োজনীয় দিশটো হ'ল শৰীৰ-চৰ্চা বা শাৰীৰিক ব্যায়াম অনুশীলন কৰা। নতুন, পুৰণি দুই বিধ নৃত্যকাৰৰ এইটো প্ৰধান কৰ্তব্য। সত্ৰত মাটি-আখৰাৰ যোগেদি এই কাম সম্পন্ন কৰা হয়।

মাটি আখৰা সত্ৰীয়া নৃত্যৰ এটি অবিচ্ছেদ্য অংগ, নৃত্য অধ্যাপক বা গুৰুৰ সম্পূৰ্ণ তত্বাৱধানত শিকাৰুৰ শাৰীৰিক গঠন তথা আঙ্গিক সঞ্চালন নৃত্যৰ উপযোগী কৰি নৃত্য-ভঙ্গিমাৰ প্ৰাৰম্ভিক জ্ঞান প্ৰদান কৰিবৰ বাবে মাটি আশ্ৰয়ত চুচুৰি-বাগৰি কৰা অনুশীলনকে (আখৰা) মাটি আখৰা বোলা হয়। মাটি আখৰাৰ যোগেদি শিকাৰুৱে নৃত্যৰ উপযোগী এটা জঠৰ মুক্ত শৰীৰ লাভ কৰে। ইয়াৰ লগতে সাধাৰণ ব্যায়মৰ সাদৃশ্য তথা গুণাগুণ লাভ কৰি শিকাৰুক নিৰোগী হোৱাৰ উপকাৰ সাধন কৰে এনেদৰে—

১। মাটি আখৰাৰ 'কাছ বান্ধ'ৰ কৰণ প্ৰণালীৰ লগত ব্যায়মৰ মুক্ত পদ্মাসনৰ সাদৃশ্য দেখা যায়। সেয়ে শিকাৰুৱে ইয়াৰ ফলাফল লাভ কৰে এনেদৰে — ই বাতবিষ আৰোগ্য কৰি বুঢ়া বয়সলৈকে ৰাজহাড় পোন কৰি ৰাখি যৌৱন অটুত ৰখাত সহায় কৰে।

২। মাটি আখৰা 'তেলটুপি'ৰ দৰে ব্যায়ামৰ ধনুৰাসনৰ সাদৃশ্য আছে। ইয়াৰ উপকাৰিতা হ'ল ই যকৃত আৰু প্লীহাৰ দোষমুক্ত কৰে, কোষ্ঠকাঠিন্য দূৰ কৰি পৰিপাক ক্ৰিয়া নিয়াৰি কৰে। বহুমূত্ৰ ৰোগ আৰোগ্য কৰি পেট, কঁকাল আদিৰ মেদ নোহোৱা কৰি বুকুৰ গঠন ধুনীয়া কৰে।

৩। মাটি আখৰাৰ 'আঁঠু লন'ৰ উপকাৰিতা হ'ল ই ৰাজহাড় নমনীয় কৰি কৌষ্ঠকাঠিন্য নিৰাময় কৰে। বীৰ্যধাৰণ শক্তি বৃদ্ধি কৰে। তদুপৰি বুকুৰ আয়তন বৃদ্ধি, হাওঁফাওঁ স'তেজকৰণ আৰু ভোক বৃদ্ধিৰ বাবে উপকাৰী।

৪। মাটি আখৰাৰ 'থিয় লন'ৰ উপকাৰিতা হ'ল ই ৰাজহাড়ৰ জোৰা আটিল কৰে, বুকুৰ আয়তন বঢ়ায় আৰু হাতৰ জোৰ বৃদ্ধি কৰে।

৫। মাটি আখৰা 'উঠা লন'ৰ উপকাৰিতা হ'ল ই দৃষ্টিশক্তি, শ্ৰৱণ শক্তি, চিন্তা শক্তি ধাৰণ শক্তি আদিৰ সক্ষমতা বৃদ্ধি কৰে।

মাটি আখৰাৰ যোগেদি শিকাৰুৱে খেলা-ধূলা, ব্যায়াম আদিৰ দ্বাৰা ফলাফলখিনি আয়ত্ত কৰিব পাৰে। 'শৰীৰম্ আদ্য খলু ধৰ্ম সাধনম"। মাটি আখৰাই নৃত্য জ্ঞান প্ৰদান কৰাৰ লগতে সুন্দৰ দেখনিয়াৰ স্বাস্থ্য অটুত ৰখাত সহায় কৰে। ■

হেমাশ্ৰী গগৈ, *পঞ্চম যাণ্মাসিক, অসমীয়া বিভাগ*



## বাৰিষাৰ বলিয়া বান



আহিল বৰষা ঋতু
নামিছে আকাশৰ পৰা বৰষুণ
ফেনে-ফুটুকাৰে উপচি পৰিব
অসমৰ ব্ৰহ্মপুত্ৰ, বৰাক
নদী বুকুত সৃষ্টি হ'ল,
বাৰিষাৰ বলিয়া বান্তৱ প্ৰণেয় সোঁত।
অতি কষ্টেৰে সজা সেই চেনেহৰ সম্পত্তি
ধনশিৰি বাঢ়নী পানীৰ সোঁতে
নিছে উটুৱাই,
শাৰী শাৰীকৈ ৰোৱা ভূঁই
ভাঙি লৈ গ'ল পলকতে,
এই বাৰিষাৰ বলিয়া বানে।
খেতি পথাৰ হ'লে উদং
ভঁৰালতো নভৰিব ধান,
উদং হৈ পৰিলে ঘৰখন।
সেই বাৰিষাৰ বলিয়া বান
কিয় আহিলি তই
সকলো শেষ কৰিবলৈ।

ৰ'জমণি বৰুৱা
*প্ৰথম যাণ্মাসিক, অসমীয়া বিভাগ*



## ধুনীয়া সপোনৰ ছাঁ

দেখিছিলোঁ যোৱা ৰাতি সপোনত
নদীৰ পাৰতে সাজিছিল;
এটি আপোন আপোন বগা ঘৰ
নিজানৰ সেইজীয়া ধৰণীয়ে তলতে
হাঁহিছিলে শৰালি হাঁহ এজাকীয়ে
ডিঙি মেলি মেলি চাইছিলোঁ
ফুলনি বাগিছাত জক্‌মকাই ফুলি থকা
ফুলনিত ফুলগছ কেইজুপিলৈ
কিজানিবা দেখা পাওঁ তোমাক
সেই নিজান ফুলনিৰ তলত
তোমাক দেখা হেঁপাহৰে
ধুনীয়া সপোনৰ ছাঁতে
জিৰাইছোঁ আজি নিদ্ৰাদেৱীৰ কোলাত।

তানিশা গগৈ
*পঞ্চম যাণ্মাসিক, অসমীয়া বিভাগ*

## বন্ধুহীন জীৱন ৰং হীন এখন কেনভাছ

'বন্ধুহীন জীৱন ৰং হীন এখন কেনভাছ' সেয়া সময়ৰ লগে লগে শিকিব লগা হ'ল। সলনি হয় সময়বোৰ, সময়ে সলনি কৰে মানসিকতাবোৰ; শৈশৱৰ সুৰীয়া মুহূৰ্তবোৰ মাথো অনুভৱ কৰোঁ, কেতিয়াবা নষ্টালজিক হৈ পৰোঁ, স্মৃতি হিচাপে উমাল বুকুৰ এচুকত সাঁচি থৈছো। বিচাৰিলেও ঘূৰি নাহে, সেই সময়, সেই সান্নিধ্য দিয়া সৰল মনবোৰ।

'বন্ধু মেলি দে তোৰ দুঃখৰ দুখনি হাত
এবাৰ জিৰাওঁ তোৰ বুকুৰ শীতল ছাঁত।'

হীৰুদাৰ গানটোৰ দৰেই এদিন অন্তৰস্পৰ্শী কবিতা এটি উপহাৰ হিচাপে পাইছিলোঁ।

'মোৰ সোঁ কাষে দুলি থকা হাতখন তোমাক
বিৰিণা পাতৰ লিহিৰি আঙুলিত ভৰ দি থৈ অহা
বাংময় শব্দবোৰ তোমাৰ ...
নাযাওঁ বুলি আগলৈ, ৰৈ দিয়া মোক
বাউলি থকা হাতখন তোমাৰ।'

প্ৰিয় বন্ধুৰ শ্ৰেষ্ঠতম উপহাৰ আছিল। য'ত আনন্দ আছিল জগাই লোৱাৰ, বিলাই দিয়াৰ। হাজাৰ ব্যস্ততাৰ মাজৰ যাৰ বাবে আছিল আজৰি সময়। অথচ কোনো স্বাৰ্থ নাথাকে।

কিন্তু এতিয়া ...

সময় জানো কাৰোবাৰ বাবে ৰৈ থাকে? বৰ্তমান পৰিস্থিতি সাপেক্ষে সন্তুষ্টি হওঁ, যিকণ পাওঁ। সকলো সমৰ খেলা। এৰা, বুকুৰ আপোন হোৱা জনো কোনো মুহূৰ্তত ফালৰি কাটে। হেৰুৱাব নুখুজিলেও হেৰুৱাই পেলাবলৈ বাধ্য কৰে পৰিস্থিতিয়ে।

সেয়ে তেনে মুহূৰ্তত অনুভৱ হয়—
'এখন ভাল কিতাপ, জীৱনৰ সৰ্বশ্ৰেষ্ঠ বন্ধু।'

**পৰিস্মীতা শৰ্মা**
*পঞ্চম ষাণ্মাসিক, ৰসায়ন বিভাগ*

জিজ্ঞাসা বৰুৱাৰ

## নীলা খামৰ চিঠি

মৰমৰ বোপা,

মোৰ মৰম আৰু ভালপোৱাখিনি চিঠিৰ ভাঁজতে পঠালোঁ। বহুদিন হ'ল তোমাক নেদেখা, বোৱাৰী আৰু নাতিহঁতৰ নিশ্চয় ভাল। বৰ কষ্ট হয় অ' ঘৰখনৰ কথা ভাবিবলৈ, কান্দোতে মোৰ বুকু ভাগি যায়। এতিয়া মোৰ বাবে তোমাৰ অন্তৰত কিমান মৰম নাজানো। মোৰ অনুপস্থিতিত তোমালোক সকলোৱেই হয়তো বৰ আনন্দেৰে জীৱন কটাইছা। মোৰো পিছে সেয়াই কামনা।

তুমি সৰু থাকোতে যেনেকৈ বুকুৰ স্পৰ্শ হোৱা মাত্ৰাকে চিৎকাৰ কৰি উঠিছিলা মোৰ বাহিৰে আন কাৰো কোলালৈ নগৈছিলা। কেতিয়াবা বাৰু তোমাৰ মনত পৰেনে? মোক দেখোন এই স্মৃতিবোৰে বৰকৈ আমনি কৰে অ' ...।

তুমি হয়তো আচৰিত হৈছা মোৰ চিঠিখন পাই, সেইটো স্বাভাৱিক, তুমি হয়তো ভাবিছিলা ইমান দিনে মোৰ মৃত্যু হ'ল নিশ্চয়, কিন্তু দুৰ্ভাগ্যবশত মই জীয়াই আছো। তুমি যে মোক সেইদিনা ৰাতি বাটৰ কাষৰ সেই অচিন বৃদ্ধাকেইগৰাকীৰ কাষত থৈ গৈছিলা। তেতিয়া কিন্তু মোৰ তোমাক খুব দোষী যেন অনুভৱ হৈছিল আৰু হৃদয়খনে হাঁহাকাৰ কৰি উঠিছিল। পিছত গম পালোঁ। আচলতে তুমিয়েই শুদ্ধ আছিলা, সেইদিনা হয়তো তুমি মোক তাত থৈ নোযোৱা হ'লে এই সুন্দৰ মনৰ মানুহখিনিৰ সৈতে কেতিয়াও মিলন নহ'লহেঁতেন, গম নাপালোহেঁতেন এই সৰল মনবোৰৰ আঁৰৰ নিৰ্মম কাহিনীবোৰ। বহুতো দুৰ্ভাগ্যৰ পিছত মোৰ কৰুণ কাহিনী। আমি সেইখিনিতে কেইদিনমান থকাৰ পিছত আমাক এটা সংস্থাই এই বৃদ্ধাশ্ৰমৰ ঠিকনা জনোৱাৰ প্ৰয়োজনবোধ নকৰিলোঁ। তোমাৰ প্ৰতি মোৰ কোনো অভিযোগ বা আক্ষেপ নাই। কপালত যি লিখা আছে সেয়াই হ'ব। মোৰ বাবে তুমি অকণো চিন্তা নকৰিবা। কেৱল তোমাৰ জোন যেন মুখখনি চাবলৈ খুব হেঁপাহ হয়।

তোমাৰ ওচৰত মোৰ এটাই শেষ অনুৰোধ আছিল। পাৰিলে ৰাখিবা। যদি দুৰ্ভাগ্যক্ৰমে মোৰ মৃত্যুৰ খবৰ পোৱা, মোৰ শটো বৃদ্ধশ্ৰমৰ পৰা নি দেউতাৰ চিতাৰ কাষতে জ্বলাবা। ইয়াৰ বাবে তুমি নিজ টকা খৰচ কৰাৰ প্ৰয়োজন নাই। মোৰ চাদৰৰ আঁচলত তোমাৰ দেউতাৰাই আমাৰ বিয়াতে মোক উপহাৰ হিচাপে দিয়া আঙুঠি এটা বান্ধি ৰাখিছোঁ। আঙুঠিতো বিক্ৰি কৰি পোৱা টকাৰে শ্মশানৰ কামখিনি কৰিবা। বাকী টকা মোৰ শেষ উপহাৰ হিচাপে ৰাখি থবা।

পুনঃ মোৰ মৰম আৰু আশীৰ্বাদেৰে আজিলৈ সামৰিলোঁ। ইতি।

তোমাৰ 'মা'

*(লেখিকা প্ৰথম ষাণ্মাসিক, ৰসায়ন বিভাগ)*





## য'ত ডিব্ৰু মহাবিদ্যালয় আছে

মহেন্দ্ৰ নাথ গগৈ
*প্ৰাক্তন অধ্যক্ষ (ভাৰপ্ৰাপ্ত), ডিব্ৰু মহাবিদ্যালয়*

ডিব্ৰুগড় অঞ্চলত ইতিহাসৰ অনেক কথা লুকাই আছে। কিছুমান কথা ইতিমধ্যে পোহৰলৈ আহিছে। বৰ্তমানৰ ডিব্ৰুগড় চহৰৰ দক্ষিণ-পূবলৈ এটা অঞ্চল জুৰি চৌকিডিঙি চাহ বাগিচা। ইয়াৰ সাম্প্ৰতিক নাম দক্ষিণ জালান নগৰ চাহ বাগিচা; তাৰেই দক্ষিণ-পুৱত ডিব্ৰু মহাবিদ্যালয় অৱস্থিত। পূৰ্বতে এইঠাই খামটিসকলৰ বাসস্থান আছিল। তেতিয়া এইঠাইৰ নাম আছিল চৌকামটিং। খামটিসকলে সেই ঠাই এৰাত আৰু আন মানুহে তাত বসতি কৰিবলৈ লোৱাত পিচলৈ ঠাই খণ্ডৰ নাম চৌকিডিঙি হৈ পৰিল।

ব্ৰিটিছসকলৰ আগমনৰ লগে লগে চৌখাটিঙৰ খামটিসকল দক্ষিণে ছয়-সাত কিলোমিটাৰ নিলগলৈ আঁতৰি যায়গৈ। এতিয়াৰ যি ঠাইত খনিকৰ গাঁও আছে তেতিয়া সেই ঠাই খামতি গাঁও বুলিয়ে কয়। তাৰো পিছত খামটি গাঁৱৰ পৰা ৬/৭ কিলোমিটাৰ নিলগত থকা দিহিং নদীৰ কাষত এই খামটিসকলে কিছুকাল বসতি কৰিছিল। তাৰ চিন স্বৰূপে দিহিং নদীৰ 'খামটি ঘাট' নামৰ ঠাই ডোখৰ পোৱা যায়। এতিয়াৰ পৰা ডেৰশ-দুশমান বছৰৰ আগলৈকে খামটিসকলে এইঠাইত বসতি কৰিছিল, তাৰ পিছতহে তেওঁলোক শদিয়ালৈ উজাই যায়।

ডিব্ৰু কলেজৰ গাতে লাগি থকা অঞ্চলটো বৈৰাগী মঠ নামে জনাজাত। এই নামৰ লগত ঐতিহাসিক কাহিনী জড়িত হৈ আছে। আহোম স্বৰ্গদেউৰ কোপদৃষ্টিত পৰি শ্ৰীশ্ৰীকেশৱদেৱ গোস্বামী নামৰ এগৰাকী আউনীআটীয়া সত্ৰাধিকাৰ প্ৰভূৱে বৈৰাগীৰ দেশলৈ শদিয়াৰ সোনোৱাল কছাৰীসকলৰ মাজত বৈষ্ণৱ ধৰ্মৰ প্ৰচাৰ কৰি তাতে বৈৰাগী-মঠ নামেৰে থান-সত্ৰ পাতি আছিল। কিছুদিন যোৱাৰ পিছত গদাধৰ সিংহৰ পুত্ৰ ৰুদ্ৰসিংহ স্বৰ্গদেউ যেতিয়া ৰাজপাটত বহিল তেতিয়া এইজনা স্বৰ্দদেউৱে বৈৰাগী গোসাঁই শদিয়াত থকা বুলি গম পালে আৰু তেওঁক পুনৰ সংস্থাপনৰ উদ্দেশ্যে মাতি পঠালে। গোসাঁই প্ৰভুৱে শিষ্যসকলৰ পৰা বিদায় লৈ নিজ ঠাইলৈ আহোঁতে বাটত এই 'বৈৰাগী-মঠ' নামৰ ঠাইতে কিছুদিন জিৰণি লৈছিলহি। এই অঞ্চলৰ ৰাইজে গোসাঁই প্ৰভুৰ ঐশ্বৰিক মাহাত্ম বুজি এই ঠাইতো শদিয়াৰ বৈৰাগী-মঠৰ এটি শাখা প্ৰতিষ্ঠা কৰিবলৈ প্ৰাৰ্থনা জনাইছিল। ভক্তবৃন্দৰ প্ৰাৰ্থনা ৰক্ষা কৰি তেৰাই ইয়াতো বৈৰাগী-মঠ এটি স্থাপন কৰে আৰু ইয়াৰ ৰক্ষণাবেক্ষণৰ ভাৰ ফেদেলা দেউৰীৰ স্বৰ্গাৰোহণৰ পিছত ভদ্ৰসেন নাজিৰ নামৰ তেওঁৰ বংশধৰ এজনে বৈৰাগী-মঠ পৰিচালনা কৰি আছিল।

ওপৰত বৰ্ণনা কৰা গোটেই অঞ্চলটোৱেই মানকটা মৌজাৰ অন্তৰ্গত। ডিব্ৰু কলেজৰ তেনেই কাষতে দক্ষিণ ফালে মানকটা গাঁও। 'মানকটা' মানটোৰ লগতো ইতিহাসৰ এক কাহিনী লুকাই আছে। মান সৈন্যই তিনিবাৰ অসম আক্ৰমণ কৰিছিল। তৃতীয়বাৰত সিহঁতে অসমীয়া প্ৰজাৰ ওপৰত পাশৱিক অত্যাচাৰ কৰিছিল। ইতিমধ্যে পশ্চিমৰ পৰা ব্ৰিটিছ সৈন্যই সিহঁতক খেদি আহিছিল। মানসেনা দিহাদিহি পলাইছিল। ডিব্ৰুগড় অঞ্চলেদি অহা কিছুমান মান সেনাক সাহসী অসমীয়া ডেকাই এই ঠাইতে কচু কটা দিছিল আৰু সিহঁতৰ শ-বোৰ কাষৰ পুখুৰীত পেলাইছিল। সেইদিন ধৰি মানকটা গাঁও আৰু মানকটা পুখুৰী নাম হৈ ৰ'ল। মানকটা পুখুৰীৰ ক্ষীণ অস্তিত্ব মানকটা খনীয়া গাঁৱৰ তেনেই কাষতে এতিয়াও দেখিবলৈ পোৱা যায়।

মানকটা অঞ্চলটো সোনোৱাল কছাৰী সম্প্ৰদায়ৰ লোকেৰে ভৰা। আজি-কালি অৱশ্যে বিভিন্ন সম্প্ৰদায়ৰ লোকে এই অঞ্চলত বসতি কৰিছে। ডিব্ৰুগড় চহৰৰ আশে-পাশে আৰু বহুতো পুৰণি ঠাই আছে যাৰ অন্তৰালত লুপ্ত হ'ব ধৰা বুৰঞ্জীৰ বিচিত্ৰ কাহিনী লুকাই আছে। গৱেষকসকলে অনুসন্ধান কৰিলে এই পুৰণি অঞ্চলটোৰ বহুতো তথ্য উদ্ধাৰ কৰিব পাৰিব। ■

# অসমীয়া সমালোচনা সাহিত্য আৰু বেজবৰুৱা

ড° আনন্দ বৰমুদৈ

পাৰ হ'ব ধৰা শতিকাটোত আধুনিক ভাষা সাহিত্যই প্ৰতিষ্ঠা লাভ কৰি বিভিন্ন দিশত বিস্তৃতি লাভ কৰিছে। সাহিত্যৰ বিকাশ কিন্তু চকুত লগা বিধৰ নহয়। অসমীয়া সাহিত্যৰ পাঠকৰ সংখ্যা কম আৰু সমালোচনা সাহিত্যৰ পাঠকৰ সংখ্যা নিচেই কম। সমালোচকৰ মাজত মতভেদ হৈ মতভেদে গালি-শপনিৰ ৰূপ ল'লে অনেক পাঠকে তাৰ মাজৰ পৰা গালি-শপনিখিনিহে বাছি বাছি পঢ়ে। যোৱা এশ বছৰত অসমীয়া গল্প, উপন্যাস, নাটক, প্ৰবন্ধ আদিয়ে যিখিনি জনপ্ৰিয়তা লাভ কৰিছে সেইখিনি সমালোচনা সাহিত্যই লাভ কৰিব নোৱৰাৰ কাৰণ কি হ'ব পাৰে? আধুনিক কবিতাই দুৰ্বোধ্যতাৰ কাৰণে জনপ্ৰিয়তা আৰ্জিব পৰা নাই বুলি কোৱা হয়। সমালোচনা সাহিত্যৰ ক্ষেত্ৰত এই দশকৰ অতি সাম্প্ৰতিক বিক্ষিপ্ত দুই এটা সমালাচনাৰ বাহিৰে বাকী সমালোচক সামগ্ৰিকভাৱে দুৰ্বোধ্য বুলি ক'ব নোৱাৰি। সাহিত্য সমালোচনাই জনপ্ৰিয়তা অৰ্জন কৰিব নোৱাৰাৰ প্ৰধান কাৰণ অনেক সমালোচনা আমনি লগাকৈ বিৱৰণাত্মক। কিতাপ এখনৰ যিবোৰ কথা যিকোনো এজন পাঠকে পঢ়িলে বা আনে পঢ়ি দিলেই শুনি-বুজি পাব পাৰে সেইবোৰ কথাকে সমালোচনাৰ নামত লিখি থাকিলে পাঠকে আমনি পোৱাটো স্বাভাৱিক। বিৱৰণাত্মক সমালোচনাই মূল কিতাপখন আগেয়ে নপঢ়া পাঠকক মূল কিতাপৰ প্ৰতি অনাগ্ৰহী কৰাৰো আশংকা।

সমালোচনা সম্পৰ্কে বেজবৰুৱাই বৰ ভাল কথা কৈছিল— "এই পৃথিৱীত যতবিলাক মস্কিলৰ কাম আছে তাৰ ভিতৰত সমালোচনা কৰাটোও এটা। কিন্তু আশ্চৰ্যৰ বিষয় এইহে যে সেইটো কাম সৰহভাগ মানুহে ইমান ঢিলা বুলি ভাবে যে খেৰণিয়ে-বননিয়ে সমালোচক।" একে সুৰতে পৰৱৰ্তী কালত ডিম্বেশ্বৰ নেওগে কৈছিল যে, অসমীয়া সাহিত্যত যিকোনো হাটৰুৱা-বাটৰুৱাই সমালোচক। বাঁহীৰ সম্পাদক হৈ থাকি বেজবৰুৱা যিটো সমস্যাৰ সন্মুখীন হৈছিল সকলো কাকত আলোচনীৰ সম্পাদকেই আজিও সেই সমস্যাৰ সন্মুখীন হয়। লিখকসকলে নিজৰ কিতাপ সমালোচনাৰ কাৰণে সম্পাদকসকললৈ পঠায়। আধুনিক অসমীয়া সাহিত্যৰ ইতিহাস কাকত আলোচনীকেন্দ্ৰিক। সমালোচনা সাহিত্য বহু পৰিমাণে বিৱৰণাত্মক হোৱাৰ এটা কাৰণ কাকত আলোচনী নিৰ্ভৰশীলতা। বেজবৰুৱাই সমস্যাটো বুজি লিখিছিল— সম্পাদকজন যেনে খাপৰে আৰু যেনে স্বভাৱৰ মানুহ হওক লেখকসকলে তেওঁলোকৰ কিতাপ ভাল-বেয়াৰ সম্বন্ধে তেওঁৰ মতামত চেপি উলিয়াবলৈ চেষ্টা নকৰি নাথাকে। ... গতিকে বেচেৰা সম্পাদক বাধ্য হৈ যি কিতাপ সমালোচনা কৰিবলৈ কাপ হাতত লয় সেই কিতাপ তেওঁৰ বিদ্যা বুদ্ধিয়ে ঢুকি পোৱা নহ'লেও আৰু তাত লেখা কথাবোৰত তেওঁৰ ৰুচিয়ে থাউনি পোৱা নহ'লেও, তেওঁ গহীনভাৱে সেইবোৰৰ ওপৰত মতামত প্ৰকাশ কৰি নিজৰ মান ৰাখিব লগীয়াত পৰে। ... সম্পাদকক গ্ৰন্থকাৰসকলে ঠেলি-হেচুকি সমালোচনাৰ মজিয়াত তুলি দি তেওঁৰ পৰা তেওঁলোকৰ কিতাপৰ বিষয়ে সমালোচনা পাওনাৰ দাবী নকৰি নেৰে ... নিজৰ বিনা দোষত দেনাদাৰ গৈ পৰা সমালোচকৰূপী সম্পাদকসকলে ঠেকত পৰি গা সাৰিবৰ উপায় উলিয়াই লয়। ... কিতাপৰ পাতনি সূচী আৰু 'টাইটোল পেজ' মনোযোগ দি পঢ়িয়েই অৰ্থাৎ কিতাপৰ ভিতৰত প্ৰৱেশ নকৰিয়েই আৰু অনেক সময়ত লেখকজনৰ নামৰ নাইবা মুখৰফালে চাই ওপৰে ওপৰে ভাল-বেয়া ইত্যাদি সমালোচক মাৰি পঠিয়াই দি গা সাৰে।"

অৰুণোদয়ৰ দিনৰ পৰ আজিলৈকে অসমীয়া সাহিত্য সমালোচনাৰ বাবে কোনো নিজ সমালোচনা তত্ত্ব গঢ়ি উঠা নাই। সমালোচনা তত্ত্বই সমালোচনাৰ বাবে মূল ভিত্তি তৈয়াৰ কৰি দিয়ে। সাহিত্য সমালোচনা সংস্কৃতবানলোকৰ প্ৰবৃত্তিগত কাম হ'লেও তাত্ত্বিক ভিত্তিৰ কথাটো আমি সম্পূৰ্ণ বাদ দিব নোৱাৰো। প্ৰাচ্য আৰু পাশ্চাত্য নন্দনতত্ত্বৰ পৰিচয়জ্ঞাপক কিতাপ অসমীয়াত ভালেকেইখন লিখা হৈছে। কিন্তু সমালোচনাৰ বেলিকা প্ৰাচ্য-পাশ্চাত্যৰ তাত্ত্বিক ভিত্তিৰ কিবা সচেতন আৰু প্ৰণালীবদ্ধ সংমিশ্ৰণ হৈছে বুলি ক'ব নোৱাৰি। পশ্চিমীয়া প্ৰভাৱক আধুনিক অসমীয়া সৃজনশীল সাহিত্যই গঢ় লৈ উঠাৰ বাবেই সমালোচনাতো আজিলৈকে পাশ্চাত্য সমালোচনাতত্ত্বই ক্ৰিয়া কৰি আছে। ইফালে অসমীয়া সাহিত্যত সমালোচনাৰ নিৰ্দিষ্ট তত্ত্ব গঢ় লৈ উঠাৰ আগতেই পশ্চিমীয়া দেশত সমালোচনাতত্ত্ব নিজেই প্ৰত্যাহ্বানৰ সন্মুখীন হৈ পৰিল। প্ৰশ্ন উঠিছে তত্ত্বই অথবা জ্ঞানে পাঠকক সাহিত্য বুজাত সহায় কৰে নে বাধা প্ৰদান কৰে। তত্ত্বৰ জ্ঞানেৰে পুষ্ট পাঠক এজনে তত্ত্বত উল্লেখ থকা উপাদান, গুণ, বিশিষ্ট আদি বিশেষ সাহিত্যকৃতিৰ মাজত বিচাৰি ফুৰোঁতে ৰসাস্বাদন বাধাগ্ৰস্ত হোৱাৰ সম্ভাৱনা।

বেজবৰুৱাৰ সাহিত্য সমালোচনাত তাত্ত্বিক ভিত্তি কি আছিল তাত নিৰ্ণয় কৰা টান, কিন্তু সমালোচক হিচাপে তেওঁৰ দৃষ্টিভঙ্গী আধুনিক আৰু সংস্কৃতিবান। সমালোচকৰ দায়িত্ব আৰু কৰ্তব্য সম্পৰ্কে তেওঁ কোৱা কথাৰ পৰা সিদ্ধান্ত কৰিব পাৰি যে সমালোচনা বস্তুনিষ্ঠ হোৱাটো একান্ত প্ৰয়োজনীয় বুলি তেওঁ বিবেচনা কৰিছিল। লিখকৰ মুখৰ ফালে চাই কৰা সমালোচনাক বেজবৰুৱাই ব্যংগ কৰিছিল। ধেমালিৰ ছলেৰে কোৱা কথাষাৰ সাহিত্য সমালোচনা তত্ত্বৰ প্ৰসঙ্গত অতি গুৰুত্বপূৰ্ণ। মেথ্যু আৰ্ণণ্ডে সমালোচনা ব্যক্তিমুখী হ'ব নালাগে বুলি কৈছিল। পৰৱৰ্তীকালত এলিয়টে কৈছিল যে সমালোচনা সাহিত্যকৃতিৰ ওপৰত হ'ব লাগে, সাহিত্যিকৰ ওপৰত নহয়। বেজবৰুৱাই প্ৰণালীবদ্ধভাৱে কোনো সমালোচনা তত্ত্ব তৈয়াৰ কৰা নাই। কিন্তু হাঁহিৰ ছলেৰে কৰা তেওঁৰ উক্তি একোটাও সাহিত্য সৃষ্টিৰ ক্ষেত্ৰত সৰ্বোচ্চ উৎকৰ্ষ সাধনৰ সহায়ক হ'ব পাৰে। তৎকালীন সাহিত্য সমালোচনাত বেজবৰুৱা সন্তুষ্ট হ'ব পৰা নাছিল। সেইবাবে তেওঁ লিখিছিল — "কোনো কোনো সম্পাদকে আকৌ সমালোচনা মানে গালি বুলি বুজি লৈছে। সেইদেখি তেওঁলোকে কোনো গ্ৰন্থকাৰৰ কিতাপ সমালোচনা কৰিবলৈ বহি গালিৰে তাৰ সমিপণ্ডিতকৰণ কৰি থৈ দিয়ে।" কেৱল প্ৰশংসা কৰা সমালোচকৰ কথা ক'বলৈ গৈ বেজবৰুৱাই লিখিছে যে তেওঁৰ কাপৰ আগৰ পৰা পানী নিদিয়া প্ৰশংসাহে দাৰ নিছিগাকৈ বয়। দাৰ নিছিগা প্ৰশংসা, স্তুতি, নিন্দা, গালি-শপনি আদি অৱশ্যে সমালোচনা নামত আজিও আমাৰ সাহিত্যত বৰ্তি আছে আৰু বৰ্তি থকাটো স্বাভাৱিক। ধাৰ নিছিগা প্ৰশংসা আৰু স্তুতিবাদত সাহিত্যকৃতিৰ সন্মুখত সমালোচকৰ বিস্ময় বিমূঢ়তা প্ৰকাশ পায়। তেনে সমালোচনাই সাহিত্যিকজনক কিবা সহায় কৰিলেও সমালোচকজনক একো সহায় নকৰে।

সমালোচনাতত্ত্ব সাম্প্ৰতিক কালত সমালোচনাৰ প্ৰসঙ্গত এটা কথা ক'ব পাৰি যে সমালোচনাৰ কোনো তাত্ত্বিক ভিত্তি নাথাকিলে সমালোচকে কোৱা কথাবোৰ প্ৰশংসা, নিন্দা অথবা সাহিত্যকৃতিৰ প্ৰতি ব্যক্তিগত সঁহাৰি হোৱাৰ আশংকা। তাত্ত্বিক ভিত্তিৰ অভাৱত যুগৰ আচাৰ-ব্যৱহাৰ, নীতি-নিয়ম, অভ্যাস আদি সাহিত্য বিচাৰৰ মাপকাঠী হৈ পৰিব পাৰে। এনে কাৰণতে পণ্ডিত হেমচন্দ্ৰ গোস্বামীৰ দৰে লোকেও লিখিলে— কীৰ্তন জোনত 'হৰমোহন' আৰু 'ৰাসলীলা' এই দুডোখৰ বৰ ডাঙৰ চেকা। ... যি জাতিয়ে প্ৰেম খায়নে কাণত পিন্ধে একো নেজানিছিল। সেই জাতিক প্ৰেমেৰে ভক্তি শিকাবলৈ যোৱা, আমাৰ মনেৰে হ'লে, বান্দৰৰ ডিঙিত মুকুতাৰ হাৰ পিন্ধোৱাৰ নিচিনা কথা আৰু তাৰ পৰা শংকৰদেৱৰ মনতো চহা ভাবৰ ছাৎ দেখিবলৈ পোৱা যায়।"

সাহিত্যকৃতিলৈ নগৈ লিখকৰ মুখলৈ চাই কৰা সমালোচনাৰ কথাটো সমসাময়িক সাহিত্যৰ ক্ষেত্ৰতহে অধিক প্ৰযোজ্য। অসমীয়া সাহিত্যত বস্তুনিষ্ঠ আৰু তত্ত্বৰ আধাৰত কৰা সমালোচনা সদায় সমাদৃত হৈ আহিছে বুলি ক'ব নোৱাৰি। ড° বাণীকান্ত কাকতিয়ে জ্যোতিপ্ৰসাদৰ শোণিত কুঁৱৰী নাটকৰ এটা বস্তুনিষ্ঠ সমালোচনা লিখিছিল। নাটকখনৰ শিল্পগুণসমূহ দেখুৱাই দিয়াৰ লগতে ত্ৰুটি আৰু দুৰ্বলতাসমূহ আঙুলিয়াই দিছিল। মধুমতীক অগ্নিগড়লৈ অনাৰ পৰা নাটৰ কোনো অঙ্গ পূৰ্ণ হোৱা নাই। এইটো সম্পূৰ্ণ নিৰৰ্থক। যি ঘটনাৰ লগত নাটৰ মুখ্যবস্তুৰ সাক্ষাৎ বা পৰোক্ষভাৱে সম্বন্ধ নাই, তেনে কথা নাটত ঠাই দিব নালাগে। ... উষাক বিচলিত কৰা বুলি তেওঁৰ যৌৱনৰ লগে লগে বসন্ত কালকো দায়ী কৰিব লাগিছিল। নহ'লে উষাৰ চৰিত্ৰৰ মৰ্যাদাত অলপ আঘাত কৰে। ... উষা-অনিৰুদ্ধৰ প্ৰেম লীলা উপলব্ধি কৰোঁতেই কুমলীয়া গ্ৰন্থকাৰৰ কল্পনা ভাগৰি পৰিছে। ... অনিৰুদ্ধৰ আপোন মতলীয়া উক্তিবোৰ স্বাভাৱিক হোৱা নাই। ঘটনাৰ উল্লেখ বা পৰিঘটনা লক্ষ্য নকৰাত তাত হঠাৎ কবিতাৰ দোষ পৰিছে। নাটত সাক্ষাৎ বা পৰোক্ষ ঘটনাৰ উল্লেখ বা সংশ্লেষ লাগিবই।" ড° কাকতিয়ে তেওঁৰ সমালোচনাত ঘটনাৰ যি পাৰম্পয্য অথবা কাৰ্যকাৰণ নীতিৰ কথা উল্লেখ কৰিছে তাৰ ভিত্তি এৰিষ্টলৰ পয়েটিকচ। জ্যোতিপ্ৰসাদে এই বস্তুনিষ্ঠ সমালোচক কি দৰে গ্ৰহণ কৰিছিল তাক নিশ্চিত ভাবে জানিব পৰা নাযায়। নিমাতী কইনাত সমালোচকক এইদৰে ব্যঙ্গ কৰা হৈছে — "বিদ্যা দিক্‌গজ এই পণ্ডিত প্ৰবৰ/ আলোচনা-বিলোচনা-সমালোচনাৰে/ কবিকো অকবি কৰি এৰেঁ দিব পাৰে/ মূৰ্খয়ো কবিতা লিখি যদি তুষ্ট কৰে/ টীকা ব্যাখ্যা অন্বয়েৰে কৰি সমন্বয়/ তাকো মহাকবি পাতি/ ওপজাৰে পৰা এওঁ বিশ্বৰ বিস্ময়/

...প্ৰবীণ লিখকবোৰে এওঁক কৰে ভয়/ ন লিখাৰুৰ যম জানিবা নিশ্চয় ... ।” নাটকীয় চৰিত্ৰ এটাক নাট্যকাৰৰ লগত একাকাৰ কৰিব নোৱাৰি আৰু যিজন সমালোচকক ব্যঙ্গ কৰা হৈছে তেওঁকো ড° কাকতি বুলি সিদ্ধান্ত কৰাটো নিৰাপদ নহয়, কিন্তু এই বুলি নিশ্চয় ক'ব পাৰি যে নিমাতী কইনাত পণ্ডিত সমালোচনাক ব্যঙ্গ আৰু বিদ্ৰূপ কৰা হৈছে।

অসমীয়া সাহিত্যত সাহিত্যকৃতি বিশ্লেষণ আৰু বিচাৰৰ আধাৰত আৰু সাহিত্যত সাহিত্যকৃতিৰ বিশ্লেষণ আৰু বিচাৰৰ আধাৰত সাহিত্যিকৰ মুখলৈ নোচোৱাকৈ সমালোচনা কৰা আন এগৰাকী সমালোচক ডিম্বেশ্বৰ নেওগে লিখিছে— “বুদ্ধিমান আৰু সাহসী জ্যোতিপ্ৰসাদে তথাকথিত বাস্তৱ প্ৰকৃততে নৱন্যাসমূলক নাটকৰ চেষ্টা কৰিছিল, কিন্তু যথেষ্ট সময় নাপালে। মিত্ৰদেৱ যথেষ্ট বুদ্ধিমান আছিল, কিন্তু সেই বুদ্ধিৰ অপব্যয় ঘটিল। অতুল চন্দ্ৰৰ জোখতকৈ লেখৰ চিন্তা, নকুল চন্দ্ৰ অধ্যয়নৰ আৰু দৈৱচন্দ্ৰৰ একাগ্ৰতাৰ অভাৱ।” এই বিচাৰে সকলোৱে মানি ল'ব লাগিব বুলি কথা নাই, কিন্তু ইয়াত এগৰাকী সমালোচকৰ নিজৰ বিচাৰ আৰু দৃঢ় মতামত আছে। বিশ্লেষণাত্মক সমালোচনাত এনে মতামত পোৱা নাযায়। সাহিত্যিকৰ মুখলৈ চাই সমালোচনা কৰা হ'লে ডিম্বেশ্বৰ নেওগে এনে মতামত দিব নোৱাৰিলহেঁতেন।

সমালোচক এজনৰ গাত থাকিবলগীয়া গুণৰ বিষয়ে বেজবৰুৱাই কৈছে— “সমালোচক হ'বলৈ যোৱা জনৰ গাত অপক্ষপাতিতা, গুণগ্ৰাহিতা আৰু ধৰ্মজ্ঞান থাকিব লাগে আৰু প্ৰচলিত হিংসাকুৰীয়া স্বভাৱটো থাকিব নালাগে।” ইয়াত নিজস্ব ভঙ্গীত বেজবৰুৱাই বস্তুনিষ্ঠ সমালোচনাৰ কথাকে কৈছে। বাঁহীৰ প্ৰথম বছৰ, চতুৰ্থ সংখ্যাৰ এটা প্ৰবন্ধত বেজবৰুৱাই সমালোচনা সম্পৰ্কে কোৱা এষাৰ কথাৰ লগত সাম্প্ৰতিক কালৰ প্ৰখ্যাত সমালোচকে কোৱা আশ্চৰ্যজনক মিল আছে। বেজবৰুৱাই কৈছে— “ধৰ্ম, সমাজ, আচাৰ, ব্যৱহাৰ আদি সকলোৰে এটা প্ৰচলিত বান্ধোন থকাৰ দৰে সাহিত্য ৰচনাৰো এটা প্ৰচলিত বান্ধোন আছে।” এই প্ৰচলিত বান্ধোননো কি হ'ব পাৰে? এই বান্ধোনক আমি সাহিত্য পৰম্পৰা (Literary Convention) বুলি ক'ব নোৱাৰোনে? সংগঠনবাদী সমালোচক জনাথন কিউলাৰে এনে এটা সমস্যাকেই আলোচনা কৰিছে। তেওঁ কৈছে— এনে এজন মানুহ কল্পনা কৰা যি ইংৰাজী ভাষাটো জানে কিন্তু যাৰ সাহিত্যৰ কোনো ধৰণৰ জ্ঞান নাই। ... তেওঁক কবিতা এটা দিলে তেওঁ থতমত খাব। শব্দ আৰু বাক্যবোৰ তেওঁ নিশ্চয় বুজিব, কিন্তু এই আচহুৱা বস্তুটো কি তেওঁ বুজি নাপাব। ভাষাৰ এই অদ্ভুত নিৰ্মাণটোলৈ কিনো কৰিব লাগে তেওঁ তাকো নুবুজিব। অভিজ্ঞ পাঠকৰ জটিল জ্ঞানৰ পদ্ধতিটো তেওঁৰ ক্ষেত্ৰত অনুপস্থিত। এই পদ্ধতিটো হৈছে কেতবোৰ নীতি আৰু পৰম্পৰা। কবিতা বুজিবলৈ পাঠক কেতবোৰ নীতি আৰু পৰম্পৰাৰ লগত চিনাকি হ'ব লাগিব।” বেজবৰুৱাই কোৱা সাহিত্য ৰচনাৰ 'প্ৰচলিত বান্ধোনো' মূলতে এই নীতি আৰু পৰম্পৰা।

বেজবৰুৱাই কোৱা সাহিত্য ৰচনাৰ প্ৰচলিত বান্ধোন আৰু কিউলাৰ কোৱা নীতি পৰম্পৰাৰ কথাটো কিউলাৰে দিয়া উদাহৰণ এটাৰে অলপ বহলাই আলোচনা কৰিব পাৰি। এটা সাধাৰণ গদ্যৰ বাক্য — “মই কালি বজাৰলৈ গ'লো আৰু চাকি এটা কিনি আনিলোঁ।” এই বাক্যটো কবিতাৰ আকাৰত সজাই দিলে গদ্যত থকা বাক্যটোৰ দৰেই নিৰ্দিষ্ট অৰ্থ থাকিবনে অৰ্থ আৰু ব্যঞ্জনাৰ কিবা তাৰতম্য হ'ব। সজোৱা হওক— “মই কালি/ বজাৰলৈ গ'লোঁ/ আৰু কিনিলোঁ/ এটা চাকি।” বাক্যটোৰ শব্দ কেইটাক এই কবিতাৰ ৰূপত গাঁথনিত অথবা সংগঠনত দেখাৰ লগে লগে অৰ্থ আৰু ব্যঞ্জনাৰ সালসলনি নিশ্চয় হ'ব। তাৰ কাৰণে আমি কবিতা এটা পঢ়িবলৈ ল'লেই আমাৰ শব্দ, অৰ্থ আৰু ব্যঞ্জনাৰ প্ৰতি সচেতনতা অন্য ধৰণৰ হয়। প্ৰথম কথা 'কালি' বুলি কোৱাৰ লগে লগেই বৰ্তমানৰ লগত সময়ৰ বিৰোধ উপস্থিত হ'ব। কাৰণ কবিতা এটাত পোৱা উক্তিৰ লগত সময়ৰ সম্পৰ্ক গুৰুত্বপূৰ্ণ। দ্বিতীয় কথা কবিতাটোৰ বিষয়বস্তুৰ বাবেই কিবা অৰ্থবহ মুহূৰ্ত ধৰি ৰাখিছে নেকি তাক অনুমান কৰিবৰ চেষ্টা কৰিম। 'চাকি'ৰ পৰম্পৰাগত প্ৰতীকী ব্যঞ্জনাত 'জ্ঞান-বিস্তাৰ', 'পথ প্ৰদৰ্শন', 'আন্ধাৰ বিনাশ' আদি ধাৰণা সোমাই আছে আৰু 'কিনা' শব্দটোৱে চাকিটো লাভ কৰাৰ এটা বিশেষ ধৰণৰ কথা কৈছে। কবিতাত সংহতি বিৰোধ উপস্থাপন আৰু নিষ্পত্তিৰ মাজেৰে সাধন কৰা হয়। এই কবিতাত দুটা কথাক বিৰোধী অৱস্থানত পাৰো-চাকি কিনা আৰু কিনোতাৰ পোহৰ লাভৰ চেষ্টা। এইটো কোনো উচ্চমানৰ কবিতা হোৱা নাই, কিন্তু গদ্য বাক্য কবিতাৰ পোছক পিন্ধালে পাঠকৰ প্ৰতিক্ৰিয়া সলনি হয়। বেজবৰুৱাই এনে ধৰণৰ কথাও চিন্তা কৰিছিল। ■





# মানসিক চাপ বা ষ্ট্ৰেছ আৰু যোগ দৰ্শন

ডাঃ (ড°) ৰতন কুমাৰ কটকী
অধ্যাপক, অসম চিকিৎসা মহাবিদ্যালয়

মানসিক চাপ বা অত্যাধিক মানসিক হেঁচাৰ এক সৰ্বজনগ্ৰাহ্য সংজ্ঞা দিয়া অসুবিধা। বৈজ্ঞানিক দৃষ্টিকোণেৰে বৰ্তমান ইয়াক ফঁহিয়াই চোৱা হৈছে আৰু ব্যাখ্যা কৰাৰ প্ৰচেষ্টা কৰা হৈছে। বহু পণ্ডিতে ব্যাহ্যিক প্ৰভাৱৰ দ্বাৰা দেহ আৰু মনত সৃষ্টি হোৱা প্ৰতিক্ৰিয়াকে 'চাপ' বুলি ক'ব খোজে। মানসিক চাপৰ বহলভিত্তিক, সূক্ষ্ম, সংবেদনশীল, অথচ সুগভীৰ অন্বেষী ধৰণৰ ক্ৰিয়া দেহৰ ওপৰত প্ৰৱৰ্তিত হয়। বিশেষকৈ দেহৰ স্নায়ু-অন্তঃস্ৰাৱী তন্ত্ৰৰ (নিউৰো এণ্ডোক্ৰাইন চিষ্টেম) ওপৰত সেইবাবে ফ্ৰাংক আৰু তেওঁৰ সহযোগীয়ে ১৯৯৫ চনত মন্তব্য কৰে যে দেহৰ প্ৰতিকূল, অশুভ, স্বাস্থ্য ভাবুকিস্বৰূপ প্ৰতিক্ৰিয়া হ'ল চাপ বা মানসিক চাপ। ইয়াৰ সৈতে ভয়, অনিশ্চয়তা, শংকা, উপস্থিত পৰিস্থিতিৰ বা পৰিস্থিতিৰ ফলশ্ৰুতিৰ ওপৰত নিয়ন্ত্ৰণ আংশিকভাৱে অথবা সম্পূৰ্ণ লোপ পোৱা অৱস্থা আদিও ওতঃপ্ৰোতভাৱে জড়িত হৈ থাকে। হানস্ চেইলিয়ে কয় যে দেহত বাহ্যিক শক্তিৰ প্ৰভাৱৰ বাবে এনে এক প্ৰক্ৰিয়াৰ সৃষ্টি হয় যিয়েই সংগ্ৰাম কৰা, পলায়ন কৰাৰ বাবে প্ৰৰোচিত কৰে। এনে প্ৰতিক্ৰিয়াৰ ফলস্বৰূপে জীৱন সংৰক্ষিত হোৱা অৱস্থাক সুস্থ চাপ আৰু সংগ্ৰাম কৰাৰ মনোবৃত্তি সম্পূৰ্ণ লোপ পোৱা অৱস্থাক ক্লেশ বা যাতনা (ডিছষ্ট্ৰেছ) বুলি অভিহিত কৰে। এই সংজ্ঞাসমূহ আপেক্ষিক, কিয়নো সকলো সময়তে ই প্ৰযোজ্য নহ'বও পাৰে।

উনৈশ শতিকাত পদাৰ্থ বিজ্ঞানৰ এটি সূত্ৰৰ আঁত ধৰি মানসিক চাপৰ দৰে শব্দৰ অৱতাৰণা কৰা হৈছে। পদাৰ্থ বিজ্ঞানত চাপ (ষ্ট্ৰেছ) শব্দই বাহ্যিক শক্তি, হেঁচা অথবা শক্তিশালী বল আদি বুজোৱা হয়। হান্স্ চেইলীয়ে মানৱ দেহৰ ক্ষেত্ৰত মানসিক চাপ (ট্ৰেছ)ৰ সংজ্ঞা নিৰ্দ্ধাৰণ কৰাৰ সময়ত পদাৰ্থ বিজ্ঞানৰ ষ্ট্ৰেছ শব্দৰ যুক্তি-যুক্ততা গ্ৰহণ কৰিছে। চেইলীয়ে কয় যে 'যিকোনো চাহিদাৰ' (ডিমাণ্ড) পৰিপ্ৰেক্ষিতত দেহত সৃষ্টি হোৱা অনিৰ্দিষ্ট প্ৰতিক্ৰিয়াবিলাক কেতিয়াবা নিৰ্দিষ্ট ধৰণৰ হ'ব পাৰে। যেনে, দেহত উত্তাপৰ প্ৰভাৱে 'ঘাম'ৰ সৃষ্টি কৰে, শীতৰ প্ৰভাৱত কঁপনিৰ সৃষ্টি আদি। এই সকলো উদাহৰণৰ ক্ষেত্ৰত এটা কথা স্পষ্টভাৱে বুজা যায় যে বাহ্যিক হেঁচাৰ প্ৰভাৱত দেহত সৃষ্টি হোৱা পৰিস্থিতিবিলাকৰ দ্বাৰা মানৱ দেহে সেই পৰিস্থিতিবিলাকৰ সৈতে মোকাবিলা কৰি অৱশেষত দেহক পুনৰ স্বাভাৱিককৰণ কৰাৰ প্ৰচেষ্টা। চেইলীয়ে প্ৰসঙ্গক্ৰমে ষ্ট্ৰেছক দুই প্ৰকাৰে ভাগ কৰিছে। 'ইউষ্ট্ৰেছ' আৰু 'ডিষ্ট্ৰেছ'। ইউষ্ট্ৰেছ আনন্দদায়ক আৰু ডিষ্ট্ৰেছ নিৰানন্দদায়ক। বিভিন্ন পণ্ডিত, মনোবিজ্ঞানীয়ে ষ্ট্ৰেছ শব্দৰ ব্যাখ্যা বিভিন্ন প্ৰকাৰে প্ৰতিপন্ন কৰিলেও দৈহিক চাপ আৰু মানসিক চাপৰ ধাৰণাকে ব্যক্ত কৰে। তথাপিও মনোবিজ্ঞানীৰ সৃষ্টিত মূলতঃ মানসিক চাপৰ ব্যাখ্যাই প্ৰাধান্য লাভ কৰা দেখা যায়।

**মানসিক চাপৰ ধাৰণা ঃ**

চেইলীয়ে কয় যে ষ্ট্ৰেছ বা মানসিক চাপৰ সৈতে দেহৰ সংস্পৰ্শ সংঘটিত হ'লে কেইবাটাও স্তৰত প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। যেনে— (১) বিপদ সংকেতজনিত প্ৰতিক্ৰিয়া (এলাৰ্ম ৰিয়েকচন) ঃ — ইতিমধ্যে চিনাক্ত নোহোৱা এক উদ্দীপকৰ সৈতে দেহৰ সংস্পৰ্শ সংঘটিত হ'লে পোন প্ৰথমে বিপদ সংকেতজনিত প্ৰতিক্ৰিয়া প্ৰকাশ পায়। (২) প্ৰতিৰোধক স্তৰত উদ্দীপকক প্ৰতিৰোধ কৰাৰ প্ৰচেষ্টা অব্যাহত থাকে আৰু দেহৰ উপযোগী কৈ গ্ৰহণ কৰাৰ প্ৰয়াস কৰে। (৩) নিঃশেষকৰণ স্তৰত যিকোনো উদ্দীপকক দেহৰ উপযোগী কৰি গ্ৰহণ কৰাৰ এক সসীম বা সীমাবদ্ধ ক্ষমতাহে থাকে। সেইবাবে উদ্দীপকৰ সৈতে সংঘাত অবিৰত চলি থাকিলে দেহ ভাগৰি পৰে, ক্লান্তিৰে পূৰ্ণ হৈ পৰে আৰু ইয়েই শেষত মৃত্যুৰ মুখত পতিত কৰে।

চেইলীয়ে দুই প্ৰকাৰৰ ষ্ট্ৰেছৰ কথা ব্যাখ্যা কৰিছে।

১) একিউত বা তীব্ৰতৰ, ২) ক্ৰনিক বা চিৰকাৰী।

**(১) একিউত বা তীব্ৰতৰ ঃ** এই উদ্দীপকসমূহৰ ভিতৰত প্ৰধানকৈ— অসুখকৰ উদ্দীপকৰ প্ৰৱল চাপ, অত্যাধিক শ্ৰম, অভাৱনীয় আৰু অৱশীকৰণ জনিত শব্দ বা কোলাহল, মৰ্যাদা আৰু পদমৰ্যাদা হানি হ'লে, বিদ্যুতৰ আঘাত, অনিয়ন্ত্ৰিত পৰিস্থিতি, দৈহিক ৰোগ, অস্ত্ৰোপচাৰ, আত্মসন্মানৰ প্ৰতি ভাবুকি, আঘাতজনিত অভিজ্ঞতা আদি।

ইয়াত মাত্ৰ কেইবিধমান উদ্দীপকৰ বিষয়েহে বৰ্ণনা কৰা হৈছে।

**(২) ক্ৰনিক বা চিৰকাৰী ঃ** এই উদ্দীপকসমূহৰ অন্তৰ্গত প্ৰধানকৈ — টোপনিৰ পৰা বঞ্চিত, প্ৰত্যাহিক অসুবিধা বা কষ্টকৰ সৈতে নিৰ্বৰ্বাহ, সামাজিকভাৱে নিসংগ হৈ পৰা ইত্যাদি। এনেধৰণৰ মানসিক চাপ সৃষ্টি কৰিব পৰা বহুতো উদ্দীপকক তালিকাভুক্ত কৰিব পৰা যায়। কিন্তু উপৰোক্ত উদ্দীপকসমূহক পৰীক্ষাগাৰত গৱেষণাৰ বাবে চিনাক্তকৰণ কৰা হয় আৰু সৰ্বসাধাৰণ ৰাইজৰ মাজতো ইয়াক সহজে দেখা পোৱা যায়।

**মানসিক চাপৰ শৰীৰক্ৰিয়া বিজ্ঞান আৰু বিকৃতি বিজ্ঞান ঃ**

মানৱদেহৰ মগজু আৰু দেহৰ প্ৰতিৰোধক ক্ষমতাই এক ঠুনুকা সংযোজনেৰে ভাৰসাম্য ৰক্ষা কৰি থাকে। এই ঠুনুকা ভাৰসাম্যহীনতাক চিৰকাৰী ষ্ট্ৰেছৰ দ্বাৰা প্ৰতিক্ৰিয়া প্ৰকাশৰ সময়ত মগজুৰ অধোচেতক অংশ বা হাইপ'থেলামাচে এক সক্ৰিয়া ভুমিকা পালন কৰে। মানসিক চাপৰ বাবেই হাইপ'থেলামাচে কৰ্বটিকট্ৰপিন ৰিলিজিং হৰমোন নামৰ ৰস নিঃসৰণ কৰে। এই অন্তঃক্ষৰণ ৰস বা হৰমোনে মগজুৰ পীযুষিকা গ্ৰন্থি বা পিটুইটেৰি উত্তেজিত কৰি এড্ৰিন'কৰটিকট্ৰফিন হৰমোন নিঃসৰণ কৰাত সহায় কৰে আৰু দেহত তেজত মিহলি হৈ পৰে। এই হৰমোনে বৃক্কৰ উপৰিভাগত অৱস্থিত এড্ৰিনেল গ্ৰন্থিক উত্তেজিত কৰি 'কৰটিজল' নামৰ হৰমোন নিঃসৰণ কৰে। কৰটিজলে দেহৰ প্ৰতিৰোধ ক্ষমতা নিয়ন্ত্ৰণ কৰে। অধোচেতকে কৰটিজল আৰু চাইট'কিন নামৰ পদাৰ্থৰ সহযোগত দেহৰ প্ৰতিৰোধ ক্ষমতাৰ ভাৰসাম্যতা ৰক্ষা কৰাৰ উপৰিও দেহৰ সুস্থ কোষসমূহ নষ্ট বা ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰে। এই সমগ্ৰ প্ৰক্ৰিয়াটোৰ যি কোনো অংশত সংঘটিত বেমেজালিয়ে ৰোগৰ সৃষ্টি কৰে। যেনে, অত্যাধিক মানসিক চাপৰ হেতু ৰোগৰ সৃষ্টি হ'ব পাৰে।

স্নায়ু সংবেদন পৰিবহনত দেহত সৃষ্টি হোৱা 'কেটেক'লেমাইন' গোষ্ঠীৰ ৰাসায়নিক পদাৰ্থই ক্ৰিয়া কৰে। কেটেক'লেমাইন গোষ্ঠীৰ ৰাসায়নিক পদাৰ্থৰ অন্তৰ্গত প্ৰধান তিনিটা পদাৰ্থ হ'ল— ডপামাইন, ইপিনেফ্ৰিন আৰু নৰইপিনেফ্ৰিন। ডপামিনে হৃদস্পন্দন বৃদ্ধি কৰে আৰু ৰক্তচাপৰ মাত্ৰা বৃদ্ধি কৰে। ইপিনেফ্ৰিনে হৃদস্পন্দন বৃদ্ধি কৰাৰ উপৰিও ৰক্তবাহিকা নলীসমূহ বন্ধ কৰি দিয়ে। ইপিনেফ্ৰিন আৰু নৰইপিনেফ্ৰিন নামৰ পদাৰ্থকেইটা মানসিক চাপ বৃদ্ধিৰ সৈতে প্ৰায় সমানুপাতিকভাৱে বৃদ্ধি হয় বাবেই ষ্ট্ৰেছ অৱস্থাৰ মানদণ্ড নিৰ্ণয়ৰ বাবে পৰীক্ষাগাৰত উক্ত পদাৰ্থ কেইটাৰ পৰিমাপ লোৱা হয়। ইহঁতৰ বৰ্দ্ধিত মাত্ৰাই দেহৰ প্ৰতিৰোধক ক্ষমতা হ্ৰাস কৰে।

আমাৰ দেহৰ প্ৰতিৰোধক ক্ষমতা 'টি চেল' আৰু হেল্পাৰ টিচেল বা চিডি ৪ৰ দ্বাৰা ৰক্ষা কৰা হয়। ইয়াত 'চাপ্ৰেছৰ টি চেল' বা চিডি ৭ কোষৰ ক্ৰিয়াও জড়িত হৈ থাকে। বিজ্ঞানী মেনাক আৰু তেওঁৰ সহযোগীসকলে ১৯৯১ চনত প্ৰকাশ যে মানসিক চাপৰ সহায়ত 'চিডি ৮' কোষসমূহ অত্যাধিকভাৱে বিভক্ত হৈ পৰে আৰু ফলস্বৰূপে দেহৰ প্ৰতিৰোধক ক্ষমতা হ্ৰাস হয়। সমীক্ষাত আৰু এটা কথা জনা গৈছে যে মানসিক চাপ বৃদ্ধিৰ সৈতে যিবিলাক ব্যক্তিৰ ক্ষেত্ৰত কেটেক'লেমাইনৰ তাৰতম্যতাৰ সৈতে হৃদস্পন্দন বৃদ্ধি হয়; তেওঁলোকৰ সন্দৰ্ভত ই অধিক প্ৰযোজ্য এই সূত্ৰত আঁত ধৰি মানুহক দুই শ্ৰেণীত বিভক্ত কৰা হৈছে। যেনে 'উচ্চ বিকাৰক' আৰু নিম্ন বিকাৰক' সম্পন্ন ব্যক্তি। উচ্চ বিকাৰক সম্পন্ন ব্যক্তিসমূহ মানসিক চাপৰ দ্বাৰা সহজেই গুৰুত্বপূৰ্ণভাৱে আক্ৰান্ত হয় আৰু ফলশ্ৰুতিত অত্যাধিক হৃদস্পন্দন, ৰক্তচাপ, কেটেক'লেমাইন জাতীয় পদাৰ্থ বৃদ্ধি হয় লগতে 'চিডি ৮' কোষৰো হাৰ বৃদ্ধি হয়। নিম্নবিকাৰকৰ ক্ষেত্ৰত এই প্ৰক্ৰিয়া সামান্যভাৱে সংঘটিত হয় অথবা নহয় বুলিবও পাৰি।

**মানসিক চাপ বা ষ্ট্ৰেছৰ সূত্ৰ ঃ**

মানসিক চাপৰ ক্ষেত্ৰত জৈৱিক আৰু সামাজিক বিজ্ঞানৰ সম্পৰ্কৰ সম্বন্ধে এতিয়াও বিতৰ্কৰ শেষ হোৱা নাই। বিজ্ঞানী উইনটাৰে মত পোষণ কৰে যে ষ্ট্ৰেছ এক প্ৰকাৰ বিষাক্তকাৰক, যি ভয় বা হ্ৰাসৰ সৃষ্টি কৰাৰ লগতে দৈহিকভাৱে ক্ষতি সাধনো কৰে। ইয়াৰ সৈতে এক বৃহৎ পৰিসৰৰ মনোজৈৱিক প্ৰতিক্ৰিয়া ব্যক্তিভেদে প্ৰকাশিত হয়। তেওঁ কয় যে প্ৰাকৃতিক বা মানুহে সৃষ্টি কৰা বিপৰ্যয় (দুৰ্যোগ)ৰ সৈতে সম্বন্ধ অৱস্থিত ক্ষেত্ৰত ষ্ট্ৰেছ শব্দ প্ৰয়োগ কৰা বিধেয়। ইয়াৰ ফলত ব্যক্তিৰ সম্পূৰ্ণভাৱে পুনৰ গঠনৰ প্ৰক্ৰিয়া সৃষ্টি হয়।

**স্বাভাৱিক ব্যক্তিৰ ওপৰত মানসিক চাপৰ প্ৰভাৱ ঃ**

কিছুমান চাপ প্ৰত্যাহিকভাৱে স্বাভাৱিক মানুহৰ জীৱননৈ আহে আৰু যায়। কিন্তু কেতিয়াবা তেওঁ ভয় খায়, বিপদ সংকেত অনুভৱ কৰে বা শংকিত হৈ পৰে। সেই সময়ত দেহৰ ধনাত্মক চিন্তাৰাশিয়ে তেওঁক সেই পৰিস্থিতিৰ সৈতে মোকাবিলা কৰি নিজকে নিয়ন্ত্ৰণ কৰাৰ চেষ্টা কৰে নতুবা পলায়নবাদী হোৱাত বাধ্য কৰে। নিজকে নিয়ন্ত্ৰণ কৰি মোকাবিলা কৰাৰ প্ৰচেষ্টাৰ প্ৰতিক্ৰিয়াসমূহ এনেদৰে প্ৰকাশিত হয়, যেনে— দেহৰ মাংসপেশী টান বা জঠৰ হৈ পৰে, ঘন ঘনকৈ শ্বাস-প্ৰশ্বাস লয় আৰু হৃদস্পন্দন বৃদ্ধি হয়। যেতিয়াই ব্যক্তিয়ে বিপদমুক্ত বুলি অনুভৱ কৰে, লাহে লাহে তেওঁ শিথিল হৈ আৰামদায়ক বোধ কৰে। এই শিথিলকৰণ অৱস্থাত ব্যক্তিৰ মাংসপেশীসমূহ জঠৰ মুক্তহৈ কোমল হৈ পৰে; হৃদস্পন্দনৰ হাৰ হ্ৰাস হয়; স্বাভাৱিক আৰু লাহে লাহে শ্বাস-প্ৰশ্বাস ল'বলৈ ধৰে। প্ৰায় বেছিভাগ মানুহৰ ক্ষেত্ৰত এই চাপযুক্ত অৱস্থা আৰু শিথিলকৰণ অৱস্থাৰ মাজত ভাৰসাম্যতা বিদ্যমান। যদি এই দৈহিক প্ৰতিক্ৰিয়াসমূহ অস্বাভাৱিক আৰু অত্যাধিক পৰিমাণে বৃদ্ধি হয়, তেন্তে দেহ গভীৰ আৰু তীব্ৰভাৱে আক্ৰান্ত হয়। ষ্ট্ৰেছে মানৱ জীৱনৰ সকলো দিশতে প্ৰভাৱ বিস্তাৰ কৰে আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰে বিশেষকৈ —

১) মানসিক অশান্তি আৰু অস্থিৰতা

২) শাৰীৰিক লক্ষণ আৰু চিহ্ন

৩) আচাৰ ব্যৱহাৰৰ পৰিৱৰ্তন

৪) সমাজৰ আন মানুহৰ সৈতে সম্বন্ধ ৰক্ষা কৰাত সমস্যাৰ সৃষ্টি কৰে।

যিসকল ব্যক্তি ষ্ট্ৰেছৰ দ্বাৰা আক্ৰান্ত তেওঁলোকে বহু সময়ত পোনপটীয়াভাৱে ষ্ট্ৰেছৰ বিষয়ে কোনো কথা ব্যক্ত নকৰিব পাৰে। তেওঁলোকে প্ৰায়েই কিছুমান অবৈশিষ্ট্যমূলক দৈহিক আৰু মানসিক লক্ষণহে প্ৰকাশ কৰে।

**ষ্ট্ৰেছৰ চিহ্ন আৰু লক্ষণসমূহ ঃ**

ষ্ট্ৰেছৰ দ্বাৰা আক্ৰান্ত ভুক্তভোগীসকলে নিম্নোলিখিত বিভিন্ন ধৰণৰ প্ৰকাশ কৰিব পাৰে।

**১) মানসিক লক্ষণসমূহ ঃ**

ক) উৎকণ্ঠা, অতি সহজেই খঙাল হৈ পৰা

খ) বিষণ্ণতাযুক্ত, শোকাতুৰ, কান্দি থকা, অসহায়জনিত চিন্তাধাৰা আৰু উপলব্ধি।

গ) মেজাজ অতি শীঘ্ৰে পৰিৱৰ্তন হোৱা।

ঘ) অমনোযোগী স্বভাৱ; তেনে ব্যক্তিয়ে কোনো এটা বিষয় বুজিবলৈ অথবা মনত ৰাখিবলৈ বাৰে বাৰে কোৱাৰ আৱশ্যক হৈ পৰে।

ঙ) কোনো এটা বিষয় বাৰে বাৰে একেলেথাৰিকৈ চিন্তা কৰি থাকে।

চ) বহু মানুহে লক্ষণসমূহৰ বৰ্ণনা দিবলৈ অপৰাগ হয়।

**২) দৈহিক লক্ষণসমূহ ঃ**

ক) ক্লান্তিযুক্ত বা ভাগৰি পৰা।

খ) মূৰৰ বিষ।

গ) মাংসপেশীৰ জড়তা।

ঘ) বুকুত ধপ্‌ধপনি হোৱা, হৃদস্পন্দনৰ বিসংগতি।

ঙ) বায়ুমণ্ডলত বতাহ শেষ হৈ শ্বাস-প্ৰশ্বাসত অসুবিধা পোৱাৰ দৰে অনুভূতি।

চ) পেটৰ বিষ অথবা বমিৰ ভাব।

ছ) আভোক, ভোক নলগা।

জ) অস্পষ্ট বা অনিৰ্দিষ্ট বিষ যেনে— হাত-ভৰি, বুকুত।

ঝ) মহিলাৰ ক্ষেত্ৰত মাহেকীয়া ঋতুস্ৰাৱৰ অস্বাভাৱিকতা (খেলিখেলি)।

**৩) আচাৰ ব্যৱহাৰৰ পৰিৱৰ্তন ঃ**

ক) কৰ্তব্যৰ সক্ৰিয়তা হ্ৰাসকৰণ, শক্তিহীনতা।

খ) অত্যাধিক সক্ৰিয় অথবা অস্থিৰ

গ) ষ্ট্ৰেছৰ মাত্ৰা হ্ৰাসকৰণৰ বাবে মদৰ দৰে নিচাযুক্ত দ্ৰব্য গ্ৰহণ কৰা অথবা কানি, ভাং, নিচাযুক্ত ঔষধ সেৱন।

ঘ) কোনো এটা কাম মনোযোগেৰে সম্পাদন কৰিব নোৱাৰা।

ঙ) টোপনি বা নিদ্ৰাৰ বিজুতি। যেনে, টোপনিত ব্যাঘাত, নিদ্ৰাবিহীনতা, অত্যাধিক টোপনি বা দিনৰ ভাগত দীঘলীয়াকৈ ঘুমটি মৰা।

**৪) সমাজৰ আন ব্যক্তিসকলৰ সৈতে থকা সম্বন্ধৰ অস্বাভাৱিক আচৰণ ঃ**

ক) আৱেগ আৰু অনুভূতিৰ অভাৱ।

খ) অযথা যুক্তিতৰ্ক আৰু কাজিয়াৰ অৱতাৰণা।

গ) যিকোনো মীমাংসাৰ বাবে আনৰ ওচৰত অত্যন্ত নিৰ্ভৰশীল। সদায় এক অৱলম্বনৰ আৱশ্যক।

**ৰোগৰ ওপৰত ষ্ট্ৰেছৰ প্ৰভাৱ ঃ**

ৰোগৰ ওপৰত ষ্ট্ৰেছে কেইবা প্ৰকাৰে প্ৰভাৱ বিস্তাৰ কৰিব পাৰে।

১) ৰোগৰ মাত্ৰা তীব্ৰতৰ কৰি তুলিব পাৰে (একিউট ইলনেচ)।

২) ৰোগ চিৰকাৰী কৰি তুলিব পাৰে (ক্ৰনিক ইলনেচ)।

৩) মনোদৈহিক ৰোগৰ সৃষ্টি কৰিব পাৰে (চাইক'চমেটিক ডিজিজ)।

৪) সংকটপূৰ্ণ ৰোগত পতিত কৰিব পাৰে (ক্ৰিটিকেলী ইল

পেচেণ্ট) আদি।

**পূৰ্বৰ অভিজ্ঞতা আৰু চাপযুক্ত (ষ্ট্ৰেছফুল) ঘটনাৱলীৰ দ্বাৰা প্ৰকাশিত প্ৰতিক্ৰিয়া ঃ**

বিজ্ঞানী ব্ৰাউন আৰু হেৰিচ ১৯৭৮ চনত আঙুলিয়াই দিয়ে যে চাপযুক্ত জীৱনৰ ঘটনাৱলীৰ প্ৰতিক্ৰিয়াসমূহক; বৰ্তমান জীৱনৰ ঘটনাৱলীৰ প্ৰতিক্ৰিয়াসমূহক; বৰ্তমান জীৱনৰ পাৰিপাৰ্শ্বিক অন্যান্য ঘটনাৱলীয়ে অথবা পূৰ্বৰ ঘটনাৱলীৰ অভিজ্ঞতাই আমূল পৰিৱৰ্তন সাধন কৰিব পাৰে। আকৌ বৰ্তমান জীৱনৰ ঘটনাৱলীয়েও এজন ব্যক্তিক চাপযুক্ত জীৱনৰ সৈতে আক্ৰমণ সাধ্য কৰি তুলিব পাৰে।

**চাপযুক্ত (ষ্ট্ৰেছফুল) অভিজ্ঞতাৰ দ্বাৰা সৃষ্টি হোৱা লক্ষণ বা প্ৰতিক্ৰিয়াৰ শ্ৰেণীবিভাগ ঃ**

বিজ্ঞানসন্মতভাৱে (আই-চি-১০; ডি-এছ-এম-৪ এই প্ৰতিক্ৰিয়াসমূহক তিনিভাগে বিভক্ত কৰিব পাৰি।

১) তীব্ৰতৰ প্ৰতিক্ৰিয়া ঃ এজন মানসিক ৰোগ নথকা ব্যক্তিক হঠাতে এক প্ৰৱল চাপযুক্ত উদ্দীপকে সংঘাতৰ সৃষ্টি কৰিলে ততালিকে কম সময়ৰ বাবে এক তীব্ৰতৰ প্ৰতিক্ৰিয়া প্ৰকাশ হয়। ইয়াকে তীব্ৰতৰ প্ৰতিক্ৰিয়া বোলা হয়।

২) আঘাত পশ্চাৎ (প'ষ্ট ট্ৰমেটিক) সৃষ্টি হোৱা ষ্ট্ৰেছৰ অস্বাভাৱিকতা বা ৰোগ বা প্ৰতিক্ৰিয়া ঃ কোনো এক অভাৱনীয় প্ৰচণ্ড চাপযুক্ত পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত দীঘলীয়াকৈ অস্বাভাৱিক প্ৰতিক্ৰিয়াৰ সৃষ্টিয়েই এই শ্ৰেণীৰ অন্তৰ্গত।

৩) পৰিস্থিতিৰ সৈতে সহজ হ'ব নোৱাৰি সৃষ্ট বিশৃংখলতা (এড্‌জাষ্টমেণ্ট ডিৰ্চাৰডাৰ) — ব্যক্তিৰ জীৱন চাপযুক্ত হৈ সৃষ্ট ধীৰে ধীৰে অথচ দীঘলীয়া প্ৰতিক্ৰিয়া।

**ৰোগৰ ওপৰত মানসিক চাপৰ প্ৰভাৱ ঃ**

ৰোগৰ ওপৰত মানসিক চাপৰ প্ৰভাৱ মন কৰিবলগীয়া। এনে প্ৰভাৱ কেইবা প্ৰকাৰৰ হ'ব পাৰে। আলোচনাৰ সুবিধাৰ্থে এনে নিম্নোলিখিতভাৱে শ্ৰেণীবিভাগ কৰা হৈছে। যেনে —

১) তীব্ৰতৰ ৰোগ
২) চিৰকাৰী ৰোগ — মনোদৈহিক ৰোগ
৩) সংকটপূৰ্ণ ৰোগত আক্ৰান্ত ৰোগী

**১) তীব্ৰতৰ ৰোগ ঃ**

যিকোনো ৰোগত আক্ৰান্ত ৰোগীক মানসিক পৰিৱৰ্তন সংঘটিত হয় আৰু এই পৰিৱৰ্তনৰ প্ৰতিক্ৰিয়া মাত্ৰা আৰু পৰিসৰ ব্যক্তি বিশেষে আৰু ৰোগ বিশেষে ভিন্ন হ'ব পাৰে। ৰোগৰ স্বভাৱ আৰু ই সংঘটিত হোৱাৰ সময়ৰ পৰিপ্ৰেক্ষিততো মানসিক পৰিৱৰ্তন আৰু প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। স্বাস্থ্যবান হিচাপে গঢ় লৈ উঠা স্বভাৱমূৰ্তি ৰোগাক্ৰান্ত অৱস্থাত ব্যাহত হৈ পৰে আৰু ই এক মনোকষ্টৰ কাৰণ হৈ পৰা তেনেই স্বাভাৱিক। এজন বৃত্তিধাৰী বা সক্ৰিয় কৰ্মী ৰোগত আক্ৰান্ত হৈ শয্যাশায়ী হোৱাৰ পৰিপ্ৰেক্ষিততো ব্যক্তিয়ে যদি বোধ কৰে যে তেওঁৰ প্ৰতি থকা ভালপোৱা বা সুহৃদয়তা প্ৰকাশ কৰা পৰিয়ালৰ সদস্যবৰ্গহি এই সকলোখিনি তেওঁৰ কৰ্মৰ ওপৰতহে নিৰ্ভৰ কৰে; তেন্তে তেওঁৰ বৈবাহিক জীৱন তথা যৌন জীৱন ভাবুকি স্বৰূপ হৈ পৰা বুলি শংকিত হৈ পৰাৰ সম্ভাৱনা। ভাবুকিয়ে শংকাৰ সৃষ্টি কৰে, শংকাই উৎকণ্ঠাকে আৰম্ভ কৰি বিভিন্ন মানসিক পৰিৱৰ্তনৰ সৃষ্টি কৰে। ই এক উদাহৰণ হে মাত্ৰ।

**২) চিৰকাৰী ৰোগ ঃ**

চিৰকাৰীভাৱে অৰ্থাৎ দীঘলীয়াকৈ ৰোগাক্ৰান্ত ব্যক্তি স্বভাৱমূৰ্তি ভাবুকি স্বৰূপ হৈ পৰে। ফলত ৰোগী শোকাৰ্ত, অসহায়হীনতা, আশাশূন্যতা, অপৰাধপ্ৰৱণতা, বিষণ্ণতা তথা খিঙখিঙীয়া মানসিকতা আদিৰে পৰিপূৰ্ণ হৈ পৰে। এইবোৰ ৰোগৰ প্ৰতিক্ৰিয়াসমূহ বিভিন্ন কাৰকৰ ওপৰত নিৰ্ভৰশীল। বিশেষকৈ ব্যক্তিৰ বয়স, সংস্কৃতিৰ প্ৰভাৱ, তদুপৰি ৰোগৰ প্ৰাক্‌কালীন আৰু ৰোগ পশ্চাৎ সময়ত পৰিয়ালৰ সদস্যবৰ্গ তথা সামাজিক জীৱনৰ সুহৃদয়তাৰ ওপৰত নিৰ্ভৰ কৰে।

উদাহৰণ স্বৰূপে হৃদৰোগ বিশেষকৈ কৰণেৰী ধমনীৰ ৰোগ আৰু হাৰ্ট এটেকৰ ক্ষেত্ৰত মানসিক চাপৰ প্ৰভাৱৰ কথা গৱেষণাৰ দ্বাৰা প্ৰতীয়মান হৈছে। সমীক্ষাৰ দ্বাৰা দেখা গৈছে যে মানসিক চাপৰ ফলশ্ৰুতিত দেহত অক্সিজেনৰ আৱশ্যকতা বৃদ্ধি পায় আৰু ইয়েই দেহত উচ্চ ৰক্তচাপ আৰু নাড়ীস্পন্দনৰ হাৰ বৃদ্ধি কৰাত সহায় কৰে। গতিকে যিসকল ব্যক্তি কৰণেৰী ধমনীৰ ৰোগ (এনজাইনা), স্কিমিয়া)ত আক্ৰান্ত হৈ আছে, তেনে ব্যক্তিৰ ক্ষেত্ৰত অতিৰিক্ত উচ্চ ৰক্ত চাপ আৰু নাড়ী স্পন্দনৰ বৃদ্ধিয়ে হাৰ্টএটেক; যিসকল ইতিমধ্যে উচ্চ ৰক্তচাপত ভুক্তভোগী তেওঁলোক তেওঁলোক 'ষ্ট্ৰক' — পক্ষাঘাত (পেৰেলাইচিচ্) ৰোগত পতিত হ'ব পাৰে। আনকি, কেতিয়াবা মৃত্যুৰ গৰাহত পৰাও অসম্ভৱ নহয়। কোনো ব্যক্তিয়ে কোনো ধৰণৰ লক্ষণ বা অসুবিধাত আক্ৰান্ত নোহোৱা অৱস্থাতো দেহৰ ধমনীত 'এথেৰ'স্কেল'চিচ' জাতীয় প্ৰক্ৰিয়া সংঘটিত হৈ থাকিব পাৰে। মানসিক চাপৰ বৃদ্ধিয়ে এনে এথেৰ'স্কেল'চিচৰ টুকুৰা ধমনীৰবেৰৰ পৰা এৰুৱাই পেলাই আৰু এই টুকুৰা তেজৰ সোঁতৰ সৈতে গতি কৰি দূৰৈত ধমনী ফুটা বন্ধ কৰি দিয়ে। ফলত সেই ধমনীয়ে তেজৰ যোগান ধৰা অঙ্গ বা যন্ত্ৰ, কোষসমূহত তেজৰ সৰবৰাহ বন্ধ কৰি ভয়াবহ, সংকটজনক মৃত্যুৰ ভাবুকিস্বৰূপ ৰোগৰ সৃষ্টি কৰিব পাৰে। এনে তথ্য বিজ্ঞানসন্মত বুলি প্ৰমাণিত হৈছে।

আমাৰ দেহৰ শ্বাস-প্ৰশ্বাস যন্ত্ৰ, পাচক যন্ত্ৰ, হৃদপিণ্ড, গ্ৰন্থি আদিক মানসিক চাপে স্নায়ুতন্ত্ৰক প্ৰত্যক্ষভাৱে প্ৰভাৱান্বিত কৰিও প্ৰতিক্ৰিয়া সৃষ্টি কৰিব পাৰে। ইয়াৰ পৰা কেইটামান সিদ্ধান্তত উপনীত হ'ব পৰা যায়। কিছুমান ৰোগ যেনে— ক্ৰনিক বিষ, ইৰিটেবল বাৱেল ছিন্দ্ৰম, মূৰৰ বিষ ইত্যাদি স্নায়ুতন্ত্ৰৰ দ্বাৰা প্ৰভাৱান্বিত হৈ সৃষ্টি হয়। এনেবোৰ ৰোগ মানসিক চাপ বৃদ্ধিৰ লগে লগে স্নায়ুতন্ত্ৰৰ মাধ্যমেৰে ৰোগৰ মাত্ৰা বৃদ্ধি কৰে। আনহাতে দীঘলীয়াভাৱে বৰ্তি থকা মানসিক চাপে স্নায়ুতন্ত্ৰক দীঘলীয়াভাৱে উত্তেজিত কৰি দৈহিক ৰোগৰ সৃষ্টি কৰিব পাৰে।

মানসিক ৰোগত ভুক্তভোগী ৰোগী যেনে, অত্যাধিক উৎকণ্ঠা, বিষণ্ণতাৰে আক্ৰান্ত ৰোগী আদি মানসিক চাপৰ দ্বাৰা আক্ৰান্ত হ'লে; সেই ৰোগসমূহৰ মাত্ৰা বৃদ্ধি পায়।

**(১) সংকটপূৰ্ণ ৰোগত আক্ৰান্ত ৰোগীৰ ওপৰত মানসিক চাপৰ প্ৰভাৱ ঃ** কিছুমান সংকটপূৰ্ণ ৰোগত আক্ৰান্ত ব্যক্তিৰ ক্ষেত্ৰত মানসিক চাপে অভুতপূৰ্বভাৱে ঋণাত্মক ভূমিকা পালন কৰে। কেইটামান ৰোগৰ বিষয়ে থোৰতে আলোচনা কৰা হ'ল।

(ক) হাৰ্ট এটেক ঃ চিকিৎসা শাস্ত্ৰত হাৰ্ট এটেক ৰোগক মায়'কাৰডিয়েল ইনফাক্‌চন বুলি অভিহিত কৰা হয়। হাৰ্ট এটেক সংঘটিত হোৱাৰ বহু কাৰকৰ বিষয়ে জনা যায় যদিও হঠাতে তীব্ৰভাৱে হোৱা বা ক্ৰনিক (চিৰকাৰী)ভাৱে হোৱা দৈহিক আৰু মানসিক চাপেও এই ৰোগত পতিত হোৱাৰ আন কাৰক হিচাপে স্বীকৃত হৈছে। এই ক্ষেত্ৰত খাদ্যৰ উপৰিও মানসিক চাপে দেহৰ অন্তঃস্ৰাৱী গ্ৰন্থিৰ নিঃসৰণ ৰসসমূহৰ তাৰতম্যতাৰ সৃষ্টি কৰে। ইয়াৰ ফলত দেহৰ চৰ্বি পদাৰ্থবিলাকৰ বিতৰণ অস্বাভাৱিকতাৰ সৃষ্টি হয় আৰু সিয়েই অৱশেষত 'এথেৰ'স্কে'চিচ' প্ৰক্ৰিয়া বৃদ্ধি কৰে। সমীক্ষা দ্বাৰা প্ৰমাণতি হৈছে যে যিবিলাক মানুহৰ ব্যক্তিত্ব 'ক ব্যক্তিত্ব' সম্পন্ন (টাইপ-এ-পাৰচ'নেলিটি/বিহেভিয়াৰ) তেওঁলোকৰ মাজত 'খ ব্যক্তিত্ব' সম্পন্ন মানুহতকৈ হাৰ্ট এটেকৰ মাত্ৰ তুলনামূলকভাৱে সৰ্বাধিক। ইয়াৰ উপৰিও এইটো তথ্যও জানিব পৰা গৈছে যে 'ক ব্যক্তিত্ব' সম্পন্ন ব্যক্তিৰ দেহত কলেষ্টেৰলৰ মাত্ৰা অধিক; ট্ৰাইগ্লিচাৰাইড, কৰিক'ষ্টেৰইড, কেটেক'লেমাইন আদিৰ পৰিমাণ মাত্ৰাধিক, কৰণেৰী ধমনীৰ ৰোগৰ হাৰ বৃদ্ধি; ইনচুলিন ৰেজিষ্টেন্স জাতীয় সমস্যাৰ প্ৰাবল্য বৃদ্ধি আদি আনুসংগিক উপসৰ্গসমূহ স'ততে সংযোজিত হৈ থাকে। আগেয়ে উল্লেখ কৰা হৈছে যে মানসিক চাপৰ প্ৰভাৱত দেহত কেটেক'লেমাইন জাতীয় পদাৰ্থ মাত্ৰাধিক নিঃসৰণ হয় তেজৰ অনুচক্ৰিকাসমূহ গোটখাই পুঞ্জীভূত হোৱা প্ৰক্ৰিয়া বৃদ্ধি হয়; হৃদপিণ্ডৰ বিতালতা (এৰিথ্‌মিয়া)ৰ বাৰ বৃদ্ধি হয়। এই সকলোবোৰ কাৰণৰ বাবেই হাৰ্ট এটেক আৰু আনষ্টেৱল এনজাইনা আদি ৰোগৰ হাৰ অত্যাধিক বৃদ্ধি পায়।

খ) আই চি ইউত চিকিৎসাধীন ৰোগী ঃ এনেধৰণৰ বিশেষভাৱে স্থাপন কৰা কোঠালীত সংকটপূৰ্ণ ৰোগাৱস্থাৰ ৰোগীক ৰখা হয়। এই ৰোগীসমূহ প্ৰায়েই উৎকণ্ঠিত আৰু শংকাযুক্ত হৈ থাকে। বিশেষকৈ বয়সস্থ ব্যক্তিসমূহ মানসিক চাপত আক্ৰান্ত হৈ পৰে।

গ) বৃক্কৰ ৰোগৰ বাবে ডায়েলাউচিচ কৰাৰ সময়ত ৰোগী যন্ত্ৰ-পাতিৰে সৈতে পৰিপূৰ্ণ কোঠালীত পৰিয়ালবৰ্গৰ অনুপস্থিতিত বহু সময়ত অতিবাহিত কৰিব লগাৰ পৰিপেক্ষিতত মানসিক চাপ বৃদ্ধি হয়। ফলত চিকিৎসালয়ৰ সদস্যসকলক অস্বাভাৱিক আচৰণ কৰে, খিংখিঙীয়া স্বভাৱৰ হৈ পৰে। অথবা শিশুসুলভ আচৰণ প্ৰদৰ্শন কৰে।

## মানসিক চাপ আৰু যোগৰ দ্বাৰা নিৰাময়কৰণ আৰু ইয়াৰ ব্যৱস্থাপনা

যোগ অভ্যাসৰ দ্বাৰা মানসিক চাপ দূৰীকৰণ তথা হ্ৰাসকৰণ এক ফলপ্ৰসু ব্যৱস্থা বুলি বৰ্তমান বিশ্বত পৰিগণিত হৈছে আৰু ইয়াৰ প্ৰসাৰো বৃদ্ধি পাব লাগিছে।

যোগৰ ওপৰত অৱলম্বন কৰি বৰ্তমান পশ্চিমীয়া দেশসমূহত 'দেহ শিথিলকৰণ কৌশল' (ৰিলাক্সজেচন টেক্‌নিক), 'শিথিলকৰণ ভংগী' (ৰিলাক্সজেচন প'জ), শ্বাস-প্ৰশ্বাস নিয়মিতকৰণ (ব্ৰথ কণ্ট্ৰল) আনকি ধ্যান, প্ৰাণায়াম আদিও ব্যৱহৃত হৈছে। ক্ৰমান্বয়ে যোগৰ ফলপ্ৰসূতাৰ প্ৰতি লক্ষ্য ৰাখি — বাহ্যিক সত্যতা (এক্সষ্টাৰলেন ৰিয়েলিটি), অন্তৰ্মুখী সত্যতা (ইনটাৰনেল ৰিয়েলিটি), অতিন্দ্ৰীয় ধ্যান ( ট্ৰেন্ চেন্‌ডেনটেল মেডিটেচন) আদিৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। পোনপ্ৰথমে প্ৰয়োগ কৰা ব্যৱস্থাৱলীৰ পৰিপেক্ষিতত পুনৰ পিছত উল্লেখ কৰা ব্যৱস্থাৱলী গ্ৰহণ কৰাৰ কাৰণ এক লজ্জাজনক বিষয়। কিয়নো যোগৰ প্ৰকৃত শৃংখলাবদ্ধ বৈজ্ঞানিক দৃষ্টিভঙ্গী আওকাণ কৰি নিজৰ সুবিধানুসাৰে যোগক পৰিৱৰ্তন সাধিবৰ বৃথা প্ৰচেষ্টাৰে উক্ত 'টেক্‌নিক', 'প'জ' আদিৰ সৃষ্টি কৰিছিল। সময়ৰ কষতিত তেওঁলোকৰ প্ৰচেষ্টা মূঢ়তাত পৰিণত হোৱাত পিছত উল্লেখ কৰা 'সত্যতা', 'অতিন্দ্ৰীয় ধ্যান' আদি অন্তৰ্ভুক্ত কৰিবলৈ বাধ্য হ'ল।

ৰিলাক্সেজেচন টেক্‌নিক, প'জ আদি 'শৱাসন'ৰ নামান্তৰ মাথোন। শৱাসন এক প্ৰকাৰৰ বিজ্ঞান সন্মত প্ৰক্ৰিয়া। ইয়াৰ পৰিৱৰ্তন সাধিবৰ সকলো প্ৰচেষ্টাই বৃথা। শ্বাস-প্ৰশ্বাস নিয়মিতকৰণ প্ৰক্ৰিয়া প্ৰাণায়ামৰ নামান্তৰ। শ্ৰীমদ্ভাগৱদ মহাপুৰাণ, শ্ৰীমদ্ভগৱদ গীতা আদি কৰি খৃঃ পূঃ বহু হাজাৰ বছৰ আগতেই ৰচিত পুথিসমূহত 'অন্তঃঅংগ' আৰু 'বহিঃঅংগ' আদিয়েই বৰ্তমান পশ্চিমীয়া দেশৰ 'এক্সাৰনেল ৰিয়েলিটি' আৰু 'ইনটাৰলেন ৰিয়েলিটি'। যোগশাস্ত্ৰৰ অন্তৰ্গত এই প্ৰক্ৰিয়াসমূহ এক শৃংখলাবদ্ধ প্ৰণালীৰ দ্বাৰা সংযুক্ত। ঠিক মুকুতা মালাধাৰীৰ দৰে এটা মুকুতা ছিগি গ'লেই মালাধাৰী শেষ হৈ যায়। যোগৰ প্ৰণালীসমূহো ইটোৰ লগত সিটো অবিচ্ছেদ্য ৰূপে সংলগ্ন। এটা আনটোৰ পৰিপূৰক আৰু এটাক বাদ দি আনটো সম্পূৰ্ণ হ'ব নোৱাৰে। ইয়াৰ উপৰিও যোগসমূহৰ 'ক্ৰম' বা স্তৰ আছে। এটা মন্দিৰৰ শিখৰৰ শেষ বিন্দু অতিক্ৰম কৰিবলৈ তলৰ সমতল ভেটিৰ পৰা ক্ৰমান্বয়ে আৰোহণ কৰা প্ৰয়োজন আৰু সেইদৰে যোগৰ পূৰ্ণতা প্ৰাপ্তিৰ বাবেও শৃংখলাবদ্ধ অনুশাসনযুক্ত প্ৰচেষ্টাৰ প্ৰয়োজন। উপৰোক্ত প্ৰণালীসমূহ যোগৰ অন্তৰ্গত কিন্তু ইয়াৰ প্ৰয়োগ কৌশলসমূহ অনুশাসনহীন। অনুশাসনেৰে প্ৰণালীবদ্ধভাৱে আগবাঢ়িলে মানসিক চাপ আৰু ইয়াৰ ফলশ্ৰুতিত প্ৰকাশিত ৰোগসমূহ নিৰাময় কৰাত সহায়ক হোৱা সম্ভৱপৰ।

যোগৰ এটা প্ৰধান উদ্দেশ্য হ'ল মনক সংযত কৰা আৰু অনুশাসনেৰে নিয়ন্ত্ৰণ কৰা। সেয়েহে যোগশাস্ত্ৰৰ পিতৃস্বৰূপ পতঞ্জলিয়ে কয়, 'যোগশ্চিত্ত বৃত্তি নিৰোধঃ (১।।২)"। অৰ্থাৎ মনৰ চিন্তাৰ তৰঙ্গ ৰাশি অনুশাসনেৰে পৰিৱৰ্তন সাধন কৰা মনত বিভিন্ন চিন্তা তৰংগ, আৱেগ, অনুভূতিৰ প্ৰতিক্ৰিয়া অথবা সংঘৰ্ষৰ ফলতেই মানসিক চাপৰ সৃষ্টি হয়। সেইবাবে যোগৰ সহায়ত মনক সংযত কৰি বা মনক কেন্দ্ৰীভূত কৰি বা মনক পৰিৱৰ্তন সাধন কৰি পৰিস্থিতিৰ অনুকূলে পৰিবেশন কৰিব পাৰিলেই মানসিক চাপ বহু পৰিমাণে হ্ৰাস হোৱা সম্ভৱপৰ। মানসিক চাপ দূৰীকৰণত যোগৰ প্ৰভাৱ বহুৰভাৱে প্ৰচলিত আৰু প্ৰসাৰিত হোৱাও অন্যতম কাৰক।

ভাৰতীয় যোগদৰ্শনত অসংখ্য প্ৰকাৰৰ যোগৰ উল্লেখ আছে। এই যোগৰ মূলমন্ত্ৰই হ'ল মনক একাগ্ৰকৰণ, স্থিৰতাপ্ৰদান, পৰিৱৰ্তন সাধন কৰি চঞ্চল অৱস্থাৰ পৰা কেন্দ্ৰীভূত কৰি সাম্যতা প্ৰদান কৰা। কৰ্মযোগ, জ্ঞানযোগ, ভক্তিযোগ আদি সকলোবোৰ মনক সংযত আৰু স্থিৰ কৰাৰ আহিলা মাথোন। ব্যক্তিৰ অভিৰুচি, সামৰ্থ, ইচ্ছা তথা কৰ্মৰ আদৰ্শৰ ব্যতিৰেকে যোগ নিৰ্বাচন কৰি আত্মনিয়োগ কৰিব পাৰে। এনেদৰে বিভিন্ন যোগৰ সমাহাৰে ভাৰতীয় যোগদৰ্শনক অপূৰ্ব মহত্ত্ব প্ৰদান কৰিছে।

যোগসমূহৰ অন্তৰ্গত 'ৰাজযোগ'ক বিশেষভাৱে মান্যতা প্ৰদান কৰা হৈছে আৰু ব্যৱহাৰিক ক্ষেত্ৰত মনক শৃংখলাবদ্ধ কৰি সংযত আৰু স্থিৰ কৰাৰ সৰ্বোৎকৃষ্ট সোপান বুলি কোৱা হৈছে। সেয়েহে যোগৰ ভিতৰত ইয়াক 'ৰাজ' অৰ্থাৎ ৰজা অৰ্থত ব্যৱহাৰ কৰা হৈছে। স্বামী-বিবেকানন্দই ৰাজযোগক ভূয়সী প্ৰশংসা কৰিছে আৰু ইয়াৰ উৎকৃষ্ট ফলাফলসমূহৰ কথা ব্যাখ্যা কৰিছে। মানসিক চাপ হ্ৰাসকৰণত ৰাজযোগৰ অভ্যাসে সহায় কৰিব পাৰে।

ৰাজযোগ অষ্টমাৰ্গৰ সমাহাৰ। ইয়াক অষ্টাঙ্গ যোগ অৰ্থাৎ আঠটা অংগৰ দ্বাৰা সংযুক্ত বুলি কোৱা হয়। পতঞ্জলিয়ে যোগদৰ্শনত বৰ্ণনা কৰিছে, 'যমনিয়মাসন প্ৰাণায়াম প্ৰত্যাহাৰ ধাৰণা-ধ্যানসমাধয়োঽষ্টাবঙ্গানি। ২।। ২০।" যম, নিয়ম, আসন আৰু প্ৰাণায়ামক বৰ্হিংগ আৰু প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধৰ অৰ্ন্তংগ বুলি কোৱা হয়। পোনপ্ৰথম বৰ্হিংগৰ অভ্যাসে চঞ্চল, অশান্ত দেহ-মনত স্থিৰতা প্ৰদান কৰে আৰু অৰ্ন্তংগসমূহ অভ্যাসৰ ক্ষেত্ৰত সহায় কৰে।

যম স্তৰৰ অন্তৰ্গত— অহিংসা, সত্য, অস্তেয়, অপৰিগ্ৰহ আৰু ব্ৰহ্মচৰ্য; নিয়ম স্তৰৰ অন্তৰ্গত — শৌচ, সন্তোষ; তপঃ স্বাধ্যায় আৰু ঈশ্বৰ প্ৰণিধান— এই দুয়োটাই ব্যক্তিগত পৰ্যায়ত আৰু সামাজিক পৰ্যায়ত সুস্থতা প্ৰদান কৰে। এই দুয়োটা বিষয়ে ক্ৰমান্বয়ে ব্যক্তিগত আয়ত্বাধীন কৌশল আৰু সামাজিক অৱলম্বন গ্ৰহণ আৰু পালন কৰাত সহায়ে কৰে। মানসিক চাপ নিয়ন্ত্ৰণ কৰাত আয়ত্বাধীন কৌশলৰ অভ্যাস আৰু সামাজিক অৱলম্বনৰ সহযোগিতাই অভূতপূৰ্ব বৰঙণি প্ৰদান কৰে বুলি বিজ্ঞানীয়েও মত পোষণ কৰে। যম আৰু নিয়ম পালনৰ ধনাত্মক দিশসমূহৰ ভিতৰত 'মন' স্থিৰ কৰা ক্ষমতা প্ৰদানো অন্যতম। মানসিক চাপ হ্ৰাসকৰণত যম আৰু নিয়ম প্ৰথম সোপান হ'ব পাৰে।

মানসিক চাপৰ শৰীৰ ক্ৰিয়া বিজ্ঞান, বিকৃতি বিজ্ঞান আলোচনাৰ মৰ্মে ব্যাখ্যা কৰা হৈছিল যে মানসিক চাপৰ পৰিপ্ৰেক্ষিতত দেহত বিভিন্ন ধৰণৰ হৰমোন আৰু ৰাসায়নিক যৌগিক পদাৰ্থ নিঃসৰণ হয়। ব্যায়ামৰ সহায়ত এনে পদাৰ্থসমূহৰ ভাৰত্তোলনৰ সমতা স্থাপন কৰিব পৰা যায়। যোগৰ অন্তৰ্গত আসন এক প্ৰকাৰৰ ব্যায়াম জাতীয় দেহৰ ভঙ্গিমা যদিও ব্যায়ামতকৈ আসন বহুগুণে উচ্চস্তৰীয় মাৰ্গ। কিয়নো আসনৰ



সৈতে একাগ্ৰতা, মনোযোগ, কম্পনবিহীন স্থিৰ সুখানুভূতি ওতঃপ্ৰোতভাৱে জড়িত, 'স্থিৰসুখমাসনম্ ।।২।৪৬"। স্থিৰ মন আৰু দেহৰ সৈতে আসনৰ প্ৰক্ৰিয়া সম্পন্ন হোৱাৰ হেতু মগজুৰ হাইপ'থেলামাছ আৰু পিটুইটাৰি গ্ৰন্থিত সৃষ্টি হোৱা উদ্দীপকৰ ভাৰসাম্যতা প্ৰদান কৰে। সেইবাবে আসনৰ জৰিয়তে মানসিক তথা মনোদৈহিক ৰোগ হ্ৰাসকৰণত সহায়ক হয়। ভাৰতীয় যোগদৰ্শনত ৮৪ লাখ আসনৰ উল্লেখ আছে; তাৰে ৮৪ হাজাৰ অতি উত্তম; তাৰে ৮৪ টা ব্যৱহাৰিকভাৱে প্ৰচলিত হৈ আছে। এই আসনসমূহ বিভিন্ন ৰোগৰ বাবে নিৰ্দিষ্ট কৰা আছে। কিন্তু বৰ্তমান যুগৰ অতি ব্যস্ততাপূৰ্ণ জীৱন যাত্ৰাৰ প্ৰণালীত সকলোবোৰ আসন অভ্যাস কৰা সম্ভৱপৰ নহ'ব পাৰে। সেইবাবে দুটা আসনৰ অভ্যাসে কৰা সম্ভৱপৰ নহ'ব পাৰে। সেইবাবে দুটা আসনৰ অভ্যাসে মানসিক চাপ দূৰকৰণত সহায়ক হ'ব বুলি আমি ভাবো। 'সূৰ্য নমস্কাৰ' আৰু শৱাসন এই দুটা সহজ, ব্যৱহাৰিক, কম সময়ৰ ভিতৰত অভ্যাস কৰিব পৰা আসন বুলি ভাবোঁ।

দাৰ্শনিক দৃষ্টিকোণেৰে প্ৰাণায়ামে 'প্ৰাণ'ক অৰ্থাৎ দেহৰ জীৱনীশক্তিক সুস্থিৰতা প্ৰদান কৰে। বৈজ্ঞানিক দৃষ্টিৰে ই এক শ্বাস-প্ৰশ্বাসৰ ব্যায়াম। সাধাৰণ যিকোনো ব্যায়ামৰ সৈতে প্ৰাণায়ামৰ পাৰ্থক্য এয়ে যে মনক কেন্দ্ৰীভূত কৰিহে প্ৰাণায়ম অভ্যাস কৰা হয়। অৰ্থাৎ চঞ্চল চিত্তৰ সৈতে প্ৰাণায়ম অফলপ্ৰসূ আৰু অসম্পূৰ্ণ। প্ৰাণায়ামত শ্বাস-প্ৰশ্বাস অনুশীলনৰ দ্বাৰা হাওঁফাওঁৰ কাৰ্য কুশলতা বৃদ্ধি কৰা হয়; দেহত অক্সিজেনৰ মাত্ৰা আৰু পৰিমাণৰ সঞ্চালন বৃদ্ধি কৰা হয়; দৈহিক যন্ত্ৰ, অঙ্গ-প্ৰত্যঙ্গ, কোষসমূহক সজীৱতা আৰু সুস্থতা প্ৰদান কৰে। মুঠতে প্ৰাণায়মৰ সহায়ত মানসিক, শাৰীৰিক সুস্থতা প্ৰদানৰ জৰিয়তে মানসিক চাপ প্ৰতিৰোধ কৰিব পাৰি। 'তস্মিন্‌সতি শ্বাস-প্ৰশ্বাস যোগৰ্তিবিচ্ছেদ; প্ৰাণায়ামঃ ।।২।৪৯"। যোগদৰ্শনত বহু প্ৰকাৰৰ প্ৰাণায়ামৰ উল্লেখ আছে আৰু এই বিলাকে ব্যস্ততাপূৰ্ণ জীৱনৰ পৰিপ্ৰেক্ষিতত 'সহজ প্ৰাণায়াম' আৰু 'ভ্ৰমণ প্ৰাণায়াম'ৰ অভ্যাস কৰাই মোটা-মুটিভাৱে শ্ৰেয় বুলি কোৱাত বাধা নাই।

ইয়াৰ পিছৰ সোপানসমূহক অৰ্ন্তংগ যাক ইনাৰ ৰিয়েলিটি বুলি পশ্চিমীয়া দেশসমূহে বৰ্তমানে স্বীকাৰ কৰিছে। কিন্তু এই অংশৰ অন্তৰ্গত প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি একোটাকৈ পূৰ্ণ পৰ্যায়ৰ অধ্যায়। প্ৰত্যাহাৰ অৰ্থে যিবিলাক অনুভূতিয়ে মন স্থিৰ হোৱাত বাধাৰ সৃষ্টি কৰে, সেই বিলাকক ক্ৰমান্বয়ে আঁতৰাই পঠাবলৈ চেষ্টা কৰিব লাগে। এনেধৰণেৰে অভ্যাস সম্পূৰ্ণ হ'লে মনটো কোনো বিষয়ত কেন্দ্ৰীভূত কৰাৰ অভ্যাস কৰিব লাগে আৰু এই পৰ্যায়েই হ'ল ধাৰণা। ধাৰণা বা চিত্ত কেন্দ্ৰীভূত কৰি দীঘলীয়া সময়ৰ বা মন স্থিৰ কৰি অৱস্থাই ধ্যান স্তৰত উপনীত হয়। যিসময়ত চিত্ত আঁতৰি গৈ অৰ্থাৎ পুৰুষ প্ৰকৃতিৰ পৰা বিভিন্ন হৈ পৰে; সেই অৱস্থাত এক অতীন্দ্ৰিয় সুখানুভূতিৰ আৱেশে আৱৰি ধৰে; পুৰুষ সমাধি স্তৰত উপনীত হয়।

মানসিক চাপ হ্ৰাসকৰণৰ বাবে সমাধি স্তৰৰ প্ৰৱেশ কৰাৰ বাবে ব্যৱহাৰিক ক্ষেত্ৰত সম্ভৱ নোহোৱা নিত্যান্তই স্বাভাৱিক। সেই বাবে সমাধি বাদ দি বাকী তিনিটা অধ্যায় অভ্যাস কৰাই যুক্তিযুক্ত। এজন ব্যক্তিক পোনচাটেই ধ্যানৰ অভ্যাস কৰাৰ বাবে মন স্থিৰ আৰু কেন্দ্ৰীভূত কৰিবলৈ পৰামৰ্শ প্ৰদান কৰা যিমান সহজ; কাৰ্য সম্পাদন কৰা যিমান কঠিন। কিয়নো মন স্থিৰ কৰাৰ চেষ্টা কৰাৰ সময় বিষয়-বাসনা, কৰ্মেন্দ্ৰীয়, জ্ঞানেন্দ্ৰিয় আদিয়ে মন অস্থিৰ, চঞ্চলৰ কৰি তোলে। পতঞ্জলিয়ে এই কথা মৰ্মে মৰ্মে উপলব্ধি কৰাৰ বাবেই ধ্যান পৰ্যায়ত প্ৰৱেশৰ পূৰ্বপ্ৰস্তুতি হিচাপে প্ৰত্যাহাৰ আৰু ধাৰণা পৰ্যায়ৰ দিহা কৰি গৈছে। তেওঁৰ পদ্ধতি অত্যন্ত বিজ্ঞানসন্মত আৰু শৃংখলাবদ্ধ তথা নিয়মানুবৰ্তিক। যোগদৰ্শনৰ প্ৰণালীবদ্ধ দিহা অনুসাৰে ধ্যান কৰাৰ অভ্যাস কৰিলে মন স্থিৰ, অচঞ্চল আৰু প্ৰশান্তিৰে পৰিপূৰ্ণ হৈ পৰে। আকৌ প্ৰত্যাহাৰ, ধাৰণা, ধ্যান এনে শৃংখলাৰে অভ্যাস কৰিলে ধ্যান পৰ্যায় অতিক্ৰম কৰা সহজ হৈ পৰে। সেইবাবে পদ্ধতিযুক্ত ধ্যানৰ অভ্যাসৰ ফলত মন সুস্থিৰ কেন্দ্ৰীভূত হৈ পৰাৰ বাবেই মানসিক চাপ নিৰাময়ত বিশেষভাৱে সহায়ক হৈ পৰে।

সমাধি অৱস্থাই অতীন্দ্ৰিয় আনন্দবোধৰ সন্ধান দিয়ে। এই ক্ষেত্ৰত 'সম্প্ৰজ্ঞাত' সমাধিৰ বিষয়েহে অৱগত কৰা হৈছে। কিয়নো সম্প্ৰজ্ঞাত সমাধিয়ে মনটোক প্ৰকৃতিৰ পৰা বিচ্ছেদ কৰি এক অনাবিল ঐশ্বৰিক সুখানুভূতিৰ আস্বাদ দিয়ে যদিও মন বা চিত্ত পুনৰাই পাৰ্থিৱ অৱস্থালৈ ঘূৰি আহে। কিন্তু সমাধিৰ আনটো প্ৰকাৰ 'অসম্প্ৰজ্ঞাত সমাধি' এক বিশেষধৰণৰ সমাধি, যাৰ ফলত চিত্ত পুনৰ আগৰ অৱস্থালৈ ঘূৰি নাহে। এই অৱস্থাক 'কৈৱল্য' বুলিও কোৱা হয়। অসম্প্ৰজ্ঞাত সমাধি মানসিক চাপ হ্ৰাসকৰণৰ বাবে প্ৰযোজ্য নহয়। সাধাৰণ ৰাইজে এই সমাধি অভ্যাস কৰাৰ প্ৰয়োজন নাই।

সম্প্ৰজ্ঞাত সমাধিত পৰিৱৰ্তন সাধি অতীন্দ্ৰিয় ধ্যান বুলি বহু পশ্চিমীয়া দেশৰ লগতে আমাৰ দেশতো প্ৰয়োগ কৰা হৈছে। কিন্তু দেখা যায় যে পতঞ্জলিৰ প্ৰণালীবদ্ধ সম্প্ৰজ্ঞাত সমাধি অভ্যাস কৰা অধিক ব্যৱহাৰিক আৰু ফলপ্ৰসূ।

ধ্যানৰ অভ্যাসে দেহত কেনেধৰণৰ ক্ৰিয়া কৰে তাক বিভিন্ন গৱেষণাৰ দ্বাৰা স্বীকৃত হৈছে। এই ক্ৰিয়াসমূহ থোৰতে এনে ধৰণৰ ঃ

১) ধ্যানৰত অৱস্থাত দেহৰ নাড়ী স্পন্দন হ্ৰাস হয়।
২) ধ্যানৰত অৱস্থাত দেহৰ ৰক্তচাপ নিম্নগামী হয়।
৩) দেহৰ আৱশ্যকীয় বি-এম-আ প্ৰয়োজনীয়তা নিম্নগামী হয়।
৪) দেহৰ উষ্ণতাৰ তাৰতম্য ঘটে।
৫) শ্বাস প্ৰশ্বাস নিয়মীয়া হয়।
৬) দেহত কেটেক'লেমাইন জাতীয় পদাৰ্থৰ মাত্ৰা হ্ৰাস হয়।
৭) তেজত চৰ্বী পদাৰ্থৰ মাত্ৰা হ্ৰাস পায়।
৮) মগজুৰ কোষসমূহৰ সুস্থিৰতা ই-ই-জি পৰীক্ষাৰ দ্বাৰা প্ৰমাণিত হৈছে।
৯) হৃদপিণ্ডৰ উত্তেজনা স্বাভাৱিকৰণ ই-চি-জি পৰীক্ষাৰ দ্বাৰা প্ৰমাণিত হৈছে।
১০) ধ্যানৰ পিছত মনোযোগ বৃদ্ধি হয়।
১১) ইয়াৰ দ্বাৰা মনত প্ৰফুল্লতাৰ সৃষ্টি হয় আৰু মনোশক্তি বৃদ্ধি হয়।
১২) মানসিক শক্তি বৃদ্ধিৰ বাবে যিকোনো সম্ভাব্য পৰিস্থিতিত অটুট সাহসী মনোভাৱেৰে সন্মুখীন হ'ব পাৰে।
১৩) কৰ্মশক্তি বৃদ্ধি হয় আৰু কাম কৰাৰ বাবে অফুৰন্ত শক্তিবোধ কৰে।
১৪) মন প্ৰশান্তিময় অৱস্থা প্ৰাপ্তিৰ হেতু— খং, উত্তেজনা, দুঃখ, শোক, শংকা আদি আয়ত্বাধীন হৈ পৰে।

ধ্যান প্ৰভাৱৰ গুৰুত্ব আৰু ফলপ্ৰসূতা অপৰিসীম। উক্ত ক্ৰিয়াসমূহৰ পৰা এই কথা সহজেই প্ৰতীয়মান হয় যে ইয়াৰ দ্বাৰা মানসিক চাপ-নিম্নগামী কৰাৰ ফলশ্ৰুতিত মানসিক ৰোগ বা মনোদৈহিক ৰোগ নিয়ন্ত্ৰণ কৰিব পৰা যায়।

যোগ অভ্যাসৰ সৈতে আহাৰৰ প্ৰয়োজনীয়তা মন কৰিবলগীয়া। আহাৰৰ উপাদানসমূহ জুলীয়া অথবা তৃপ্তিদায়ক গোটা আহাৰ হোৱা উচিত। যৱ, চাউল, চাউলৰ গুড়ি, গাখীৰৰ ঘিউ, মাখন (কম পৰিমাণে) চেনী, কুঁহিয়াৰৰ ৰস, মৌ, শুকান আদা, শাক-পাচলি, ফলমূল, পানী আদি খোৱাৰ উপকৰণ। অত্যাধিক ভোজনকাৰী হোৱা উচিত নহয়। (হঠযোগ প্ৰদীপিকা)। ■








# অসমীয়া নেপালীসকলৰ চমু ইতিহাস আৰু ধৰ্মীয় উৎসৱ

সঞ্জীৱ ছেত্ৰী

অতি প্ৰাচীন কালৰে পৰা এখন দেশৰ পৰা আন্য এখন দেশলৈ দুৰ্গম অৰণ্যবৃত্ত পথ অতিক্ৰম কৰি মানুহে প্ৰব্ৰৰ্তন কৰি আহিছে। অসমলৈও প্ৰাচীন কালত ভিন ভিন দেশৰ পৰা বিভিন্ন জাতিৰ মানুহে আহি ইয়াত বসবাস কৰিবলৈ লৈ কালক্ৰমত অসমীয়া হৈ পৰিল। বৃহৎ অসমীয়া জাতি গঠনৰ ইতিহাস বিচাৰ কৰিলে দেখা যায় যে অসমীয়া জাতিৰ এক বুজন সংখ্যক জনগোষ্ঠী অতীজতে কনৌজ, গৌড়, নেপাল, শ্যাম আদি দেশৰ পৰা অহা। বুৰঞ্জীবিদ ৰাইট চাহাবে লিখা মতে কুমাৰ ভাস্কৰ বৰ্মা আৰু পিছত তেওঁৰ পোষ্য পুত্ৰ ভূমি বৰ্মনে নেপালত ৰাজত্ব কৰিছিল। এই কথা আন এজন বুৰঞ্জীবিদ কালপ্ৰসাদ শৰ্মায়ো নেপালৰ ইতিহাস পুথিত (লিচ্ছবি শাসনকালৰ অধ্যায়) উল্লেখ কৰি কৈছে। অসম আৰু নেপালৰ ঐতিহাসিক সম্বন্ধ সম্পৰ্কে বিষ্ণুপ্ৰসাদ ৰাভাই এনেদৰে লিখি গৈছে নেপালৰ লিচ্ছবি বংশৰ ৰজাইও কামৰূপ জীয়াৰী ৰাজ্য সতীক বিবাহ কৰিছিল।

জাতিগত ব্যাখ্যাত অসমৰ খ্যাতনামা বুৰঞ্জীবিদ বেণুধৰ শৰ্মাদেৱে উজনি অসমৰ মৰাণ আৰু নেপাল দেশৰ প্ৰাচীন সম্বন্ধৰ আঁত উলিয়াবলৈ গৈ কৈছে মৰাণ, মেৰাঘ, মৰাং, মোৰঙ্গা, মিটাং বা মৰা, গুৰিতে এক জাতিৰ একে ঠাইৰ। কিন্তু নেপালৰ পাদ দেশৰ পৰা আহি ছেদেলি-ভেদেলি হৈ পৰাত ঠাই অনুসৰি সলনি হ'ল। আৰু নেপালী জনগোষ্ঠীৰ ৰাই, লিম্বু, গুৰুং, তামাং, মগৰসকলৰ লগত অনেক ক্ষেত্ৰত পাৰ্থক্য থকা দেখা যায়। আজিৰ অসমৰ নেপালী আৰু অসমীয়াৰ মাজত পাৰ্থক্য নাই বুলি ক'ব পাৰি। সাংস্কৃতিক দিশত আজি কালি প্ৰায়বিলাক নেপালী গাঁওলৈ লক্ষ্য কৰিলে দেখা যায় যে সংমিশ্ৰণৰ প্ৰক্ৰিয়াৰ বাবেই গীতৰ লগতে আজিৰ নেপালীসকলে বিহুনাম গাই বিহু নাচে।

**উৎসৱ ঃ**

পূৰ্বতে নেপালীসকলৰ সমাজত পূজা, বিবাহ আদি সম্পন্ন হৈছিল। আজিৰ অসমীয়া নেপালী সমাজত তেনেধৰণে নাই। বেলেগ হ'লেও পৰিৱৰ্তিত হৈ অসমীয়া ঐতিহ্য আৰু পৰম্পৰাৰ লগত মিলি যাবলৈ ধৰিলে। ঐতিহ্য আৰু পৰম্পৰাকলৈ নেপালীসকলে বিভিন্ন উৎসৱ আৰু পৰব আদি পালন কৰি আহিছে। এই উৎসৱ আদিৰ মাজেদি নেপালী লোক-সংস্কৃতিৰ বিভিন্ন অংগবোৰৰ বিকাশ ঘটিছে। ভাৰতীয় আৰ্য সংস্কৃতিৰ ধৰ্মীয় উৎসৱবিলাকৰ ভিতৰত দুৰ্গা পূজা অন্যতম। প্ৰাচীন কালৰ পৰাই নেপালীসকলে অন্যান্য হিন্দু জাতিৰ দৰেই দুৰ্গাপূজাক এক ধৰ্মীয় উৎসৱৰূপে পালন কৰি আহিছে। দুৰ্গাপূজাই নেপালী জাতিৰ এক ধৰ্মীয় উৎসৱ হিচাপে জাতীয় চেতনাক উদ্বুদ্ধ কৰি জাতীয় জীৱনত মহৎ কল্যাণ সাধনৰ ব্ৰতত ব্ৰতী হোৱাৰ শক্তি আৰু একতা প্ৰদান কৰি উন্নতিৰ পথত আগুৱাই লৈ গৈছে। দেৱ-দেৱীক পূজা উপাসনা কৰাৰ মূলতে মানুহৰ আশা-আকাংখ্যা কামনা-বাসনা পূৰণ হোৱা। নেপালীসকলে দুৰ্গাপূজাক তেওঁলোকৰ ভাষাত দশাঁই বুলি কয়। মহত্বপূৰ্ণ নাৰী প্ৰধান উৎসৱ তীজৰ পাছতেই 'দশাঁই' বা দুৰ্গাপূজা নেপালীসকলৰ এক ধৰ্মীয় উৎসৱস্বৰূপে অনুষ্ঠিত হয়। কথিত আছে যে নেপালীত 'দশাঁই' আয়ো খাওলা পিওলা অৰ্থাৎ উৎসৱত ধুম-ধামেৰে খোৱা-পিন্ধা কৰি ৰং-ৰহইচ কৰিব লাগে। দশাঁইৰ মহত্ব এইয়ে যে যিমানেই দুখীয়ালোক নহওঁক লাগে হেপাঁহ আৰু আনন্দৰে এই পূজাত সকলো সামগ্ৰী সংগ্ৰহ কৰে। শুক্ল প্ৰতিপদৰ পৰা দশমীলৈকে ধুম-ধামেৰে উৎসৱ পালন কৰা হয়। প্ৰতিপদৰ জমাৰা আঁউসী। এই আঁউসীত ঘট স্থাপন কৰি পূজাৰ বেদীত পঞ্চধান (গোমধান, তিল, যৱ, ঘেঁহু, ধান) থৈ দিয়ে। প্ৰতিদিনে গা ধুই পবিত্ৰ মনে ইয়াত পানী চটিয়াই আৰু লগতে পূজাও

করে। দিনে দিনে পঞ্চধান গজালি মেলিব ধৰে। কিন্তু ভিতৰত সূৰ্যৰ পোহৰ নপৰাৰ বাবে ইয়াৰ বৰণ শেঁতা হয়। অৰ্থাৎ বগা আৰু পোহৰ পৰিব নিদিয়ে, ইয়াকে জমাৰা বোলে। বিজয়া দশমীৰ দিনা ভৱ-ভৱানীৰ প্ৰসাদৰূপে ঘৰৰ জ্যেষ্ঠজন বা মুৰব্বীজনে নিজৰ সন্তান, মিতিৰ-কুটুমসকলক দৈ, চাউল আৰু লগতে বিভিন্ন ৰং মিহলাই ফোঁট দিয়াৰ লগে লগে জমাৰা শিৰত দি সৰ্বতো প্ৰকাৰে জয়ী হ'বৰ বাবে আশীৰ্বাদ দিয়ে। প্ৰতিপদৰ পৰা মহা-নৱমীলৈকে নৌৰথ বুলি কোৱা হয়। এই কেইদিনত ধনী-দুখীয়া সকলোৱে নিজ নিজ ঘৰ-দুৱাৰ চাফ চিকুণ কৰি সজাই পৰাই লয়। সপ্তমী দিনটোক ফুলপাতী বুলি কোৱা হয়। এই দিনা মা ভৱানীৰ পূজাৰ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰা হয়। অষ্টমীৰ দিন বৰ ৰং আনন্দৰ মহত্বপূৰ্ণ দিন। সেইদিনা শক্তিৰ অধিষ্ঠাত্ৰী দুৰ্গাদেৱীৰ আগত পাঠা, হাঁহ আদি বলি দিয়া হয়। আৰু মহানৱমীৰ দিনা চণ্ডীপাঠৰ সমাপ্তি ঘটে। সেইদিনা বৰ আনন্দৰে খোৱা-বোৱা কৰা হয়।

দশমীৰ দিনা কপালত ফোঁট দিওঁতে দিয়া আশীষ বিশেষ শ্লোকৰ দ্বাৰা আৰম্ভ কৰা হয় শ্লোক হ'ল।

আয়ু ভ্ৰুণসুতে শ্ৰেয়ম
শত্ৰু ক্ষয়ম ৰাঘৱে দশৰাথে
ঐশ্বৰ্যম নহছে গতিশ্চ পবনে
মানশ্ব দুৰ্যোধনে
দশম সুযসুত কলম হলধৰে
সত্যমচ কুন্তী সুতে।।
বিজ্ঞানে বিদুৰে প্ৰভু ইতি ভৱতাম
কৃতীশ্চ নাৰায়ণ।।

জয়ন্তী মংগলা কালী ভদ্ৰ কালী পালিনি দুৰ্গাহে মাসিবা ধাত্ৰৎ সোহাঁ সোদান, নমস্তুতে। সৰ্ব মংগলা মংগলীন শিৱে সৰ্বত্ৰ সাধাবন। চৰণম ত্ৰিমক্কে গৌৰী নাৰায়ণ নমস্তুতে দি উৎসৱ বিজয়া দশমীৰ পৰা পূৰ্ণিমালৈকে দূৰ-দূৰণিৰ পৰা টিকা লগাবলৈ অৰ্থাৎ (ফোঁট লগাবলৈ) অহা মিতিৰ-কুটুমসকলক টিকা লগাই দিয়াৰ পাছত মান্যজনক দক্ষিণাস্বৰূপে 'টকা-পইচা' দি সেৱা কৰে আৰু এই নিয়ম চলি আহিছে।

সঁচাকৈ অতদিনে উৰুঙা-উৰুঙা, ৰিঙা-ৰিঙা লগা প্ৰতিজন নেপালীলোকৰ ঘৰখন অতি আনন্দ মুখৰহৈ উঠে। পিতৃ-মাতৃ আৰু নিজ নিজ বংশৰ জ্যেষ্ঠ, কণিষ্ঠসকলৰ লগত দেখা হ'লে সকলোৰে অন্তৰখন আনন্দ আৰু গৌৰৱত নাচি উঠে। সেয়ে দুৰ্গাপূজা নেপালীসকলৰ মিলনৰো উৎসৱ। দুৰ্গাপূজাৰ উপৰিও বিষ্ণু, শিৱ, ব্ৰহ্মা, কৃষ্ণ, কালি, ৰাম আদিৰ পূজাৰ বিধান নেপালী সমাজতো বিদ্যমান। সত্যনাৰায়ণ, একাদশী, পূৰ্ণিমা, আঁউসী, অগ্নি, গো, বায়ু, তুলসী, বৰগছ, আঁহত গছ, ব্ৰহ্মপুত্ৰ, গংগা, যমুনা নৈ আদিৰ পূজাও নেপালী সমাজত প্ৰাচীন কালৰে পৰা প্ৰচলিত হৈ আহিছে বা (চলি আছে) সময়ত স্থান অনুসৰি এই পূজা কৰা হয়। এনে ধৰ্মীয় উৎসৱসমূহে মানুহৰ মাজত সামাজিক, নৈতিক, আধ্যাত্মিক জগাই তোলে। দুৰ্গাপূজাৰ অন্তৰ্নিহিত বৈশিষ্ট্যই যেন জগতলৈ সংহতি কঢ়িয়াই আনে আৰু পৱিত্ৰতা দান কৰে।■







# Symbols Used In Mathematics

**Prodeep Kr. Chetia Phukan**
*Deptt. of Mathematics*

The history of Mathematical Symbols is the history of the language of mathematics. Since earliest times man has found it useful to count objects. The primitive method of counting on fingers and toes gradually paved the way for the use of stones and finally symbols to represent increasingly larger amounts. The development of sings and symbols is more recent than the development of numerals.

**Origin of our plus and minus signs :**

In a manuscript of 1456 written in Germany, the word 'et' is used for addition and is generally so that it closely resembles the symbol '+'. The 'et' is also found in many other manuscripts as in '5 ct 7' for (5+7). The origin of the minus sign has been more of a subject of dispute. Some have thought that it is survial of the 'bar' in $\overline{19}$ or in $\overline{m}$. But it is more probable that it comes from the habit of early scribles of using it as the equivalent of m as in suma for summa.

The '+' and '-' first appeared in print in an arithmetic, but they were not employed as symbols of operation. In the latter sense they appear in algebra long before they do in arithmetic. The first one to make use of the signs '+' and '-' in writting an algebraic expression was the Dutch mathematician Vander Hocikc (1514).

**Symbols of Multiplication :**

Sumbols of multiplication were more slow in their developement than symbols of addition and subtraction, the reason being the need for the later as were house marks and in the popular. Rule of false position. Development of the symbol 'X' was developed in English about 1600. In the second edition of Edward Wright's translation of Napier's Mirifici - Lo - Garithmorum - Canonis description (London, 1618).

The larger symbol 'X' is probably due to oughted. It was not a mathematical sign, having long been used in cross multiplication.

In the 18th century the symbol of multiplication generally used in numerical work, but it was not until the second half of the nineteen century that it become popular in elementary arithmetic. On account of its resemblance to 'X' it was not well adopted to use in algebra and so the dot came to be employed as in

2*3=6 (America) and

2 . 3 = 6 (Europe)

Clavius (1583) had an idea of the (*) as a symbol of multiplication for the written

$\frac{3}{5} * \frac{4}{7}$ for $\frac{3}{5} \times \frac{4}{7}$.

**Symbol for Division :**

The Anglo-American symbol for division '(÷)' has been used on the continent of Europe to indicate subtraction. Like most element combination of lines and points; the symbol is old (It is used for 'est' as early as the 10th century and tward the close or the 15th century. The symbol for division is possible first appeared in print in the Teutshe Algebra, by Tohann Heinrich Rahn (1622-1676).

**The Radial Sign (√):**

The ancient writers commonly wrote the word for root or side (As in Euclid 'x' 95 Schoner used 'I' for

the square root) as the, wrote other words of similar kind when mathematics was still in the rhetorical stage. The symbol most commonly used in by late medieval Latin writers to indicate as root was Rx. The symbol '√' first appeared in print in Rudolff's Cross (1525) in Europe but without our modern indices. It was a long time after these writers that a simple method was developed for indicating any root and only as a result of many experiments, for example. Vlacq used '√' for square root, √ (3) for cube root, '√√' for fourth root and so on.

In the 17[th] century our common square root sign was generally adopted, of course with many variants.

**Symbols of Inequality :**

The symbols <, > for greater and less are due to Harriot (1631) in London. The symbols ≃, - - are modern and not international, but in the 1647 edition of Oughtred's Clavis the some what analogous symbols [ and – appear for non-majus and non minus respectively. On the continent at the symbols > and <, or some of their variants, apparently invented by pierre Bouguer (1734) are commonly used.

**Symbol for Indinity :**

(Ⱡ) The symbol for infinity (Ⱡ) is first found in the Arithmetic infinitorum published by Walli's in 1655 and may have been suggested by the fact that the Romans Commonly used this symbol for a thousand, just as we use 'myriad' for any large number, although in the greek it meant ten thousand.

**Symbol for Ratio (:)**

The symbol (:) to indicate ratio seems to a originated in England early in the 17[th] century. It appears in a test entitled "Johnoons Arith metrick".

Symbol for Proportion : (::)

The symbol for equality of ratios (::) now giving way to the common sign of equality was introduced by oughtred (1628) and Dr. Pell gave it still more standing when he issued Rahn's algebra in English (1668).

*The Symbol for Continued Proportion : (÷÷) for contunued proportion was used by English writers in 17[th]* and 18[th] century and is still commonly seen in French text books.

Terms of Fraction : The medieval Latin writers found it Convenient to devise name for the terms of a fraction written after the Arab manner and so they called the upper number by such names as numerator while the lower number was called the dinominator. These terms are hardly destined to enduse, but no others have been generally accepted. Among the medieval and Renaissance writers the numerator was often designated by such words as numerator 'top terms ' 'top'.superior'. and denominator by such manes as base 'Inferior'. Both denominator and numerator took on Vernacular form with later Teutonic writers.

The mathematical symbols have shortend the long mathematical processes into small factors thus creating a new world of symbols useful to the students and Mathematician. The following are the important mathematical symbols commonly ysed.

Roman numerials and their equivalents :

| Hindu | Roman | Hindu | Roman |
|---|---|---|---|
| 1 | I | 30 | XXX |
| 2 | II | 40 | XL |
| 3 | III | 50 | L |
| 4 | IV | 60 | LX |
| 5 | V | 70 | LXX |
| 6 | VI | 80 | LXXX |
| 7 | VII | 90 | XC |
| 8 | VIII | 100 | C |
| 9 | IX | 200 | CC |
| 10 | X | 300 | CCC |
| 11 | XI | 400 | CD |
| 12 | XII | 500 | D |
| 13 | XIII | 600 | DC |
| 14 | XIV | 700 | DCC |
| 15 | XV | 800 | DCCC |
| 16 | XVI | 900 | CM |
| 17 | XVII | 1000 | M |
| 18 | XVIII | 1500 | MD |
| 19 | XIX | 2000 | MM |
| 20 | XX | | |

■



## The Greek Alphabet

| | | |
|---|---|---|
| α | Α | Alpha |
| β | Β | Beta |
| γ | Γ | Gamma |
| δ | Δ | Delta |
| ε | Ε | Epsilon |
| ζ | Ζ | Zeta |
| η | Η | Eta |
| θ | Θ | Theta |
| ι | Ι | Iota |
| κ | Κ | Kappa |
| λ | Λ | Lambda |
| μ | Μ | Mu |
| ν | Ν | Nu |
| ξ | Ξ | Xi |
| ο | Ο | Omicron |
| π | Π | Pi |
| ρ | Ρ | Rho |
| σ or ς | Σ | Sigma |
| τ | Τ | Tau |
| υ | Υ | Upsilon |
| φ | Φ | Phi |
| χ | Χ | Chi |
| ψ | Ψ | Psi |
| ω | Ω | Omega |

## MATHEMATICAL SYMBOLS

| | | | | | | | |
|---|---|---|---|---|---|---|---|
| + | plus Sign to add | − | minus Sign to subtract | X | into Sign to multiply | ÷ | division Sign to divide |
| ( ) | Parenthesis or open brackets | [ ] | Closed or square brackets | { } | Flower brackets | ( ] | Left open and right closed |
| [ ) | Left closed and right open | < > | Left and Right Pointing brackets | = | is equal to | ≠ | Not equal |
| ≅ | Congruent | ≡ | Identical | ↔ | Equivalent | # | Number |
| : | Colon | :: | Double colon | ; | Semicolon | · | dot product |
| < | is less than | > | is greater than | ≤ | is less than or equal to | ≥ | is greater than or equal to |
| ∴ | Therefore | ∵ | Since or because | ∈ | Belongs to | ∉ | does not belongs to |
| ∪ | Union | ∩ | Intersection | ⊂ | Proper Subset | ⊃ | Proper Superset |
| ⊆ | Improper subset | ⊇ | Improper Superset | ⊄ | Not a subset | ⊅ | Not a Superset |
| ⇒ | Implies by | ⇐ | Implied by | ⇔ | Implies and implied by | ⊄ | Not a Subset |
| Π | Product | Σ | Sigma or Sum | Ω | Omega | ≻ | Succeeds |
| ≺ | Precedes | % | Percentage | \| | Vertical line or such that | / | Slash or divide |
| ∀ | for all | ∋ | Such that | ϕ | Null sign | ∞ | infinity |
| α | Alpha | β | Beta | γ | Gamma | δ | Delta |
| ε | Epsilon | ζ | Zeta | η | Eta | θ | Theta |
| κ | Kappa | λ | Lambda | μ | mu | ξ | Xi |
| π | Pi | ρ | Rho | φ | Phi | χ | Chi |
| ψ | Psi | ω | Omega | ∝ | Proportionally | ··· | Continuation |
| ± | Plus/minus | ° | Degrees | ∠ | Angle | ″ | Seconds |
| // | Parallel | ⊥ | Perpendicular | √ | Square root | ⁿ√ | $n^{th}$ root of |
| ∢ | Spherical angle | ∡ | Measured angle | ▭ | Rectangle | ▱ | Parallelogram |
| ○ | Circle | △ | Triangle | □ | Square | N! | Factorial of N |
| ℕ | Natural numbers | W | Whole numbers | $\mathbb{Z}^+$ | Positive integers | $\mathbb{Z}^-$ | Negative integers |
| ℝ | Real numbers | I or ℤ | Integers | $\mathbb{Q}^+$ | Positive rational numbers | $\mathbb{Q}^-$ | Negative rational numbers |
| ℚ | Rational numbers | f(x) | Function in x | ≈ | approximately | ₹ | Rupees |



মহাবিদ্যালয়ৰ তথ্য ঃ

ক) আমাৰ প্ৰথমখন মুখপত্ৰ প্ৰকাশ কাল ১৯৬৫-৬৬ বৰ্ষ।
সম্পাদক ঃ ৰামচন্দ্ৰ গোস্বামী
মুখপত্ৰখনিৰ নাম আছিল 'ডিব্ৰু মহাবিদ্যালয় আলোচনী'

খ) 'ডিব্ৰু মহাবিদ্যালয় আলোচনী' পুনঃ 'ডিব্ৰুয়ান' নামেৰে মুখপত্ৰ হিচাপে দশম সংখ্যা (১৯৮৬-৮৭) প্ৰকাশ কৰা হয়।
সম্পাদক ঃ সুকুমাৰ চেতিয়া



## একান্ত ব্যক্তিগত

তীৰ্থজ্যোতি বড়া
*গুৱাহাটী*



আইনাত দেখা মইটো মই
হওঁনে
কুৰি শতিকাৰ শেষ দশকটোৰ
ঘা নেকি এইবোৰ
যিমানবোৰ দেখোঁ গোটেই
মুখমণ্ডলত
আজি যিখন মুখ দেখিছোঁ
দেখি হতভম্ব
তেতিয়া যে আইয়ে কৈছিল ...
তোৰ মুখখনত মাটি আৰু
ঘাম লিপিত খাই আছে
ধুই নাহ কিয়
মই আক' কৰোঁ কি
পিছফালৰ পুনী পুখুৰীত
ধাপাংকৈ পৰি দিওঁগে
চিলনী সাঁতোৰ দি দি বৈ যাওঁ



আৰু চাই থাকোঁ মেঘবোৰ
... বৰষুণ দিলেতো কথাই নাই
হাজাৰ শিলাবৃষ্টি. ধুমুহা ...
দৌৰি দৌৰি খেলি খেলি গা ধোওঁ
গা মচি মচি ভগা আৰ্চিত
যেতিয়া মুখখন চাওঁ
দেখিছিলোঁ ক'ৰবাত নহয়
ক'ৰবাত বগা দাগ থাকিয়েই গৈছে
আজি দেখোন সেইবোৰ ঘাহে
বিষায় মাজে মাজে
মই যে আন্দোলন কৰিছিলোঁ
বুকুৰ তেজ দি
ক'তা, ফুল দেখোন নুফুলিল
মইয়ে পলাব খুজিছিলোঁ
মোৰ পৰা
ঘা ডোখৰ ইমান বহলিল কিয়
মোৰ 'মই'টো ক'ত
মোৰ জাতিটো ক'ত
মোৰ সমাজখন ক'ত ...■



## কমৰেড

বিদ্যুৎ বিকাশ হাজৰিকা
*দেৰগাঁও*



তেজবোৰ উথলি উথলি শাম কটাৰ আগতেই আকৌ আৰম্ভ
হওক এখন যুদ্ধ।
বৰটোপৰ শব্দত নীলাচল নকঁপোতেই অস্তাচলত জিলিকক
এটি নৱ নীলাচল।
শৰাইঘাটে জানে যুদ্ধজয়ী লুইতৰ উন্মাদন।
আকউ উলটি নাহক ১৯৬২ৰ তেজেধোৱা বেলি!

ডেকাবন্ধুৰ সুঠাম হাতবোৰত গজি উঠক জাতীয়তাবাদ।
গৰপ গৰপ খোজেৰে হিলদল ভাঙি যাওঁ ব'ল,
ব'ল ফেনে ফুটুকাৰে বাঢ়ি অহা ৰুদ্ৰমূৰ্তিৰ অমানৱতাৰ
পতন ঘটাওঁ।
ৰ মোৰ হেং ডাং খনৰ ধাৰ তোলাই লওঁ,
ককাইটি, তয়ো গঢ়ি ল অৰোধ্য কৱচ,
অৱশ্যেই আমাৰ কৱচ জন্মগত জাতীয়ত্ব।

মোৰ বুকুত অচিন কীট এটাই জোৰকৈ কামুৰিছে।
তেজো নিগৰিছে।
আই, তই মোক কেহেঁৰাজ অলপকৈ বটি দে,
নৈৰ পানী খাই অসুখীয়া যদিও
মনৰ বল যুঁজত অঁটাকৈয়ে আছে।

আৰু সন্ধি নালাগে।
স্বৰাজ লাগে।
সন্ধি হ'ব পাৰে জানো বিজয়ৰ মেঘমল্লাৰ?
ঘৃণা কৰোঁ আমি ইয়াণ্ডাবুৰ ইতিহাস।

মই দেশৰ যুদ্ধপিপাসু কমৰেড।
মই দুৰ্ভিক্ষত পোত যোৱা কৃষকৰ কমৰেড
যদিও অহিংসা প্ৰিয় বিষয়, গান্ধী হোৱাৰ ইচ্ছা মোৰ নাই!
জানো মই, বন্দুকৰ নলীৰে ওলাই নাহে কবিতা;
জানো বন্দুকৰ গুলীত গজিব নোৱাৰে গছ, নৈ আৰু
সেউজীয়াক তন্ময়তা;
তথাপি মই তেজতেই জন্মি তেজতেই মৰি যোৱা কমৰেড!

ময়ে স্বাধীনতা!
মই বিপ্লৱ!
মই মুক্তি!
ময়ে বিজয়প্ৰতাপী নৱযুঁজাৰুৰ পদধ্বনিৰ গান!
মই ৰক্তাক্ত কমৰেড!

সেউতী, ৰ তই অকলেই ওলাই যাব পৰা হ'বি।
ককাইটিকো কবি সিও অলপতেই কৰিব পাৰিব সত্যৰ বাবে
বিদ্ৰোহ ঘোষণা,
মই তহঁতৰ বাবে জন্ম হোৱা কমৰেড!
স্বাধীনতাৰ সূৰুয উদয় কৰাৰ হেতু মৰণ পণ কৰিছোঁ মই।
মই হেজাৰ জনৰ বলিষ্ঠ চিঞৰক
জোৰকৈ বন্দী কৰি থোৱা লৌহ পিঞ্জৰা ভাঙি ওলাই অহা
এটা তপত স্ফুলিঙ্গ! ■



# মা

দেৱপ্ৰতীম শইকীয়া
*মাজুলী*

মোৰ মা অনাখৰী
নিজৰ নামটো লিখোঁতেও ভুল কৰে।
পৃথিৱীখন চিনি নাপায়।

কিন্তু যিদিনা মোৰ ভোক নালাগে
সেইদিনা মাও লঘোণে থাকিব জানে;
যিদিনা ৰাতি মোৰ টোপনি নাহে
সেইৰাতি মাও নোশোৱাকৈ থাকিব জানে;
যিদিনা মই কান্দো মায়েও চাদৰৰ আঁচলেৰে
মুখ ঢাকি উচুপিব জানে।

মোৰ মায়ে আখৰ চিনি নাপায়;
কিন্তু আখৰৰ পৃথিৱীয়ে চিনি নোপোৱা মোক
মায়ে চিনি পায়! ■

# শৰত



গীতাঞ্জলি হাজৰিকা
*নামৰূপ*

আহে আৰু যায়
কিয়বা লাগে
দুহাত প্ৰসাৰী
আদৰিবলে।
বানে ধোৱা পথাৰত
এতিয়া ...
ৰাউচি
উদং ঘৰত ...
নাই ...
শেৱালিৰ সুগন্ধি,
নাই শুকুলা পখী ঘোঁৰাত
উৰি অহা বীৰ গাঁথা।
সপোনৰ সিপাৰে মোৰ দেশ
এৰি থৈ
বান্ধিলো ...
তোমাৰ দেশত
মোৰ লংগৰ ...।



ফুলিব সোণাৰু
তগৰ খৰিকাজাই ...
আহিব ফাগুন
মতলীয়া হৈ
তোমাৰ দেশত
থাপিবলে ...
কৃষ্ণচূড়াৰ
সপোন!
বেগাই মেলি দিয়া
সূৰ্যৰ সাতোটা ঘোঁৰা
লওক চেঁকুৰ ...
আনিব সীমাৰ পৰিধি
ভাঙি ...
আকালৰ ...
মুকুতাফুলীয়া
এজাক শীতল
উতনুৱা সপোন ...!!! ■



# পাৰঘাটৰ আশাৰ ফুলপাহ

উৎপলা দাস
*ডিব্ৰুগড়*

জীৱনৰ অন্তনীল বীক্ষা
উন্মীলিত চক্ষু
উৰুলীকৃত মন
বস্তুবাদী বস্তুনিষ্ঠ পৃথিৱীত
বস্তু-বিচাৰ
কৃত সংকল্পেৰে কৃতাৰ্থ হোৱাৰ
প্ৰয়াসেৰেই কৃতাঞ্জলি হৈ
প্ৰাৰ্থিছোঁ!

আশাবোৰ চিৰদিনীয়া
নিৰাশাৰ ক'লা মেঘবোৰো
ক্ষন্তেকীয়া
সেয়েহে মন্দাক্ৰান্তা গতিৰেই
মায়াত আৱদ্ধ হৈ
বিচাৰো মন্দাৰ

পাণ্ডিত্যাভিমানী নহ'লেও
পানীগছাৰ দৰেই বাষ্প হৈ
উৰিও আকাশ চুবৰ মান,
পান্থ মই
বিচাৰো পৰ্ণকুটীৰ সদৃশ
পান্থনিৱাস
য'ত থাকিব পুষ্পোদ্যান,
আকৌ কেতিয়াবা মন যায়
পাৰ-নাৱেৰে কোনো
পাৰঘাটত তেজীমলাৰ দৰে
আশাৰ ফুল হৈ ফুলি ৰ'বলৈ
সুবাসৰ বাবে সৌন্দৰ্যৰো
প্ৰয়োজন নাই!! ■



# উৎকণ্ঠাৰ অন্তত

কৃপাল ফুকন
*ডিব্ৰুগড়*

উৎকণ্ঠা আৰু প্ৰতীক্ষাৰ অন্তত
কেৱল বাৰটা দিনত
মঙ্গলবাৰৰ বিজয় প্ৰভাত;
বাহাদুৰ ভাৰতীয় সেনাৰ
প্ৰিয়তমা স্বৰূপ
মিৰাজ - ২০০০ আঘাতত
নিমিষতে তচ্‌নচ্‌ হ'ল
ভেৰণীয়া ৰক্ত পিপাসুৰ শিৱিৰ।
নিঃশেষ হ'ল —
মৌলনা ইউছুফ আজাহাৰ
ইব্ৰাহিম আজাহাৰ, আবু বক্কৰকে ধৰি
বহু কেইজন ভাৰত বিদ্বেষী।
এইয়া পুলৱামাৰ প্ৰতিশোধ
সন্ত্ৰাসবাদীৰ অভেদ্য দুৰ্গ বালাকোট
নিমিষতে নিঃশেষ হ'ল ...
আজি কিয় ...
চিৰবৈৰী পাকিস্তান নিশ্চুপ;
জাগিছে আজি জাগ্ৰত জনতা
চৌদিশে উৰিছে ত্ৰিৰংগা পতাকা
বিজয় উল্লাসেৰে
শোক নিৰাৰণ কৰি
দেশপ্ৰেমেৰে উদ্ভাসিত হোৱা
বাহাদুৰ সৈনিকলৈ বুলি
যাচিলোঁ এই আপাহতে অফুৰন্ত শুভেচ্ছা ...। ■



# নোবেল বঁটাৰ ইতিহাস

ড° পৰেশ বৰুৱা
*প্ৰাক্তন অধ্যক্ষ, ডিব্ৰু মহাবিদ্যালয়*

যিকোনো বঁটা বা সন্মান হৈছে এজন ব্যক্তিক তেওঁৰ প্ৰতিভাৰ স্বীকৃতিস্বৰূপে আৰু মানৱ কল্যাণৰ হ'কে শিল্প-সাহিত্য আৰু বিজ্ঞানৰ ক্ষেত্ৰত এক নতুন দিশৰ সন্ধান দিয়া বাবে বিভূষিত কৰা অলংকাৰ। পৃথিৱীৰ সৰ্বশ্ৰেষ্ঠ বঁটা বা সন্মান হ'ল নোবেল বঁটা- সাহিত্য, শান্তি, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞান, অৰ্থনীতি বিজ্ঞান আৰু চিকিৎসা বিজ্ঞানৰ বাবে আগবঢ়োৱা বিশিষ্ট অৱদানৰ প্ৰতি সন্মান জনাই এই বঁটা প্ৰদান কৰি আহিছে।

এতিয়া থোৰতেনোবেল বঁটাৰ বিষয়ে আলোচনা কৰাৰ প্ৰাক্‌ক্ষণত এই বঁটাৰ আঁৰত থকা মহান ব্যক্তিগৰাকীৰ জীৱনৰ ওপৰতো আলোকপাত কৰিব বিচাৰিছোঁ। এই মহান ব্যক্তি গৰাকী ইউৰোপৰ স্কাণ্ডিনেভিয়াৰ উপদ্বীপৰ এখন অতি গুৰুত্বপূৰ্ণ দেশ চুইডেনৰ ৰাজধানী ষ্টকহ'মত ইংৰাজী ১৮৩৩ চনৰ ২১ অক্টোবৰত জন্ম হৈছিল। তেওঁৰ নাম আছিল আলফ্ৰেড বাৰ্ণহাৰ্ড নোবেল। তেওঁৰ দেউতাকৰ নাম আছিল ইমানুৱেল আৰু মাকৰ নাম আছিল অল'ফ ৰুডবেক। জন্মৰে পৰা নিশকতীয়া শিশু আলফ্ৰেড বৰ বেছি দিন বাছি থাকিব বুলি কোনেও আশা কৰা নাছিল, কিন্তু মাকৰ স্নেহাসিক্ত শুশ্ৰূষাই তেওঁক জীয়াই ৰাখিলে। স্কুলীয়া জীৱনৰ বেছিভাগ সময় আলফ্ৰেডে চুইডিচৰ ঘৰুৱা শিক্ষকৰ তত্বাৱধানতে ৰাছিয়ান, ইংলিছ, ফৰাছী আৰু জাৰ্মানি ভাষাত ব্যুৎপত্তি লাভ কৰে। সৰুৰে পৰা জ্ঞান অৰ্জনৰ প্ৰতি থকা অনুসন্ধিৎসুতাই নোবেলক পাছলৈ এজন মহান আবিস্কাৰক হিচাপে গঢ় দিয়াত সহায়ক হৈছিল।

আলফ্ৰেডৰ বয়স ১৬ বছৰ অতিক্ৰম হোৱাৰ লগে-লগে দেউতাকে আলফ্ৰেডক প্ৰায় দুবছৰ কাল ইউৰোপ আৰু আমেৰিকাৰ বিভিন্ন দেশ ভ্ৰমণ কৰিবলৈ পঠিয়ায়। ভ্ৰমণ শেষ কৰি তেওঁ দেউতাকৰ বিবিধ বিস্ফোৰক সামগ্ৰী সৰবৰাহ কৰা ব্যৱসায়ত আত্মনিয়োগ কৰাৰ লগতে এবিধ মাৰাত্মক বিস্ফোৰক সামগ্ৰী 'নাইট্ৰোগ্লিচাৰিণৰ'ৰ ওপৰতো গৱেষণা আৰম্ভ কৰে। সেই সময়লৈকে 'নাইট্ৰোগ্লিচাৰিণ' জুলীয়া অৱস্থাতহে পোৱা গৈছিল। এই মৌলটোৰ ব্যৱহাৰ ইঞ্জিনীয়াৰিং, শিল্প, পাথৰ ভঙা আদি কামত ব্যৱহাৰ হৈছিল যদিও তাৰ ব্যৱহাৰ বিপদসংকুল আছিল। আলফ্ৰেড ৰসায়ন বিজ্ঞানৰ ছাত্ৰ আছিল। তেওঁ এই জুলীয়া 'নাইট্ৰোগ্লিচাৰণ'ক সহজে পৰিবৰ্তন কৰি ইয়াৰ ভয়াবহতা মানুহৰ নিয়ন্ত্ৰণাধীন কৰি কেনেকৈ ৰাখিব পৰা যায় এই বিষয়ে গৱেষণা আৰম্ভ কৰিলে। এদিন এই বিস্ফোৰক গৱেষণাগাৰত আলফ্ৰেডৰ ভায়েক এমিন আৰু আন সহকৰ্মী তিনিজনে গৱেষণা কাৰ্য্যত লিপ্ত থকা অৱস্থাতে 'নাইট্ৰোগ্লিচাৰিণ'ৰ এক প্ৰচণ্ড বিস্ফোৰণ ঘটে আৰু ভায়েক এমিনৰ সৈতে গৱেষণাগাৰত থকা চাৰিওজনৰ থিতাতে মৃত্যু হয়। এই ভয়াবহ ঘটনাৰ পিছতো আলফ্ৰেডে গৱেষণা চলাই যোৱাৰ সিদ্ধান্ত কৰিলে আৰু এই গৱেষণাৰ পৃষ্ঠপোষকতা কৰিবলৈ বহুতো প্ৰতিষ্ঠানে আগবাঢ়ি আহিল। ইয়াৰ ফলস্বৰূপে চুইডেন বিশ্বৰ ভিতৰত বিস্ফোৰক পদাৰ্থ বিকাশৰ ক্ষেত্ৰত অগ্ৰগ্ৰামী দেশ হৈ পৰিল।

ইংৰাজী ১৮৬৭ চনত আলফ্ৰেডে তেওঁৰ গৱেষণাত সফলতা লাভ কৰে আৰু তেতিয়াৰ পৰা তেওঁৰ প্ৰতিষ্ঠিত নোবেল এণ্ড কোম্পানীয়ে পৃথিৱীৰ বিভিন্ন প্ৰান্তৰলৈ জুলীয়া 'নাইট্ৰোগ্লিচাৰিন'ৰ ঠাইত নোবেলে আৱিষ্কৃত গুৰি বা পাউদাৰ জাতীয় 'নাইট্ৰোগ্লিচাৰিণ'ৰ সৰবৰাহ কৰাত লাগে। এই পদাৰ্থ বিধৰ নাম ৰখা হয় 'ডিনামাইট'। নোবেলৰ এই নতুন উদ্ভাৱনে বিশ্বৰ বিস্ফোৰক বজাৰলৈ এক নতুন জোঁৱাৰ আনে আৰু ইংৰাজী ১৮৬৮ চনত 'চুইডিচ একাডেমী অৱ চায়েন্সে' নোবেলক বিজ্ঞানৰ এই নতুন দিশৰ সন্ধানৰ স্বীকৃতি স্বৰূপে বঁটা আৰু সন্মান প্ৰদান কৰে। ডিনামাইট আৱিস্কাৰৰ জৰিয়তে আলফ্ৰেড বাৰ্ণহাৰ্ড নোবেল বিশ্ববিশ্ৰুত হোৱাৰ লগতে প্ৰচুৰ ধন-সম্পত্তিও অৰ্জন কৰিবলৈ সক্ষম হৈছিল।

ইংৰাজী ১৮৯৬ চনত ৬৩ বছৰ বয়সত পৰলোক গমন কৰা বিজ্ঞানী নোবেলে জীৱনৰ বিয়লি বেলাত অষ্ট্ৰিয়াৰ মানৱতাবাদী মহীয়সী নাৰী বাৰ্থা চাট্‌নাৰ সান্নিধ্য লাভ কৰিছিল। তেওঁৰ বিপুল সম্পত্তি ভোগ কৰিবলৈ কোনো উত্তৰাধিকাৰী নথকা হেতুকে নোবেলে সেই মহীয়সী নাৰীগৰাকীৰ পৰামৰ্শ অনুসৰি তেওঁৰ স্বোপাৰ্জিত সা-সম্পত্তিৰ কিছু অংশ বিশ্বশান্তিৰ উদ্দেশ্যে নিয়োগ কৰিবলৈ সিদ্ধান্ত লৈ ইংৰাজী ১৮৯৩ চনৰ ৭ জানুৱাৰীত আলফ্ৰেডে বাৰ্থালৈ লিখিছিল- "মই মোৰ সম্পত্তিৰ এটা অংশৰে এটা ন্যাস গঠন কৰিম আৰু প্ৰতি বছৰৰ মূৰে - মূৰে শান্তিৰ উদ্দেশ্যে বিশেষ অৰিহণা আগবঢ়োৱাসকললৈ ইয়াৰ পৰা পুৰস্কাৰ আগবঢ়োৱা হ'ব।"(The whole of my remaining realizable estate shall....constitute a fund, the interest on which shall be annualy distribute in the form of prizes to those who, during the proceeding year, shall have conferred the greatest benefit upon mankind) ইয়াৰ দুবছৰৰ পিছত ইংৰাজী ১৮৯৫ চনৰ নৱেম্বৰ মাহত আলফ্ৰেডে এখন উইল প্ৰস্তুত কৰি তাত স্বাক্ষৰ কৰে।

ইংৰাজী ১৯০১ চনৰ পৰাই চুইডিচ একাডেমী অৱ চায়েন্সে প্ৰথমবাৰৰ বাবে আগবঢ়োৱা নোবেল বঁটা যুটীয়াভাবে লাভ কৰে ৰেডক্ৰছৰ প্ৰতিষ্ঠাক চুইজাৰলেণ্ডৰ হেনৰি ডুৰান্ট আৰু ফৰাচী দেশৰ শান্তি প্ৰয়াসী ফ্ৰেডাৰিক পেচিয়ে। তাৰ পিছত ক্ৰমে বিশ্ব শান্তি, সাহিত্য, চিকিৎসা বিজ্ঞান, পদাৰ্থ বিজ্ঞান, ৰসায়ন বিজ্ঞানত এই বঁটা প্ৰদান কৰা হৈছিল যদিও ইংৰাজী ১৯৬৯ চনৰ পৰা অৰ্থনীতি বিজ্ঞান বিষয়তো নোবেল বঁটা প্ৰদান কৰি আহিছে। যাৰ অনুপ্ৰেৰণাত আলফ্ৰেড নোবেল তেওঁৰ বিখ্যাত শান্তি চনদৰ জৰিয়তে নোবেল বঁটা প্ৰতিষ্ঠা কৰি গ'ল সেই বিদূষী মহিলা বাৰ্থা চাট্‌নাৰে ইংৰাজী ১৯০৫ চনত বিশ্বৰ শান্তিৰ বাবে আগবঢ়োৱা নোবেল বঁটা লাভ কৰে।

প্ৰতি বছৰে ডিচেম্বৰ মাহৰ ১০ তাৰিখে চুইডেনৰ ৰাজধানী ষ্টকহ'মত আলফ্ৰেড বাৰ্ণহাৰ্ড নোবেলৰ মৃত্যু দিৱস উপলক্ষে এটি বিশেষ অনুষ্ঠানৰ আয়োজন কৰি চুইডিচ একাডেমী অৱ চায়েন্সে বিজয়ী ব্যক্তিক নোবেল বঁটা প্ৰদান কৰি আহিছে। বৰ্তমান বিশ্বত নোবেল বঁটাকে সৰ্বশ্ৰেষ্ঠ বঁটা হিচাপে গণ্য কৰা হয়। এই বঁটা মাথোঁ জীৱিত ব্যক্তিকহে প্ৰদান কৰা হয়। একাডেমীয়ে যোগ্য বিবেচনা কৰা একাধিক ব্যক্তিকো একেটা বিষয়ত বঁটা প্ৰদান কৰে যদিও একেটা বিষয়ত তিনিজনতকৈ অধিক ব্যক্তিক বঁটা প্ৰদান কৰাৰ নিয়ম নাই। থোৰতে এয়েই নোবেলৰ ইতিহাস।

আমাৰ ভাৰতৰো কেইজনমান সু-সন্তানে নোবেল বঁটা লাভ কৰি দেশলৈ সুনাম কঢ়িয়াই আনিছে। অৱশ্যে ভাৰতীয় নোবেল বঁটা বিজয়ীসকলক একেশাৰীত নাৰাখি তিনিভাগত ভগাব পাৰি। যেনে (ক) ভাৰতত জন্ম গ্ৰহণ কৰি নোবেল বঁটা বিজয়ী হোৱা বিশ্বকবি ৰবীন্দ্ৰনাথ ঠাকুৰে সাহিত্যত আৰু ড° অৰ্মত্য সেন অৰ্থনীতি বিজ্ঞানত। (খ) জন্ম -সূত্ৰে বিদেশী হৈও ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰা ব্যক্তি। এই শ্ৰেণীৰ নোবেল বঁটা বিজয়ী ভাৰতীয় মাডাৰ টেৰেছাই বিশ্বশান্তিৰ বাবে নোবেল বঁটা লাভ কৰিছিল। সাতসাগৰ তেৰ নদীৰ সিপাৰৰ য়ুগোশ্লোভিয়াত জন্মগ্ৰহণ কৰা মাদাৰ টেৰেছাৰ আচল নাম আগ্নেচ গোনাক্সা বাজাক্সিও। (গ) জন্ম সূত্ৰে ভাৰতীয় কিন্তু বিদেশৰ নাগৰিকত্ব গ্ৰহণ কৰা ব্যক্তি। এই শ্ৰেণীৰ নোবেল বঁটা বিজয়ী ভাৰতীয় দুগৰাকী হ'ল অধ্যাপক চন্দ্ৰশেখৰ ভেংকট ৰমণ (পদাৰ্থ বিজ্ঞান) আৰু ডাঃ হৰগোবিন্দ খুৰানা (চিকিৎসা বিজ্ঞান)

এতিয়া আহিছো সদ্য ঘোষিত এই বৰ্ষৰ (২০১৯) নোবেল বঁটালৈ –

শান্তিৰ নোবেল বঁটা ২০১৯ বৰ্ষৰ শান্তিৰ নোবেল বঁটা লাভ কৰিছে ইমিওপিয়াৰ প্ৰধান মন্ত্ৰী আবি আহমেদ আলীয়ে। আন্তৰ্জাতিক শান্তি, আন্তৰ্জাতিক সহযোগিতা আৰু চুবুৰীয়া ৰাষ্ট্ৰৰ লগত শান্তি-সম্প্ৰীতি ৰক্ষাত উল্লেখনীয় প্ৰচেষ্টা লোৱাৰ বাবে চুইডিচ নোবেল কমিটীয়ে আবিক এই বছৰৰ শান্তিৰ নোবেল বঁটা প্ৰদান কৰাৰ সিদ্ধান্ত লয়।

**সাহিত্যৰ নোবেল বঁটা ঃ** ২০১৯ বৰ্ষৰ সাহিত্যৰ নোবেল বঁটা লাভ কৰে অষ্ট্ৰিয়ান লেখক হেণ্ডকেই। তেওঁৰ জীৱনজোৰা কৃতিত্বৰ বাবে সদ্যঘোষিত নোবেল বঁটাৰ তালিকাত নাম চামিল কৰিবলৈ সক্ষম হয়।

**পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা ঃ** ২০১৯ বৰ্ষৰ পদাৰ্থ বিজ্ঞানৰ নোবেল বঁটা লাভ কৰিবলৈ সক্ষম হৈছে ক্ৰমে জিম পিবলছ, মিচেল মেয়ৰ আৰু ডিডিয়াৰ কুৱেলজে। আমাৰ বিশ্বব্ৰহ্মাণ্ডৰ ক্ৰমবিকাশ আৰু কছমজৰ লগত পৃথিৱীৰ স্থান সম্পৰ্কীয় গৱেষণাৰ বাবে তিনিওজনকে পদাৰ্থ বিজ্ঞানৰ সৰ্ব্বোচ সন্মান নোবেল বঁটাৰে বিভূষিত কৰা হৈছে। এই বঁটাৰ অৰ্দ্ধাংশ ধনৰাশিৰ প্ৰাপক হৈছে জিম পিবলছ। বৰ্ষীয়ান কানাডিয়ান বিজ্ঞানী পিবলছৰ সৈতে বঁটাত যুটীয়াকৈ থকা চুইজাৰলেণ্ডৰ মিচেল মেয়ৰ আৰু ডিডিয়েৰ কুইলজে বঁটাৰ বাকী অৰ্দ্ধাংশ ধন লাভ কৰিব।

**ৰসায়ন বিজ্ঞানৰ নোবেল বঁটা ঃ** ২০১৯ বৰ্ষৰ ৰসায়ন বিজ্ঞানৰ নোবেল বঁটা প্ৰদান কৰা হৈছে ক্ৰমে জন বি গাডেনাফ, এম ষ্টেনলি হুইটিংঘাম আৰু আকিৰা য়চিনোক। লিথিয়াম আয়ন বেটাৰীৰ ক্ৰমবিকাশ আৰু প্ৰয়োগিকতা বৃদ্ধিৰ বাবে এই বিজ্ঞানীত্ৰয়ক এই বছৰ সন্মানীয় ৰসায়ন বিজ্ঞানৰ নোবেল বঁটা প্ৰদান কৰা হৈছে। ইয়াৰে জন গডনাফে প্ৰায় চল্লিছ বছৰ আগতেই লিথিয়াম ছডিয়াম বেটাৰীৰ আবিস্কাৰ কৰিছিল আৰু তাৰ পৰৱৰ্তী কালত এই বেটাৰীৰ উৎকৰ্ষ সাধনৰ বাবে এই তিনিওজনে কাম কৰি আহিছিল। স্মৰ্তব্য যে এই বছৰ ৰসায়ন বিজ্ঞানৰ বঁটা প্ৰাপক জন-গডেনাফৰ বৰ্তমান বয়স হ'ল ৯৭ বছৰ। নোবেল বঁটা লাভ কৰা তেৱেঁই আজিকোপতি আটাইতকৈ বৰ্ষীয়ান প্ৰাপক।

**চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা ঃ** ২০১৯ বৰ্ষৰ চিকিৎসা বিজ্ঞানৰ নোবেল বঁটা প্ৰদান কৰা হৈছে উইলিয়াম জি কলিন, গ্ৰেগ এল চিমেনজা, পিটাৰ জে ৰেটাক্লিফক। এওঁলোকৰ গৱেষণাৰ বিষয় আছিল কোষত অধিকতম পৰিমাণত অক্সিজেন যোগানৰ বাবে কোষৰ কাৰ্যক্ষমতা নিৰূপণ আৰু বৃদ্ধি। আমেৰিকা যুক্তৰাষ্ট্ৰ আৰু ব্ৰিটিছ যুক্তৰাষ্ট্ৰৰ এই বিজ্ঞানীয়ে দীৰ্ঘকাল ধৰি কোষত অক্সিজেন সঞ্চালনৰ ওপৰত গৱেষণা কৰি আহিছিল আৰু এই গৱেষণাক এই বছৰৰ নোবেল কমিটিয়ে স্বীকৃতি দি এওঁলোকৰ কষ্টৰ মান্যতা প্ৰদান কৰিছে।

**অৰ্থনীতিৰ নোবেল বঁটা ঃ-** ২০১৯ বৰ্ষৰ অৰ্থনীতি বিজ্ঞানৰ নোবেল বঁটাত সংযুক্ত হৈ পৰিছে এজন ভাৰতীয় মূলৰ অৰ্থনীতিবিদৰ নাম। তেওঁ হৈছে অভিষেক বেনাৰ্জী। বেনাৰ্জীৰ সৈতে যুটীয়াভাবে এই বঁটা লাভ কৰা আন দুজন ব্যক্তি হৈছে আমেৰিকাৰ মাইকেল ক্ৰেমাৰ আৰু অভিষেক বেনাৰ্জীৰ পত্নী ফ্ৰাঞ্চৰ এস্থাৰ ডুফ্লুই। বিশ্ব অৰ্থনীতিত দৰিদ্ৰতা আৰু ইয়াৰ নিৰ্মূলকৰণৰ বিষয়ে কৰা প্ৰণালীবদ্ধ গৱেষণাৰ বাবে এই ন'বেলৰ দৰে সন্মানীয় বঁটাৰে বিভূষিত কৰা হৈছে।■

সকলো কৰ্ম আৰু আচৰণ হ'ল প্ৰেৰণাৰ বাহ্যিক প্ৰকাশ, যাক জীৱনৰ গতি-প্ৰৱণতা বুলিও ক'ব পাৰি। অৰ্থাৎ প্ৰেৰণা হ'ল জীৱৰ অন্তৰ্নিহিত উদ্যম আৰু কৰ্মপ্ৰয়াসৰ নামান্তৰ। প্ৰেৰণাৰ শব্দটোৰ ভিতৰত এটা গতি, চালনা বা তাড়নাৰ ভাব থাকে। — ড° লক্ষ্যহীৰা দাস





# মানৱ সভ্যতাৰ বিকাশ আৰু গ্ৰন্থৰ মহত্ত্ব

মধুমিতা গোস্বামী বৰঠাকুৰ

অসম কেশৰী অম্বিকাগিৰি ৰায়চোধুৰীয়ে কৈছিল, "ৰাজনীতিয়ে জাতিৰ নৈতিক জীৱনত সামান্যভাৱেহে প্ৰভাৱ পেলাব পাৰে। আনহাতে ভাল সৰু কিতাপ এখনেও তাতকৈ বেছি প্ৰভাৱ পেলাব পাৰে।" তেখেতৰ এই উক্তিয়েই প্ৰমাণ কৰে এখন গ্ৰন্থৰ মহত্ব কিমান।

সভ্যতাৰ আদি কালৰে পৰা ক্ৰমাগতভাৱে মানৱ জাতিয়ে নিজৰ জ্ঞান বৰ্ধনৰ বাবে অভিজ্ঞতালব্ধ বিভিন্ন কৌশল অৱলম্বন কৰিছে। ইয়াৰে ভিতৰত এটা অন্যতম কৌশল হ'ল লিপিৰ আৱিষ্কাৰ। এই লিপিৰ মাধ্যমত মানৱ জাতিয়ে অৰ্জন কৰা জ্ঞান এজনৰ পৰা আন এজনলৈ সাংকেতিকভাৱে বিতৰণৰ লগতে এটা প্ৰজন্মৰ পৰা আন এটা প্ৰজন্মলৈ বা এটা যুগৰ পৰা আন এটা যুগলৈ কঢ়িয়াই নিয়াৰ ব্যৱস্থা নিৰ্ণিত হ'ল। পৰৱৰ্তী সময়ত এই ব্যৱস্থাটোৱেই গ্ৰন্থ বা কিতাপৰ ৰূপ পৰিগ্ৰহণ কৰিলে। আজিৰ ছপা আখৰৰ বৰ্তমানৰ ৰূপটোৰ আৰম্ভণি ক'ত এই বিষয়ে লিখিত এটা নিৰ্দিষ্ট সিদ্ধান্তলৈ অহাটো কঠিন। পশ্চিম এছিয়াৰ টাইগ্ৰীছ আৰু ইউফ্ৰেটিছ নদীৰ পাৰৰ মেছোপটেমিয়া সভ্যতাৰ সময়ছোৱাত ছুমেৰীয়সকলে 'মাটিৰ টুকুৰা'ত বিভিন্ন সময়ৰ তথ্যপাতি সংগ্ৰহ কৰি সাংকেতিক লিপিৰে লিখি ৰাখিছিল। এই লিপি এটা যুগৰ পৰা আন এটা যুগলৈ চলমান ৰূপত আছিল। একেদৰেই পৌৰাণিক ইজিপ্ত সাঁচিপতীয়া পুথিত লিখন আৰু চিত্ৰৰে বিভিন্ন তথ্য আদি সংৰক্ষণ কৰাৰ ব্যৱস্থা আছিল। একেদৰে পূব এছিয়াত আধুনিক ছপা ব্যৱস্থাৰ আগতে জীৱ-জন্তুৰ হাড়, খোলা, বাঁহ, কাঠ, পাত আদিত লিখাৰ ব্যৱস্থা আছিল। ৬১৮-৯০৭ খৃঃত চীনৰ টাং যুগৰ পৰা প্ৰথম ছপা কিতাপৰ আৱিষ্কাৰ হয়। সেই সময়ত কাঠৰ ব্লকেৰে ছপা ব্যৱস্থা হৈছিল।

মেছ'এমেৰিকানসকলে ফাইবাৰ বা জন্তুৰ ছালত তথ্যপাতি চিত্ৰ আৰু লিপিৰে সংৰক্ষণ কৰি সেইসমূহ মেৰিয়াই কাঠৰ বাকচত সংৰক্ষণ কৰাৰ ব্যৱস্থা কৰিছিল।

বিশ্বৰ বিভিন্ন সংগ্ৰহালয়ত বৰ্তমানেও মাটিত সংগ্ৰহ কৰা লিপি, মমৰ টুকুৰাত লিখিত লিপি, কাঠ আৰু গছৰ বাকলিত, পেপিৰাচ আদিত লিখা পুথি সংৰক্ষণ কৰি ৰখা হৈছিল। আমাৰ অসমৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিৰচিত পুথিসমূহ আৰু বৈষ্ণৱ যুগৰ আগৰ গ্ৰন্থসমূহ সাঁচিপাতত লিখাৰ ব্যৱস্থা আছিল। সেইসমূহ ক্ৰমাগতভাৱে দীঘলীয়া সময়ধৰি সংৰক্ষণৰ ব্যৱস্থা

হৈছিল। একেধৰণে ভাৰতবৰ্ষত ধৰ্মীয় আৰু পৌৰাণিক বিভিন্নধৰণৰ গ্ৰন্থসমূহ সাঁচিপাততে লিখাৰ ব্যৱস্থা আছিল।

চীনত ছপা যন্ত্ৰ আৱিষ্কাৰৰ পিছত ইউৰোপত ইয়াৰ আধুনিক ৰূপ পৰিগ্ৰহণে এক নতুন জোৱাৰৰ সৃষ্টি কৰিলে। পৰৱৰ্তী সময়ত বিশ্বৰ বিভিন্ন প্ৰান্তৰত ছপা মাধ্যমৰ নিত্য নতুন ৰূপৰ লগতে একবিংশ শতিকাত প্ৰযুক্তিগত বিভিন্ন কৌশলৰ সংযোজনত ছপা মাধ্যমে এক বিশেষ ৰূপ ধাৰণ কৰিলে।

ছপা মাধ্যমৰ ক্ৰমবিকাশৰ লগে লগে মানৱ সভ্যতাৰো ক্ৰমবিকাশত যেন গ্ৰন্থই এক নতুন মাত্ৰা প্ৰদান কৰিলে। জ্ঞানৰ সঞ্চয়, ইতিহাসৰ লিখন, নিত্য নতুন আৱিষ্কাৰ, সামাজিক পৰিৱৰ্তন, ভৌগোলিক আবয়ৱ আৰু বিভিন্ন কাল্পনিক কাহিনীৰ লিপিবদ্ধতাৰে মানুহক গ্ৰন্থই আকৰ্ষিত কৰিবলৈ সক্ষম হ'ল। এই গ্ৰন্থ ব্যৱস্থাপনাই মানুহক যেন এক নতুন দিগন্তলৈ লৈ গ'ল। গ্ৰন্থ অবিহনে সভ্যতা যেন স্তব্ধ হৈ পৰিব এনে ভাৱ জাগৃত হ'ল। সোতৰ শতিকাৰ পৰা একবিংশ শতিকালৈ এই পাঁচটা শতিকাত গ্ৰন্থ বা ছপা মাধ্যমে মানৱ সভ্যতাৰ জয়যাত্ৰা অক্ষুণ্ণ ৰাখিবলৈ সক্ষম হৈছে।

মানৱ সভ্যতা আজি যি স্তৰত উপনীত হৈছেহি সেই পৰ্যায় পাবৰ বাবে সুদীৰ্ঘ সময়ৰ প্ৰয়োজন হৈছে। মানৱ সভ্যতাৰ বিকাশত গ্ৰন্থৰ এক গুৰুত্বপূৰ্ণ ভূমিকা আছে। প্ৰাচীন কালত যি সময়ত মানুহে আখৰ চিনি পোৱা নাছিল, সেই সময়ত মানুহৰ মুখে মুখে সকলো কথা প্ৰচলিত হৈছিল। (এনেদৰে ইজনৰ পৰা সিজনলৈ শুনি শুনি শিকাৰ কাৰণেই বেদত্ৰয়ীক 'শ্ৰুতি' বুলি কোৱা হৈছিল)। ভৱিষ্যতৰ বাবে বস্তুবিলাক লিপিবদ্ধ কৰি ৰখাৰ ব্যৱস্থা যিহেতু নাছিল, মুখ বাগৰি বাগৰি আহোঁতে বহু কথাই পিছলৈ বেলেগ ৰূপ লৈছিলগৈ। এজন ব্যক্তিৰ মৃত্যুৰ লগে লগে তেখেতৰ আৰ্জিত জ্ঞানৰ অন্ত পৰিছিল। প্ৰতিটো কথাই মানুহে নতুনকৈ শিকিবলগীয়া হোৱা বাবে জ্ঞানৰ সম্প্ৰসাৰণ হোৱা নাছিল। তদুপৰি, বিষয়বোৰ একোটা অঞ্চলতে সীমাবদ্ধ আছিল। মানুহে যদি প্ৰতিটো কথাই নতুনকৈ শিকিবলগীয়া হ'লহেঁতেন আৰু প্ৰতিটো বিষয় নতুনকৈ চিন্তা কৰিবলগীয়া হ'লহেঁতেন তেতিয়াহ'লে মানৱ সভ্যতাই বৰ্তমানৰ পৰ্যায় পোৱা অসম্ভৱ হ'লহেঁতেন। মানুহে যেতিয়াৰ পৰাই আখৰ লিখিবলৈ বা পঢ়িবলৈ শিকিলে তেতিয়াৰ পৰাই জ্ঞানৰ সঞ্চয় আৰম্ভ হ'ল। গ্ৰন্থৰ যোগেদি এজন ব্যক্তিৰ সঞ্চিত জ্ঞানসমূহ অন্য এজনে আয়ত্ত কৰাৰ সুযোগ লাভ কৰিলে। গ্ৰন্থৰ প্ৰচলন হোৱাৰ লগে লগে মানুহৰ জ্ঞানৰ বিকাশ ক্ষিপ্ৰতৰ হ'ল আৰু জ্ঞানৰ প্ৰসাৰ সম্ভৱ হ'ল। এজন মানুহৰ চিন্তা-চৰ্চা, দৃষ্টিভঙ্গী গ্ৰন্থৰ যোগেদি অতি দ্ৰুতগতিত প্ৰসাৰ হ'বলৈ ধৰিলে। একে সময়তে বহু মানুহে একেলগে তেনে জ্ঞান আয়ত্ত কৰিব পৰা হ'ল।

প্ৰতিখন গ্ৰন্থই হ'ল থুপাই থোৱা জ্ঞানৰ ভঁৰালসদৃশ। এখন গ্ৰন্থ লিখিবৰ বাবে গ্ৰন্থকাৰে আয়ত্ত কৰা জ্ঞানখিনি পঢ়ুৱৈৰ বাবে হ'ল সঞ্চিত জ্ঞান। সেই সঞ্চিত জ্ঞান পঢ়ুৱৈজনে অধ্যয়নৰ বাবে ব্যৱহাৰ কৰি নিজৰো জ্ঞানৰ ভঁৰাল চহকী কৰে। গ্ৰন্থৰ প্ৰচলনে বিজ্ঞান-প্ৰযুক্তিৰ দ্ৰুত বিকাশতো অতি গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিছে। একোজন ব্যক্তিৰ সৃষ্টিৰাজি গ্ৰন্থকাৰে লিপিবদ্ধ হ'লে অন্য এজনে পৰৱৰ্তী সময়ত তাক সমল হিচাপে লৈ আগবাঢ়িবলৈ সহজ হয়। গ্ৰন্থৰ বাবেই দেশ-বিদেশৰ বিজ্ঞানীয়ে আৱিষ্কাৰ কৰা বিভিন্ন তথ্য আনে লাভ কৰিব পৰা হ'ল। গ্ৰন্থৰ প্ৰচলনৰ আগলৈকে মানুহে মহান ব্যক্তিসকলৰ চিন্তা-চৰ্চা, জীৱন-চৰ্যাৰ বিষয়ে জ্ঞান লাভ কৰিব পৰা নাছিল। একোজন ব্যক্তিৰ এখন গ্ৰন্থত প্ৰকাশ পোৱা কথাসমূহত সেই সময়ত, সেই ঠাইৰ বা সেই বিষয়ৰ এখন প্ৰতিচ্ছবি লাভ কৰিব পৰা যায়। সেইবাবেই সত্যনাথ বৰাদেৱে কৈছিল, "গ্ৰন্থ অধ্যয়নৰ দ্বাৰা দূৰৈৰ মাণিক হাততে পোৱা যায়।"

মানুহৰ জীৱনৰ গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। জনসমাজত প্ৰচলিত এটা পৰম্পৰাগত নিয়মেই প্ৰমাণ কৰে মানুহৰ জীৱনত গ্ৰন্থই কেনেকৈ প্ৰভাৱ বিস্তাৰ কৰে। শিশু এটিৰ অন্নপ্ৰাসনৰ কিছুমান পৰম্পৰাগত নিয়ম মানি চলা হয়। তাৰে ভিতৰত এটা হ'ল— এখন কাঁহৰ থালত সোণ, ৰূপ, মাটি, কলম, কিতাপ, টকা, ধানৰ সীহ আদি সজাই শিশুটোৰ আগত ৰখা হয়, যাতে সি তাৰ পছন্দৰ এপদ বস্তু হাতেৰে স্পৰ্শ কৰিব পাৰে। জনবিশ্বাস মতে শিশুটোৱে যিপদ বস্তুতে হাত দিয়ে, সেই মতে ভৱিষ্যত জীৱনত তাৰ প্ৰভাৱ পৰিব। যদি কিতাপ স্পৰ্শ কৰে তেতিয়া হ'লে শিশুটো ভৱিষ্যতে পঢ়া-শুনাত ভাল এজন বিদ্ধান লোক হ'ব। বহু শিশুৱে কিতাপত হাত দিয়ে আৰু তেতিয়া মাক-দেউতাকৰ মনত আনন্দৰ সীমা নাথাকে। ই এই কথাকে প্ৰতীয়মান কৰে যে কিতাপৰ প্ৰতি মানুহৰ এক বিশেষ দুৰ্বলতা আছে আৰু মানুহৰ জীৱনত কিতাপৰ প্ৰভাৱ অপৰিসীম। সাহিত্য, বিজ্ঞান, ইতিহাস, সমাজ ব্যৱস্থা, অৰ্থনীতি, সাংস্কৃতি, ক্ৰীড়া সকলো ক্ষেত্ৰতে মানুহৰ জীৱনত গ্ৰন্থৰ প্ৰভাৱ অপৰিসীম। মানুহৰ জীৱনত গ্ৰন্থই যে কেৱল জ্ঞান প্ৰদানতে সহায় কৰে এনে নহয়, গ্ৰন্থই মানুহৰ চৰিত্ৰ গঠনতো সহায় কৰে। এখন গ্ৰন্থ ৰচনাৰ সময়ত গ্ৰন্থকাৰজনে যথেষ্ট শ্ৰম কৰিবলগীয়া হয়। বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰি তথ্য আহৰণ কৰিবলগীয়া হ।



'Das Capital' হৈছে এখন বিশ্ববিখ্যাত গ্ৰন্থ। যিখন গ্ৰন্থ বিশ্বৰ বিভিন্ন ভাষালৈ অনূদিত হৈছে। উক্ত গ্ৰন্থৰ লেখক কাৰ্লমাৰ্ক্স আছিল আৰ্থিকভাৱে যথেষ্ট দুৰ্বল পৰিয়ালৰয তেখেতে গ্ৰন্থখনৰ বাবে লণ্ডনৰ বৃটিছ পুথিভঁৰালত বহি দিনৰ দিনটো বিভিন্ন গ্ৰন্থ অধ্যয়ন কৰি তথ্য সংগ্ৰহ কৰিছিল আৰু সকলোখিনি লিপিবদ্ধ কৰি গৈছিল। তেখেতৰ এনে জীৱনযাত্ৰাৰ বাবে দুবেলা দুমুঠি পৰিয়ালৰ বাবে যোগাৰ কৰাতো সমস্যা হৈছিল। কিন্তু ইমানখিনি কষ্টৰ বিনিময়তো তেখেতৰ জীৱিত কালত কিতাপখন প্ৰকাশ নাপালে। তেখেতৰ মৃত্যুৰ পিছত প্ৰকাশ পোৱা এই গ্ৰন্থখনে বিশ্বজুৰি জনগণৰ পূৰ্ণ সঁহাৰি লাভ কৰিবলৈ সক্ষম হৈছিল। এনেদৰে দেখা যায় একোখন গ্ৰন্থ ৰচনাৰ আঁৰত লেখকজনৰ অশেষ শ্ৰম আৰু তেখেতৰ চিন্তাধাৰাৰো পূৰ্ণ প্ৰকাশ ঘটে। এখন গ্ৰন্থ পঢ়িলে লেখকজনৰ সান্নিধ্য লাভ কৰা যেন বোধ হয়। এনেদৰে গ্ৰন্থৰ যোগেদি মানুহে নিঃসঙ্গ অৱস্থাতো এক সংগ লাভ কৰে। সেয়েহে হয়তো চাউথে কৈছিল, "কিতাপ আমাৰ স্থায়ী বন্ধু, স্বাৰ্থান্ধতাত কিতাপৰ সৈতে আমাৰ বন্ধুত্ব কাহানিও হেৰাই নাযায়। কিতাপে আমাক সুখে-দুখে সকলো সময়তে আনন্দ প্ৰদান কৰে।" বহু বিপদৰ সময়ত গ্ৰন্থই মানুহৰ সাৰথি হৈ লগ দিয়ে। তদুপৰি মহৎলোকৰ জীৱনীবিলাকে শিশুৰ চৰিত্ৰ গঠনতো সহায় কৰে। গ্ৰন্থই মানুহক প্ৰকৃত জীৱনৰ সন্ধান দিয়ে। বিপদৰ সময়ত বন্ধুৰ ভূমিকা পালন কৰে। জীৱন-যুঁজত আগুৱাই যাবলৈ পথ দেখুৱায়।

কিন্তু সম্প্ৰতি বিজ্ঞান আৰু প্ৰযুক্তিয়ে সমগ্ৰ বিশ্বক এখন গোলকীয় গাঁৱলৈ ৰূপান্তৰিত কৰিছে। বিজ্ঞানৰ ন ন আৱিষ্কাৰৰ ভিতৰত দূৰদৰ্শন, ম'বাইল, ইণ্টাৰনেট ব্যৱস্থা আদিৰ আৱিষ্কাৰৰ ফলত গ্ৰন্থৰ চাহিদা যেন কমি আহিছে। শেহতীয়াকৈ হাতে হাতে থকা এনড্ৰইড, আইফ'ন, ছেটেলাইট ফ'ন আদি আধুনিক প্ৰযুক্তিৰ প্ৰভাৱত মানুহে ফেচ্‌বুক, হোৱাট্‌এপছ, টুইটাৰ আদিৰ মাধ্যমত বিশ্বৰ এটা কোণৰ পৰা আন এটা কোণলৈ ছেকেণ্ডৰ ভিতৰতে সংযোজিত হ'ব পৰা ব্যৱস্থাই ছপা মাধ্যমৰ জয়যাত্ৰাত যেন হেঙাৰৰ সৃষ্টি কৰিছে এনে ভাব হয়। সম্প্ৰতি নৱ-প্ৰজন্মই কিতাপ, আলোচনী, বাতৰি কাকত আদি পঢ়াৰ সলনি ম'বাইল ফ'নত ব্যস্ত হৈ পৰিছে। আনহাতে প্ৰযুক্তিৰ অন্য এক আৱিষ্কাৰ ইণ্টাৰনেট ব্যৱস্থাই গ্ৰন্থৰ সৈতে মানুহৰ সম্বন্ধ প্ৰায় নোহোৱা কৰি পেলাইছে। বৰ্তমান পুথিভঁৰালসমূহতো পঢ়ুৱৈৰ সংখ্যা কমি আহিছে। কিন্তু তাৎপৰ্যপূৰ্ণভাৱে বিজ্ঞান আৰু প্ৰযুক্তিৰ চূড়ান্ত শিখৰত আৰোহন কৰিও ইউৰোপ, আমেৰিকা আদি দেশসমূহত গ্ৰন্থৰ চাহিদা ক্ৰমাৎ উৰ্ধগামী হৈছে। সেইসমূহ দেশৰ জনজীৱনৰ মাজত কিন্তু সেই পুৰাতন গ্ৰন্থ অধ্যয়নৰ চাহিদা কোনো গুণেই কমা নাই। উন্নত সেই দেশসমূহত এতিয়াও বাছ, ৰেল, উৰাজাহাজ, কিম্বা কোনো কোনো এক স্থানত শাৰী পাতি ৰৈ থাকোঁতেও মানুহে একোখনকৈ গ্ৰন্থ পঢ়ি থকাতো এক এৰাব নোৱাৰা অভ্যাস। শেহতীয়াকৈ প্ৰকাশ পোৱা এক সমীক্ষা মতে আমেৰিকা যুক্তৰাষ্ট্ৰত ৭৩ শতাংশ পঢ়ুৱৈয়ে গ্ৰন্থ মুদ্ৰণ ৰূপত অৰ্থাৎ কিতাপ আকাৰে পাবলৈ আশা কৰে। আমেৰিকা যুক্তৰাষ্ট্ৰৰ দৰে এখন বস্তুবাদী ভাবধাৰাৰ দেশত এই পৰিসংখ্যাই প্ৰমাণ কৰে যে ছপা মাধ্যমৰ চাহিদা আৰু গুৰুত্ব কোনো কালেই কমি নাযায়।

গ্ৰন্থ অধ্যয়নে মানুহৰ একাগ্ৰতা বৃদ্ধি কৰে। ছাত্ৰ-ছাত্ৰীসকলৰ মৌলিকতা, চৰিত্ৰ গঠন, ব্যক্তিত্বৰো পূৰ্ণ বিকাশ ঘটে গ্ৰন্থ অধ্যয়নৰ দ্বাৰা। জনসাধাৰণৰ মাজত গ্ৰন্থ অধ্যয়নৰ অভ্যাস গঢ়ি তুলিবলৈকে ২৩ এপ্ৰিল দিনটো 'গ্ৰন্থ দিৱস' হিচাপে পালন কৰা হয়। গ্ৰন্থ অধ্যয়নক বৰ্তমান এটা আন্দোলনলৈ ৰূপান্তৰ কৰিবলৈ চেষ্টা কৰা ড° অমৰজ্যোতি চৌধুৰীৰ 'কিতাপ পঢ়ো আহক' এই যাত্ৰাত আমি সকলোৱে হাত উজান দিলেহে আমাৰ মাজত গ্ৰন্থ অধ্যয়ন কৰা আৰু ৰচনা কৰাৰ ধাৰাবাহিকতা অক্ষুণ্ণ থাকিব। ■

---

কিতাপ হ'ল যৌৱনৰ খাদ্য, বৃদ্ধ কালৰ আনন্দ, সমৃদ্ধিৰ অলংকাৰ, বিপদৰ সান্ত্বনা আৰু আশ্ৰয়, ঘৰৰ আনন্দ আৰু উত্তম ভ্ৰমণৰ সঙ্গী। — চিচিৰো

# অলংকাৰ শাস্ত্ৰৰ দৃষ্টিৰে শংকৰদেৱৰ অংকীয়া নাটৰ ৰসবিচাৰ

ড° অদিতি বৰুৱা

প্ৰস্তাৱনা ঃ

সাধাৰণ অৰ্থত ৰস বুলিলে জিভাৰে আস্বাদন কৰা অনুভৱকে বুজা যায় যদিও সাহিত্যৰ এটি প্ৰধান আলোচ্য বিষয় ৰস হৈছে সহৃদয় পাঠকৰ অন্তৰত ঠাই পোৱা ৰতি আদি স্থায়ীভাৱ, যি বিভাৱ, অনুভাৱ আৰু সঞ্চাৰীভাৱৰ জৰিয়তে প্ৰকাশ হয়।[১] অৰ্থাৎ, কাব্য-নাটক আদি শুনা বা দেখাৰ ফলত সহৃদয় পাঠক বা দৰ্শকৰ অন্তৰত সৃষ্টি হোৱা সুখ, দুখ, আনন্দ, ভয় আদি ভাৱকে সাহিত্যত ৰস বোলে। যিসমূহ উপাদানে কাব্যত এনেধৰণৰ ভাৱৰ উদ্ৰেক হোৱাত সহায় কৰে তাকেই অলংকাৰ শাস্ত্ৰত বিভাৱ বুলি কোৱা হয়।[২] এই বিভাৱ দুই প্ৰকাৰৰ -- আলম্বন বিভাৱ আৰু উদ্দীপন বিভাৱ। যি বিভাৱে নায়ক আদিক অৱলম্বন কৰি অন্তৰত সুখ, দুখ আদি ভাৱ সৃষ্টি হোৱাত সহায় কৰে সেয়াই আলম্বন বিভাৱ[৩] আৰু তেনে ভাৱক তীব্ৰ কৰা বিভাৱক উদ্দীপন বিভাৱ বোলে।[৪] আকৌ যাৰ দ্বাৰা ভাৱৰ সূচনা হয়, যেনে কটাক্ষ দৃষ্টি, প্ৰেমালাপ আদিক অনুভাৱ বুলি কোৱা হয়।[৫] এই অনুভাৱ আকৌ তিনি প্ৰকাৰৰ - কায়িক, মানসিক আৰু সাত্ত্বিক। আনহাতে স্থায়ী ভাৱ সৃষ্টিৰ সময়ত সেই ভাৱক পুষ্ট কৰিবলৈ আৱিৰ্ভাৱ হোৱা ভাৱকে সঞ্চাৰী বা ব্যভিচাৰী ভাৱ বোলে। এই ব্যভিচাৰী ভাৱ কাৰ্য সমাপন হোৱাৰ পাচতে তিৰোহিত হয়।[৬] অৰ্থাৎ অলংকাৰ শাস্ত্ৰৰ দৃষ্টিৰে বিভাৱ, অনুভাৱ আৰু সঞ্চাৰী ভাৱৰ দ্বাৰা যি স্থায়ীভাৱৰ সৃষ্টি হয় সেয়াই ৰস। আকৌ সহজ ভাষাত ক'বলৈ গ'লে কবিৰ বৰ্ণনাশৈলীয়ে যেতিয়া সহৃদয় পাঠক বা শ্ৰোতাৰ অন্তৰক স্পৰ্শ কৰে তেতিয়াই সাহিত্যত ৰসৰ সৃষ্টি হোৱা বুলি কোৱা হয়।

নাট্যশাস্ত্ৰৰ প্ৰণেতা ভৰত মুনিয়েই ৰসসূত্ৰক প্ৰথমে প্ৰৱৰ্তন কৰে। নাট্যশাস্ত্ৰৰ ষষ্ঠ অধ্যায়ত ভৰতে ৰস আঠপ্ৰকাৰৰ বুলি উল্লেখ কৰিছে। সেয়া হৈছে --শৃঙ্গাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, ভয়ানক, বীভৎস আৰু অদ্ভূত।[৭] এই আঠোটা ৰসৰ লগত কাব্যালংকাৰসাৰসংগ্ৰহৰ ৰচয়িতা উদ্ভট আৰু নাট্যশাস্ত্ৰৰ অভিনৱভাৰতী নামৰ টীকাৰ প্ৰস্তুতকৰ্তা অভিনৱগুপ্তই শান্ত নামে এটি ৰসৰ সংযোজন কৰি ৰসৰ সংখ্যা নটালৈ বৃদ্ধি কৰে। এনেদৰে কাব্যত ৰসৰ অপৰিহাৰ্যতা স্বীকাৰ কৰি বিভিন্ন আলংকাৰিকে ৰসৰ সংখ্যা সন্দৰ্ভত নানা মত ডাঙি ধৰিছে।



সাহিত্যদৰ্পণ গ্ৰন্থৰ ৰচয়িতা বিশ্বনাথ কবিৰাজে সেইকাৰণেই যেন কাব্যৰ সংজ্ঞা দিবলৈ গৈ ৰসযুক্ত বাক্যকে কাব্য বুলি মত প্ৰকাশ কৰিছে এনে ভাৱ হয়।[৮] তেখেতে ভৰতৰ আঠোটা ৰসৰ লগতে শান্ত ৰসৰ বিষয়েও সাহিত্যদৰ্পণ গ্ৰন্থত আলোচনা কৰিছে।

এই আলোচনাত কাব্যত ৰসৰ অপৰিহাৰ্যতাক মান্যতা দি শংকৰদেৱৰ অংকীয়া নাটসমূহত এই ৰসসমূহ কেনেদৰে ফুটি উঠিছে তাৰ বিশ্লেষণ কৰিবলৈ চেষ্টা কৰা হৈছে।

শংকৰদেৱৰ অংকীয়া নাট ছয়খন। সেয়া হ'ল-- পত্নীপ্ৰসাদ, ৰুক্মিণীহৰণ, কালিয়দমন, কেলিগোপাল, পাৰিজাতহৰণ আৰু শ্ৰীৰামবিজয়। এই কথা কোৱা নিষ্প্ৰয়োজন যে শংকৰদেৱৰ এই আটাইকেইখন নাটৰেই প্ৰধান চৰিত্ৰ কৃষ্ণ বা ৰাম। যিহেতু নৱ-বৈষ্ণৱ ধৰ্ম প্ৰচাৰ শংকৰদেৱৰ ৰচনাৰ মূল উদ্দেশ্য, গতিকে এই কথা নিশ্চিত যে কৃষ্ণৰ মহিমা প্ৰচাৰেই এই নাটকেইখনৰো ৰচনাৰ মূল উদ্দেশ্য। আমাৰ এই ৰচনাৰ মূল উদ্দেশ্য শংকৰদেৱৰ অংকীয়া নাটৰ ৰসবিচাৰ, সেয়ে ভৰত মুনিৰ আঠোটা ৰসৰ লগতে শান্ত ৰসকো লৈ অংকীয়া নাটসমূহৰ ৰসৰ বিশ্লেষণ কৰাৰ বিনম্ৰ প্ৰয়াস কৰা হৈছে।

**ৰস বিশ্লেষণ ঃ**

নায়ক-নায়িকাদিক অৱলম্বন কৰি আৰু চন্দ্ৰমা, চন্দন আদিৰ সহযোগত যি ভাৱৰ সৃষ্টি হয় তাকেই অলংকাৰ শাস্ত্ৰত শৃঙ্গাৰ ৰস নামেৰে অভিহিত কৰা হয়।[৯] এই শৃঙ্গাৰ ৰসো আকৌ বিপ্ৰলম্ভ আৰু সম্ভোগ ভেদে দুই প্ৰকাৰৰ। অনুৰাগ থকা স্বত্ত্বেও প্ৰিয়াসমাগম সম্ভৱ নোহোৱা অৱস্থাক বিপ্ৰলম্ভ শৃঙ্গাৰ আৰু যেতিয়া দৰ্শন বা স্পৰ্শনৰ যোগেদি প্ৰিয়সমাগম হয় তেতিয়া তেনে অৱস্থাক সম্ভোগ শৃঙ্গাৰ বোলে। নিম্নোল্লিখিত উদাহৰণে বিপ্ৰলম্ভ শৃঙ্গাৰৰ সুন্দৰ প্ৰমাণ ডাঙি ধৰে।

(ক) কৰত কতনু তেৰি নাৰী নিকাৰু
মোহি বিৰহ লাগি আগি।
তোহো যৱ জীৱন বালা ছোড়হ
হুএও তৱ তুৱা বধ ভাগী।।[১০]

একেদৰে কেলিগোপাল নাটৰ —

খসল কেশপাশ টুটল হাৰ।
ফোড়ল কাঞ্চুৱা কূচক হামাৰ।।
কয়ল আলিঙ্গন ঘন ঘন বাহু।
যৈচে চান্দক গৰসি ৰহে ৰাহু।।[১১] ইত্যাদিক

সম্ভোগ শৃঙ্গাৰৰ সুন্দৰ উদাহৰণ বুলি ক'ব পাৰি। ইয়াত আলিঙ্গন আদিক আলম্বন বিভাৱ আৰু খোপা খুলি যোৱা আদি কাৰ্যক উদ্দীপন বিভাৱ।

হাস্য অলংকাৰশাস্ত্ৰত পোৱা আন এবিধ ৰস আৰু যেতিয়াই নাটত বিকৃত আকাৰ, কথা, বেশ বা কাৰ্য আদিৰ আৱিৰ্ভাৱ হয় তেতিয়াই হাস্য ৰসৰ উৎপত্তি হয়।[১২] শংকৰদেৱৰ শ্ৰীৰামবিজয়নাটৰ সীতা সয়ম্বৰৰ নিম্নোদ্ধৃত বিৱৰণে নিশ্চিতভাৱেই পাঠক আৰু দৰ্শকৰ মনত হাঁহিৰ খলকনি তোলে।

'তা দেখিৰাজা পুৰঞ্জয় ঃ পৰম আটোপে ঃ ধনু ধৰি কহোঁ ঃ শৰীৰক বলে লাড়িতে নপাৰি ঃ উফৰি পৰল। তদনন্তৰ ঃ ৰাজা কমুদাক্ষ ঃ কটিত বস্ত্ৰ কাচিকহ ঃ অধৰ কামুৰি ঃ ধনুক দোপ দিয়া ঃ তুলি মহাপ্ৰয়াস পাই ঃ বিখেপ কয়ল ঃ লাজ হুই সমজ্যাত পাৰি হাত-পায় আচাৰয়।'[১৩] পুনৰ শংকৰদেৱে ৰাজসভাত সীতাৰ সৌন্দৰ্য দেখি হোৱা ৰজাসকলৰ মানসিক দুৰাৱস্থাৰ চিত্ৰণত --- 'কাহু মুখে আঙুলি লৈয়া বোলল।। অন্য ৰাজা বোল।। হে ৰাজনন্দিনি মদন হামাৰ মন মৰ্দয় ঃ প্ৰিয়ে হামাক হক্তে পৰখহু দশনে খেৰ কামুৰি কাহু বিনয়ে বোল।।...'[১৪] ইত্যাদি চিত্ৰই শ্ৰোতা-দৰ্শকৰ মনত হাস্যৰসৰ উদ্ৰেক কৰে। ইয়াত কামনাত আতুৰ ৰজাসকলৰ ক্ৰিয়া-কলাপক হাস্যৰসৰ উদ্দীপন বিভাৱ বুলি ক'ব পাৰি।

অলংকাৰশাস্ত্ৰ নিৰ্দেশিত আন এক গুৰুত্বপূৰ্ণ ৰস হৈছে কৰুণ আৰু কোৱা হয় যে ইষ্ট নাশ আৰু অনিষ্ট প্ৰাপ্তিৰ ফলত সাহিত্যত কৰুণ ৰসৰ সৃষ্টি হয়।[১৫] শংকৰদেৱৰ অংকীয়া নাটৰ বিভিন্ন ঠাইত কৰুণ ৰসৰ উদাহৰণ পোৱা যায়। উদাহৰণস্বৰূপে কালিয়দমন নাটত কৃষ্ণৰ আঘাতত চৈতন্য হেৰুৱা কালিয়ক দেখি নাগপত্নীসকলে কৰা বিলাপ দেখি-শুনি দৰ্শক বা শ্ৰোতাৰ অন্তৰত নিশ্চিতৰূপত কৰুণভাৱৰ সৃষ্টি হয়।

'হে পৰম ঈশ্বৰ ঃ তোহাৰি পদ প্ৰহাৰে ঃ স্বামি মৰি জাই ঃ ওঁহি দুৰ্জনে ঃ তোহাক নজানি দংসল ঃ ইহাক দোষ বাৰেক মৰস গোসাঞিঁও।। তোহাৰি আগু ওঁহি ক্ষুদ্ৰ পতঙ্গ ঃ আহেক মাৰি কোন জশ সাধৱ ঃ দেখো স্বামীক ধাতু প্ৰাণ ৰহে নাহি ঃ' ...ইত্যাদি।[১৬]

পুনৰ শ্ৰীৰামবিজয় নাটত অন্য ৰজাসকলে একলগ হৈ ৰামৰ বিৰুদ্ধে যুদ্ধ কৰিবলৈ অহাত জানকী সীতাৰ প্ৰতিক্ৰিয়া এনেধৰণৰ-- 'পূৰব জনম ঃ পূণ্য পৰম ঃ পাৱল পহু ওহি। বঙ্কিম বিধি ঃ হাতক নিধি ঃ হৰে অভাগীক মোহি।। দুৰ্লভ বল্লভ ঃ লাগি আকুল ঃ কৰতু এ বৰ নাৰী। হৰি হৰি স্মৰে ঃ নিশ্বাস ফোকাৰে ঃ পহুক মুখ নেহাৰি।।'[১৭] সীতাৰ এনেধৰণৰ প্ৰতিক্ৰিয়ায়ো সকলোৰে অন্তৰত কৰুণ ৰসৰ সৃষ্টি কৰে। উপৰোক্ত উদাহৰণ কেইটাত আঘাতপ্ৰাপ্ত কালিয়ৰ

অৱস্থা বা যুদ্ধক্ষেত্ৰত ৰামৰ অকলশৰীয়া অৱস্থান আলম্বন বিভাৱ আৰু নাগপত্নী বা সীতাৰ প্ৰতিক্ৰিয়া হৈছে উদ্দীপন বিভাৱ।

অংকীয়া নাটত ৰৌদ্ৰৰস ব্যৱহাৰ কৰাৰ ক্ষেত্ৰতো শংকৰদেৱে নৈপুণ্য প্ৰদৰ্শন কৰিছে। যি ৰসত স্থায়ীভাৱ ক্ৰোধ তাকেই ৰৌদ্ৰ ৰস বুলি কোৱা হয়।[১৮] উদাহৰণ স্বৰূপে শ্ৰীৰামবিজয় নাটত ৰামে ধনু ভঙ্গ কৰাৰ বাতৰিয়ে পৰশুৰামৰ মনত সৃষ্টি হোৱা ভাৱ এনেধৰণৰ –'ওহি বুলি কুঠাৰ তুলি শ্ৰীৰামক নিৰেখি ঃ বাহুত কামোৰ দেলহ ঃ মাথা ঝঙ্কাৰি ঃ কুঠাৰ উৰ্দ্ধক খেপিএ ঃ পুনু লম্ফ ধৰি ধৰি কহু ঃ ....' ইত্যাদি।[১৯] এই বৰ্ণনাৰ দ্বাৰা পৰশুৰামৰ মনত সৃষ্টি হোৱা ক্ৰোধভাৱৰ সুন্দৰ প্ৰকাশ প্ৰতিফলিত হৈছে। ইয়াত ৰাম হৈছে ৰৌদ্ৰৰসৰ আলম্বন আৰু পৰশুৰামৰ প্ৰতিক্ৰিয়াসমূহ এই ৰসৰ উদ্দীপন। শংকৰদেৱৰ ৰুক্মিণীহৰণ নাটৰ ৰুক্মিণীৰ ভ্ৰাতৃ ৰুক্মীৰ বাক্যতো ৰৌদ্ৰৰসৰ অনন্য সোৱাদ লাভ কৰা যায়।

যি ৰসত উত্তম পাত্ৰ আশ্ৰয় আৰু স্থায়ীভাৱ উৎসাহ তাকেই বীৰৰস বুলি কোৱা হয়।[২০] শংকৰদেৱৰ পত্নীপ্ৰসাদ নাটৰ বাহিৰে প্ৰায় আটাইকেইখন অংকীয়া নাটতে বীৰৰস দেখিবলৈ পোৱা যায়। ৰুক্মিণীহৰণ নাটত পোৱা শ্ৰীকৃষ্ণৰ এই উক্তি 'হামাক আগু ঃ ওহি ৰাজাসব কোন পতঙ্গ ঃ যৈচে সিংহক আগে ক্ষুদ্ৰ হৰিণ ঃ ইহা জানি ভয় শোক ছাড়হ ঃ দেখহ পাপী ৰাজাসৱক ঃ যৈচে শৃগালক ঃ এই ক্ষণে খেদাৱব'[২১] ইত্যাদি বীৰৰসৰ অতি সুন্দৰ উদাহৰণ। একেদৰে কালিয়দমন নাটত শ্ৰীকৃষ্ণই কালিনাগক দমন কৰাৰ দৃশ্য, পাৰিজাতহৰণ নাটত কৃষ্ণ আৰু ইন্দ্ৰৰ মাজত যুদ্ধ, শ্ৰীৰামবিজয় নাটত বিৰোধী ৰজা, ৰুক্ম আৰু পৰশুৰামৰ লগত হোৱা যুদ্ধৰ বৰ্ণনা আদিত বীৰৰস স্পষ্টৰূপত প্ৰকাশ পাইছে।

শংকৰদেৱৰ অংকীয়ানাটত অন্যান্য ৰসৰ দৰে ভয়ানক ৰসো কিছু পৰিমাণে উপলব্ধ হয়। উদাহৰণস্বৰূপে—
'আৱত কাল কালি বলিআৱা। কৰত তুলি ফেন ফোটকাৱা।।
গৰজি দৰপে সৰ্প বিশাল। পেখি নিৰেখিএ ৰূপ গোপাল।।'[২২]
-- কালিয়দমন নাটৰ এই গীতটিয়ে ভয়ানক ৰসৰ সামান্য হ'লেও আভাস দিয়ে। ইয়াত ভয় স্থায়িভাৱ, কালিনাগ আলম্বন আৰু কালিনাগৰ ৰূপ বৰ্ণনা হৈছে উদ্দীপন।

**সামৰণি ঃ**

যি ৰসৰ স্থায়িভাৱ হৈছে শম আৰু উত্তমপাত্ৰ আশ্ৰয় হয়, তাকেই শান্তৰস বোলা হয়— 'শান্তঃ শমস্থায়িভাৱঃ'[২৩]। শংকৰদেৱৰ ৰচনাত এই শান্তৰসেই প্ৰকাশ পাইছে বুলি ক'ব পাৰি। কাৰণ শান্তৰসৰ অন্য এক মূল উপজীব্য ভগৱদ্‌প্ৰাপ্তি। শংকৰদেৱৰ ৰচনাৰ অনেক ঠাইত 'ভকতি ৰসিক' শব্দটোৰ ব্যৱহাৰ পোৱা যায়। উদাহৰণ স্বৰূপে –'শ্ৰীৰামৰায়া ঃ হৰিকো পৰমা ঃ ভকতি ৰসিক সুজান'[২৪] অথবা 'শ্ৰীজগতানন্দ ভকতি ৰসিক কৃষ্ণ কিঙ্কৰে ওহি বোলে'[২৫] ইত্যাদি। তদুপৰি শ্ৰীৰামবিজয় নাটত শংকৰদেৱে ভক্তিকো ৰসৰ এটা প্ৰকাৰ বুলি স্বীকাৰ কৰিছে, –'ৰামক পৰম ভকতি ৰস জানা'[২৬]। মন কৰিবলগীয়া যে, ভক্তিক অন্যতম ৰস হিচাপে প্ৰকাশ কৰিবলৈ যোৱাৰ আগতে এই সম্পৰ্কে থকা বিভিন্ন আলঙ্কাৰিকৰ মতসমূহ আলোচনা কৰা উচিত। এই কথা প্ৰায় সকলো আলোচকেই কৈছে যে শংকৰদেৱৰ ৰচনাসমূহ ভক্তিৰসযুক্ত। এই ক্ষেত্ৰত আমাৰ আলোচ্য দুটা বিম্ব হ'ল, (১) আলংকাৰিকসকলৰ দৃষ্টিত ভক্তি শীৰ্ষক কোনো ৰস নাই আৰু (২) ভক্তিৰসৰ বাহিৰে আন কোনো ৰস শংকৰদেৱৰ সাহিত্যত পোৱা নাযায়। ইয়াৰ প্ৰথম বিম্বৰ বিষয়ে আলোচনা কৰিলে দেখা যায় যে ভৰত মুনিকে আদি কৰি বিভিন্ন আলংকাৰিকে ৰসৰ সন্দৰ্ভত কৰা আলোচনাৰ ক'তো ভক্তি ৰসৰ বিষয়ে পোৱা নাযায়। সেয়ে হ'বলৈ হ'লে ভাগৱত পুৰাণৰ দৰে কাব্যত নিহিত হৈ থকা ৰসক কি আখ্যাৰে প্ৰকাশ কৰা যাব সেয়া এক প্ৰশ্ন হিচাপে দেখা দিয়ে। পুনৰ দেখা যায় যে ভাগৱত আদি গ্ৰন্থত উপলব্ধ ৰসকে বিশ্বনাথ কবিৰাজৰ দৰে আলংকাৰিকে শান্ত ৰস বুলি উল্লেখ কৰিছে। এই দিশৰ পৰা বিচাৰ কৰিবলৈ গ'লে ৰামায়ণ, মহাভাৰত আদি গ্ৰন্থৰো শেহত এই শান্ত ৰসেই উপলব্ধ হৈছে আৰু এই ভক্তিমূলক কাব্যৰ ক্ষেত্ৰত শান্ত ৰসকেই ভক্তি ৰস বুলি অন্তত কোনো কোনো আলংকাৰিকে মত প্ৰকাশ কৰিছে। শাণ্ডিল্যৰ মতে বিভিন্ন ক্ৰিয়াৰ মাজেৰে ভগৱানৰ প্ৰতি প্ৰকাশ পোৱা অনুৰাগেই হৈছে ভক্তি।[২৭] সেই ক্ৰিয়াসমূহ আকৌ শ্ৰৱণ, কীৰ্তন আদিকে কৰি ন প্ৰকাৰৰ। যেতিয়া ৰতি আদি ভাৱ দেৱতা, গুৰু, নৃপতি আদিৰ প্ৰতি প্ৰকাশিত হয় তেতিয়া তাকেই ভাৱ বুলি কোৱা হয়।[২৮] এইক্ষেত্ৰত দেৱতা আৰু গুৰুৰ প্ৰতি হোৱা ভাৱ ভক্তিভাৱ, নৃপতিৰ প্ৰতি হোৱা ভাৱ দাস্য ভাৱ আৰু পুত্ৰৰ প্ৰতি হোৱা ভাৱ বাৎসল্য ভাৱ।

কাব্যপ্ৰকাশৰ ৰচয়িতা মম্মটে প্ৰথমবাৰৰ বাবে ভক্তিক গ্ৰহণ কৰে যদিও তেওঁ ইয়াক ৰসৰ মৰ্যাদা দিয়া নাছিল। অন্য এখন অলংকাৰশাস্ত্ৰ কাব্যানুশাসনৰ ৰচয়িতা হেমচন্দ্ৰই স্নেহ-ভক্তি আদিক ৰতিৰ প্ৰকাৰ বুলি মান্যতা দি তাক ভাৱ বুলিহে প্ৰকাশ কৰিছিল। আনহাতে পণ্ডিতৰাজ জগন্নাথে ভক্তিক এটি



পৃথক ৰস বুলিয়েই নিৰ্দ্ধাৰিণ কৰিছে আৰু এই ক্ষেত্ৰত তেখেতে ভগৱানৰ প্ৰতি সৃষ্টি হোৱা প্ৰেম স্থায়িভাৱ, ভগৱান আলম্বন বিভাৱ, চকু পানী আদি অনুভাৱ আৰু আনন্দ আদি ব্যভিচাৰীভাৱ বুলি বৰ্ণনা কৰিছে। তেখেতৰ মতে শান্ত ৰসে নিৰ্বেদ অথবা যিকোনো মানসিক অৱস্থাৰ অভাৱকহে বুজায়।[২৯] আকৌ উজ্বল নীলমণি গ্ৰন্থত ৰূপ গোস্বামীয়ে ভক্তিক এটি ৰসৰূপে স্বীকাৰ কৰাৰ উপৰিও মধুৰক ভক্তি ৰসৰ ভিতৰত শ্ৰেষ্ঠ বুলি মত প্ৰকাশ কৰিছে।[৩০] ভাগৱতত পোৱা যায় যে যেতিয়াই ভগৱদ্ভক্তিত অন্তৰ বিলীন হৈ চকুৰ পানী ওলাবলৈ ধৰে তেতিয়াই ভক্তিৰসৰ সৃষ্টি হয়। এককথাত ক'বলৈ গ'লে অন্তৰ বিগলিত হৈ চকুৰ পানী নোলালে ভক্তিৰসৰ উদ্ভৱ হ'ব নোৱাৰে।[৩১] যিহেতু শান্তৰসে নিৰ্বেদ ভাৱক প্ৰকাশ কৰে তেনেস্থলত ভাগৱতৰ দৃষ্টিৰে চালে ভক্তিক অন্যতম ৰস বুলিহে ক'ব লাগিব। সেই দিশৰ পৰা ভক্তিক কোনো কাৰণতেই শান্ত ৰসৰ অন্যতম প্ৰকাশ বুলি ক'ব নোৱাৰি। সেয়ে শংকৰদেৱৰ অংকীয়া নাটত যদিও অন্যান্য ৰসসমূহ পৰিলক্ষিত হয়, সেই সমূহ ৰসৰ ভিতৰত ভগৱদ্ প্ৰাপ্তিয়েই অন্তৰ্নিহিত হৈ থকা দেখা যায়। উদাহৰণ স্বৰূপে ৰামবিজয় নাটত যদিও ৰামৰ প্ৰতি পৰশুৰামৰ ক্ৰোধৰ জৰিয়তে ৰৌদ্ৰৰস অনুভূত হয় তথাপিও অন্তত পৰশুৰামে ৰামৰ শৰণ লোৱা কাৰ্যই নিশ্চিতভাৱেই দৰ্শক-শ্ৰোতা-পাঠকৰ অন্তৰত ভক্তিৰসৰহে উদ্ৰেক কৰে। একেদৰে কেলিগোপাল, কালিয়দমন আদি নাটতো ঠাই বিশেষে শৃঙ্গাৰ, বীৰ আদি ৰস দেখা পালেও শেষত ভক্তিৰসেই প্ৰাধান্য পোৱা দেখা যায়। এনেধৰণৰ দিশৰ পৰা আলোচনা কৰি আমি ভক্তিক অন্যতম ৰস হিচাপে মান্যতা প্ৰদান কৰাৰ লগতে শংৰদেৱৰ অংকীয়া নাটৰ অন্তৰ্নিহিত ৰস যে কেৱল ভক্তি তাক দৃঢ়ভাৱে স্বীকাৰ কৰিব পাৰোঁ।■

**প্ৰসঙ্গ-পঞ্জী ঃ**

(১) বিভাবেনানুভাৱেন ব্যক্তঃ সঞ্চাৰিনা তথা। ৰসতামেতি ৰত্যাদিঃ স্থায়ীভাৱ সচেতসাম্।। সা.দ.৩-১
(২) ৰত্যাদ্যুদ্বোধকা লোকে বিভাৱাঃ কাব্যনাট্যয়োঃ। সা. দ. ৩য় অধ্যায়
(৩) আলম্বনো নায়কাদিস্তমালম্ব্য ৰসোদ্‌গমাৎ। সা. দ. ৩-২৯
(৪) উদ্দীপনবিভাৱাস্তে ৰসমুদ্দীপয়ন্তি য়ে। সা. দ. ৩-১৩১
(৫) উদ্বুদ্ধং কাৰণৈঃ স্বৈঃ স্বৈৰ্বহিৰ্ভাৱং প্ৰকাশয়ন্। লোকে যঃ কাৰ্যৰূপঃ সো'নুভাৱঃ কাব্যনাট্যয়োঃ।। সা. দ. ৩-১৩২,১৩৩
(৬) বিশেষাদাভিমুখ্যেন চৰণাদ্ব্যভিচাৰিণঃ। স্থায়িন্যুন্মগ্ননিৰ্মগ্নাস্ত্ৰয়স্ত্ৰিংশচ্চ তদ্ভিদাঃ।। সা. দ. ৩-১৪০
(৭) শৃঙ্গাৰহাস্যকৰুণা ৰৌদ্ৰবীৰভয়ানকাঃ। বীভৎসাদ্ভুতসংজ্ঞৌ চেত্যষ্টৌ নাট্যে ৰসাঃ স্মৃতাঃ।। নাট্যশাস্ত্ৰ, ৬-১৫
(৮) বাক্যং ৰসাত্মকং কাব্যম্। সা. দ. ১
(৯) শৃঙ্গং হি মন্মথোদ্ভেদস্তদাগমনহেতুকঃ। উত্তমপ্ৰকৃতিপ্ৰায়ো ৰসঃ শৃঙ্গাৰ ইষ্যতে।। সাহিত্য দৰ্পণ, ৩-১৮৩
(১০) ৰুক্মিনীহৰণ, বাক্যামৃত, পৃ. ১০৩২
(১১) কেলিগোপাল, বাক্যামৃত, পৃ. ১০৬৫
(১২) বিকৃতাকাৰবাগ্বেষচেষ্টাদেঃ কুহকাদ্ভৱেৎ। হাস্যো হাসস্থায়িভাৱঃ।। সা. দ., ৩-২১৪
(১৩) শ্ৰীৰামবিজয়, বাক্যামৃত, পৃ. ১১১২
(১৪) শ্ৰীৰামবিজয়, বাক্যামৃত, পৃ. ১১১১
(১৫) ইষ্টনাশাদনিষ্টাপ্তেঃ কৰুণাখ্যো ৰসো ভৱেৎ। সা. দ. ৩-২২২
(১৬) কালিয়দমন, বাক্যামৃত, পৃ. ১০৫৩
(১৭) শ্ৰীৰামবিজয়, বাক্যামৃত, পৃ. ১১১৩
(১৮) ৰৌদ্ৰঃ ক্ৰোধস্থায়িভাৱ। সা.দ. ৩-২২৭
(১৯) শ্ৰীৰামবিজয়, বাক্যামৃত, পৃ.১১১৬
(২০) উত্তমপ্ৰকৃতিৰ্বীৰ উৎসাহস্থায়িভাৱকঃ। সা. দ. ৩-২৩২
(২১) ৰুক্মিণীহৰণ, বাক্যামৃত, পৃ. ১০৩৯
(২২) কালিয়দমন, বাক্যামৃত, পৃ. ১০৪৯
(২৩) সা.দ. ৩-২৪৫
(২৪) কেলি- গোপাল, বাক্যামৃত, পৃঃ ১০৭৯
(২৫) পাৰিজাতহৰণ, বাক্যামৃত, পৃ. ১১০০
(২৬) শ্ৰীৰামবিজয়, বাক্যামৃত, পৃ. ১১১৯
(২৭) সা ভক্তিঃ পৰানুৰক্তিৰীশ্বৰে। ভক্তিসূত্ৰ, শাণ্ডিল্য, ৯
(২৮) ৰতিৰ্দেৱাদিবিষয়া ব্যভিচাৰী তথাঞ্জিতঃ ভাৱঃ প্ৰোক্তঃ। কাব্যপ্ৰকাশ, ৪
(২৯) ভগৱদালম্বনস্য, ৰোমাঞ্চাশ্ৰুপাতাদিভিৰনুভাৱিতস্য, হৰ্ষাদিভি পৰিপোষিতস্য, ভাগৱতাদিপুৰাণশ্ৰৱণসময়ে ভগৱদ্ভক্তৈৰনুভূয়মানস্য, ভক্তিৰসস্য দুৰপহ্নৱত্বাৎ ভগৱদনুৰাগৰূপা ভক্তিশ্চাত্ৰ স্থায়িভাৱঃ। ন চাসৌ শান্তৰসে'ন্তৰ্ভৱিতুমৰ্হতি, অনুৰাগস্য বৈৰাগ্যবিৰুদ্ধত্বাৎ। ৰসগঙ্গাধৰ, পৃ. ১৯০
(৩০) পৃথগেৱ স ভক্তিৰসৰাট্ স বিস্তৰেণোচ্যতে মধুৰঃ। উজ্বল নীলমণি, ১-২, পৃ. ৪
(৩১) কথং বিনা ৰোমহৰ্ষং দ্ৰৱতা চেতসা বিনা।

বিনানন্দাশ্রুকলয়া শুদ্ধোদ্ভক্ত্যা বিনাশয়ঃ।। ভাগৱত, ১১-১৪-২৩


গ্ৰন্থ-পঞ্জী ঃ

(১) মহাপুৰুষ শ্ৰীমন্তশঙ্কৰদেৱৰ বাক্যামৃত, চুতীয়া ড° ধৰ্মেশ্বৰ (স.), শ্ৰীমন্ত শঙ্কৰদেৱ সংঘ, ১৯৯৮

(২) শ্ৰীবিশ্বনাথকবিৰাজকৃতঃ সাহিত্যদৰ্পণঃ, শ্ৰীশালগ্ৰামশাস্ত্ৰী (স.), মোতীলাল বেনাৰসীদাস, ১৯৭৭

(৩) ভৰতৰ নাট্যশাস্ত্ৰ, ড° পাৰসনাথ দ্বিৱেদী (স.), সম্পূৰ্ণানন্দ সংস্কৃত বিশ্ববিদ্যালয়, ২০০১

(৪) শ্ৰীমম্মটাচাৰ্যবিৰচিতঃ কাব্যপ্ৰকাশঃ, সিংহ ড° সত্যব্ৰত, চৌখম্বা বিদ্যাভৱন, বাৰাণসী,২০০১

(৫) শাণ্ডিল্যৰ ভক্তিসূত্ৰ, ভট্টাচাৰ্য ত্ৰৈলোক্য (অ.), অসম সাহিত্য সভা, চন্দ্ৰকান্ত সন্দিকৈ ভৱন, যোৰহাট, ২০১৩

(৬) শ্ৰীমদ্ৰূপগোস্বামীবিৰচিত উজ্জ্বলনীলমণিঃ, শ্ৰীমজ্জীৱগোস্বামী আৰু শ্ৰীমদ্বিশ্বনাথচক্ৰৱৰ্তীৰ ব্যাখ্যাসহিত, কেদাৰনা (স.), নিৰ্ণয়সাগৰ মুদ্ৰালয়, ১৯৩২

(৭) ৰসগঙ্গাধৰ (প্ৰথমাননম্) , পণ্ডিতৰাজ জগন্নাথ, (সং. ব্যা.) ঝা শ্ৰীবদৰীনাথ, চৌখাম্বা বিদ্যাভৱন, বাৰাণসী, (সপ্তম সংস্কৰণ), ১৯৯০

(৮) শ্ৰীমদ্ভাগৱতপুৰাণম্, শ্ৰীধৰস্বামী ব্যাখ্যাসহিত, গোস্বামী মালিনী (স.), অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০৫








# অসমীয়া শব্দৰ গতি-প্ৰকৃতি আৰু প্ৰয়োগ


ড° মৌচুমী দত্ত


ভাষাৰ পৰিৱৰ্তন এক স্বাভাৱিক প্ৰক্ৰিয়া। গতিশীল সময়ৰ সোঁতত গঢ় লৈ উঠা সমাজ ব্যৱস্থাত সংস্কৃতিয়ে এক বলিষ্ঠ ভূমিকা গ্ৰহণ কৰে। এই সংস্কৃতিকো আকৌ সময়ৰ পৰিৱৰ্তনে সুকীয়া সুকীয়া ৰূপ দি গঢ়ি তোলে। যাৰ প্ৰভাৱ সাহিত্য আৰু ভাষাৰ ক্ষেত্ৰত অৱধাৰিতভাৱেই আহি পৰে। ইয়াৰ ফলত একোটা ভাষাৰ শব্দসম্ভাৰত নতুন নতুন শব্দৰ সংযোজন হয়। অসমীয়া ভাষাৰ শব্দসম্ভাৰো ইয়াৰ ব্যতিক্ৰম নহয়।

অসমীয়া ভাষাৰ শব্দসম্ভাৰক তৎসম, তদ্ভৱ, অৰ্ধ-তৎসম, দেশী, বিদেশী আদি ভাগত ভাগ কৰা হয়। অসমীয়া ভাষাই ইন্দো-ইউৰোপীয় ভাষা পৰিয়ালৰ ভাৰতীয় আৰ্যশাখাৰ দুটা স্তৰ ক্ৰমে— প্ৰাচীন ভাৰতীয় আৰ্য, মধ্য ভাৰতীয় আৰ্যস্তৰ অতিক্ৰম কৰি বিভিন্ন পৰিৱৰ্তনৰ মাজেৰে আহি নব্য ভাৰতীয় আৰ্যভাষা স্তৰত উৎপত্তি লাভ কৰিছে। কেইটামান শব্দ উল্লেখ কৰি শব্দৰ পৰিৱৰ্তনৰ কথাযাৰ বিশ্লেষণ কৰি দেখুৱালে বুজিবলৈ অধিক সুবিধা হ'ব—

| **প্ৰাচীন ভাৰতীয় আৰ্য** | **মধ্য ভাৰতীয় আৰ্য** | অসমীয়া |
|---|---|---|
| সপ্ত | সত্‌ত | সাত |
| হস্ত | হত্‌থ | হাত |
| কৰ্ম্ম | কম্‌ম | কাম |
| কাৰ্য | কজ্জ | কাজ |
| সৰ্ব | সব্‌ব | সব |
| চক্ৰ | চক্‌ক | চকা |

ওপৰৰ উদাহৰণসমূহ লক্ষ্য কৰিলে দেখা যায় যে প্ৰাচীন ভাৰতীয় আৰ্য স্তৰৰ সংস্কৃত ভাষাত ব্যৱহৃত ক্ৰমে সপ্ত, হস্ত, অদ্য, কৰ্ম্ম আদি শব্দসমূহে মধ্য ভাৰতীয় স্তৰ অৰ্থাৎ পালি-প্ৰাকৃত-অপভ্ৰংশৰ স্তৰত সৰলীকৃত ৰূপ লাভ কৰি সত্‌ত, হত্‌থ, অয্‌য, কম্‌ম আদি ৰূপ লাভ কৰিছে। নব্য ভাৰতীয় আৰ্য স্তৰৰ এই শব্দসমূহে অধিক সৰলতৰ ৰূপ লাভ কৰিলে আৰু ধ্বনি পৰিৱৰ্তনৰ জৰিয়তে এই পৰিৱৰ্তন সাধন হ'ল।

এয়া মাত্র কেইটামান উদাহৰণহে। এনে বহু শব্দই সংস্কৃতৰ পৰা সৰলতৰ ৰূপ লাভ কৰি অসমীয়া ভাষাত প্ৰচলন হৈ আছে। আনহাতে এনে বহু শব্দ আছে যিবোৰ শব্দ সংস্কৃতৰ পৰা পোনে পোনে আহি অসমীয়া ভাষাত ঠিক তেনেদৰেই ব্যৱহাৰ হৈছে। যেনে—

| | |
|---|---|
| প্ৰকৃতি > প্ৰকৃতি | বিশেষ > বিশেষ |
| আকাশ > আকাশ | অধ্যাপক > অধ্যাপক |
| যশ > যশ | ছাত্ৰ > ছাত্ৰ |
| বিদ্যালয় > বিদ্যালয় | |

এই শব্দসমূহলৈ লক্ষ্য কৰিলে দেখা যায় যে শব্দসমূহ প্ৰাচীন আৰ্যক্তৰত যেনেদৰে আছিল তেনেদৰে অসমীয়া ভাষাত অৰ্থগত প্ৰয়োগৰ দিশত একেদৰে ব্যৱহৃত হৈ আহিছে। এইখিনিতে এটা কথা মন কৰিবলগীয়া যে যদিও সংস্কৃতৰ পৰা অহা এই শব্দসমূহৰ আখৰ জোঁটনি সংস্কৃতৰ অনুৰূপ, তথাপি উচ্চাৰণৰ ক্ষেত্ৰত অসমীয়া ভাষাত কিছু তাৰতম্য দেখা যায়। যেনে- 'যশ' শব্দৰ 'শ'ৰ উচ্চাৰণ অসমীয়া ভাষাত 'স' ৰূপেহে হয়। আকৌ কেতিয়াবা 'ষ'ৰ উচ্চাৰণ 'স' নাইবা 'খ' ৰূপে হয়। যেনে- বিষ > বিখ, কাষ > কাখ।

অসমীয়া ভাষাৰ অৰ্ধ-তৎসম শব্দবোৰেও এক সুকীয়া তাৎপৰ্য বহন কৰে। সংস্কৃতৰ অৰ্ধ অৰ্থাৎ আধা আৰু তৎসম অৰ্থাৎ তাৰ সৈতে সমান, এনে পৰ্যায়ৰ শব্দবোৰক অৰ্ধ-তৎসম শব্দ বিচাপে ধৰা হয়। উদাহৰণস্বৰূপে কেইটামান শব্দ বিচাৰ কৰি চালে কথাষাৰ অধিক ফটফটিয়া হ'ব। যেনে-

| | |
|---|---|
| হৰ্ষ > হৰিষ | ভক্তি > ভকতি |
| মুক্তি > মুকুতি | বৰ্ষণ > বৰষণ |
| অগ্নি > অগনি | কৰ্ম > কৰম |
| ভক্তি > ভকতি | বাক্য > বাইক |
| সত্য > সইত ইত্যাদি। | |

সংস্কৃতৰ এই শব্দসমূহ ধ্বনি পৰিৱৰ্তনৰ জৰিয়তে সামান্য পৰিৱৰ্তন সাধন হৈ সৰলতৰ ৰূপত অসমীয়া ভাষাত প্ৰয়োগ হৈ আহিছে।

অসমীয়া জনজীৱনত গভীৰভাৱে ৰেখাপাত কৰা ৰাজনৈতিক ঘটনা-পৰিঘটনাসমূহেও অসমীয়া সমাজ-সংস্কৃতি তথা ভাষা-সাহিত্যৰো পৰিৱৰ্তনৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰিছে। মোৱামৰীয়া বিদ্ৰোহ, মানৰ আক্ৰমণ আদিয়ে যিদৰে অসমীয়া সমাজ-জীৱন সোলোক ঢোলোক কৰি পেলাইছিল, সেইদৰে ইয়াৰ সংস্কৃতিৰ বৰপেৰাতো আঁচোৰ বহুৱাইছিল। ইয়াৰ পাছতে হোৱা বৃটিছৰ শাসনে অসম তথা অসমীয়াৰ ৰাজনীতি, সমাজ, সংস্কৃতি, ভাষা-সাহিত্যলৈ সুদূৰপ্ৰসাৰী পৰিৱৰ্তন আনিলে। উল্লিখিত প্ৰতিটো দিশতে হোৱা পৰিৱৰ্তনৰ সদৰ্থক আৰু নঞৰ্থক দুয়োটা দিশেই বিচাৰ্যৰ বিষয়। কিন্তু আমাৰ এই আলোচনাত কেৱল ভাষাকহে প্ৰাধান্য দিয়া হৈছে। ভাষাভিত্তিক পৰিৱৰ্তন সম্পৰ্কীয় দিশত বৃটিছৰ আগমনে অসমীয়া ভাষাৰ শব্দমালাত প্ৰচুৰ ইংৰাজী শব্দৰ ব্যৱহাৰৰ সূচনা কৰিলে। বৃটিছৰ ঔদ্যোগিক প্ৰচেষ্টাই অসমত কল-কাৰখানা, চাহ বাগিচা, কয়লা খনি, খাৰুৱা তেল আদিৰ বাণিজ্যিক ব্যৱস্থাপনাৰ সূচনা কৰিলে। বৃটিছ অহাৰ লগে লগে শাসন ব্যৱস্থা সলনি হ'ল। সলনি হ'ল ব্যৱসায় বাণিজ্য আৰু জীৱনধাৰাৰ গতিপথো। লগে লগে এই দিশবোৰৰ লগত জড়িত শব্দসমূহেও অসমীয়া ভাষাত স্থান অধিকাৰ কৰিলে।

বৃটিছ শাসনৰ ফলত অসমীয়াই কি পালে, কি হেৰুৱালে এই কথা পাছলৈ থলেও নিজৰ মাতৃভাষাৰ ক্ষেত্ৰত কিন্তু এক বিপদজনক পৰিস্থিতিৰ সন্মুখীন হ'ল। সাৱলীল গতিত চৰ্চিত আৰু ব্যৱহৃত হৈ থকা অসমীয়া ভাষাৰ সন্মুখত গতিৰোধক হিচাপে ঠিয় দিলে 'অসমীয়া'ৰ পৰিৱৰ্তে 'বাংলা' ভাষাৰ প্ৰৱৰ্তনে বৃটিছে অসমৰ শিক্ষা ব্যৱস্থা, আইন-আদালত, কাৰ্যালয়ত অসমীয়া ভাষাৰ পৰিৱৰ্তে বাংলা ভাষাৰ প্ৰৱৰ্তন কৰে। এই সিদ্ধান্তই অসমীয়া ভাষা প্ৰচলনৰ ক্ষেত্ৰত অসুবিধাৰ সৃষ্টি কৰিলে।

কেইজনমান অসমপ্ৰাণ সুযোগ্য সন্তানৰ চেষ্টাই অসমীয়া ভাষা পুনঃ প্ৰতিষ্ঠা হোৱাত সহায় কৰিলে। এই ক্ষেত্ৰত খ্ৰীষ্টান মিছনেৰীসকলৰ অৱদানো উল্লেখনীয়। মিছনেৰীসকলে **অৰুনোদই**ত কাকত প্ৰকাশৰ জৰিয়তে অসমীয়া ভাষাত সাহিত্য চৰ্চাৰ এক সুকীয়া মঞ্চ গঢ়ি তোলে। অসমীয়া ভাষা পুনঃপ্ৰতিষ্ঠাৰ ক্ষেত্ৰত **অৰুনোদই** কাকতে ভূমিকা গ্ৰহণ কৰিলে যদিও ভাষাটোৰ গতি-প্ৰকৃতি সলনি হ'বলৈ ধৰিলে। খ্ৰীষ্টান মিছনেৰীসকলৰ মূল উদ্দেশ্য আছিল খ্ৰীষ্টান ধৰ্ম প্ৰচাৰ কৰা। কিন্তু শিক্ষাৰ পোহৰেৰে শিক্ষিত নকৰিলে আৰু নিজৰ মাতৃভাষাত নুবুজালে অসমত বসবাস কৰি থকা মানুহক খ্ৰীষ্টান ধৰ্ম সম্পৰ্কে বুজোৱাতো সহজ নহয়। সেয়েহে তেওঁলোকে যেনেদৰে পাৰে আৰু বুজে সেইদৰে অসমীয়া ভাষা প্ৰয়োগত গুৰুত্ব দিবলৈ ধৰিলে। অৱশ্যে এওঁলোকে অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ ক্ষেত্ৰত এক শৃংখলাবদ্ধ ৰূপ দিবলৈ প্ৰয়াস কৰিছিল বুলি ক'ব পাৰি। অৰুনোদইৰ লিখনীৰীতি সম্পৰ্কে স্পষ্ট মত দিছিল এনেদৰে—



"ভাষা লিখোতে, আখৰৰ যিমান জাতি, তিমানহে লিখিব লাগে, একে জাতিৰ দুই তিনি প্ৰভেদৰ সকাম নাই। জ, য়, য-ৰ এই দুয়োৰো একোটা উচ্চাৰণ; এই সেতুকে অন্তঃস্থ য় আৰু আন য নি লিখোঁ। শ, ষ, স তিনিটাৰে একে মাত, শ্ৰী, স্ৰী-ৰ একো ভেদ নে দেখোঁ; আমি কেৱল স-হে লিখোঁ। ন, ণ আৰু হ্ৰস্ব দিৰ্ঘতো এইদৰে বুজিবা। ভাষাত ৰণ নো বোলে; ৰনহে বোলে; পানী হ'লে পানি বোলে; পাপীৰ ঠাইত পাপি; কূলৰ ঠাইত কুল; সূৰ্যৰ ঠাইত সূৰ্জ বা সূৰুজ। আৰু ৰেফৰ পাচত এটা আখৰ দুটাকৈ নু ফুটে; পৰ্ব্বত নো বোলে, পৰ্বতহে বোলে; সৰ্ব্ব, ধৰ্ম্ম, কৰ্ম্ম, মৰ্ম্ম মুখত নোলাই; মৰম এই ৰূপে ওলাই। স্লোক লিখিলে সংস্ক্ৰিতৰ ভাবেৰে অৱস্যে লিখিব লাগে; ভাষাত হ'লে আমাৰ দাই ন ধৰিবা।" (—**অৰুনোদই**, এপ্ৰিল ১৮৫৪, ১১৩৩) অৰ্থাৎ **অৰুনোদই** নিয়ম অনুসৰি অসমীয়া ভাষাৰ আখৰ জোঁটনি হ'ব এনেধৰণৰ— জাত্ৰিকৰ জাত্ৰা, পানি, উদই, দাই ইত্যাদি।

মিছনেৰীসকলে এইদৰে অসমীয়া ভাষাৰ লিখন ৰীতি তথা আখৰ জোঁটনি সম্পৰ্কে অভিমত দিলেও, ই অসমীয়া ভাষাৰ ঐতিহাসিক গতি আৰু প্ৰকৃতিক প্ৰায় নিঃশ্চিহ্ন কৰি পেলোৱাৰ উপক্ৰম হোৱা যেন বোধ হয়। সেয়েহে **অৰুনোদই**ৰ এই আখৰ জোঁটনি সকলোৱে মনে-প্ৰাণে গ্ৰহণ কৰিব নোৱাৰিলে। হেমচন্দ্ৰ বৰুৱাই এই অভিমত নাকচ কৰি অসমীয়া ভাষাৰ আখৰ জোঁটনি সংস্কৃতৰ আৰ্হিত গ্ৰহণ কৰাত গুৰুত্ব প্ৰদান কৰিলে আৰু পাছলৈ সকলোৱে এই আৰ্হি গ্ৰহণ কৰিবলৈ ল'লে। **হেমকোষ**ৰ পাতনিত তেখেতে লিখিছে—

"আমাৰ ভাষাৰ বৰ্ণবিন্যাস তিনি প্ৰকাৰে দেখা যায়। প্ৰথমে উচ্চাৰণ অনুসৰি, দ্বিতীয়তে মূল শব্দৰ দৰে, তৃতীয়তে জনা লোকসকলে বহুদিন চলোৱা নিয়ম মতে।" —পাতনি, **হেমকোষ**

ভাষাৰ সৰলীকৰণ প্ৰক্ৰিয়া মানুহৰ এক সহজাত প্ৰবৃত্তি। মানুহে নিজৰ সুবিধা অনুসৰি উচ্চাৰণ কৰি মনৰ ভাব প্ৰকাশ কৰিবৰ বাবে ভাষাক অতীজৰে পৰা সৰলীকৃত কৰাৰ উপায় অৱলম্বন কৰি আহিছে। বিভিন্ন কাৰণত আৰু পৰিৱেশত অসমীয়া ভাষাইও পৰিৱৰ্তনৰ প্ৰক্ৰিয়া পাৰ হৈ আহিছে। দেশী, বিদেশী শব্দৰ প্ৰয়োগ আৰু পয়োভৰেও অসমীয়া ভাষাৰ শব্দসম্ভাৰলৈ পৰিৱৰ্তন আনিছে। এই পৰিৱৰ্তন মানি ল'লেও অসমীয়া ভাষাক শুদ্ধ, পৰিমাৰ্জিত আৰু পৰিশীলিত কৰাৰ স্বাৰ্থতেই বিভিন্ন সময়ত অসমীয়া আখৰ জোঁটনি সম্পৰ্কীয় আলোচনা-বিলোচনা, গ্ৰন্থ প্ৰণয়ন আদিৰ প্ৰয়োজন হৈছে আৰু বিভিন্ন সময়ত বিভিন্নজনে এই কাৰ্যৰ গুৰি বঠা ধৰি আহিছে। ইয়াৰ জৰিয়তে অসমীয়া ভাষালৈ অনেক সময়ত অহা ওজৰ-আপত্তি, হতাশা-নিৰাশা আঁতৰাই অসমীয়া ভাষা প্ৰয়োগ আৰু প্ৰচলনৰ এক সুস্থিৰ বাতাবৰণ সৃষ্টি কৰাৰ চেষ্টা চলোৱা হৈছে।

**হেমকোষ**-এ উলিয়াই দিয়া অসমীয়া ভাষাৰ আখৰ জোঁটনি প্ৰক্ৰিয়াকে সৰোগত কৰি ১৯৩৩ চনত অসম সাহিত্য সভাই **চন্দ্ৰকান্ত অভিধান** প্ৰকাশ কৰে। ১৯৩৮ চনত অসম চৰকাৰে অসমীয়া শব্দৰ বানান নিৰূপণৰ বাবে গঠন কৰা সমিতিখনে **হেমকোষ**ৰ আৰ্হিকে গ্ৰহণ কৰে। অসম সাহিত্য সভাই **আখৰ জোঁটনি সমস্যা** (১৯৮২), **আৰ্হি পাঠকৰ হাত পুথি** (১৯৯৭), **অসমীয়া আখৰ জোঁটনি জাতীয় কৰ্মশালা আৰু আলোচনা সত্ৰৰ সিদ্ধান্তসমূহ** (২০১০) প্ৰকাশ কৰে। তদুপৰি ডিম্বেশ্বৰ নেওগ, শিৱনাথ বৰ্মন, মহেশ্বৰ নেওগ, গোলোকচন্দ্ৰ গোস্বামী আদিয়ে অসমীয়া ভাষাৰ আখৰ জোঁটনি সম্পৰ্কীয় গ্ৰন্থ প্ৰকাশ কৰে।

অসমীয়া ভাষাৰ প্ৰয়োগৰ ক্ষেত্ৰত দেখা দিয়া মূল সমস্যাটো হ'ল আখৰ জোঁটনিৰ সমস্যা। ওপৰৰ আলোচনাৰ পৰা এটা কথা প্ৰতীয়মান হয় যে অসমীয়া ভাষাই প্ৰাচীন ভাৰতীয় আৰ্য শাখাৰ পৰা আহোঁতে ধ্বনিতাত্বিক দিশত যি পৰিৱৰ্তন লাভ কৰিছিল তাৰ অন্যতম এক হ'ল কিছুমান ধ্বনি বা আখৰ প্ৰয়োগ হ'লেও ইয়াৰ উচ্চাৰণ মূল সংস্কৃতৰ দৰে নহয়। অসমীয়া ভাষাত সংস্কৃতৰ আৰ্হিত ব্যঞ্জন বৰ্ণমালাৰ আখৰ তেত্ৰিশটা হয় যদিও ইবিলাকৰ উচ্চাৰণ সংস্কৃতৰ দৰে নহয়। যেনে- 'ট' ধ্বনি আৰু 'ত' ধ্বনিৰ উচ্চাৰণ পাৰ্থক্য অসমীয়া ভাষাত কৰোঁতে সংস্কৃতৰ দৰে উচ্চাৰণ কৰা নহয়। কিন্তু লিখোঁতে আমি এই ধ্বনিসমূহক শব্দৰ মূল অনুযায়ীহে লিখোঁ। সেয়েহে অসমীয়া ভাষাৰ আখৰ জোঁটনিৰ ক্ষেত্ৰত দেখা দিয়া সমস্যাটো নতুন বা সাম্প্ৰতিক যুগৰ সৃষ্ট সমস্যা নহয়।

কিন্তু বৰ্তমান সময়ত কিছুমান শব্দৰ ভুল প্ৰয়োগে ভাষাৰ সৌন্দৰ্য-হানি কৰাৰ লগতে শব্দ একোটাৰ অৰ্থ সুকীয়া কৰি দিয়ে। উদাহৰণস্বৰূপে আজিকালি সততে প্ৰয়োগ হোৱা 'ৰখি' থকা শব্দটোৱে অৰ্থ বিভ্ৰাটৰ সৃষ্টি কৰে। 'জল্‌দি আহা, মই তোমাৰ কাৰণে ৰখি আছোঁ'। উদ্ধৃত কথাষাৰত প্ৰয়োগ হোৱা 'ৰখি' শব্দই কোনোবা এজনে আন কোনোবা এজনলৈ ৰৈ থকা বা অপেক্ষা কৰাকে সূচাইছে। আমি এইষাৰ কথা শুনি শুনি অভ্যস্ত হ'লেও ইয়াত প্ৰয়োগ হোৱা 'ৰখি' শব্দৰ অৰ্থ সম্পূৰ্ণ সুকীয়া। ৰখি বা ৰখা শব্দই কিবা পহৰা দিয়া কাৰ্যহে

বহন কৰে। যেনে- ‘সি আজি গৰু ৰখিবলৈ যাব’, ‘ঘৰত গৰু-ছাগলী ৰখিবলৈ মানুহ নাই’, ‘মই আজি ইহঁতৰ ঘৰৰখীয়া’ ইত্যাদি। বৰ্তমান সময়ত প্ৰয়োগ হোৱা কিছুমান বাক্যত বিভক্তিৰ প্ৰয়োগো খেলিমেলি হোৱা দেখা যায়। যেনে- ‘মই যোৰহাটত যাম।’ ইয়াত হ’ব লাগে মই যোৰহাটলৈ যাম। ত আৰু লৈ এই দুয়োটা বিভক্তি প্ৰয়োগ অসমীয়া ভাষাত বেলেগ বেলেগ অৰ্থত হয়।

বিশ্বায়নৰ প্ৰভাৱ, ছপা মাধ্যমৰ সম্প্ৰসাৰণ, গণ মাধ্যমৰ দ্ৰুত আৰু বহল প্ৰয়োগে অসমীয়া ভাষাৰ শব্দৰ প্ৰয়োগত (ই ধ্বনিগতই হওঁক অথবা ৰূপতত্ব সম্পৰ্কীয়ই হওঁক) অনেক পৰিৱৰ্তন আনিছে। উদাহৰণস্বৰূপে— বৰ্তমান অত্যাধুনিক যন্ত্ৰসমূহত প্ৰেৰিত বাৰ্তাসমূহত এনেধৰণে অহাও পোৱা যায়- ‘bht bhl lgs’ (বহুত ভাল লাগিছে), ‘lgb nk’ (লাগিব নেকি) ইত্যাদি। অৱশ্যে ব্যক্তিগত পৰ্যায়ত সময়ৰ অভাৱ বুলি ভাবি কৰা এই যোগাযোগ মানি ল’লেও, সামূহিক দিশত যাতে আগনাবাঢ়ে তাৰ প্ৰতি আমি সচেতন হোৱাটো অত্যন্ত জৰুৰী।

অকল এয়ে নহয়, অসমীয়া ভাষাৰ শব্দ প্ৰয়োগত দেখা দিয়া সমস্যাৰাজিৰ দিশত যোগ দিব পৰা আন কেইটামান কাৰণ হ’ল—

(ক) অসমীয়া ভাষা শিক্ষণ আৰু পঠনৰ প্ৰতি অনীহা।

(খ) ব্যাকৰণ বা অভিধানৰ অনুকৰণৰ পৰা সম্পূৰ্ণ বিৰত থকা।

(গ) ভাষা এটা যি ভাষাই নহওক শুদ্ধকৈ ক’বলৈ বা লিখিবলৈ শিকাতকৈ ‘কাম চলিলেই হ’ল’ ধৰণৰ ভাব মনত পুহি ৰখা।

অসমীয়া ভাষাৰ শব্দ প্ৰয়োগত জল্‌জল্ পট্‌পট্‌কৈ ওলাই থকা এই সমস্যাসমূহ সমাধানৰ বাবে সামূহিক প্ৰয়াস আৰু প্ৰচেষ্টাৰ প্ৰয়োজন। পাঠ্যক্ৰমসমূহৰ আখৰ জোঁটনিত সমৰূপতা, প্ৰশিক্ষণ প্ৰাপ্ত ভাষা শিক্ষকৰ প্ৰয়োজনীয়তা (‘খ’ আৰু ‘ক্ষ’ আখৰক চিনাকি কৰোঁতে কোনো শিশুক যদি ক গুৰিৰ খ বুলি শিকোৱা হয়, সেই শিশুটিয়ে জীৱনত ‘খ’ আৰু ‘ক্ষ’ৰ উচ্চাৰণৰ পাৰ্থক্য নুবুজিব), বৈদ্যুতিন মাধ্যমেই হওঁক বা ছপা মাধ্যমেই হওঁক শব্দৰ সঠিক আৰু শুদ্ধ প্ৰয়োগ হোৱাৰ প্ৰতি সচেতন হোৱা প্ৰয়োজন। বহু ভুলক আজিকালি ছপাৰ ভুল বুলি হাত সাৰিবলৈ বিচৰাৰ প্ৰৱণতা গা কৰি উঠিছে। ভাববোধক চিন ‘!’ ‘ ’ৰ দৰে ব্যৱহাৰ হোৱা কথাকে ক’ব পাৰি। দৰাচলতে ইয়াৰ শুদ্ধ ৰূপৰ প্ৰয়োগ ব্যৱস্থাও ছপা মাধ্যমত নোহোৱা নহয়। গতিকে এইবোৰ ভুল অলপ সচেতন হ’লেই শুধৰাব পাৰি। সময়োচিত সচেতনতাই ভাষা এটাক আনুষংগিক বেমেজালিৰ পৰা আঁতৰাই শুদ্ধৰূপত প্ৰচলন হোৱাত সহায়ক হিচাপে কাম কৰে। এই দিশত ভাষাটো প্ৰয়োগ কৰা লোকসকল সচেতন হোৱা নিতান্তই প্ৰয়োজনীয়।■

সহায়ক গ্ৰন্থপঞ্জী ঃ

■দাস, দীপক কুমাৰ (সম্পা.) ঃ **তথ্য আৰু তত্ত্বৰ আধাৰত ভাষাৰ বিচাৰ**, প্ৰকাশ- ২০১৬ ভৱানী বুক্‌ছ, গুৱাহাটী, অসম

■পাটগিৰি, দীপ্তি ফুকন ঃ **আধুনিক ভাৰতীয় আৰ্যভাষা**, প্ৰকাশ- ২০১৪, অসম পাব্লিচিং কোম্পানী, গুৱাহাটী

■বৰা, লীলাৱতী শইকীয়া (সম্পা.) ঃ **আধুনিক অসমীয়া গদ্য ১ম খণ্ড**, প্ৰকাশ-২০১৩, সাহিত্য অকাডেমি, নতুন দিল্লী

বৰুৱা, ভীমকান্ত ঃ **অসমীয়া ভাষা**, প্ৰকাশ- ১৯৯৭, বনলতা,ডিব্ৰুগড়।

ভাষাত শিক্ষিতৰ আধিপত্য নৰজে, ই জনসাধাৰণৰ সম্পত্তি। — পদ্মনাথ গোহাঞিবৰুৱা





# অসমীয়া ভাষাত টাইমূলীয় উপাদান

ড° বিজু মৰাণ

চিন্তাশক্তি আৰু বাক্‌শক্তি — এই দুয়োটা প্ৰধান শক্তিয়ে মানুহক ইতৰ প্ৰাণীৰপৰা পৃথক কৰি ৰখাৰ লগতে জীৱশ্ৰেষ্ঠ হিচাবে পৰিগণিত হোৱাত প্ৰধান ভূমিকা গ্ৰহণ কৰি আহিছে। মানুহৰ মনৰ ভাৱ প্ৰকাশ কৰা প্ৰধান মাধ্যমটোৱেই হ’ল ভাষা। সংস্কৃত ভাষ্ ধাতুৰপৰা ভাষা শব্দটো সিদ্ধ হৈছে আৰু ইয়াৰ অৰ্থ হ’ল ব্যক্ত বাণী। মানুহে মনৰ ভাৱ প্ৰকাশ কৰিবলৈ বাগিন্দ্ৰিয়ৰ সহায়ত কিছুমান ধ্বনি প্ৰাথমিক পৰ্যায়ত উচ্চাৰণ কৰে আৰু এক বা একাধিক ধ্বনিৰ অৰ্থবহ সমষ্টিয়েই হ’ল শব্দ। এনে শব্দসমূহৰ ওপৰত কেতবোৰ গাইগুটীয়া অৰ্থ আৰোপ কৰা থাকে আৰু বক্তাই মনৰ ভাৱ অনুসৰি এনে শব্দবোৰ উচ্চাৰণ কৰাৰ লগে লগে শ্ৰোতাই পূৰ্ব ধাৰণাৰ আধাৰত অৰ্থ বুজি উঠে।

অসমৰ ৰাজ্যভাষা অসমীয়া এটা আৰ্যমূলীয় ভাষা। পৃথিৱীৰ সৰ্ববৃহৎ ভাষা পৰিয়াল ইন্দো-ইউৰোপীয়ৰ অন্যতম এটা শাখা ভাৰতীয় আৰ্যভাষাৰ ক্ৰমবিৱৰ্তনৰ ফলস্বৰূপে বাংলা, উড়িয়া আদি আধুনিক ভাৰতীয় ভাষাসমূহৰ দৰে অসমীয়া ভাষাৰ উদ্ভৱ হৈছে। খ্ৰীষ্টাব্দ দশম শতিকা মানৰেপৰা অসমীয়া ভাষাই সুকীয়া ৰূপ ল’বলৈ আৰম্ভ কৰে আৰু এহেজাৰ বছৰতকৈও অধিক কাল অতিক্ৰম কৰি বৰ্তমান অৱস্থাত উপনীত হৈছেহি। অসমীয়া ভাষাই ক্ৰমবিকাশৰ কালছোৱাত নানা ভাষাৰ প্ৰভাৱলৈ আহে আৰু পাৰস্পৰিকভাৱে ভাষিক উপাদানৰ আদান-প্ৰদান ঘটে। নানা ভাষাৰ সংস্পৰ্শলৈ অহাত আন ভাষাৰ উপাদান অসমীয়া ভাষালৈ আহে আৰু অসমীয়া ভাষাৰ উপাদান সিবোৰ ভাষাত সোমাই পৰে। এটা ভাষাৰপৰা আন এটা ভাষালৈ ভাষিক উপাদানৰ সৰবৰাহ ভাষাৰ স্বাভাৱিক ধৰ্ম। ভাষাৰ লগত ভাষাৰ সংঘৰ্ষ অনিবাৰ্য আৰু এনে সংঘৰ্ষৰ ফলত এটা ভাষাৰ উপাদান আন এটা ভাষাত প্ৰৱেশ কৰে। সেয়ে অসমীয়া ভাষাত সংস্কৃতমূলীয় উপাদানৰ উপৰি অনাৰ্য ভাষাৰ ভালেমান উপাদান সোমাই পৰিছে। এনে ভাষাসমূহৰ ভিতৰত অসমৰ টাইমূলীয় ভাষাসমূহ অন্যতম। অসমৰ ভাষাসমূহৰ পৰিপ্ৰেক্ষিতত টাইমূলীয় ভাষা বুলিলে টাই ভাষাৰ অন্তৰ্গত আহোম, খামতি, ফাকে, টুৰুং, আইতন আৰু খাময়াং এই ছটা ৰূপক বুজা যায়।

অসমীয়া ভাষা খ্ৰীষ্টাব্দ দশম শতিকাৰপৰা ক্ৰমাৎ বিকাশৰ দিশলৈ আগবঢ়াৰ পথত বৰ্তমান অসম নামৰ তাহানিৰ ভূমিখণ্ডলৈ আগমন ঘটে প্ৰথমটো টাই দল

আহোমসকলৰ আৰু তেওঁলোকেই পোনপ্ৰথমে অসমলৈ টাই ভাষা লৈ আহে। অসমৰ ভাষিক জগতত এয়া এক গুৰুত্বপূৰ্ণ ভাষিক পৰিঘটনা কাৰণ ইয়াৰ পূৰ্বতে অসমৰ ভাষাৰ জগতত একাক্ষৰী ভাষা নাছিল। ই কেৱল অসমৰে নহয় সমগ্ৰ ভাৰতবৰ্ষৰে ভাষিক জগতৰ বাবেই অতিশয় গুৰুত্বপূৰ্ণ সংযোজন। টাই আহোমসকলে ত্ৰয়োদশ শতিকাৰ প্ৰাৰম্ভতে অসমত পদাৰ্পণ কৰে আৰু কালক্ৰমত অসমৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে। সংখ্যাত সীমিত আহোম লোকসকলে পোনতে টাই ভাষাৰে দৈনন্দিন কাম কাজ চলোৱাৰ লগতে বুৰঞ্জীও প্ৰণয়ন কৰিছিল। ইয়াৰ পৰৱৰ্তী ষোড়শ শতিকাৰ প্ৰায় মাজভাগৰপৰা তেওঁলোকে অসমীয়া ভাষাত বুৰঞ্জী ৰচনা কৰিবলৈ আৰম্ভ কৰে। ইয়াৰপৰা প্ৰমাণ পোৱা যায় যে অসমলৈ আগমনৰপৰা প্ৰায় চাৰিশ-পাঁচশ বছৰৰ ভিতৰত অসমীয়া ভাষাই আহোম ৰাজদৰবাৰত বিশেষ স্থান লাভ কৰিছিল আৰু অতি কম সময়ৰ ভিতৰত অসমীয়া ভাষা তেওঁলোকৰ মাজত অপৰিহাৰ্য ভাষাৰূপে পৰিগণিত হৈ পৰিছিল। সেয়েহে বুৰঞ্জীৰ দৰে গ্ৰন্থতো টাই ভাষাৰ লগতে অসমীয়া ভাষাইও স্থান লাভ কৰিছিল। ইয়াৰ ফলত টাই ভাষা আৰু অসমীয়া ভাষাৰ মাজত ভাষিক উপাদান আদান প্ৰদানৰ পথ সুচল হৈ পৰিছিল। এই সম্পৰ্কে এডৱাৰ্ড গেইটে এষাৰ অতি সাৰুৱা মন্তব্য আগবঢ়াইছে এনেদৰে — "সম্ভৱতঃ কাৰণটো এয়ে আছিল যে অসম উপত্যকাত থকা জনসংখ্যাৰ অনুপাতত আহোম লোকৰ সংখ্যা অতি কম আছিল আৰু তেওঁলোকৰ অধীনলৈ অহাত কিবা এটা উমৈহতীয়া ভাষাৰ প্ৰয়োজন হ'ল। আহোম ভাষা আৰু অসমীয়াৰ মাজৰপৰা এটা ভাষা বাচি ল'বলগীয়া হ'ল। পাচৰটো আৰ্য ভাষা হোৱা কাৰণে ইয়াৰ শক্তি আছিল আৰু হিন্দু পুৰোহিতসকলৰ প্ৰভাৱো ইয়াৰ সপক্ষে আছিল।" কালক্ৰমত উদাৰ আহোমসকলে অসমীয়া ভাষাকে ৰাজ ভাষাৰ মৰ্যাদা প্ৰদান কৰে। এনে সুচল সংস্পৰ্শৰ ফলত টাই ভাষাৰ ভালেমান উপাদান অসমীয়া ভাষাত সোমাই পৰে। টাইমূলীয় ভাষাৰপৰা অসমীয়া ভাষালৈ সীমিত পৰিমাণৰ উপাদান অহাক লৈ কেইবাটাও কাৰণ ঠাৱৰ কৰিব পাৰি। প্ৰথমতে, টাইমূলীয় ভাষাসমূহ পৃথিৱীৰ দ্বিতীয় বৃহৎ চীন-তিব্বতীয় ভাষা পৰিয়ালৰ থাই-চীন শাখাৰ ভাষা আৰু অসমীয়া ভাষা ইন্দো ইউৰোপীয় ভাষা পৰিয়ালৰ অন্তৰ্গত এটা ভাষা। দুয়োটা ভাষা পৰিয়ালৰ ভাষাৰে বৈশিষ্ট্যসমূহ সুকীয়া সুকীয়া আৰু বিপৰীতমুখী। অসমীয়া ভাষা বহুঅক্ষৰী, যোগাত্মক আৰু ৰূপাত্মক আনহাতে টাইমূলীয় ভাষাসমূহ একাক্ষৰী, অযোগাত্মক আৰু অৰূপাত্মক। দেখা যায় যে একে পৰিয়ালৰ ভাষাৰ মাজত উপাদানৰ সৰবৰাহৰ গতি ক্ষিপ্ৰতৰ হয় আৰু ভিন্ন পৰিয়ালৰ ভাষাৰ মাজত এই ক্ষিপ্ৰতা কমি আহে। কাৰণ উপাদান সৰবৰাহৰ সুচলতা ভিন্ন পৰিয়ালৰ ভাষাৰ মাজত তুলনামূলকভাৱে কম। দ্বিতীয়তে, অসমলৈ অহা প্ৰথমটো টাই দল আহোমসকলে প্ৰথমে টাই ভাষাৰে দৈনন্দিন জীৱনৰ কাম-কাজ চলোৱাৰ লগতে সাহিত্যতো ব্যৱহাৰ কৰিছিল। কিন্তু কালক্ৰমত টাই ভাষাৰ ব্যৱহাৰ কমি আহে আৰু ইয়াৰ ঠাই লয় অসমীয়া ভাষাই। দুয়োটা ভাষাৰ লগত যদি আহোমসকল সমান্তৰালভাৱে সংপৃক্ত হৈ থাকিলহেতেন তেন্তে নিশ্চয়ভাৱে অসমীয়া ভাষালৈ আৰু পৰ্যাপ্ত পৰিমাণৰ শব্দৰ আগমন ঘটিলহেতেন। আনহাতে আহোমসকলৰ পৰৱৰ্তী কালত অহা আন পাঁচটা টাই দলৰ অসমীয়া ভাষাৰ লগত ঘনিষ্ঠতা গঢ় লৈ উঠা বৰ বেছি দিন হৈছে বুলিব নোৱাৰি। সেয়েহে এই কেইটা ৰূপৰপৰা অসমীয়া ভাষালৈ উপাদান সৰবৰাহ হোৱাৰ সুৰুঙা তেনেই কম।

অসমীয়া ভাষাত থকা টাইমূলীয় উপাদান সম্পৰ্কে বাণীকান্ত কাকতি, উপেন্দ্ৰনাথ গোস্বামী, ভীমকান্ত বৰুৱা আদি পণ্ডিতসকলে যথোপযুক্ত উদাহৰণসহ আলোচনা আগবঢ়াইছে। ইয়াৰ উপৰি ৰায়চাহেব গোলাপ চন্দ্ৰ বৰুৱা আৰু নন্দনাথ দেওধাই ফুকনৰদ্বাৰা যুটীয়াভাৱে সম্পাদিত Ahom Lexicons নামৰ গ্ৰন্থত শব্দগত উপাদানসমূহ বিস্তৃতভাৱে উল্লেখ কৰা হৈছে। এই কথা স্মৰ্তব্য যে এটা ভাষাৰপৰা আন এটা ভাষালৈ শব্দগত উপাদানেই অতি সহজে সৰবৰাহ ঘটে। অসমীয়া ভাষালৈও টাইমূলীয় ভাষাৰপৰা প্ৰধানভাৱে শব্দগত উপাদানৰহে আগমন ঘটিছে। ইয়াৰ ভিতৰত ঠাইৰ নাম, নদীৰ নাম আদি নামবাচক শব্দ, সম্বন্ধবাচক শব্দ বিশেষভাৱে উল্লেখযোগ্য।



অসমীয়া ভাষালৈ অহা টাইমূলীয় শব্দবোৰৰ ভিতৰত কিছুমান শব্দ হুবহু ৰূপত আৰু কিছুমান শব্দ আভ্যন্তৰীণ ধ্বনি পৰিৱৰ্তন হৈ অসমীয়াত প্ৰৱেশ ঘটিছে। উল্লেখৰ নিষ্প্ৰয়োজন যে ধ্বনিৰ এই পৰিৱৰ্তন উচ্চাৰণৰ তাৰতম্যৰ বাবে ঘটিছে। এনে শব্দ কিছুমান হৈছে — উম্, ওলমা, আউনি, বুঢ়া-মেথা, লাই, হেংদান, হিলৈ, হাই, মোহন, মিট, বান, পুলিন পুথাও, পুথা, দাং, টোম, চৌতাং, চিৰিং, চেনাই, চক্‌লং, চাওদাং, চাংমাই, চাং, খুদ, খোৰোং, খাং, খং, কেৰু, কাৰেং, কাৰ্ফাই, কাই, খাটাং, খাপ, টকৌ, থোঙা, লাও পানী, পুং, বুৰঞ্জী, আংমৰা আদি। আনহাতে নামবাচক ভালেমান টাইমূলীয় শব্দ অসমীয়া ভাষাত প্ৰচলিত হৈ আছে। Ahom Lexicons আৰু ভীমকান্ত বৰুৱাৰ 'ভাষাৰ ইতিবৃত্ত' নামৰ গ্ৰন্থৰপৰা এনে শব্দ কিছুমান উদাহৰণস্বৰূপে দাঙি ধৰা হ'ল — পাটকাই, টিৰাপ, নামৰূপ, টিপাম, টিপঙ, মাকুম, টিংখাং, টিপ্লিং, পাৱৈ, চামডাং, চৰাইদেউ, টিকক, টিংৰাই, লিডু, চেপন, নামছাং, চন্তক, নামতি, টিফুক, নাফুক, চক্ৰাই, নাজিৰা, লালুক, টংলা, চাংসাৰি, টিহু, খোৱাং, নামদাং, নাম খুন, নাম খে, নাম চিক, নাম জিন, কলং আদি। সম্বন্ধবাচক ভালেমান শব্দও টাই ভাষাৰপৰা অসমীয়া ভাষাত ব্যৱহৃত হৈ আহিছে। এনে শব্দ কিছুমান হ'ল — পুথাও, এনাই, নিচাও, আপা, আথাও, মেথাও, পুলিন-পুথা আদি।

ধ্বনিগত দিশৰ পৰা চালে দেখা যায় যে অসমীয়া ভাষা আৰ্যমূলীয় আৰু অসমীয়া ভাষাত ব্যৱহৃত স্বৰ আৰু ব্যঞ্জন ধ্বনিসমূহ সংস্কৃতৰ অনুক্ৰমেই ব্যৱহাৰ হৈছে যদিও অসমীয়া ভাষাত এই ধ্বনিসমূহৰ ধ্বনিগুণ সলনি হৈছে। সংস্কৃত ভাষাত ব্যৱহৃত ত, থ, দ, ধ আদি ব্যঞ্জন ধ্বনিবিলাক দন্ত্য আৰু মূৰ্দ্ধণ্য এই দুয়ো ৰূপত পোৱা যায় যদিও অসমীয়া ভাষাত ইয়াৰ উচ্চাৰণ দন্তমূলীয়। লিখিবৰ বাবে অসমীয়া ভাষাত দুয়ো প্ৰকাৰ ধ্বনি আছে যদিও উচ্চাৰণৰ দিশত ই দন্তমূলীয় ধ্বনিহে। আনহাতে অসমত প্ৰচলন হৈ থকা টাইমূলীয় ভাষাসমূহতো এই দন্তমূলীয় ধ্বনিৰহে উচ্চাৰণ পোৱা যায়। দুয়োটা ভাষাৰ উচ্চাৰণগত দিশলৈ চাই দন্তমূলীয় ধ্বনিৰ উচ্চাৰণ টাইমূলীয় ভাষাৰ প্ৰভাৱ বুলিব পাৰি। আনহাতে ৰূপগত দিশতো সীমিত পৰিমাণৰ উপাদান অসমীয়া ভাষালৈ অহা বুলি ঠাৱৰ কৰিব পাৰি। অসমীয়া ভাষাত দ্বিৰুক্তিৰ জৰিয়তে বহুবচন বুজোৱাটো এটা স্বাভাৱিক প্ৰক্ৰিয়া। দ্বিৰুক্তিৰ জৰিয়তে বহুবচন বুজোৱাটো টাইমূলীয় ভাষাসমূহতো বহুলভাৱে ব্যৱহাৰ হোৱা দেখা যায়। যেনে — নাম নাম মাক ৱান অৰ্থাৎ বহুত বহুত কমলা। টাইমূলীয় ভাষাৰসৈতে অসমীয়া ভাষাৰ সাদৃশ্য থকা এই পদ্ধতিটো টাইমূলীয় ভাষাৰপৰা অসমীয়া ভাষালৈ অহাৰ সম্ভাৱনীয়তাৰ কথা বিশিষ্ট ভাষাবিদ ড° ভীমকান্ত বৰুৱাই তেখেতৰ 'ভাষাৰ ইতিবৃত্ত' নামৰ গ্ৰন্থত উল্লেখ কৰিছে। ইয়াৰ উপৰি তেখেতে অসমীয়া ভাষাত ব্যৱহৃত ধ্বন্যাত্মক শব্দৰ ক্ষেত্ৰতো টাইমূলীয় ভাষাৰ উপাদান আছে বুলি উল্লেখ কৰিছে। এই দিশত বিস্তৃত অধ্যয়নৰ থল আছে। ■

ভাষাই মানুহক এক কৰে, ৰাজনীতিয়েহে ভাগ কৰে। — যতীন গোস্বামী

# সাহিত্যৰ দৃষ্টিৰে ডাইনী

## ( মিক্‌চিজিলি আৰু চামিয়ানাৰ বিশেষ উল্লিখনেৰে)

ড° স্মৃতিৰেখা চেতিয়া সন্দিকৈ

০.০

### প্ৰস্তাৱনা

সাহিত্য সমাজৰ দাপোনস্বৰূপ। সামাজিক সমস্যাই সাহিত্যৰ বিষয়বস্তু নিয়ন্ত্ৰণ কৰে। ধৰ্মীয় বিশ্বাসেৰে সিক্ত অসমীয়া সমাজৰ মন মগজুত ধৰ্মৰ লগে লগে অন্তসলিলাৰ দৰে বৈ আছে অন্ধবিশ্বাস। অন্ধবিশ্বাসৰ ফাঁকেৰে সমাজত ডাইনীৰ নামত নিৰীহ লোক বলি হৈ আহিছে। বৰ্তমান সভ্যতাৰ কলংক স্বৰূপ এই ডাইনী সমস্যা বহু সমাজৰ জলন্ত সমস্যা। বিজ্ঞানৰ জয়জয় ময়ময় দিনতো বহু লোক ইয়াৰ ভয়ংকৰ হাতোৰাৰ পৰা মুক্ত হ'ব পৰা নাই। ২০০১ চনৰ পৰা ২০১৭ চনলৈ ১৯৩ (৭৯ পুৰুষ আৰু ১১৪ মহিলা) টা ডাইনী হত্যাৰ গোচৰ পঞ্জীয়ন হৈছে।[১] অসমৰ বহু সমাজ জীৱনত ডাইনী সমস্যাই অভিশাপ হৈ সমাজ বিষাক্ত কৰিছে লগতে নিৰীহ লোকৰ জীৱন কাঢ়ি নিছে, সুবিধাবাদী এচামে নিজৰ স্বাৰ্থৰ বাবে এই অন্ধবিশ্বাসক ব্যৱহাৰ কৰি সমাজৰ প্ৰগতিত বাধা দিছে আৰু সমাজসেৱী কিছু লোকে নিজৰ জীৱন বিপন্ন কৰিও সমাজক এই অভিশাপৰ পৰা মুক্ত কৰিবলৈ অহৰহ চেষ্টা কৰি আছে। যতীন মিপুনৰ **মিক্‌চিজিলি** আৰু **মণিকুন্তলা ভট্টাচাৰ্যৰ চামিয়ানাত** এই সমস্যাৰ বিশেষ প্ৰতিফলন ঘটিছে।

### ১.১ বিষয় বিশ্লেষণ

**মিক্‌চিজিলি**

যতীন মিপুনৰ **মিক্‌চিজিলি** উপন্যাসখন মিচিং জনসমাজৰ পটভূমিত ৰচনা কৰা এখন সুখপাঠ্য উপন্যাস। মিচিং সমাজৰ বিভিন্ন সুখে দুখে পৰিপূৰ্ণ নাৰীসমাজ, সংস্কৃতি, আচাৰ-নীতি, হা-হুতাশা, বঞ্চনা-ক্ষোভ, নাৰী-পুৰুষৰ সম্বন্ধৰ জটিলতা, শোষণ, সুবিধাবাদীতা, অভাৱগ্ৰস্ততা এই সকলো দিশকে সামৰি ঔপন্যাসিকে উপন্যাসখনৰ কাহিনী সংগঠিত কৰিছে। বলোৰাম য়েইন, কাবুলী, সৰুমাই, মনেশ্বৰী, দেউৰাম, মণিকান্ত মাষ্টৰ, জয়ন্ত, অনন্ত, অৰুণা, ৰবীন, লখিমী আদি চৰিত্ৰৰ কাহিনীৰ যোগে মিচিং সংস্কৃতিৰ লগে লগে মানৱ সম্পৰ্ক আৰু জটিলতা ফুটাই তোলা হৈছে। উপন্যাসখনত চৰিত্ৰৰ প্ৰকাশ আৰু বিকাশে উপন্যাসখনক চৰিত্ৰপ্ৰধান উপন্যাস কৰি তুলিলেও ইয়াত মিচিং সংস্কৃতিৰ কেতবোৰ সাংস্কৃতিক দিশৰ প্ৰতিফলন অতি জীৱন্ত। ঔপন্যাসিকে সচেতনভাৱে মিচিং সমাজখনক আৰু সাংস্কৃতিক দিশবোৰ উপন্যাসখত ৰোপণ কৰিছে। এই দিশবোৰৰ লগে লগে মিচিং সমাজৰ লোকবিশ্বাস



আৰু অন্ধবিশ্বাসৰ দিশবোৰো প্ৰতিফলিত হৈছে।

মিচিং সমাজৰ এনে অন্ধবিশ্বাসৰ এটা অন্যতম দিশ হৈছে ডাইনী বিশ্বাসৰ সমস্যা। শৈক্ষিক আৰু অৰ্থনৈতিকভাৱে অনগ্ৰসৰ সমাজত সাধাৰণ জনতাৰ অজ্ঞানতা আৰু অসচেতনতাৰ সুযোগ লৈ এচামে বিশ্বাস বিয়পাই নিজৰ স্বাৰ্থ আদায় কৰি থাকে। **মিক্‌চিজিলি** উপন্যাসতো মিচিং সমাজৰ এই সমস্যাই কেনেকৈ নিৰপৰাধ লোকৰ প্ৰাণ কাঢ়ি নিছে সেয়া বৰ্ণিত হৈছে। মিচিং সমাজখন অনগ্ৰসৰ হোৱা বাবে ঘৰৰ যিকোনো অপায় অমংগল হ'লে 'মিবু' (বেজ-জ্ঞানী)ক দেখুওৱাৰ নিয়ম আৰু মিবুৱে যি বিধান দিয়ে তাকে গাঁওবাসীয়ে আখৰে আখৰে পালন কৰে। **মিক্‌চিজিলি** উপন্যাসতো দেওৰামৰ ঘৰত মন নবহা আৰু কাবুলী বুঢ়ীৰ অসুখৰ বাবে 'মিবু'ক মংগল চোৱাইছে। 'মিবু'ৱে মংগল চাই ৰাতি দুয়োটা ঘৰতে 'মন্ত্ৰ মাৰি' বলোৰাম বুঢ়াক ঘৰখনৰ কাৰোবাক লগত শত্ৰুতা আছে নেকি সুধিলে। বলোৰামে কাংকান বুঢ়ীৰ কথা ক'লত ৰাতিয়ে কাংকান বুঢ়ীৰ ঘৰৰ দিশটো 'মিবু'ৱে চিনি থ'লে। পুৱা অলপো কষ্ট নকৰাকৈ মিবুৱে আগদিনা ৰাতি আন্ধাৰৰ সুযোগ লৈ নিজেই চাংঘৰৰ তলত পুতি থোৱা টোপোলা দুটা পূজা কৰি উলিওৱাৰ ভাও ধৰিছে। লগতে তাৰ বাবে জগৰীয়া কাংকান বুঢ়ী বুলি ৰাইজক পতিয়ন নিয়াইছে। গাঁৱৰ যুৱকসকলে কাংকান বুঢ়ীক ধৰি আনি দিয়াত মিবুৱে তাইক মাৰি মাৰি হত্যা কৰিছে।

এই কাহিনীটোৰ জৰিয়তে ডাইনী বিশ্বাসে নিজৰ চিনাকি মানুহখিনিকো কেনেকৈ অচিনাকি কৰি পেলায়, কেনেকৈ অজ্ঞানতা আৰু ভয়ৰ সুবিধা লৈ এচামে নিজৰ সুবিধা আদায়ৰ বাবে নিৰপৰাধ মানুহক হত্যা কৰি আহিছে সেই ছবিখন স্পষ্ট হৈ পৰিছে।

মিবু বা মংগল চোৱা মানুহ মিচিং সমাজৰ এক বিশ্বাস। তাৰে সুবিধা লৈ উক্কাম মিবুৰ জন্ম। উক্কাম আছিল হাতীৰ মাউত। চোৰাংকৈ কাঠৰ কুন্দা টানি ধৰা পৰি বহুদিন জেইল খাটি যেতিয়া পুনৰ মাহফলা গাঁও ওলালহি তেতিয়া দীঘল চুলি, দাড়ি-গোফৰ উক্কাম নগাপাহাৰত থাকি মিবু হ'ল বুলি অঞ্চলটোৰ মানুহে বিশ্বাস কৰিবলৈ ল'লে।

বলোৰাম য়েইনৰ চেহেৰা নিজ সন্তানৰ গাত দেখা পাই দেউৰামে সংসাৰ আৰু পত্নী মনেশ্বৰীৰ প্ৰতি আকৰ্ষণ হেৰুৱাই সংসাৰৰ প্ৰতি হতাশ হৈ ঘৰলৈ নহা কথাটো দেওৰামৰ বাহিৰে কোনেও জনা নাছিল। কিন্তু দেওৰামৰ ঘৰ-বাৰীৰ প্ৰতি মোহ নোহোৱা দেখি তাক কোনোবাই যাদু-মন্ত্ৰ কৰিছে বুলি গাঁৱৰ মানুহে মিবুৰ সহায়ত তাক ঘূৰাই অনাৰ আশা কৰিছে। অসুখ আৰু বলোৰাম য়েইনৰ অৱহেলাই হতাশ কৰি পেলোৱা কাবুলী বুঢ়ীৰ অসুখৰ গুৰিতে যাদু-মন্ত্ৰ বুলি ভাবিছে গাঁৱৰ ৰাইজে।

মিবুৰূপী ভণ্ড উক্কামে আগদিনা আহি গাঁৱৰ মানুহৰ অসচেতনতাৰ সুবিধা লৈ ৰাতিৰ আন্ধাৰতে মনেশ্বৰী আৰু কাবুলীৰ চাঙৰ তলত নিজেই টোপোলা পুতিছে, ৰাতিপুৱা সেই টোপোলাক কোনোবাই যাদু কৰা বুলি গাঁৱৰ মানুহক পতিয়ন নিয়াইছে।

বলোৰাম য়েইনৰ কোনোবা শত্ৰু আছে নেকি বুলি মিবুয়ে বলোৰামক সোধাত কাংকান বুঢ়ীৰ লগত থকা সম্বন্ধ আৰু প্ৰতাৰণা কৰাৰ কথা বলোৰামে আদ্যোপান্ত কৈছে আৰু মিবুয়ে ৰাতিয়ে কাংকান বুঢ়ীৰ ঘৰৰ দিশ সম্পৰ্কে জানি থৈছে। পুৱা পূজা কৰাৰ ভাও ধৰি 'কাং' শব্দৰে নাম আৰম্ভ হোৱা আৰু পুব দিশত ঘৰ থকা এই সকলোবোৰৰ বাবে জগৰীয়া, তাই ডাইনী ধৰি আন বুলি গাঁৱৰ মানুহক উচতাইছে। মিবুৰ বেতৰ কোবত কাংকান বুঢ়ীৰ যেতিয়া প্ৰাণ গৈছে তেতিয়া ডাইনি গ'ল লগতে বুঢ়ীকো ডাইনীয়ে লৈ গ'ল বুলি মিবুয়ে গাঁৱৰ মানুহক পতিয়ন নিয়াইছে। ৰচকীয়ে যেতিয়া সৰুমাইক আগদিনা মিবুয়ে চাংঘৰৰ তলত টোপোলাকেইটা পুতি থোৱা তাই দেখিছিল বুলি ক'লে তেতিয়া সৰুমাইয়ে মিবুয়ে তাইকো মন্ত্ৰ মাৰি কিবা কৰি থ'ব বুলি মনে মনে থাকিবলৈ কৈছে। উক্কাম মিবুৰ বিষয়ে সকলো জানিও মানুহে 'মিবু' শব্দৰ লগত জড়িত থকা ভয়ৰ বাবে কাংকান বুঢ়ীৰ মৃত্যু ডাইনীৰ মৃত্যু বুলি স্বাভাৱিকভাৱে ল'লে।

উপন্যাসখনত ডাইনী অন্ধবিশ্বাসৰ এই ভয়াৱহতাই মিচিং সমাজৰ অন্ধবিশ্বাস আৰু অসচেতনতা আৰু উক্কাম মিবুৰ দৰে সুবিধাবাদীৰ নিৰপৰাধ লোকক কৰা হত্যা আৰু বলোৰামৰ দৰে লোকৰ চকু মুদা কুলিৰ ভাওৱে এই অন্ধবিশ্বাসক ভয়াৱহ ৰূপ দিয়া সমাজব্যৱস্থাৰ চিত্ৰ উন্মোচিত কৰিছে।

**চামিয়ানা**

ডাইনী অন্ধবিশ্বাসক আধাৰ হিচাপে লৈ ৰচনা হোৱা আন এখন উপন্যাস হ'ল মনিকুন্তলা ভট্টাচাৰ্যৰ **চামিয়ানা**। উপন্যাসখনত মহাশ্বেতা আৰু লক্ষ্মীকান্তৰ সুগভীৰ সাংসাৰিক প্ৰেমৰ গাঁথা আছে যদিও ঔপন্যাসিকৰ মূল উদ্দেশ্য ডাইনী বিশ্বাসৰ সমস্যা আৰু ভয়াৱহতা অংকণ কৰা।

ঔপন্যাসিকৰ নিজৰ ভাষাত অসম মহিলা সমতা ছ'চাইটিয়ে সক্ৰিয়তাৰে অহৰহ লাগি থকা নানানটা কাৰ্যসূচীৰ ভিতৰতে অন্ধবিশ্বাস নিৰ্মূলিকৰণৰ এই অংগ ডাইনী সমস্যাৰে অনুপ্ৰাণিত এই উপন্যাস। এক চূড়ান্ত অন্ধবিশ্বাসত নিজৰ সকলো মানৱীয়তা ভস্ম কৰি একেখন সমাজতে সুখে-দুখে একেলগে উঠা-বহা কৰা এজনকে হঠাতে কেনেকৈ অত্যাচাৰেৰে জৰ্জৰিত কৰি পেলাব পাৰে, মৃত্যুলৈ ঠেলি দিব পাৰে, এয়া অত্যন্ত পৰিতাপৰ কথা। উপন্যাসখনত তেনে চিত্ৰৰ মাজেৰেই সমাজৰ আন্ধাৰ দিশটোৰ ফালে লণ্ঠন দাঙি ধৰাৰ প্ৰয়াস কৰা হৈছে।[২]

উপন্যাসখনৰ কাহিনী আৰু পৰিস্থিতি গোৱালপাৰা জিলাৰ পটভূমিত উপস্থাপন কৰা হৈছে। অসম মহিলা সমতা ছ'চাইটিৰ কৰ্মচাৰীৰূপে যোৱা শ্বেতাই নাৰীৰূপে পদে পদে লোলুপ পুৰুষৰ মুখামুখী হোৱা অসহ্যকৰ পৰিস্থিতি, লক্ষ্মীকান্তৰ দৰে পুৰুষৰ ছাঁত জীৱনৰ জিৰণি ল'বলৈ পোৱাৰ সৌভাগ্য আৰু শান্তিৰ মাজে মাজে শ্বেতাই কৰ্মসূত্ৰে যিবোৰ অভাৱনীয় পৰিস্থিতিৰ লগত মোকাবিলা কৰিব লগা হৈছে সেইবোৰ হৈছে নিৰ্দোষীজনৰ জীৱন তচনচ কৰি দিয়া ডাইনী বিশ্বাস। যি বিশ্বাসে এদল মানুহক জিঘাংসু কৰি তোলে। ঔপন্যাসিকৰ নিজৰ ভাষাত "...উপন্যাসখনৰ কিছুমান চৰিত্ৰ তেতিয়াই লগ পোৱা। দুই একৰ ক্ষেত্ৰতহে কল্পনাৰ ৰহন সনা হৈছে।"[৩] তেনে বলি হোৱা কেইগৰাকীমান নাৰী হৈছে কাঞ্চন ৰাভা, হৰবালা, পবিত্ৰী হাজোৱাৰী, ভদ্ৰেশ্বৰী আদি।

ঝাকুৰাপাৰাৰ কাঞ্চন ৰাভাৰ জায়েক শয্যাগত আছিল। ৰোগীৰ হৈ দেওৰেকে বৌৱেক কাঞ্চনক ডাইনী বুলি চিনাক্ত কৰে। গওঁৰাই ৰাতি মেল পাতি কাঞ্চনৰ লগত পৰিয়ালটোৰ জৰিমনা বিহি অত্যাচাৰ চলায়। কাঞ্চনৰ ওপৰত পাশৱিক অত্যাচাৰ চলোৱাৰ পাছত সহ্য কৰিব নোৱাৰি ডাইনী হয় বুলি স্বীকাৰ কৰাৰ পাছত তাইক গাঁৱৰ পৰা বাহিৰ কৰি দিয়ে।

ডাইনী অন্ধবিশ্বাসৰ বলি হোৱা আন এগৰাকী নাৰী হ'ল ফকিৰপাৰাৰ পবিত্ৰী হাজোৱাৰী। গাঁৱৰ এজনী ছোৱালীৰ অসুস্থতাৰ বাবে বেজৰ কথামতে পবিত্ৰীক ডাইনী সজালে। পবিত্ৰীক হুকুম দিয়া হ'ল তিনি দিনৰ ভিতৰত ছোৱালী ভাল কৰি দিব নোৱাৰিলে পবিত্ৰীৰ ল'ৰা-ছোৱালীক গাঁৱৰ পৰা খেদাই দিয়া হ'ব আৰু পতি-পত্নী দুয়োকে জীৱন্তে সমাধিস্থ কৰা হ'ব।

কন্যাকুছিৰ ভদ্ৰেশ্বৰীয়ে অলপ অচৰপ জৰা-ফুকা কৰিছিল, মুখলগা ভাঙিছিল, পানী জাৰি দিছিল, সপোন নেদেখিবলৈ মাদলি বান্ধি দিছিল। গাঁৱৰে এগৰাকীৰ সন্তান ওপজাৰ পাছতে পাণ্ডুৰোগে লম্ভিলে। তাই ঔষধ দিলে। কিন্তু মধুমেহ আৰু পাণ্ডুৰে একেলগে লম্ভা ৰোগীৰ গাত পানীৰ ডাঙৰ টেমুনা উঠিল। মাকৰ যতন নাপাই কেঁচুৱাও থৰ হ'ল। বেজ মতা হ'ল। তাৰ ভাগৰ মধুফল ভদ্ৰেশ্বৰীয়ে খাই থকাৰ পোতক তুলিবলৈ বেজে ক'লে, "বাজ কৰি দে গাঁৱৰ পৰা ভদ্ৰেশ্বৰীক। চোবাব তাই মানুহ, পুবা-পশ্চিমাকৈ খুঁটি পুতি বহিছে তাই, ডাইনী তাই, আৰু চোবাব মানুহ, কেঁচাই চোবাব কেঁচুৱাবোৰক, চুহি খাব মতাবোৰৰ তেজ, আৰু টেঁটুত ধৰি আফলিয়াই মাৰিব তিৰোতামখাক। বাজ কৰি দে তাইক।..."

ভদ্ৰেশ্বৰীক ধৰি অনা হ'ল, চৰিওৱা হ'ল, লথিওৱা হ'ল, গচকা হ'ল, হাত পকাই দিয়া হ'ল, গচত পঘাৰে বন্ধা হ'ল, চুলিবোৰ খলপা-খলপে কটা হ'ল, আধা নাঙঠ দেহত আঁকি-বাঁকি পেলোৱা হ'ল, মৰাগৰু চোঁচোৰাই নিয়াদি পঘাৰে বান্ধি চোঁচোৰাই নিয়া হ'ল, পৰিয়ালটোক পগলা কুকুৰ খেদাদি টঙনিয়াই টঙনিয়াই খেদোৱা হ'ল, সিহঁতৰ ঘৰ জ্বলাই দিয়া হ'ল। তাই ঢলি পৰিল। গাঁৱৰ মানুহে এৰি থৈ গ'ল। সংজ্ঞা ঘূৰাই পোৱা ভদ্ৰেশ্বৰী হৈ পৰিল মানসিক ৰোগী।

গালচিৰা বৈষ্টমপাৰাৰ পঁয়ত্ৰিশ বছৰীয়া হৰবালাৰো আছে একেই অধ্যায়। গাঁৱৰে ছোৱালী এজনী শিমলু আলু খাই বেমাৰত পৰিল। আলু সংগ্ৰহ কৰিছিল তেওঁ। ছোৱালীজনীয়ে খোৱা আলুত তাই মন্ত্ৰ মাৰি দিছিল বোলে। ফলা বাঁহেৰে মৰিয়াই মৰিয়াই কেঁচা পায়খানাৰ গাঁতত গতিয়াই পেলালে, আজুৰি খহাই নিলে ডিঙিৰ ৰূপৰ চেইন, কাণৰ ফুলি, খহাই নিলে শৰীৰৰ পোছাক, জংঘলৈ চুঁচৰি লজ্জা নিবাৰণৰ বাবে যাওঁতে চুলিত ধৰি আনি ডিঙিত ৰছী লগাই চোঁচোৰাই নিলে। তাৰ পাছত তিয়নি এখন দি অটোত উঠাই পঠাই দিয়ে আৰু পকী ৰাস্তাত নমাই দিয়ে।

এই ডাইনী অন্ধবিশ্বাস নোহোৱা কৰিবলৈ এই ছ'চাইটিৰ উপৰিও অনৰ্গল কাম কৰি আছে বিৰুবালা ৰাভাই। শিক্ষা-দীক্ষাহীন, আধুনিক চিকিৎসাবিজ্ঞানে ঢুকি পাব নোৱৰা, পালেও এচাম সুবিধাবাদীয়ে নিজৰ স্বাৰ্থৰ বাবে ডাইনী বিশ্বাস অহৰহ জীয়াই ৰাখিছে। যি কাৰণত এই সাধাৰণ মানুহখিনি যি পুলিচৰ ওচৰলৈ যাবলৈ ভয় কৰে অথচ নিৰপৰাধ লোকক ডাইনী সজাই অত্যাচাৰ কৰা সময়ত জিঘাংসু হৈ পৰে। যি জিঘাংসাৰ আঁচোৰত সুন্দৰ সজীৱ জাতিস্কাৰ একোখন ঘৰ শ্মশান হয়, শ্বেতাৰ দৰে সমাজকৰ্মীয়ে ভ্ৰূণ হেৰুৱায়।



ঔপন্যাসিকে অতি মননশীলতাৰে সমাজৰ এই অন্ধবিশ্বাসক উপন্যাসত উপস্থাপন কৰিছে।

কিন্তু এই সকলোবোৰ অন্ধবিশ্বাসৰ মূল কাৰণ অজ্ঞানতা, অসচেতনতা, অনগ্ৰসৰতা, শিক্ষা-দীক্ষাহীনতা, বেজ-জ্ঞানীৰ ওপৰত বিশ্বাস, চিকিৎসাৰ সুবিধাহীনতা, বৈজ্ঞানিক বিচাৰহীনতা, যুক্তিহীন চিন্তাৰ পৰিৱেশহীনতা।

চিকিৎসাৰ সুবিধা নথকা বাবে ৰোগীৰ অৱস্থা শোচনীয় হৈ গৈ থাকে, আৰু সেই অৱস্থাত বেজ হৈ উঠে সৰ্বময় কৰ্তা। কেতিয়াবা বেজৰ হাতত ৰোগীৰ মৃত্যু হয়। কেতিয়াবা বেজে ৰোগী ভাল কৰিব নোৱাৰি গাঁৱৰে কাৰোবাৰ নাম কৈ দিয়ে। তন্ত্ৰ-মন্ত্ৰ, পূজা-পাতল চলে। বেজৰ পুৰণি শত্ৰু বা অলপ অচৰপ জৰা-ফুকা কৰিব জনা মানুহ, অথবা ৰোগীৰ শত্ৰুক ডাইনী বুলি অভিহিত কৰা হয়। কেতিয়াবা বেজৰ বিহলনীৰ কোবত বা আসুৰিক চিকিৎসাৰ অতপালিত ৰোগীয়ে কাৰোবাৰ নাম ক'বলৈ বাধ্য হয়। কোনোবাই কেতিয়াবা পুৰণি শত্ৰুক পোতক তুলিবৰ বাবে বেজক টকা-পইচা দি হাত কৰি ডাইনী সজায়।

**উপসংহাৰ ঃ**

উপন্যাস দুখনত প্ৰকাশিত ডাইনী অন্ধবিশ্বাস আৰু হত্যাৰ মূল কাৰণ-

অজ্ঞানতা, অসচেতনতা, অনগ্ৰসৰতা, শিক্ষা-দীক্ষাহীনতা, বেজ-জ্ঞানীৰ ওপৰত বিশ্বাস আৰু ভয়, চিকিৎসাৰ সুবিধাহীনতা, বৈজ্ঞানিক বিচাৰহীনতা, যুক্তিহীন চিন্তাৰ পৰিৱেশহীনতা।

চিকিৎসাৰ সুবিধা নথকা বাবে ৰোগীৰ অৱস্থা শোচনীয় হৈ গৈ থাকে, আৰু সেই অৱস্থাত বেজ বা 'মিবু' হৈ উঠে সৰ্বময় কৰ্তা। কেতিয়াবা বেজৰ হাতত ৰোগীৰ মৃত্যু হয়।

কেতিয়াবা বেজে ৰোগী ভাল কৰিব নোৱাৰি গাঁৱৰে কাৰোবাৰ নাম কৈ দিয়ে। তন্ত্ৰ-মন্ত্ৰ, পূজা-পাতল চলে। বেজৰ পুৰণি শত্ৰু বা অলপ অচৰপ জৰা-ফুকা কৰিব জনা মানুহ, অথবা ৰোগীৰ শত্ৰুক ডাইনী বুলি অভিহিত কৰা হয়।

কেতিয়াবা বেজৰ বিহলঙনীৰ কোবত বা আসুৰিক চিকিৎসাৰ অতপালিত ৰোগীয়ে কাৰোবাৰ নাম ক'বলৈ বাধ্য হয়। কোনোবাই কেতিয়াবা পুৰণি শত্ৰুক পোতক তুলিবৰ বাবে বেজক টকা-পইচা দি হাত কৰি ডাইনী সজায়। ■

**প্ৰসংগ টীকা ঃ**

১ ইণ্টাৰনেট
২ পাতনি, **চামিয়ানা**
৩ পাতনি, **চামিয়ানা**
৪ পৃ.৫৭, **চামিয়ানা**

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

ভট্টাচাৰ্য, মণিকুন্তলা ঃ **চামিয়ানা**, ষ্টুডেণ্টচ্ ষ্টৰ্চ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী, ২০১৭ তৃতীয় প্ৰকাশ

মিপুন, যতীন ঃ **মিকচিজিলি**, ষ্টুডেণ্টচ্ ষ্টৰ্চ, কলেজ হোষ্টেল ৰোড, গুৱাহাটী, ১৯৯৩ প্ৰথম প্ৰকাশ

মনত ৰাখিবা সকলো কথাতে সূক্ষ্ম চিন্তা-চৰ্চাৰ বিশেষ প্ৰয়োজন আছে। কিবা এটা সমস্যাই দেখা দিলে তাক সূক্ষ্মভাৱে বিচাৰ কৰি চাবা। সিয়েই তোমাক সমস্যাৰ সমাধানৰ বাট দেখুৱাই দিব। — হাৰ্কো বি এণ্ড্ৰজ



# সাম্প্ৰতিক যুৱ-সমাজৰ সামূহিক উত্তৰণত সাহিত্যৰ ভূমিকা

প্ৰদীপ কুমাৰ চেতিয়া ফুকন

আজিৰ যুৱ-শক্তি কালিলৈ দেশৰ ধৰিণীস্বৰূপ। যুৱ অৱস্থাতে তেওঁলোকে অধ্যয়ন, নৈতিকতা, নম্ৰতা, ভদ্ৰতা আচৰণ বিধি আদি শিকি নলয়, তেন্তে গোটেই জীৱনতে ইয়াৰ সাঁচ বাৰুকৈয়ে নপৰিব তাক কোৱা টান। আজি যুৱ সমাজে কোন পথ বাছি ল'ব সেই বিষয়ত চিন্তা কৰিব পৰা জ্ঞান প্ৰায় নোহোৱা হৈছে। তেওঁলোকৰ সৰহভাগেই কম কষ্টত অতি কম সময়ত বেছি অৰ্থ উপাৰ্জন কৰাৰ কথা ভাবে। এচাম যুৱক হতাশাত ভূগিছে, আনহাতে আনচাম যুৱকে আনন্দ, লাহ-বিলাহত দিন পাৰ কৰিছে। আজি মানৱ জাতি কোন ফালে ধাবমান হৈছে কোৱা কঠিন হৈ পৰিছে। সমাজত সত্য-অসত্য, পাপ-পূণ্য, ভাল-বেয়া বিচাৰ কৰিব নোৱাৰা হৈ পৰিছে। ধৰ্মৰ নামত মানৱ সমাজৰ এক শ্ৰেণীয়ে জাত-পাতৰ বিচাৰ কৰি সমাজখনৰ উঠি অহা শ্ৰেণীক বিপাঙত পেলাইছে। এনে বিলাক কাৰণৰ বাবেই হওক বা আৰ্থ-সামাজিক বিপৰ্যয়ৰ কাৰণেই হওক আমাৰ সমাজৰ মাজত বিভেদ সৃষ্টি হৈছে। আজিৰ যুৱ চামে কি কৰা উচিত, কি কৰা অনুচিত এই বিলাক চিন্তা কৰিবলৈ অপাৰগ হৈ পৰিছে। তথাকথিত আধুনিক সমাজে যুৱ-সমাজৰ চিন্তা-ধাৰণাৰ যথেষ্টখিনি প্ৰভাৱ পেলাইছে বুলিব পাৰি। পৰিয়াল, সমাজ, শিক্ষানুষ্ঠান, ৰাষ্ট্ৰ, অৰ্থনীতি, ৰাজনীতি আদি সকলোতে আজি উঠি অহা ডেকা শক্তিয়েই মূল পৰিচালিকা শক্তি ৰূপে পৰিগণিত হৈছে।

আকৌ আমাৰ প্ৰশ্ন হয়— দেশৰ যুৱক শক্তিৰ সৰ্বাঙ্গীণ উন্নতিৰ হকে আজি শিক্ষা ব্যৱস্থাই কিমানখিনি সহায় কৰিছে প্ৰচলিত শিক্ষা ব্যৱস্থাই শিক্ষাৰ্থীক ডিগ্ৰীৰ চাৰ্টিফিকেট প্ৰদান কৰিছে। এইখন দেশত এনে শিক্ষা ব্যৱস্থা আছে য'ত বিশ্ববিদ্যালয়ৰ ডাঙৰ ডাঙৰ ডিগ্ৰী প্ৰদান কৰি শিক্ষিত কৰি তোলা হৈছে বুলি কোৱা হয়, কিন্তু সংস্থাপনৰ কোনো উপায় সকলোৰে বাবে নাথাকে। আনহাতে সাম্প্ৰতিক অসমত শিক্ষা বিভাগৰ প্ৰতিটো কাৰ্যালয়, প্ৰায়বিলাক শিক্ষানুষ্ঠানক দুৰ্নীতিয়ে গ্ৰাস কৰিছে বুলি জন সমাজত গুণা-গঁথা কৰা শুনা যায়। এনেবিলাক কাৰণ দেখি আজি যুৱ সমাজৰ একাংশ দুৰ্নীতিত লিপ্ত হৈছে।

সামাজিক ভাব-ধাৰাৰ স্ৰোত নিয়ন্ত্ৰণ কৰিব লাগিলে যুৱশক্তি কৰ্তব্য পৰায়ণ হ'ব লাগিব। এই ক্ষেত্ৰত যুৱ-সমাজৰ সামূহিক উত্তৰণৰ বাবে সমাজৰ গুৰি ধৰোঁতা সাহিত্যিকসকলে প্ৰকৃত সাহিত্য সৃষ্টি কৰিব লাগিব যি সাহিত্যত থাকে বৰ্তমান যুৱ-সমাজৰ সমস্যাসমূহ সমাধান নিৰ্ণয় কৰিব পৰা চিন্তাশীল লিখনিৰ সম্ভাৰ। পাঁচশ বছৰ আগতে মহাপুৰুষ শ্ৰীমন্ত শঙ্কৰদেৱে উদাৰ



সাহিত্য সৃষ্টিৰে আত্মীয়তাৰ ভেটিত ভিন-ভিন জনগোষ্ঠীক এক গোট কৰি অসমীয়া জাতিটোৰ সৌধ নিৰ্মাণ কৰিছিল। আজি সাহিত্যত সেই আত্মীয়তাৰ বান্ধ হয়তো ক'ৰবাত নাটনি হৈছে যাৰ ফলত প্ৰতিটো জনগোষ্ঠীৰ আশঙ্কা জাগিছে। আমাৰ হেৰাই যোৱা আত্মীয়তা গঢ়াত যুৱ-সমাজ আগবাঢ়ি আহিব লাগিব। তাৰ বাবে সাহিত্যই ক্ৰিয়াশীল ভূমিকা ল'ব লাগিব। কিন্তু আমাৰ বৰেণ্য সাহিত্যিকসকলে একেখন মঞ্চত বহাৰ বিৰোধিতা কৰে অথবা কেতিয়াবা সেই সকলৰ মাজত সাহিত্য সমালোচনাৰ ধাৰা ব্যক্তিগত দ্বন্দ্বলৈ পৰিণত হয়। এইসকল সাহিত্যিকৰ পৰা যুৱ-সমাজে পথ প্ৰদৰ্শকৰ আশা কৰিব পৰা যায়নে? বৰ্তমান সমাজত প্ৰচলিত লটাৰী, ড্ৰাগছ, জুৱাখেল আদি সৰ্বগ্ৰাসী ব্যৱসায়বোৰক খেদিবৰ বাবে সাহিত্যিকসকলৰ বলিষ্ঠ লিখনিয়ে যুৱ-সমাজক আত্মচেতনা জগাই তুলিব পাৰিব লাগিব। আমাৰ সাহিত্যই এই বিষয়বোৰৰ প্ৰতি যুৱ-সমাজক অধঃপতনৰ পৰা উদ্ধাৰ কৰিব লাগিব। সাহিত্য-সংস্কৃতি বিষয়ক অনুষ্ঠানবোৰৰ সৈতে সমাজৰ আগশাৰীৰ চিন্তাশীল ব্যক্তিসকল ওতঃপ্ৰোতভাৱে জড়িত। তেখেতসকলে নিজৰ সাহিত্যৰ যোগেদি যুৱ সমাজে সন্মুখীন হ'ব পৰা সমস্যাসমূহ আগতীয়াকৈ দৃষ্টিগোচৰ কৰিব লাগে। কিন্তু অসমৰ ক্ষেত্ৰত সাধাৰণতে ইয়াৰ বিপৰীত হোৱাহে দেখা যায়। আজি অসমৰ যুৱ-সমাজৰ সৰহ ভাগৰনো জীৱন দৰ্শন কি? এই প্ৰশ্নটোৰ উত্তৰ দিবলৈ আজিৰ ভাষাৰ অভাৱ। বিশৃংখলতা আৰু নিৰাশাবাদৰ বিপৰীতে কোনবোৰ কাম হাতত ল'ব, সেই ক্ষেত্ৰতো আমাৰ সমাজৰ কোনো সুনিৰ্দিষ্ট আঁচনি নাই। অসম সাহিত্য সভা, চৰকাৰ, বুদ্ধিজীৱীসকলেও যুৱ-সমাজৰ সামূহিক উন্নতিৰ বাবে কোনো সমস্যাৰ ক্ষেত্ৰত আগতীয়া ধ্যান-ধাৰণাৰ চানেকি দাঙি ধৰিব পৰা নাই। আমাৰ সমাজত আজি নিজৰ সকলো অযোগ্যতা ঢাকি ৰাখি আনক দোষাৰোপ কৰাৰ স্বভাৱ আহি পৰিছে।

নতুন প্ৰজন্মৰ সামূহিক উত্তৰণৰ বাবে কলা-সংস্কৃতিৰ উপাদানসমূহক আমি যেনেকৈ আকোঁৱালি লওঁ বিজ্ঞান সাহিত্যিকো তেনেদৰে আদৰাৰ মানসিকতা আমাৰ সমাজত সম্পূৰ্ণকৈ নাই হোৱা। বিজ্ঞান-সাহিত্য মানৱ-সংস্কৃতিৰে এক অবিচ্ছেদ্য উপাদান। আমাৰ যুৱ সমাজক সচেতন কৰাৰ প্ৰয়াসেৰে আমাৰ বিজ্ঞানীসকলে সাহিত্য সৃষ্টি কৰিব লাগিব। যুৱ-সমাজৰ সামূহিক উত্তৰণৰ বাবে বিজ্ঞান সাহিত্যই এতিয়াও অসমত গঢ় লৈ উঠা নাই বুলি ক'ব পাৰি। যি দুই এখন বিজ্ঞান অভিধান অসমীয়া ভাষাত প্ৰকাশ পাইছে অথবা অসমীয়া সাহিত্যত বৰ্তমানলৈকে প্ৰকাশ হোৱা অভিধান অসমীয়া ভাষাত প্ৰকাশ পাইছে অথবা অসমীয়া সাহিত্যত বৰ্তমানলৈকে প্ৰকাশ হোৱা অভিধান কেইখনেই যথেষ্ট নহয়। নতুন নতুন পৰিভাষাৰ সংযোজন ঘটাব লাগিব। কৃষক, শ্ৰমিক বা তেনে ধৰণৰ অনুচ্চ শিক্ষাৰ সংসাৰী যুৱক-যুৱতীসকলৰ বাবে দৈনন্দিন জীৱনৰ লগত ৰজিতা খুৱাই সাহিত্য ৰচনা কৰা উচিত। য'ত মানুহৰ স্বাস্থ্য, ঘৰুৱা জীৱ-জন্তুৰ অসুখ-বিসুখ, বিভিন্ন খাদ্য বস্তুৰ পুষ্টিক্ষমতা, পৰিবেশ প্ৰদূষণৰ কাৰণ আৰু নিৰাময়, খেতি-বাতি কৰা ইত্যাদি কৃষ্টি-সংস্কৃতি জীয়াই ৰাখিব পৰা বিজ্ঞানসন্মত তথা শুৱলাকৈ দাঙি ধৰা সাহিত্য সৃষ্টি কৰিব লাগিব। আমাৰ সাহিত্যই বৰ্তমানৰ যুৱ সমাজৰ মাজত গোষ্ঠী গত অনৈক্য আৰু অবিশ্বাস দূৰ কৰিব পাৰিব লাগিব। ন'হলে ভাই ভাই, ঠাই ঠাই হ'ব ধৰা আমাৰ সমাজখনৰ জাতীয় অস্তিত্ব বিপন্ন হ'ব। লেখাৰ বিভিন্ন ৰূপ — উপন্যাস, কবিতা, নাটক, প্ৰবন্ধ বা সাংবাদিকতাৰ জৰিয়তে সাহিত্যিকসকলে সামৰ্থ অনুসৰি যুৱ সমাজক সমাজৰ অন্যায়, অনীতি, বৈষম্য আৰু পংকিলতাৰ পৰা উদ্ধাৰ কৰিবলৈ প্ৰয়োজনবোধ কৰিব লাগিব। কিয়নো সামাজিক দৰ্শন বা মতাদৰ্শৰ বাহন হ'ল সাহিত্য আৰু প্ৰবাহক হ'ল সাহিত্যিকসকল। সেয়ে সাহিত্যৰ জগতখনে ডেকা চামক প্ৰগতিৰ বাট মুকলি কৰি দিব পাৰে। এইখিনিতে উনুওকিয়া ভাল হ'ব যে— দক্ষিণ আফ্ৰিকাৰ ন'বেল পুৰস্কাৰ প্ৰাপ্ত লেখিকা নাৰ্ডিম গৰ্ডিমাই নিজৰ লিখনিৰ জৰিয়তে দক্ষিণ আফ্ৰিকাবাসীৰ জীৱন-ধাৰণৰ প্ৰক্ৰিয়াই সলনি কৰিবলৈ সক্ষম হৈছিল। বৰ্ণবাদৰ বিভেদ নিৰ্মূল কৰিবৰ বাবে সক্ৰিয় ৰাজনীতিত জড়িত হৈও তেওঁ লিখনিক শ্ল'গানধৰ্মী তৰাং সাহিত্যলৈ ৰূপান্তৰিত নকৰি এৰ বিৰল অৰ্ন্তদৃষ্টিহে প্ৰদান কৰিছে। ৰাষ্ট্ৰৰ নগ্ন নিষ্পেষণেই ৰাষ্ট্ৰ সন্ত্ৰাসেই হওক বা অন্যায় আদিৰ বিৰুদ্ধে মাত মতাৰ পৰা আমাক সমাজৰ সাহিত্যিকসকল আঁতৰি থকা দেখা যায়। চৰকাৰৰ ঘৰৰ সকলো সা-সুবিধা, পদবী আৰু সন্মান অকাতৰে গ্ৰহণ কৰিও সৰহ সংখ্যক সাহিত্যিকে মানুহৰ মাজত নিজে ৰাজনীতিৰ লগত জড়িত নোহোৱা এজন ব্যক্তি বুলি এক ভ্ৰান্ত ধাৰণা দিবলৈ যত্নশীল হয়। এনে সাহিত্যিকৰ পৰা যুৱ সমাজে সামূহিক উত্তৰণৰ আশা কৰিব পাৰেনে? সাহিত্য কোনো ৰজা বা মন্ত্ৰীৰ তোষামোদৰ সাহিত্য হ'ব নালাগিব। সাহিত্যিকসকলে এনে সাহিত্য সৃষ্টি কৰিব লাগিব; য'ত যুৱসমাজ বুজিব পাৰিব লাগিব যে সাহিত্য কেৱল চহৰীয়া মধ্যবিত্তৰ মনোৰঞ্জন সাহিত্য নহয়, সাহিত্যই শ্ৰমজীৱী মানুহৰ বাৰ্তা বহনকাৰী হ'ব লাগিব। নিষ্ঠাবান সাহিত্যিকৰ সাহিত্যত বাস্তৱৰ সঁচা ছবি আপোনা-আপুনি ফুটি

উঠে। গতিকে এনে সাহিত্যই যুৱ সমাজৰ অনুকৰণীয়। সাহিত্যৰ ৰচনাৰাজিৰ গঠনমুখী দৃষ্টিভঙ্গীয়ে সমাজৰ কামত বা যুৱশক্তিক আত্মাবিশ্লেষণ কৰাৰ সুবিধা দিয়ে। আমাৰ যুৱ-সমাজৰ সৃজনীমূলক প্ৰতিভাবিলাক গল্প, কবিতা, ৰম্য ৰচনা, উপন্যাস আদিৰ মাজেৰে প্ৰকাশ কৰাৰ থল থাকিব লাগে। যুৱক-যুৱতীৰ লিখনীসমৃদ্ধ আলোচনী, বাতৰি কাকত, কিতাপ আদি প্ৰকাশ কৰিলে, তেওঁলোকৰ প্ৰতিভাবিলাক বিকাশ হোৱাত সহায় হ'ব। অতি দুখৰ বিষয় যে, অসমত যুৱক-যুৱতীৰ ৰচনাৰে পৰিপুষ্ট সাহিত্য প্ৰকাশ কৰিবলৈ অসম প্ৰকাশন পৰিষদ, শিক্ষা বিভাগ, অসম সাহিত্য সভা অথবা কোনো বিত্তবান প্ৰকাশন প্ৰতিষ্ঠানে বৰ্তমানেও আগভাগ ল'বলৈ কুণ্ঠাবোধ কৰে। এই ক্ষেত্ৰত উক্ত প্ৰতিষ্ঠানসমূহে প্ৰতিবছৰে নবীনৰ শ্ৰেষ্ঠ সাহিত্য আৰু গৱেষণাৰ বাবে পুৰস্কাৰ ঘোষণা কৰিব লাগে। প্ৰকাশন পৰিষদ আৰু সাহিত্য সভাৰ পৰা নবীনৰ আলোচনী উলিয়াব লাগে আৰু তাত যুৱক-যুৱতীৰ সামূহিক উত্তৰণৰ বাবে উপযোগী সাহিত্য ৰচনাৰ ক্ষেত্ৰত গুৰুত্ব দিব লাগে।

শেষত ইয়াকে কওঁ যে— মানুহ সামাজিক জীৱ। সাহিত্য মানৱ সমাজৰ লগতে জড়িত আৰু এই যুৱ সমাজো মানৱ জাতিৰ এটি অবিচ্ছেদ্য অঙ্গ। গতিকে সাহিত্যৰ কৰ্মত ডেকাশক্তিক কলুষিত নকৰাকৈ এনে মহৎ সাহিত্য সৃষ্টি হওক য'ত উত্তৰপুৰুষৰ সামূহিক উত্তৰণৰ বাবে সন্নিবিষ্ট হ'ব লাগিব শিক্ষা, কলাকৃষ্টি, খেল-ধেমালি, ব্যৱসায়-বাণিজ্য, বিজ্ঞান আদি বিষয়ৰ ৰচনা সম্ভাৰ।■

---

**যুৱক ঃ**

সৃষ্টিৰ বিষয়ত যুৱকসকলেই উপযুক্ত পৰামৰ্শ বা উপদেশ দিয়াতকৈ কৰ্ম-যজ্ঞত তেওঁলোক পাৰদৰ্শী আৰু প্ৰচলিত ব্যৱস্থাৰ পৰা নতুন প্ৰকল্প গঢ়ি তোলাত দক্ষ। — ফ্ৰান্সিছ বেকন





# যুৱ মানসিকতা উত্তৰণত পৌৰাণিক ৰাসক্ৰীড়া

ড° জ্যোতিমা ফুকন

ৰাসক্ৰীড়া বা ৰাসোৎসৱ বা ৰাসলীলা বুলিলে আমাৰ মনলৈ ভাহি আহে শৰৎ কালৰ পূৰ্ণ চন্দ্ৰমাৰ স্নিগ্ধ জোনাক, বিস্তীৰ্ণ শুকুলা বলুকা, বলুকাত শুকুলা কহুঁৱাৰ হালি-জালি নৃত্য আৰু মনোমোহা প্ৰকৃতিৰ সৈতে বৃন্দাবন।

'শৰৎ কালৰ ৰাতি অতি বিতোপন
ৰাসক্ৰীড়া কৰিতে কৃষ্ণৰ ভৈল মন।'

বৃন্দাৰ অৰ্থ হ'ল আনন্দ আৰু অবন হ'ল ৰক্ষণস্থান। হৃদয়স্থানেই বৃন্দাবন ক্ষেত্ৰ। এনে বৃন্দাবনতেই পৰমব্ৰহ্মাৰ (কৃষ্ণ) সৈতে জীৱাত্মাৰ (গোপীসকলৰ) মিলন প্ৰক্ৰিয়াই হৈছে 'ৰাস'। শ্ৰীমদ্ভাগৱতত উল্লেখ থকা মতে— 'ধানৰ বাকলিৰ তলত যেনেদৰে চাউল লুকাই থাকে, এই ৰাসক্ৰীড়াতো ভগৱন্তৰ সৈতে ভক্তৰ আন্তৰিক মিলনহে জড়িত আছে। ৰাসক্ৰীড়াৰ বাহিৰৰ আৱৰণত শৃংগাৰ বা আদি ৰসে প্ৰাধান্য লাভ কৰিছে যদিও ইয়াৰ মাজতে অন্নৰূপী আত্মাৰ সৈতে পৰমাত্মাৰ মিলনৰ কথাখিনি প্ৰচ্ছন্ন হৈ আছে, লৌকিক ৰসত ডুবাই ভগৱৎ ভক্তিলৈ উন্নীত কৰাই এই আখ্যানৰ উদ্দেশ্য।

**ৰাসক্ৰীড়াৰ তত্ত্বজ্ঞান আৰু যুৱ মানসিকতা উত্তৰণ ঃ**

বসুন্ধৰাৰ অন্যান্য প্ৰাণী আৰু মানুহৰ মাজত উমৈহতীয়া মিল হৈছে 'আহাৰ = নিদ্ৰা = ভয় = মৈথুন'। কিন্তু ইতৰ প্ৰাণীৰ পৰা মানুহৰ এটা মাত্ৰ কথাত ব্যৱধান হৈছে 'ধৰ্ম' আচৰণ। ধৰ্ম আচৰণৰ বাবে প্ৰয়োজন 'ভক্তি'। ই সেৱকজনৰ হৃিত নৈষ্ঠিকী ভক্তিৰ সৃষ্টি কৰে। জীৱনৰ বিভিন্ন স্তৰত ভক্তিশাস্ত্ৰৰ চৰ্চা এইক্ষেত্ৰত অধিক শক্তিশালী। ভক্তিজ্ঞান হ'লে ৰজঃ, তম আদি ভাব, কাম লোভ আদিৰ দ্বাৰা অনাবিদ্ধ চিত্তৰ প্ৰশান্তি হয়। চিত্ত প্ৰশান্তি হ'লে ভক্তৰ কোনো প্ৰকাৰ বৈষয়িক শাৰীৰিক আসক্তি নোহোৱা হৈ তত্ত্বজ্ঞান উদয় হয়। ভক্তি হৈছে ভগৱানৰ প্ৰতি উৎকৃষ্ট অনুৰাগ, অনুশীলন, ভগৱানত মনৰ স্থিৰতা আৰু ভগৱানৰ মহাত্ম্য জ্ঞানবোধ। ভগৱান বা বিষ্ণু এক অনন্ত, অবিস্মৰণীয় জ্যোৰ্তিময় শক্তিৰ উৎস বা গতি। এই অনন্ত শক্তিৰ অনুধাৱন আৰু সত্তাৰ উপলব্ধি যাৰ সৈতে তেওঁৰ স্খলন হ'ব নোৱাৰে। ব্যক্তি মানে এটা সত্তা এই সত্তাত পুৰুষ নাৰীৰ মাজত পাৰ্থক্য নাই। পুৰুষ মানে কেৱল পুলিংগ আৰু নাৰী মানে কেৱল স্ত্ৰীলিংগ নহয়। ৰাসত শ্ৰীকৃষ্ণই গোপীসকলৰ লগত ইন্দ্ৰিয়াতীত এক ভক্তিতহে বিলীন হৈ গীত-নৃত্য কৰিছিল। গোপীসকলৰো ৰাসক্ৰীড়াৰ শেষত চেতন প্ৰাপ্তি ঘটিছে আৰু কামনা, বাসনা, অহংকাৰ নাইকিয়া হৈ পশু-পক্ষী-

বৃক্ষ আদি সজীৱ পদাৰ্থতো মনুষ্য সুলভ চৈতন্যৰ উপলব্ধি, আনকি নিজীৰ্ব অমূৰ্ত বস্তুতো চেতনত্বৰ অনুভৱ আৰু অন্তঃস্থ কৃষ্ণৰূপী মহাশক্তিক উপলব্ধি কৰি শেষ আশ্ৰয়ৰূপে কৃষ্ণৰ পাদপদ্ম বা চৰণযুগলত দৃষ্টি আৰু চিত্ত নিবদ্ধ কৰিছে। ৰাসক্ৰীড়াৰ অন্ততঃ গোপীসকলৰ ভক্তিত কৃষ্ণৰ প্ৰতি অবিচ্ছিন্ন গতিৰে নিৰ্গুণা ভক্তিমাৰ্গ ঘটিছে। আকৌ নৱধা ভক্তিৰ শ্ৰৱণ, কীৰ্তন, স্মৰণ, পদসেৱন, অৰ্চন, বন্দন, দাস্য সখীত্ব আৰু আত্মনিবেদন এই সমস্ত লক্ষণেৰে ফলপ্ৰাপ্তি ঘটিছে।

সাম্প্ৰতিক সময়ত সমাজবিজ্ঞানীৰ এক গুৰুত্বপূৰ্ণ বিজ্ঞানসন্মত গৱেষণাৰ বিষয় যেন বোধ হয় যুৱ প্ৰজন্মৰ ক্ৰমশঃ বাঢ়ি অহা উচ্ছৃংখলতাৰ কাৰণ আৰু তাৰ নিৰাময়। অধিকাংশ উত্তৰপুৰুষৰ অন্তঃসাৰশূন্য চিন্তাশক্তি, চিন্তা জগতৰ বিভ্ৰান্তি, বিচ্যুতি, বিদ্ৰোহ, নিচাযুক্ত দ্ৰব্যসেৱন, হত্যা-লুণ্ঠন-বলাৎকাৰ, চাইবাৰ ক্ৰাইম, মাৰপিট, বাইক ষ্টাণ্ট, বেপেৰুৱা আচৰণ, নিষ্কৰ্মা, বিলাসপ্ৰৱণ, ইজি মানিৰ প্ৰতি আসক্তি, আত্মবিশ্বাস, দায়িত্বজ্ঞানৰ অভাৱ, ব্যৰ্থতা আৰু হতাশাত সৃষ্ট নৈৰাশ্যবোধ, মানসিক অসন্তষ্টি, সংগ্ৰাম প্ৰৱণতা, মানসিক বিসংগতি, নৈতিক জ্ঞানশূন্যতা আদিয়ে অসমীয়া সংস্কাৰপূৰ্ণ আৰু পৰিশীলিত সমাজখনৰ সন্তুলন নোহোৱা কৰি পেলাইছে। যুৱসকলেই দেশ-জাতি-সমাজৰ গতি, শক্তি, সাৰথি। সেই শক্তিৰ অপচয়ত সমাজ-সাহিত্য-সংস্কৃতি আনকি বিদ্যায়তনিক ক্ষেত্ৰবোৰ ভাৰসাম্যহীন হ'ব ধৰিছে। পিতৃ-মাতৃ বা অগ্ৰজসকলৰ কৰ্ম, চৰিত্ৰ, ব্যৱহাৰ, পাৰিবাৰিক বিশৃংখলতা, ৰঙীণ পৃথিৱীখনত ভাসমান প্ৰবৃত্তি, ঘৰুৱা ধৰ্ম, নৈতিক শিক্ষাৰ চৰ্চাবৰ্জিত পৰিৱেশ, অত্যাধিক মৰম-স্নেহেৰে গৰ্ভজাত সন্তানক নিষ্কৰ্মা কৰা, কুমলীয়া হাতত তুলি ধৰা পুতলা বন্দুক, দামী ম'বাইল, বাইক ই-জগতখনত অবাধ গতি আদিও নৱপ্ৰজন্ম প্ৰভাৱিত হৈছে বুলি ক'লেও অত্যুক্তি কৰা নহ'ব। সন্তানক উচিত-অনুচিত, সদাচাৰৰ নৈতিক জ্ঞান দিবলৈ বহুতো অভিভাৱকৰ সময় বা আগ্ৰহৰ অভাৱ। উত্তৰ আধুনিক সময়ত একশ্ৰেণী যুৱক-যুৱতী হৃদয়বৰ্জিত এক ধাতৱীয় ই-পৃথিৱীৰ বাসিন্দা। স্বীকাৰ কৰিব লাগিব যে মানুহৰ মগজুৰ চৰম বিকাশ ঘটিছে কিন্তু ইয়াকো মানি ল'ব লাগিব যে অধিকাংশ যুৱক-যুৱতীৰ 'মানুহ' হোৱাৰ এপদ এপদ অলংকাৰ অসচেতনতা, অজ্ঞানতাৰ বাবে সুলকি পৰিছে। 'মানুহ'ৰ সংজ্ঞা যেন দিন যোৱাৰ লগে লগে অৱনমিত হৈ গৈ আছে। অৱশ্যে এতিয়াও সময় উকলি যোৱা নাই। অনৰ্থৰ ফালে আগুৱাই গৈ থকা প্ৰজন্মক আদবাটতে ভেটি উভতাই অনাৰ গুৰুদায়িত্ব অভিভাৱক, শিক্ষক আৰু ধৰ্মপ্ৰাণ সমাজৰ। শেতেলিৰ পৰাই দিয়া হওক নিয়মীয়া ধৰ্মীয় আচৰণৰ শিক্ষা, সদাচাৰ, পাপ-পূণ্যৰ বিচাৰ, সংযমশীলতাৰ জ্ঞান। তেহে মানৱীয় চেতনা উজ্জীৱিত হৈ আমাৰ আশা-ভৰষাৰ ধৰণীসকলৰ আত্মকেন্দ্ৰিকতা, অসহিষুণ্তা, অপৰাধ প্ৰৱণতাৰ সলনি ধীৰে ধীৰে কেঁচা মনৰ মজিয়াত গজালি মেলিব নৈতিকতা, সততা, কৰ্তব্যবোধ, ধৈৰ্য, শিষ্টাচাৰ, উদাৰতা, সৌজন্যতাবোধ, নিয়মানুৱৰ্তিতা, কল্যাণবোধ পাৰস্পৰিক মমত্ববোধ, সহমৰ্মিতা, সহিষুণ্তা, আত্মত্যাগ ইত্যাদি মানৱীয় সজ মূল্যবোধবোৰ। ৰাসলীলাৰ লগত সংযোজিত ভাওনাৰ আখ্যানবোৰে, নাম প্ৰসংগৰ গুণে যুৱ চামক আকৰ্ষিত কৰক। ৰাসলীলা বা ৰাসোৎসৱৰ মাজত (আমাৰ আলোচ্য বিষয়) অন্তৰ্নিহিত গূঢ়াৰ্থ বুজিবলৈ অন্তঃদৃষ্টিৰ প্ৰয়োজন। ধৰ্মপ্ৰাণসকলে কনিষ্ঠজনক এইক্ষেত্ৰত বিষয়বস্তু আনন্দময় কৰি উচিত শিক্ষা দিয়া উচিত। সংসাৰ জীৱনৰ আৱেগ অনুভূতিত সৃষ্ট খং, ৰাগ, আগ্ৰহ, বিৰহ, প্ৰেমৰ তৰলতা আদি সংসাৰৰ বিভিন্ন কাৰ্যত প্ৰতিফলিত হয়। সেই কাৰ্যসমূহ কুৰুচিপূৰ্ণ নহ'বলৈ অগ্ৰজসকলে এককেন্দ্ৰিক জ্যোতিৰ্ময় ভাবত (কৃষ্ণত) যুৱচামক সৰুৰেপৰাই সমৰ্পিত কৰাব পাৰিলে সমাজত ঘটি থকা বহু অপকৰ্ম, অশান্তিও দূৰ হ'ব। সেই শিক্ষাৰ পাঠদান, দৃষ্টি, শ্ৰৱণ আধ্যাত্মিক ক্ষেত্ৰসমূহে বিস্তৰণ কৰক যি নৈতিক জ্ঞানবুদ্ধি বিস্তাৰ কৰি সমাজ, জাতি, দেশক পৰিশীলিত কৰি গঢ়ি তুলিব। ভক্তজনৰ অনুভৱত কৃষ্ণস্তুতিৰ পৰা বিচ্ছুৰিত অপূৰ্ব জ্যোতিয়ে মনাকাশ কলুষতাৰ পৰা আঁতৰাই পৱিত্ৰ কৰিব পৰাটো এক বিস্ময়কৰ চাবি-কাঠি। এই বিশাল পৃথিৱীত মনুষ্যৰূপে জন্ম গ্ৰহণ কৰি মনুষ্যত্বৰ জ্ঞান গ্ৰহণ কৰিব নোৱাৰিলে ইতৰ প্ৰাণীৰ পৰা পাৰ্থক্যই বা কি থাকিল? Man cannot live by bread alone. শাৰীৰিক স্বাস্থ্যৰ লগতে যুৱ প্ৰজন্মই মানসিক সু-স্বাস্থ্যৰ অধিকাৰী হ'লেহে মানৱ জীৱন সাৰ্থক হ'ব। পৌৰাণিক তত্ত্বগধুৰ শিক্ষাৰ মাজত অন্তৰ্নিহিত হৈ থকা গূঢ়াৰ্থ বুজি আধুনিক জীৱনযাত্ৰাৰ পথ সুশৃংখলিত কৰিব পাৰিলে এটা জাতি, এখন দেশ, এখন সমাজ সুন্দৰ হৈ উঠিব।■







# সহিষ্ণুতা আৰু কাব্যিক চিত্ৰপটত মোৰ প্ৰতিবাদৰ অগ্নিকলাই

ড° বন্তি ফুকন সোনোৱাল

এজনী সৰু ছোৱালীৰ এটি প্ৰাৰ্থনা — "Please God, make all the bad people good and all the good people nice." প্ৰাৰ্থনাটিৰ বাস্তৱ দৃশ্যপট এটি অংকন কৰি কবিয়ে গাইছে—

"Living with the saints above,
All is peace and glory
Living with the saints below
That's another story ..."

উল্লিখিত সৰু প্ৰাৰ্থনাটি আৰু কবিৰ ৰস-ব্যঞ্জনাৰ আলমতে মোৰ আকীৰ্ণ কৰ্মভূমি আৰু খোজ দিয়া সমগ্ৰ পৃথিৱীখনত শান্তিপূৰ্ণ সহাৱস্থানৰ বাবে সহিষ্ণুতাৰে প্ৰতিনিয়ত সঁচা মানুহৰ সত্তা বিচাৰি ফুৰোঁ। সময়ে সময়ে জীৱনৰ তৰা-নৰা চিঙা যাত্ৰাত অন্যায়ৰ প্ৰতিবাদো কৰোঁ। ল'ৰালিতে মায়ে শিকাইছিল— "অন্যায়ৰ প্ৰতিবাদ নকৰিলে/ তহঁতৰ মুখৰ ভাতগাল কাঢ়ি নিব/ বৰকেৰেণীয়ে কাঢ়ি নিয়া তহঁতৰ মাটি ডৰাৰ দৰে ...।" পিছে সহিলে সম্পদ, নসহিলে বিপদ বুলিও সকিয়াই দিয়া মাতৃজনীৰ কথাবোৰকে লৈ জীৱনৰ দিঙা মেলি দিছোঁ ক্ৰমান্বয়ে ...। তথাপি জীৱনৰ পৰিঘটনাবোৰে আমাক পৃথকাই শিকনি দিছে যে, সহিষ্ণু, সহিষ্ণুতা, সহনশীল আদি শব্দবোৰ শ্ৰুতিমধুৰ যদিও কেতিয়াবা ইয়াৰ স'তে সহাৱস্থান সহনীয় নহয়। প্ৰবচনে কয়, "It is difficult for the tolerant to tolarate the intolerant." এনে কাৰণতে বহু সময়ত সমাজ জীৱনৰ সৰ্বত্ৰে হিবি-জিবি পৰিৱেশৰ সৃষ্টি হয়। তৰ্ক-বিতৰ্ক, বাদ-বিতণ্ডা, মতবিৰোধ আদি অজস্ৰ তঁয়া-হুয়া সৰ্বব্যাপ্তি চলি থাকে। ই এক ওৰ নপৰা বিষয়। অৱশ্যে ইবোৰ জ্ঞান-মীমাংসাৰ অন্তৰ্ভুক্ত বিষয়বস্তু। প্ৰকৃতাৰ্থত সাম্প্ৰতিক সমাজব্যৱস্থাত সংক্ৰমিত সামাজিক ব্যাধিসমূহৰ বিষয়ে যুক্তিৰে প্ৰতিপাদনৰ প্ৰয়াস একপ্ৰকাৰ **'বাটৰ কচু গাত ঘঁহি লোৱা'**ৰ দৰে হয়। সেয়ে পৰিৱেশৰ জ্ঞানেৰে বৌদ্ধিক জ্ঞানেই শ্ৰেয়ঃ বুলি আমি জীৱন স্বাদৰ উজুটি আৰু মনৰ তাড়নাবোৰ সহিষ্ণুভাৱে হজম কৰিব খোজো। ফলশ্ৰুতিত মুকৱধি

বিপ্লৱী হৈ প্ৰতিবাদী কণ্ঠেৰে ছন্দোৱদ্ধ কবিতাত জীৱনৰ ছন্দ বিচাৰি চাওঁ। এনেধৰণৰ কেইটিমান প্ৰতিবাদৰ ফিৰিঙতিয়েই এই শিতানৰ মূল সাৰ। পদ্মধৰ চলিহাদেৱৰ ভাষাৰে ক'বলৈ গ'লে মোৰ প্ৰতিবাদৰ অগ্নিকলাই হৈছে আচলতে একধৰণৰ **"কবিসুলভ মৰ্মবাণী।"** অতিসম্প্ৰতি মানৱসম্পদৰ ঘূণে ধৰা মানসিক অৱক্ষয় আৰু ব্যক্তিবিশেষৰ বিনন্দ-বিলাস দেখিলে তাৰ্জ্জৱ হওঁ। এক অসহ্যকৰ বৈপ্লৱিক সত্তাই মন-মগজুত ব্যাপক আলোড়ন তোলে—

(১)

মই বিপ্লৱী অগ্নিকন্যা
মোৰ সমুখত
মূৰে ভৰি কঢ়া
ৰাং কুকুৰ জাকৰ দপ্‌দপনি
আৰু
কোঙা হৈ পৰা মোৰ বিপ্লৱ?

(২)

যুঁজৰ ওপৰত যুঁজ
সূত্ৰৰ ওপৰত সূত্ৰ
আশকতীয়া হওঁ
যুঁজ দি নিতৌ নিমিলা অংকৰ স'তে ...।

আপাততঃ মানুহৰ মাজত হিংস্ৰ প্ৰতিদ্বন্দ্বিতা, অৰ্থহীন লোভ, জয়ৰ বাবে বিৰতিহীন সংঘৰ্ষ-সংঘাতবোৰে মানুহৰ মাজত বৈষম্যৰ সৃষ্টি কৰে; অৱশ্যে মানুহে যুক্তিবাদ আৰু সুষ্ঠ আৰু সূক্ষ্ম বিচাৰ কৰি চালেই আত্মসংযমী হ'ব পাৰে। প্ৰবচনে কৈছে— "Self-expression in good, self-control is better." আত্মসংযমৰ কথাষাৰ উনুকিয়ালে এইছ.এম.জনচনৰ উক্তিটি উল্লেখ কৰিব পাৰি— "পথভ্ৰষ্টমূলক আচৰণ বা ক্ৰিয়াক বাধা দিয়াৰ উপায়কে সামাজিক নিয়ন্ত্ৰণ বোলে।" প্ৰসংগক্ৰমে ক'ব পাৰি যে, জনস্বাৰ্থ-বিৰোধী কাৰ্যকলাপে মানুহৰ মোহ্যমান জীৱনক মূল্যহীন কৰি তোলে, ই আমাৰো আত্ম-উপলব্ধি।

(১)

পিৰালি চুকত ভতুৱাৰ ভুক্‌ভুকনি
তাতে কি হ'ল
ইকাণ-সিকাণকৈ
বাগৰিছে মুহুদি-খোচৰবোৰ
চুবুৰীটোত তাই
উগাৰিছে
ফুহুৰি-তৰঙা অপলাপবোৰ ...
তাতে কি হ'ল?

(২)

তাৰ্জ্জৱ হওঁ সংজ্ঞা বিচাৰি তোমাৰ
তুমি বাটোৱালী নে ব্ৰহ্মদৈত্য
দাহিকা নে জীয়া যম
মাতব্বৰী নে মতিচ্ছন্ন নাৰী
ফিচ্‌ফিচীয়া মনেৰে
মনে-সজা কথাৰে
জীয়া-জুই দিয়া মানুহক
জীৰিলি কাপোৰৰ দৰে
ছিৰাছিৰ কৰা মানৱীয় সত্তা
টোপা কাঁড় মাৰি
নগুৰ-নাকটি কৰা বুকুৰ কুটুমজাকক।

আমাৰ সমাজ জীৱনত স'ততে দৃশ্যায়িত চিত্ৰকল্পটি হৈছে পৰচৰ্চা, পৰনিন্দা; ই বোৰ অক্ষমনীয় অপৰাধমূলক বাৰংবাৰতা। এনেবোৰ দৃষ্টিকটু কাৰ্যকলাপবোৰ বহুসময়ত অসহনীয় হৈ পৰে। প্ৰবচনত আছে— "Tolerance is no excuse for tolerance of evils."

(১)

মলঙা মৰীচিকা খেদি তুমি
পংপঙাই ফুৰা ছনে-বনে
পথে-ঘাটে মাথো তোমাৰেই বলকনি।

(২)

টোঁহোৰ-মোহৰ চিন্তা চেতনাৰে
গুজগুজীয়া মেলবোৰ পাতা কিয়
চাবুৰি চাবুৰি গালিও পাৰা
জীয়া খোৱা মহিলাৰ দৰে
আসুৰিক তৃপ্তিৰে
সাজা তুমি 'পদকীয়া' নিতে নিতে ...

আমাৰ জ্ঞানবোধে কয়, মানুহৰ মন সুন্দৰ হৈ থাকিলে দেহৰ কদৰ্যৰূপে তাক কেতিয়াও কুৎসিত কৰিব নোৱাৰি। চন্দ্ৰকুমাৰ আগৰৱালাই কৈছে— "প্ৰাণত আছে প্ৰাণৰ সম্বল।" এই কথাবোৰত বিশ্বাস ৰাখি অপকৰ্মৰ পৰা নিজকে আঁওৰাই ৰাখিব লাগে—

(১)

হে পথিকৃৎ! তুমি কক্ষচ্যুত
খামুচি ধৰা ভৰিৰ মাটিকণ
জীৱন খোজৰ টিপনিত ...

(২)

মোৰ সীমনাৰ অনিয়মে
আঁকুহি চিৰাল কৰে মোৰ বুকুখন
পীড়াময় হৈ পৰে সৰ্বশৰীৰ যন্ত্ৰণাত ...

উল্লেখ্য যে, বিশ্বাসৰ অপমৃত্যু ঘটিলে, হাতৰ মুঠিত কেৱল দুঃখৰ ভোগজৰা লৈয়ে জীৱনৰ পাৰ-ঘাট পাৰ কৰিব লাগিব। সেইবাবে নেতিবাচক চিন্তা-চৰ্চা পৰিহাৰ কৰি মানৱীয় সত্তা জীপাল কৰি ৰাখিব পৰাটোহে মানুহৰ প্ৰাথমিক কৰ্তব্য। কথাতে কয়—"Suspicion is the poison of the friendship." গতিকে কবিতাৰ মাধ্যমেৰে চিত হৈ মাৰলি লেখিব পৰা সবল অভিব্যক্তিৰে ক'ব খুজিছোঁ যে —

(১)

অৱসৰ-বিনোদনৰ বেলা
গুজগুজীয়া মেলবোৰত নবহিবা
লপাই-টুলুঙাৰ স'তে বহি
জীৱনটি ঢোপা-চালিও নকৰিবা।

(২)

তোমাৰ স'তে
মোৰ কথা শেষ হ'ল। বাকী ৰ'ল কাম অলেখ!
সমুখত কানিমুনি বাট ...
পাহাৰীয়া সেউজীয়াই মোক
হাতবাউল দি মাতি নিছিল দুঃখৰ নৈ খনলৈ ...
তল্‌বলকৈ সাতুঁৰোতে
পানীৰ তলৰ কাঁইটবোৰে বৰকৈ বিন্ধিছিল!

ইতি-বিবৃতি ঃ

সকলো জীৱৰে কৰ্মত অধিকাৰ আছে। নিজৰ ৰুচি আৰু সাধন মাৰ্গেৰে নিষ্ঠাৱান হৈ সুকৰ্মত প্ৰবৃত্তি হোৱাটোৱেই মানুহৰ কৰ্মযোগৰ অস্তিত্ব। কলেৰিজৰ মতে, "Ours is the beauty making power." নতুন চিন্তাৰ উন্মেষ ঘটাই সমাজ পৰিশুদ্ধ কৰি জীয়াই থকাতহে সদায় নতুনত্ব আৰু সৌন্দৰ্যতা আছে। পৰচৰ্চা, পৰনিন্দা আদি সমালোচনাই একো সৃষ্টি নকৰে; ই মানুহৰ চৰিত্ৰত কালিমাহে সানে। মানসিক অৱক্ষয় আৰু মানুহৰ পথভ্ৰষ্টমূলক আচৰণসমূহৰ পৰিসমাপ্তি বিচাৰি মোৰ প্ৰতিবাদী অগ্নিকলাইবোৰ কবিতাময় ভাবনাৰে প্ৰতিফলিত কৰাৰ প্ৰয়াস কৰিছোঁ। ইয়াৰ লগতে সংগতি ৰাখি হেনৰি মিলাৰৰ উক্তিৰ উদ্ধৃতিৰে অযথা সময় অপব্যয় কৰি অপকৰ্মত লিপ্ত থকা ব্যক্তিসকলক আত্ম-উপলব্ধি কৰিবলৈ আহ্বান জনাইছোঁ। হেনৰিৰ মতে, "Learn the art of being aware, our success depends upon our power to perceive, to observe, and to know. Keen observation is a chief factor in the success of all great businessmen, executives, artist and military leaders." ■

---

প্ৰতিবাদ ঃ

একমাত্ৰ মুৰ্খইহে তৰ্ক কৰে। কেতিয়াও কাৰো প্ৰতিবাদ নকৰিবা, কৈফিয়ৎ নিদিবা, ক্ষমা নুখুজিবা। সুখী জীৱনৰ সেইটোৱেই হ'ল গোপন ৰহস্য। — লৰ্ড ফিছাৰ

# বিৱৰ্তনৰ ফলত মানৱ সমাজ

**ৰশ্মি বৰুৱা**

পৰিৱৰ্তন এক চিৰন্তন প্ৰক্ৰিয়া। এক পৰিৱৰ্তিত প্ৰক্ৰিয়াৰ মাজেৰে আহি মানৱ সমাজ আজিৰ প্ৰেক্ষাপটত উপস্থিত হৈছেহি। বিজ্ঞানৰ ন ন আৱিষ্কাৰ, চন্দ্ৰ পৃষ্ঠত মানৱৰ অৱতৰণ, মঙ্গল গ্ৰহত প্ৰাণীৰ সন্ধান ইত্যাদি সমূহৰ এই পৰিৱৰ্তিত প্ৰক্ৰিয়াৰে ফল। মানৱ সমাজৰ এই পৰিৱৰ্তনত এক উল্লেখনীয় ভূমিকা পালন কৰিছে। এই বিৱৰ্তন শব্দটো লেটিন আমেৰিকাৰ 'Exolvere' পৰা আহিছে। সিটো অসমীয়াৰ ৰূপান্তৰ শব্দ অৰ্থ হ'ল মুকলিকৈ প্ৰকাশ বা উন্নতি হোৱা। চমু অৰ্থত ক'বলৈ গ'লে বিৱৰ্তন মানে এনে এক সামাজিক প্ৰক্ৰিয়া। যি প্ৰক্ৰিয়াৰ মাধ্যমেদি এক ক্ষুদ্ৰ আৰু সৰল অপৰিপক্ক অৱস্থাৰ পৰা ক্ৰমাৎ জটিল আৰু পৰিপক্ক অৱস্থালৈ ৰূপান্তৰিত হয়। এই বিৱৰ্তনৰ ধাৰণাটি বিশেষকৈ শৰীৰ বিদ্যাৰ ক্ষেত্ৰত বহুলভাৱে ব্যৱহাৰ কৰা হয়। এটা ক্ষুদ্ৰ অপৰিপক্ক জীৱই ক্ৰমান্বয়ে এক বিশেষ প্ৰক্ৰিয়াৰ মাধ্যমেদি পৰিপক্ক অৱস্থালৈ উপনীত হৈ এটা পূৰ্ণ প্ৰাণী হিচাপে ৰূপ ধাৰণ কৰে। ঠিক তেনেদৰে মানৱ সমাজত এয়ে এক বিৱৰ্তন প্ৰক্ৰিয়াৰ মাধ্যমেদি সৰল অৱস্থাৰ পৰা আহি বৰ্তমান অৱস্থাত উপস্থিত হৈছেহি। এই ক্ষেত্ৰত চাৰ্লছ ডাৰউইন (Charls Darwin)ৰ গ্ৰন্থ 'The Origin of Specis' (১৮৫৮-৫৯)ত প্ৰকাশ পোৱা বিৱৰ্তন সম্পৰ্কীয় সূত্ৰটোকে ইয়াৰ আঁত ধৰোঁতা বুলি ক'ব পাৰি। তেওঁৰ ব্যাখ্যা অনুসৰি অতীজত প্ৰাকৃতিক পৰিৱেশৰ লগত সামঞ্জস্য ৰাখি বিশ্বৰ প্ৰতিটো জীৱই বিৱৰ্তমান প্ৰক্ৰিয়াৰ মাধ্যমেদি পৰিৱৰ্তন ঘটি আহিছে। অন্যহাতে প্ৰাকৃতিক পৰিৱেশৰ পৰিৱৰ্তনৰ লগে লগে বিভিন্ন জীৱসমূহৰ শাৰীৰিক গঠন আৰু অন্যান্য চাৰিত্ৰিক বৈশিষ্ট্যৰ পৰিৱৰ্তন ঘটা কথাও উল্লেখ কৰিছে। এই প্ৰসঙ্গত তেওঁ গৰিলা, চিম্পাজী বা এপচ্ জাতীয় বান্দৰৰ পৰা বিৱৰ্তমান প্ৰক্ৰিয়াৰ সহায়ত মানুহৰ উৎপত্তি হৈছে।

চাৰ্লছ ডাৰউইনৰ বিৱৰ্তমান সূত্ৰটিৰ ওপৰত নিৰ্ভৰ কৰি উইলিয়াম ৰবাৰ্টচনে সৰ্বপ্ৰথমে মানৱ সমাজৰ বিৱৰ্তনৰ সম্পৰ্কে বিস্তৃত ব্যাখ্যা দাঙি ধৰিছে। ৰবাৰ্টচনৰ মতে, এটা ক্ষুদ্ৰ অপৰিপক্ক জীৱই ক্ৰমান্বয়ে এক বিশেষ প্ৰত্ৰিয়াৰ মাধ্যমেদি পৰিপক্ক অৱস্থালৈ উত্তীৰ্ণ হৈ এটা পূৰ্ণ জীৱ প্ৰাণী হিচাপে ৰূপ ধাৰণ কৰাৰ ধৰণেৰে মানৱ সমাজত এক বিশেষ বিৱৰ্তন প্ৰক্ৰিয়াৰ মাজেদি গঢ় লৈ উঠিছে।

বিখ্যাত সমাজ-দাৰ্শনিক আগষ্ট কৰ্টে বিৱৰ্তন সিদ্ধান্তটো সৰ্বপ্ৰথমে সমাজতত্ত্বত ব্যৱহাৰ কৰিছিল। তেওঁৰ বাখ্যা অনুসৰি বিশ্বৰ প্ৰতিখন মানৱ সমাজেই কেইটামান বিশেষ স্তৰৰ মাজেদি বিৱৰ্তন প্ৰক্ৰিয়াৰে অতিক্ৰম কৰি বৰ্তমান জটিল সমাজ ব্যৱস্থাত উপনীত হৈছেহি।

বিখ্যাত সমাজতত্ত্ববিদ ৰবাৰ্ট স্পেনচাৰেও বিৱৰ্তনৰ ওপৰত ব্যাখ্যা আগবঢ়াইছে। তেওঁৰ মতে, বিৱৰ্তন প্ৰক্ৰিয়াৰ জৰিয়তে যিকোনো মানৱ সমাজ পৰিৱৰ্তন ঘটি আহিছে। সমাজতাত্ত্বিক দৃষ্টিকোণৰ পৰা বিৱৰ্তনৰ প্ৰকৃত অৰ্থ হ'ল নিজৰ পৰা প্ৰকাশ পোৱা এক প্ৰক্ৰিয়া। এটা অৱস্থা বা পদ্ধতি বা অৱস্থাৰ ভিতৰত নিহিত হৈ থকা ক্ষুদ্ৰ ক্ষুদ্ৰ সমলবোৰ ক্ৰমাৎ বিকাশ লাভ কৰাটোৱেই হ'ল বিৱৰ্তন।

এইধৰণেৰে বিৱৰ্তনৰ জৰিয়তে মানৱ সমাজে বৰ্তমানৰ পৰা আধুনিকতাৰো উৰ্দ্ধত উত্তম আধুনিকতাৰ সমাজত উপস্থিত হ'ল। ▣





# How To Keep Yourself Motivated

|---|---|---|---|---|---|---|---|---|
| 1 | Uttar Prdesh | 8460 | 8839 | 9057 | 10164 | 9736 | 10457 | 10142 |
| 2. | Punjab | 5730 | 5625 | 5730 | 5723 | 5689 | 5743 | 5843 |
| 3. | Harayana | 4060 | 4050 | 4050 | 4080 | 4070 | | 4050 |
| 4. | Assam | 150 | 160 | 183 | 190 | 190 | | 306 |
| 5. | Sikkim | | | | | | | |

*Note : Amount in metric tones*

Table : Consumption of chemical pesticides in some of India.

| SNo. | State | 2010-11 | 2011-12 | 2012-13 | 2013-14 | 2014-15 | 2015-16 | 2016-17 |
|---|---|---|---|---|---|---|---|---|
| 1 | Uttar Prdesh | 1325 | 20 | 38 | 42 | 43 | 46 | 46 |
| 2. | Punjab | 8 | 42 | 47 | 89 | 136 | 138 | 174 |
| 3. | Harayana | | 49 | | | 260 | | 380 |
| 4. | Assam | 24 | 87 | 143 | 110 | 130 | | 188 |
| 5. | Sikkim | | | | | | | |

*Note : Amount in metric tones*



# Recent Advances in Indian Space Programme

Dr. Pranab Jyoti Dihingia

In recent years, the Indian Space Research Organization (ISRO) has set up many milestones in the field of Space Research and Technology development. Chandrayaan-1, Mangalyaan and Chandrayaan-2 are the pinnacles of Indian Space Programme. For these programmes, one of the most important technologies developed by ISRO is the powerful rocket technology. Chandrayaan-1 was launched on 22nd October, 2008 using PSLV-XL rocket from Satish Dhawan Space Centre, at Sriharikota, Andhra Pradesh. The spacecraft was inserted into a lunar orbit on 8th November, 2008. The lift off mass of Chandrayaan-1 was 1380 kg. PSLV-XL was a special version of ISRO's workhorse launch vehicle, the Polar Satellite Launch Vehicle (PSLV). During Mangalyaan, India's Mars Orbiter Mission, the rocket used was PSLV-XL C25. The Mangalyaan spacecraft was launched on 5th November, 2013 and the orbital insertion was performed on 24th November, 2014. Most recently, in the subsequent Chandrayaan-2 mission, the lift off mass was increased to 3850 kg. The payload of Chandrayaan-2 was much heavier than Chandrayaan-1, because Chandrayaan-2 consisted of an orbiter, a lander and a rover tucked inside the lander. The Chandrayaan-2 was launched on 22nd July, 2019 aboard GSLV Mk-III from Sriharikota. GSLV was the obvious choice, since such a heavy payload cannot be launched using PSLV rocket. GSLV Mk-III is the most powerful rocket that ISRO has in its inventory. GSLV stands for Geo-synchronous Satellite Launch Vehicle. GSLV Mk-III is a three stage rocket with upper cryogenic stage. The orbiter of Chandrayaan-2 was inserted into a lunar orbit on 20th August, 2019. The soft landing of the lander was planned to happen on 7th September, 2019, 01:53 a.m. IST, at a pre-calculated spot on Moon's South Pole. The lander was named Vikram, after Dr. Vikram Sarabhai, the father of Indian Space Program. But, the communication with the lander was lost when it was at a vertical altitude of 2.1 kilometres from Moon's surface. Since then, several attempts have been made to communicate with the lander, but no response was obtained till date. However, the orbiter has found the location where the Vikram lander probably had landed hard. The Chandrayaan-2 orbiter is orbiting at an altitude of 100 km from Moon's surface and is functioning normally.

In spite of the failure to land softly on Moon's surface, the Chandrayaan-2 mission represents a significant achievement in space technology by ISRO. The lunar orbit insertion, the orbiter-lander separation in Moon's orbit, the soft-landing attempt on Moon's surface, etc., are some of the processes that involves very complicated technologies. The ISRO mastered these alone and due to the innovation prowess of its people, the space organization of India will certainly reach deeper corners of outer space in the coming foreseeable future. ■





# ব্যস্ততা

বনদীপা শইকীয়া



সপোনৰ পিছত দৌৰি
পেটৰ ভোক পাহৰি
জীৱনৰ সাৰ্থকতা সন্ধান কৰিছোঁ।।
দুখে সুখৰ পোছক পিন্ধে
কান্দোনে হাঁহিক সাৱটে
ভাগৰে জিৰাই সপোনৰ ছাঁত।।
দিনৰ পোহৰ লুকাই ব্যস্ততাৰ অজুহাতত
আন্ধাৰে তাত ৰং সানে
জীৱন যুদ্ধ চলি থাকে অবিৰাম।।
বেয়া পাওঁ মই নগৰৰ ব্যস্ততা.
হ'ব পাৰে এই নগৰ ওখ ওখ অট্টালিকাৰ থল;
ৰকম ৰকম গাড়ীৰ পয়োভৰ,
থাকিব পাৰে দামী ৰেষ্টুৰেণ্ট,
ব্যস্ততাপূৰ্ণ যান্ত্ৰিক জীৱন
মোৰ বাবে এই নগৰ এক হুমুনিয়াহ।।
অ'ত-ত'ত গেলা-পচা আৱৰ্জনা
দুৰ্গন্ধিত চুটি হয় মোৰ উলাহ,
গাড়ী-মটৰ আৰু লগতে মানুহৰ কোলাহল
উৎপন্ন কৰে শব্দ প্ৰদূষণ।।
বাটে-ঘাটে গৰাকীবিহীন কুকুৰৰ দল
ক'ৰবাত আকৌ মানুহৰ বিলাসীপূৰ্ণ বাহনৰ খুন্দাত
যন্ত্ৰণাত ছট্‌ফটাই থাকে নিৰ্দোষী কুকুৰ।।
গছ কাটি সুউচ্চ অট্টালিকা সজাৰ প্ৰতিযোগিতা,
বনাঞ্চল ধ্বংস কৰি কাৰখানা সজা।।
উস্!
আৰু কিমান চলোৱা নিৰীহ প্ৰাণীৰ ওপৰত উপদ্ৰৱ
এবাৰ ভাবি চোৱা নিজক চিকুটি,
কেনেকুৱা লাগিব যেতিয়া তোমাৰ আপোন ঘৰখন
যায় ভঙি-চিঙি।।
ইমান স্বাৰ্থপৰতা . . .
মনুষ্য . . . তুমি নিজৰ ধ্বংস নিজেই মাতিছা
নিজক ভৰিত নিজেই কুঠাৰ মাৰিছা
ভাবিবলৈ হ'ল মনষ্য জাতি
বৰ্ধিত উষ্ণতাই তোমাক চাগে ভাবিবলৈ এতিয়া
বাধ্য কৰাইছে,
হয় . . . গছ ৰোপণ কৰা,
ভৱিষ্যত সুৰক্ষিত কৰা।।
হে মনুষ্য
তোমাৰ এই প্ৰকৃতি ধ্বংস প্ৰৱণতা
অতিশীঘ্ৰে বন্ধ কৰা।। ■

# एक झुण्ड विश्वमानवों के साथ मैं और मेरी पेशा

(असमीया कविता का हिन्दी रूपान्तर)

ড° बन्ति फुकन सोनोवाल
विभागीय प्रधान, बुरंजी विभाग

तन मन से
मैं शिक्षिका हूँ नई पीड़ी की
शिक्षकता मेरी जीवन की जीविका।

अस्तित्व के बात बोलते ही
मेरी दिल-चस्पी शिक्षार्थीयों को याद दिलाते हैं
विश्वायन के पीठ पर पौषिक
वे लोग उद्दाम
एक झुण्ड विश्वमानव हैं ...

पहला पाठ में पढ़ानेवाले (तकरीर)
मेरी नेक नीयत निहाई बातों ने
मुझे ही दिल्लगी उड़ाते है
दबोचना हुँआ चिम्प्य जैसे
मेरे हौंट भी दबा देते है
ना मंजुर करते है बोलने
सुखा बाँस-दिवार के रसीले बाते ...



ऐसा ही
समय को रेत में
मेरी कथनीय पाठें
जैसे की तैसे रह जाने है
दिन महीने सालो तक ...

इतिहास के सोहना पन्नों में
उतार-चढ़ाव के उलटना आरव्यान
निरस-निवकि हो जाते है
तब भी मैं
दिल-चस्पी शिक्षार्थीगणों के लिए
ज्ञान-मंदिर की दरवाजा खोला रखती हूँ
और जोहना करती हूँ
शायद वे लोग जरुर आऐगें
मेरी तरह पढ़ेगें ...
लेकिन
उद्दाम विश्वमानव शिक्षार्थी ने
ज्ञानपुर्ण कथाँए ज्यो ज्यो
इंनारनेट के जरिया से
शिख लेने है जबरदस्त ...

तन-मन से
मैं शिक्षिका हूँ नई पीड़ी की
ऐसी तरह निरन्तर
लोमड़ी को प्रतिभा से
निस्पात-पंण्डित हो जाती हूँ
निस्पात-पंण्डित हो जाती हूँ। ■







# কিতাপ সভ্যতাৰ মাপক

দীপিকা দাস

ফ্ৰান্সিছ বেকনে কৈছিল, “মানুহে আজিলৈকে উচ্চাৰণ কৰা মহত্বম শব্দটোৱে হৈছে কিতাপ।” কিতাপৰ ইতিহাস বহুত পুৰণি। পৰম্পৰাগতভাৱে চলি অহা মৌখিক সাহিত্যসমূহ সংৰক্ষণৰ তাগিদাতেই কিতাপৰ সৃষ্টি হৈছিল। মাৱজাতিয়ে ব্যৱহাৰ কৰা লেখন পদ্ধতি খ্ৰীষ্টপূৰ্ব ৬০০০ ৰ পুৰণি। খ্ৰীঃ পূঃ ৪০০০ চনতে মাটিৰ ফলিত লিপিবদ্ধ বানপানীয়ে পৃথিৱীক প্লাৱিত কৰাৰ আখ্যান বৃটিছ মিউজিয়ামত সংৰক্ষিত হৈ আছে। শিলত কাটি লিখা পদ্ধতি কষ্টকৰ হোৱা বাবে ইজিপ্তত পেপিৰাছ গছৰ গাধৈৰে কাগজ তৈয়াৰ কৰিছিল। ইংৰাজী ‘পেপাৰ’ শব্দটোৰ জন্ম এই পেপিৰাছ শব্দটোৰ পৰাই হৈছিল বুলি অনুমান কৰা হয়। খ্ৰীষ্ট জন্মৰ ২৫০০ বছৰ আগতে ইজিপ্তিয়ানসকলে লিখা ‘মৃতকৰ কাহিনী’ (**The book of the Dead**) নামৰ কিতাপখন ‘পৃথিৱীৰ প্ৰাচীনতম্ গ্ৰন্থ’ হিচাপে পৰিগণিত হৈছে। খ্ৰীঃপূঃ ২৮০০ চনত চীনৰ সম্ৰাট ফু-হাইয়ে চীনা লিপি উদ্ভাৱন কৰে। কনফুচিয়াচে দুহেজাৰ বছৰ ধৰি চলা মৌখিক সাহিত্যবোৰ একত্ৰে গ্ৰন্থ আকাৰে প্ৰকাশ কৰি সভ্যতাৰ ইতিহাসত চীনা জাতিৰ স্মাক্ষৰ ৰাখিলে।

পৃথিৱীত যিবোৰ জাতিয়ে সভ্য জাতি ৰূপে উদ্ভাসিত হৈছে সেইবোৰ জাতিৰ লিখিত সাহিত্য পুৰণি কালৰ পৰা সংৰক্ষিত হৈ আছে। মানৱ সমাজৰ যিবোৰ জাতি পিছপৰি থাকিল তেওঁলোকৰ প্ৰতিভাৰ অভাৱ নাই। কিন্তু তেওঁলোকে লেখন পদ্ধতি ব্যৱহাৰ কৰি ভবিষ্যতৰ বাবে সংৰক্ষণ কৰাৰ কোনো ব্যৱস্থা নকৰিলে। সেই জাতিবোৰ ‘জনজাতি’ হিচাপে আন সকলোতকৈ পিছপৰি ৰ’ল। সেয়ে ভল্টেয়াৰে কৈছিল, ‘পৃথিৱীখন শাসন কৰে কিতাপে’।

কিতাপৰ ইতিহাসত দ্বিতীয়তো বিপ্লৱ সূচনা হৈছিল পোন্ধৰ শতিকাত মুদ্ৰণ যন্ত্ৰৰ আৱিষ্কাৰ হোৱাৰ মুহূৰ্ত্তটোত। লেখন পদ্ধতিৰ ইতিহাসত কষ্টকৰ আৰু মেহনতী কাম হিচাপে ৰূপায়িত হোৱা শিলত খোদিত কৰা, মাটিৰ ফলিৰ লেখন, তাম্ৰপত্ৰ, ভূজপত্ৰ, সাঁচিপাতত লিখা আদি কামৰ পৰা মানৱজাতিয়ে সকাহ পালে। সভ্যতাই দ্ৰুতগতিত বিকাশ সাধিবলৈ পথ প্ৰশস্ত হ’ল।

বৰ্ত্তমান সময়ত প্ৰতি মিনিটত দুই নিযুত কিতাপ প্ৰকাশ হয়। প্ৰতিখন কিতাপৰ তথ্য জনা নাইবা খবৰ ৰখা দুৰূহ কামত পৰিণত হৈছে। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি ভাৰতৰ কলিকতাস্থিত ‘নেচনেল লাইব্ৰেৰী’য়ে ইণ্ডিয়ান নেচনেল বিব্লিওগ্ৰাফী (INB) নামৰ এখন কিতাপ প্ৰতিবছৰে নতুন সংস্কৰণ প্ৰকাশ কৰি আহিছে। ‘দ্য কপিৰাইট এক্ট ১৯৫৭ ভাৰতত প্ৰণয়ণ হোৱাৰ পৰা নতুনকৈ প্ৰকাশিত প্ৰতিখন কিতাপৰ দুকপি নেচনেল লাইব্ৰেৰীলৈ প্ৰেৰণ কৰা হয়। তাৰ জৰিয়তে তেওঁলোকে শেহতীয়া তথ্য সম্বলিত বিব্লিওগ্ৰাফীখন প্ৰস্তুত কৰি আহিছে। কিতাপ সভ্যতাৰ নিৰূপক। পৃথিৱীৰ আটাইতকৈ পুৰণি সভ্য জাতি হ’ল গ্ৰীকসকল।পোন্ধৰ শতিকাত ৰোমৰ ৰাজধানী কনষ্টানটিনোপল তুৰ্কীবাহিনীয়ে ধ্বংস কৰাৰ পিছত গ্ৰীচ আৰু ৰোমান সভ্যতা-সংস্কৃতিৰ পুথি-পাঁজিবোৰ ৰোমৰ পণ্ডিতসকলে ইউৰোপৰ বিভিন্ন ঠাইত সোমাই পৰিলে।এই কিতাপবোৰৰ চৰ্চা আৰু প্ৰসাৰৰ ফলতেই ইউৰোপত নৱজাগৰণৰ (Renaissance) সূচনা হ’ল। জন্ম হ’ল ভল্টেয়াৰ, গেলিলিঅ’ গেলিলি, মাইকেল এঞ্জেল’, নিক’লাছ কপাৰনিকাছ, ৰাফেল, মিচেল দ্য মঁতাই আদিৰ দৰে ব্যক্তিৰ যিয়ে পৃথিৱীখনত ন-ন দৃষ্টিভংগীৰে লিখা কিতাপ আৰু ছবিৰে অবিস্মৰণীয়ভাৱে পৰিৱৰ্তন আনিছিল। ■

# মহাবিদ্যালয় এন. এছ. এছ. গোটৰ সংক্ষিপ্ত কাৰ্যক্ৰমণিকা

প্ৰশান্ত কুমাৰ বৰা

ব্যক্তিত্ব বিকাশ সাধনৰ কাৰণে আনুষ্ঠানিক তথা পুথিগত শিক্ষা অপৰিহাৰ্য বুলি গণ্য কৰা হয় যদিও মানুহৰ জীৱন বাটৰ প্ৰতিটো খোজতে আহৰণ কৰা অভিজ্ঞতাইহে ব্যক্তিক পূৰ্ণাংগৰূপে গঢ়ি তোলে। সেয়ে কোৱা হয় প্ৰকৃত শিক্ষা এক জীৱন জোৰা প্ৰক্ৰিয়া আৰু সাধনা। আনুষ্ঠানিক শিক্ষাই ব্যক্তিৰ গুণগত দিশত উৎকৰ্ষ সাধনৰ যোগেদি কৰ্ম সংস্থাপনৰ এক সুযোগ প্ৰদান কৰে যদিও সমাজৰ প্ৰতি, দেশৰ প্ৰতি উৎসৰ্গিত তথা দায়বদ্ধ আদৰ্শবান ব্যক্তি হিচাপে গঢ় দিয়াত কিমান সফলকাম হৈছে সেই কথা পৰ্যালোচনা কৰাৰ থল নথকা নহয়। দেশ আৰু সমাজ আগুৱাই যাবলৈ হ'লে আমাক এনে এচাম প্ৰকৃত শিক্ষাৰে শিক্ষিত নাগৰিক লাগে যিসকলে কেৱল নিজৰ সুখ সমৃদ্ধিৰ কথাকে চিন্তা নকৰি সমাজ তথা দেশৰ কাৰণে কিঞ্চিত হ'লেও হিত সাধন কৰি জীৱনটো অতিবাহিত কৰাৰ সাধনাত ব্ৰতী হয়। বিদ্যালয়, মহাবিদ্যালয়ৰ আনুষ্ঠানিক শিক্ষাৰ গণ্ডীৰ ভিতৰত থাকি সমাজ সেৱামূলক কাৰ্যকলাপৰ যোগেদি ছাত্ৰ-অৱস্থাৰ পৰাই ব্যক্তিত্ব বিকাশৰ উপৰি কেনেকৈ একো একোজন সমাজহিতৈষী সুনাগৰিক গঢ় দিব পাৰি সেই উদ্দেশ্যৰে দেশৰ শিক্ষানুষ্ঠানসমূহত ৰাষ্ট্ৰীয় সেৱা আঁচনি বা NSS (National Service Scheme) ৰ প্ৰৱৰ্তন কৰা হৈছিল ১৯৬৮ চনত। NSS ৰ মূল মন্ত্ৰ হৈছে “Not me but you”। অৰ্থাৎ আত্ম স্বাৰ্থহীন, পৰহিতৈষী, সমাজৰ প্ৰতি দায়বদ্ধ ভাবাদৰ্শৰে পৰিচালিত একোজন সুনাগৰিক গঢ় দিয়াৰ যোগেদি প্ৰত্যেকেই জীৱনৰ মৰ্মাৰ্থ উপলব্ধি কৰাই হ'ল NSS ৰ মহান উদ্দেশ্য। আত্মকেন্দ্ৰিক মানসিকতাৰে পৰিপুষ্ট সমাজ ব্যৱস্থাই মানৱ জাতিৰ কল্যাণ সাধন কৰিব নোৱাৰে। ব্যক্তি স্বাৰ্থৰ উৰ্দ্ধত থাকি যি ব্যক্তিয়ে নিজৰ লগতে সমাজৰো হিত সাধনত ব্ৰতী হ'ব পাৰে, তেনে এখন সমাজ নিৰ্মাণৰ লক্ষ্যৰে আগবাঢ়ি যাবলৈ অনুপ্ৰাণিত কৰাই হ'ল NSS মূল ভেটি। মহামানৱ মহাত্মা গান্ধী যিখন ভাৰতৰ স্বপ্ন দ্ৰষ্টা আছিল সেইখন ভাৰতৰ প্ৰকৃত স্বৰূপ জীৱন কালত দেখিবলৈ নেপালে যদিও তেখেতৰ আদৰ্শক বাস্তৱ ৰূপ দিয়াৰ উদ্দেশ্যেৰে তেখেতৰ জন্ম শতবাৰ্ষিকীৰ লগত সংগতি ৰাখি ভাৰত চৰকাৰে NSS ৰ প্ৰবৰ্তন কৰে। ভাৰত চৰকাৰৰ ক্ৰীড়া আৰু যুৱ পৰিক্ৰমা মন্ত্ৰালয়ৰ প্ৰত্যক্ষ পৃষ্ঠপোষকতাত তথা কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ অৰ্থ সাহায্যৰে ৰূপায়িত NSS বৰ্তমান দেশৰ ভিতৰতে সৰ্বাধিক সদস্যযুক্ত এক বৃহৎ ছাত্ৰ স্বেচ্ছাসেৱক স্বেচ্ছাসেৱিকা গোট। বৰ্তমান দেশৰ সমগ্ৰ শিক্ষানুষ্ঠানত NSS ৰ কাৰ্যকলাপে প্ৰসাৰতা লাভ কৰাই নহয়, NSS ৰ কাৰ্যপন্থাৰ যোগেদি লাখ লাখ ছাত্ৰ-ছাত্ৰীয়ে দেশৰ চুকে কোণে সেৱামূলক কাৰ্য-কলাপ ৰূপায়নৰ দ্বাৰা দেশ মাতৃৰ সেৱাত ব্ৰতী হৈছে। তদুপৰি হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে NSS ৰ বিভিন্ন কাৰ্যসূচীত অংশ গ্ৰহণ কৰি ৰাজ্যিক তথা ৰাষ্ট্ৰীয় পৰ্যায়ত পুৰস্কৃত হৈ জীৱনৰ সফলতাৰ জখলাত আৰোহণ কৰি নিজৰ শ্ৰেষ্ঠত্ব প্ৰতিপন্ন কৰিবলৈ সক্ষম হৈছে।

আমাৰ মহাবিদ্যালয়তো আমাৰ ব্যক্তিগত প্ৰচেষ্টা তথা মহাবিদ্যালয় কৰ্তৃপক্ষৰ সহযোগত ২০০৫ বৰ্ষৰ পৰা NSS ৰ গোট পুনৰ আৰম্ভ কৰি ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ নীতি নিৰ্দেশনাৰ অধীনত বিগত কালছোৱাত বিভিন্ন কাৰ্যসূচী ৰূপায়ণ কৰি অহা হৈছে। ছাত্ৰ-ছাত্ৰীসকলে এইবোৰ কাৰ্যসূচীত অংশ গ্ৰহণ কৰি NSS ৰ প্ৰকৃত লক্ষ্য আৰু উদ্দেশ্যৰ লগত একাত্ম হৈ মহাবিদ্যালয়লৈ সুনাম কঢ়িয়াই অনাৰ লগতে ব্যক্তিগতভাৱেও উপকৃত হৈছে বুলি ঠাৱৰ কৰিব পাৰি। মহাবিদ্যালয়ৰ NSS গোটৰ সুদীৰ্ঘ কালছোৱাৰ বিভিন্ন কাৰ্যকলাপ সম্পৰ্কে বিস্তৃতভাৱে আলোচনা নকৰি এই লেখাটোৰ যোগেদি বিগত কেইটামান বছৰৰ কাৰ্যকলাপৰ এটি সংক্ষিপ্ত আভাস দিবলৈহে প্ৰয়াস কৰা হৈছে।

**২০১৬ বৰ্ষ ঃ** সমগ্ৰ দেশৰ লগতে অসমতো বৰ্দ্ধিত হাৰত সংঘটিত হোৱা পথ দুৰ্ঘটনা সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যে মহাবিদ্যালয় চৌহদত পথ সজাগতাৰ ওপৰত বাটৰ নাট ৰূপায়ণ কৰা হয়। শৰীৰ তথা মানসিক সুস্থতাৰ কাৰণে যোগাভ্যাস এক অপৰিহাৰ্য কলা। সমগ্ৰ বিশ্বত ২১ জুনত বিশ্ব যোগ দিৱস পালন কৰা হয়। মহাবিদ্যালয়তো NSS ৰ উদ্যোগত প্ৰতি বছৰে বিশ্ব যোগ দিৱস উদ্‌যাপন কৰি অহা হৈছে। ছাত্ৰাৱস্থাত বহু যুৱক-যুৱতী নিচাযুক্ত দ্ৰব্যৰ প্ৰতি আসক্ত হয় আৰু এনে নিচাযুক্ত দ্ৰব্যৰ অপব্যৱহাৰৰ বিৰুদ্ধে সজাগতা সৃষ্টিৰ লক্ষ্যৰে মহাবিদ্যালয় প্ৰাঙ্গণত এক বক্তৃতানুষ্ঠান আয়োজন কৰা হয়।

**২০১৭ বৰ্ষ ঃ** গুৱাহাটী বিশ্ববিদ্যালয়ত ৫ ৰ পৰা ৯ জানুৱাৰীলৈকে অনুষ্ঠিত হোৱা উত্তৰ পূৱ যুৱ মহোৎসৱলৈ দুজন NSS স্বেচ্ছাসেৱক প্ৰতিনিধি প্ৰেৰণ কৰা হয়। ২৪ জুনৰ পৰা কহিমাত আয়োজন কৰা যুৱ মহোৎসৱলৈ চাৰিজন NSS স্বেচ্ছাসেৱকক অংশ গ্ৰহণৰ বাবে প্ৰেৰণ কৰা হয়। বিশ্ব পৰিৱেশ সুৰক্ষাৰ কাৰণে ৫ জুনত পালন কৰা বিশ্ব পৰিবেশ দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয় প্ৰাঙ্গণ আৰু কাষৰীয়া পথৰ দাঁতিত বৃক্ষ ৰোপণৰ এক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বিগত বৰ্ষৰ দৰে এই বৰ্ষতো আন্তৰ্জাতিক যোগ দিৱস পালন কৰা হয়।

**২০১৮ বৰ্ষ ঃ** ১০ জানুৱাৰীৰ পৰা হাৰিয়ানাৰ নইডাত অনুষ্ঠিত হোৱা ৰাষ্ট্ৰীয় যুৱ মহোৎসৱত অংশগ্ৰহণৰ কাৰণে দুজন NSS স্বেচ্ছাসেৱকক প্ৰেৰণ কৰাটো এই বৰ্ষৰ উল্লেখযোগ্য সফলতা আছিল। জনসাধাৰণৰ মাজত পথ সজাগতা সৃষ্টিৰ লক্ষ্যৰে চৌকিডিঙ্গি চালিআলিত দিনজোৰা কাৰ্যসূচীৰে পথ সজাগতা অভিযান ৰূপায়ণ কৰা হয়। এই বৰ্ষতে ডিব্ৰুগড় বিশ্ববিদ্যালয়ে আয়োজন কৰা NSS মেগা কেম্পত ৪ জন ছাত্ৰ-ছাত্ৰীৰ লগতে লেখকে নিজেও অংশ গ্ৰহণ কৰে।

অসম এখন ভূমিকম্প তথা বানপানীৰ দৰে প্ৰাকৃতিক দুৰ্যোগপ্ৰৱণ অঞ্চল। এনে দুৰ্যোগৰ আগতীয়া সতৰ্কতা আৰু দুৰ্যোগৰ সময়ত নাইবা দুৰ্যোগৰ পৰৱতীকালত ল'ব লগা সাৱধানতা সম্পৰ্কে সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে জিলা দুৰ্যোগ প্ৰশমন প্ৰাধিকাৰীৰ সহযোগত দুৰ্যোগ ব্যৱস্থাপনা সম্পৰ্কে এক সজাগতামূলক কাৰ্যসূচী ৰূপায়ণ কৰা হয়। বৰ্তমান ভয়াবহভাৱে বৃদ্ধি পোৱা কৰ্কট ৰোগৰ প্ৰাদুৰ্ভাৱৰ প্ৰতি লক্ষ্য ৰাখি এই ৰোগবিধৰ কাৰণ তথা সতৰ্কতা সম্পৰ্কে ছাত্ৰ-ছাত্ৰীসকলৰ মাজত সজাগতা সৃষ্টিৰ উদ্দেশ্যেৰে এক সজাগতামূলক বক্তৃতানুষ্ঠান আয়োজন কৰা হয়। এই বৰ্ষৰ আন এক উল্লেখযোগ্য কাৰ্য হ'ল বিনামূলীয়া চকু পৰীক্ষা শিৱিৰ। স্থানীয় হেৰম্ব বৰদলৈ চকু কেন্দ্ৰৰ সহযোগত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলৰ উদ্দেশ্য চকু পৰীক্ষণ শিৱিৰ আয়োজন কৰা হয়।

NSS ৰ কাম-কাজসমূহ মহাবিদ্যালয় চৌহদৰ পৰিধিৰ বাহিৰেও গ্ৰাম্য অঞ্চলৰ জনসাধাৰণলৈকে সম্প্ৰসাৰিত হয়। NSS ৰ Special Camp ৰ অধীনত একোটা অঞ্চলৰ পিছপৰা জনসাধাৰণক সজাগ-সচেতন কৰাৰ উদ্দেশ্যেৰে একো একোটা শিৱিৰ অনুষ্ঠিত কৰা হয়। মহাবিদ্যালয়ৰ NSS গোটে বিভিন্ন সময়ত এনে বিশেষ শিৱিৰ আয়োজন কৰি আহিছে। সকলোখিনিৰ বিশদ বৰ্ণনা নকৰি মাথো যোৱাটো বৰ্ষৰ বিশেষ শিৱিৰৰ কথা উল্লেখেৰে এই লেখাটোৰ সামৰণি মাৰিলো। মহাবিদ্যালয়ৰ নৃতত্ব বিভাগৰ সহযোগত স্থানীয় দক্ষিণ জালান নগৰ চাহ বাগিচাৰ শ্ৰমিক লাইনত দিনজোৰা কাৰ্যসূচীৰে তেজৰ গ্ৰুপ চিনাক্তকৰণ শীৰ্ষক এক বিশেষ শিৱিৰ আয়োজন কৰা হয়। শিৱিৰত প্ৰায় শতাধিক লোকৰ তেজৰ গ্ৰুপ চিনাক্ত কৰি প্ৰমাণ-পত্ৰ প্ৰদান কৰা হয়। ■

# National Assessment and Accreditation Council What, Why & How?

**Dr. Jayanta Saud**

**1. Introduction**

India has one of the largest and diverse education systems in the world. Privatization, widespread expansion, increased autonomy and introduction of Programmes in new and emerging areas have improved access to higher education. At the same time, it has also led to widespread concern on the quality and relevance of the higher education. To address these concerns, the National Policy on Education (NPE, 1986) and the Programme of Action (PoA, 1992) spelt out strategic plans for the policies, advocated the establishment of an independent National accreditation agency. Consequently, the National Assessment and Accreditation Council (NAAC) was established in 1994 as an autonomous institution of the University Grants Commission (UGC) with its Head Quarter in Bengaluru. The mandate of NAAC as reflected in its vision statement is in making quality assurance an integral part of the functioning of Higher Education Institutions (HEIs).

**2. Benefits of Accreditation**

- Institution to know its strengths, weaknesses, and opportunities through an informed review process
- Identification of internal areas of planning and resource allocation
- Collegiality on the campus
- Funding agencies look for objective data for performance funding
- Institutions to initiate innovative and modern methods of pedagogy
- New sense of direction and identity for institutions
- The society look for reliable information on quality education offered
- Employers look for reliable information on the quality of education offered to the prospective recruits
- Intra and inter-institutional interactions

**3. Vision**

To make quality the defining element of higher education in India through a combination of self and external quality evaluation, promotion and sustenance initiatives.

**4. Mission**

- To arrange for periodic assessment and accreditation of institutions of higher education or units thereof, or specific academic programmes or projects;
- To stimulate the academic environment for promotion of quality of teaching-learning and research in higher education institutions;
- To encourage self-evaluation, accountability, autonomy and innovations in higher education;
- To undertake quality-related research studies, consultancy and training programmes,and
- To collaborate with other stakeholders of higher education for quality evaluation, promotion and sustenance.

**5. Criteria & Weightages**

NAAC has identified a set of seven criteria to serve as the basis of its assessment procedures. NAAC has categorized the Higher Educational Institutions into three major types (University, Autonomous College, and Affiliated/Constituent College) and assigned different weightages to these criteria under different key aspects based on the functioning and organizational focus of the three types of HEIs.

The criterion-wise differential weightages for the three types of HEIs are:

| *Criteria* | *University* | *Autonomous College* | *Affiliated College* |
|---|---|---|---|
| Curricular Aspects | 150 | 150 | 100 |
| Teaching-learning & Evaluation | 200 | 300 | 350 |
| Research, Innovations & Extension | 250 | 150 | 120 |
| Infrastructure & Learning Resources | 100 | 100 | 100 |
| Student Support & Progression | 100 | 100 | 130 |
| Governance, Leadership & Management | 100 | 100 | 100 |
| Institutional Values & Best Practices | 100 | 100 | 100 |

The final result[1] of the Assessment and Accreditation exercise is based on ICT based score, which is a combination of evaluation of qualitative and quantitative metrics. This will be compiled as a document comprising three parts.

- *Peer Team Report:* Gives the General Information of the institution and its context.
- *Graphical representation based on Quantitative Metrics:* This part will be a System Generated Quality Profile of the HEI based on statistical analysis of quantitative indicators in the NAAC's QIF (quality indicator framework).
- *Institutional Grade Sheet:* Contains the Institutional Grade Sheet which is based on qualitative indicators, quantitative indicators and student satisfaction survey using existing calculation methods but it will be generated by a software.

**6. IQAC**

In pursuance of its Action Plan for performance evaluation, assessment & accreditation & quality up-gradation of institutions of higher education, NAAC proposes that every accredited institution should establish an *Internal Quality Assurance Cell (IQAC)* as a post-accreditation quality sustenance measure. Since quality enhancement is a continuous process, the IQAC will become a part of the institution's system & work towards realisation of the goals of quality enhancement & sustenance. The prime task of the IQAC is to develop a system for conscious, consistent & catalytic improvement in the overall performance of institutions. For this, during the post-accreditation period, it will channelize all efforts & measures of the institution towards promoting its holistic academic excellence.

**7. Institution's Responsibilities towards Students**

The institution shall

- Communicate its goals and objectives systematically and clearly to all students.
- Offer programmes that are consistent with its goals and objectives.

- Offer a wide range of programmes with adequate academic flexibility.
- Obtain feedback from students on the initiation and review and redesign programmes if and when necessary
- Facilitate effective running of the teaching-learning programmes.
- Implement a well-connected plan for monitoring student progress continuously.
- Ensure sufficient and well-run support services to all students
- Promote healty practices.

**8. Students responsibilities of Learning**

The students shall

- Appreciate the institutional goals and objectives and contribute to the realisation of the same by participating in relevant institutional activities.
- Have a clear knowledge of the programmes, admission policies, rules and regulation of the institution.
- Follow the time schedules, rules and regulations of the institution.
- Prepare for continuous internal assessment and term-end examinations.
- Give feedback for system improvement.
- Live as worthy alumni of the institution.

**Annexure A**

| Range of institutional Grade Cumulative Grade Point Average (CGPA) | Letter Status |
|---|---|
| 3.51 - 4.00 Accredited | A++ |
| 3.26 - 3.50 Accredited | A+ |
| 3.01 - 3.25 Accredited | A |
| 2.76 - 3.00 Accredited | B++ |
| 2.51 - 2.75 Accredited | B+ |
| 2.01 - 2.50 Accredited | B |
| 1.51 - 2.00 Accredited | C |
| <= 1.50 Not accredited | D |

*With Effect From July 2017*

References:
1.'Student Charter' Published by NAAC
2.www.naac.gov.in accessed on 22 August 2019





# National Cadet Corps

## SUO Chandan Singh

The National Cadet Corps is youth wing of armed forces with its Headquaters at New Delhi, India. It is open to school and college students on volunatary basis. National Cadet corps is a Tri-services organization, comprising the Army, Navy and Air wing, engaged in gromming the youth of the country into disciplined and patriotic citizens. The National Cadet Corps in India is a voluntary organization which recruits cadets from high school, colleges and Universities all over India. The cadet are given basic military both artillery and infantry training with arms and parades. The officers and cadets have no liability for active military service once they complete their course.

NCC cadets in off-parade uniforms (left to right : Air force, Navy and Army) The NCC is the world's largest uniforms youth organization. Its motto is 'Unity and Discipline.'

ACHIVEMENT - History of our college

1. Participated in RDC Camp 2014 by SUO MUJIB KHAN
2. Participated in TSC Camp 2016 by SUO ISSAC DEORI
3. Participated in RDC Camp 2017 by SUO ABDUL KALAM
4. Participated in NIC Camp 2017 by SUO CHANDAN SINGH
5. Participated in TSC Camp 2017 by SUO RAHUL SHARMA
6. Participated in TSC Camp 2017 by SUO ROHIT MALLAH
7. Participated in RDC Camp 2018 by SUO RANJAN RAI
8. PM Rally Camp by Cdt. NOMITA SONOWAL
9. PM Rally Camp by Cdt. NIKU DEORI
10. PM Rally Camp by Cdt. KRISHNA JYOTI SAIKIA
11. PM Rally Camp by Cdt. ANKITA SONOWAL

# ডিব্ৰু মহাবিদ্যালয়ত অধ্যক্ষ-পদ অলংকৃত কৰা সন্মানীয় অধ্যক্ষসকলৰ নাম-তালিকা



নন্দলাল বৰগোহাঁই
১৬-০৮-১৯৬৩ পৰা
০৬-১২-১৯৬৩ লৈ



ভৱত নাৰায়ণ জামুৱাৰ
০৭-১২-১৯৬৩ পৰা
৩১-০৭-১৯৯২ লৈ



মহেন্দ্ৰ নাথ গগৈ (ভাৰপ্ৰাপ্ত)
০১-০৮-১৯৯২ পৰা
৩১-১০-১৯৯৭ লৈ



প্ৰতিভা সেন (ভাৰপ্ৰাপ্ত)
০১-১১-১৯৯৭ পৰা
৩১-০৩-২০০১ লৈ



কান্তেশ্বৰ তালুকদাৰ (ভাৰপ্ৰাপ্ত)
০১-০৪-২০০১ পৰা
৩০-০৪-২০০৪ লৈ



জ্যোতি বৰগোহাঁই (ভাৰপ্ৰাপ্ত)
০১-০৫-২০০৩ পৰা
১১-০২-২০০৬ লৈ



বন্দনা দাস (ভাৰপ্ৰাপ্ত)
১২-০২-২০০৬ পৰা
৩১-১০-২০০৬ লৈ



মীৰেন বৰবৰা (ভাৰপ্ৰাপ্ত)
০১-১১-২০০৬ পৰা
৩১-০৫-২০০৯ লৈ



ড° বিপুল কুমাৰ বৰুৱা
০১-০৬-২০০৯ পৰা
২৩-০২-২০১২ লৈ



ড° পৰেশ বৰুৱা
২৪-০২-২০১২ পৰা
৩১-০১-২০১৮ লৈ



ড° জিতু বুঢ়াগোহাঁই
০৩-০২-২০১৮ পৰা
কৰ্মৰত







## সভানেত্ৰীৰ দুআষাৰ

জয় জয়তে ঐতিহ্যমণ্ডিত ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সভানেত্ৰীৰ দৰে এক গুৰু দায়িত্ব পালন কৰিবলৈ এই অভাজনক নিৰ্বাচিত কৰি দিয়াৰ আঁৰত থকা মাননীয় অধ্যক্ষ মহোদয় ড° জিতু বুঢ়াগোঁহাই ছাৰ প্ৰমুখ্যে সকলো মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু সকলো ব্যক্তিলৈ আন্তৰিক ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰ একতা সভাৰ সভানেত্ৰীৰ দায়িত্ব গ্ৰহণ কৰি মই মোৰ কৰ্তব্য আৰু কৰ্ম নিয়াৰিকৈ পালন কৰিবলৈ যথোপযোগ্য চেষ্টা অব্যাহত ৰাখিছিলোঁ।

ডিব্ৰু মহাবিদ্যালয় ২০১৮-১৯ বৰ্ষৰ সভানেত্ৰী হিচাপে মোৰ কাৰ্যকালত মহাবিদ্যালয়খনৰ শান্তি-শৃংখলা বজাই ৰখাৰ লগতে ছাত্ৰ একতা সভাখনত যিবোৰ দায়িত্ব আছে সেইবোৰ মোৰ প্ৰথম কৰ্তব্য হিচাপে গ্ৰহণ কৰিছিলোঁ। দ্বিতীয়তে মহাবিদ্যালয়খনত তিনিটা শাখাৰ ছাত্ৰ-ছাত্ৰীৰ মাজত একতা বজাই ৰখাটো মোৰ দায়িত্ব হিচাপে পালন কৰিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক উন্নতি সাধনৰ লগতে শৈক্ষিক, ক্ৰীড়া, সাংস্কৃতিক দিশত এখোজ আগুৱাই যাবলৈ মোৰ সামৰ্থ অনুযায়ী সহায়-সহযোগিতা আগবঢ়ালোঁ। আনহাতে প্ৰতিবছৰে ছাত্ৰ একতা সভাই প্ৰকাশ কৰা 'ডিব্ৰুয়ান' মুখপত্ৰখন যোৱা বিগত তিনিটা বৰ্ষৰ কিছু পৰিস্থিতিৰ বাবে প্ৰকাশ কৰিবলৈ সক্ষম নহ'ল যদিও মোৰ কাৰ্যকালত ৩৫ সংখ্যক ডিব্ৰুয়ান মুখপত্ৰখন ছাত্ৰ একতা সভাৰ আলোচনী সম্পাদিকাৰ দ্বাৰা প্ৰকাশ কৰিম বুলি মই মহাবিদ্যালয় ছাত্ৰ-ছাত্ৰীক কথা দিছিলোঁ। এই কাৰ্যত সফল হ'লোঁ। মুখপত্ৰখন প্ৰকাশ কৰিবলৈ দিয়াৰ লগতে আমাক সহায় সহযোগ কৰা সকলো শিক্ষাগুৰুক মোৰ তৰফৰ পৰা আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। ইয়াৰ লগতে আলোচনীখনৰ দ্বাৰাই মোৰ কাৰ্যকালত অজানিতে যদি কিবা ভুল হ'ল তেনেহ'লে মই আপোনালোকৰ আগত ক্ষমাপ্ৰাৰ্থী।

শেষত মহাবিদ্যালয়খনিৰ শৈক্ষিক দিশবোৰ উন্নতিৰ লগতে সকলো দিশতে শক্তিশালী হৈ পৰক তাকে কামনা আৰু শুভেচ্ছা জনালোঁ। ধন্যবাদ।

ৰীয়া নেওগ



# উপসভাপতিৰ বাৰ্ষিক প্ৰতিবেদন

জয় জয়তে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, উপাধ্যক্ষ মহোদয়, সন্মানীয় আৰু শ্ৰদ্ধাৰ শিক্ষাগুৰুসকল, কৰ্মচাৰীবৃন্দ আৰু মোৰ বন্ধু-বান্ধৱী তথা অগ্ৰজ আৰু অনুজসকললৈ মোৰ আন্তৰিক মৰম শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

মই ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ উপসভাপতি হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ প্ৰতি মোৰ সেৱা আগবঢ়াবলৈ পাই মই যথেষ্ট সুখী আৰু গৌৰৱান্বিত। মোক এই পদত নিৰ্বাচিত কৰা বন্ধু-বান্ধৱী, শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা অগ্ৰজ আৰু অনুজসকলৰ ওচৰত মই চিৰকৃতজ্ঞ। মোৰ কাৰ্যকালত মোক সহায় কৰা ছাত্ৰ একতা সভাৰ সদস্য তথা বন্ধু-বান্ধৱসকলকো মই পুনৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মোৰ চমু কাৰ্যকালত যিমান সম্ভৱ নিজৰ দায়িত্ব সুচাৰুৰূপে পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। মোৰ প্ৰথম আৰু প্ৰধান দায়িত্ব আছিল ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অনুশাসন আৰু একতা অনা। মই অত্যন্ত সুখী যে মই মোৰ কামৰ যথেষ্ট পৰিমাণে সফল হৈছিলোঁ।

তদুপৰি শৈক্ষিক, সাংস্কৃতিক, ক্ৰীড়া আৰু পৰিৱেশৰ উন্নতিৰ ক্ষেত্ৰত মোৰ সামৰ্থ অনুযায়ী যিমান পাৰোঁ সহায় কৰিছিলোঁ। অৱশেষত মোৰ কাৰ্যকালছোৱাত অজানিতে মোৰ দ্বাৰা হৈ যোৱা ভুল-ত্ৰুটিবোৰৰ বাবে শ্ৰদ্ধাৰ শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

সদৌ শেষত মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়
জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা
জয় আই অসম

**কৌস্তুভ বকলীয়াল**







# সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

প্ৰতিবেদনৰ প্ৰাৰম্ভতে ডিব্ৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয়, শিক্ষাগুৰুসকল আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক
২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদকৰূপে নিৰ্বাচিত কৰি গৌৰৱান্বিত কৰাৰ বাবে তেওঁলোকলৈ ধন্যবাদ তথা কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

মই ডিব্ৰু মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হৈ মহাবিদ্যালয়ৰ স্বাৰ্থৰ হকে সেৱা
আগবঢ়াবলৈ পাই অতি সুখী হ'লোঁ। সেই কামখিনি কৰাত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সদস্য আৰু বন্ধু-বান্ধৱীসকলে
সহায় কৰাৰ বাবে তেখেতসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

মোৰ এই চমু কাৰ্যকালত মই নিজৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। লগতে ছাত্ৰ একতা সভাৰ অনান্য
বিষয়ববীয়াসকলক বিভিন্ন কামত সহায় সহযোগ কৰিছিলোঁ। তথাপিও কাৰ্য ক্ষেত্ৰত আহি পৰা কিছুমান অসুবিধাৰ বাবে সম্পূৰ্ণৰূপে
সফল হ'ব নোৱাৰিলোঁ। সেই সকলোখিনি আগন্তুক সকলে পূৰণ কৰিব বুলি আশা কৰিছোঁ।

আমাৰ কাৰ্য কালতে মহাবিদ্যালয়ত বহুতো নতুন নতুন কাম অধ্যক্ষ মহোদয়ে হাতত লয় আৰু ছাত্ৰ-একতা সভাই
কামসমূহত সম্পূৰ্ণ সহায় সহযোগিতা আগবঢ়ায়। উল্লেখনীয় কামসমূহ হ'ল—

১) মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে মহাবিদ্যালয়ত বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা কৰা হয়।

২) মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ সুবিধাৰ্থে দুটাকৈ বাথৰুম নিৰ্মাণ কৰা হয়।

৩) আমাৰ কাৰ্যকালতে মহাবিদ্যালয় ইন্‌ডৰ ষ্টেডিয়ামটোৱে এটা পূৰ্ণাংগ ৰূপ পায়।

সদৌ শেষত মোৰ কাৰ্যকালত যদি অজানিতে কিবা ভুল ত্ৰুটি ৰৈ গৈছিল তাৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু মহাবিদ্যালয়ৰ
সমূহ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষাগুৰুসকললৈ আন্তৰিক শ্ৰদ্ধা যাচিলোঁ। আমাৰ মহাবিদ্যালয়খনি উন্নতিৰ ৰঙীন বাটেৰে আগুৱাই
যাওক এই কামনাৰে আৰু এবুকু শুভেচ্ছাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়
জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

**দৰ্শন ডেকা**



## সহকাৰী সাধাৰণ সম্পাদিকাৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকল মহান ব্যক্তিয়ে আমাৰ পবিত্ৰ মহাবিদ্যালয়খনি প্ৰতিষ্ঠাত বহুতো ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিলে তেখেতলোকলৈ মোৰ হিয়া ভৰা একাঁজলি শ্ৰদ্ধা নিবেদিছোঁ। লগতে ডিব্ৰু মহাবিদ্যালয়ৰ পৰম শ্ৰদ্ধাৰ অধ্যক্ষ মহোদয় প্ৰমুখ্যে চিৰপূজ্য শিক্ষাগুৰু তথা কৰ্মচাৰীবৃন্দ আৰু মোৰ মৰমৰ বন্ধু-বান্ধৱী, ভাইটি-ভন্টিসকললৈ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০১৮-১৯ বৰ্ষৰ সহকাৰী সাধাৰণ সম্পাদিকাৰ দৰে এটা গুৰুত্বপূৰ্ণ দায়িত্বত কৰ্ম কৰিবলৈ সুযোগ পাই নিজকে ধন্য মানিছোঁ আৰু সহকাৰী সাধাৰণ সম্পাদিকাৰ পদত অধিকাৰী হ'বলৈ সহায় কৰা ছাত্ৰ-ছাত্ৰী, শিক্ষাগুৰু আৰু বন্ধু-বান্ধৱীসকলক মোৰ ফালৰ পৰা শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

সহ-সম্পাদিকাৰ পদত নিৰ্বাচিত হৈ শপত গ্ৰহণ কৰাৰ কেইদিনমানৰ পাছতেই পোনপ্ৰথম বাৰৰ বাবে ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অন্তৰ্গত আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাত ডিব্ৰু মহাবিদ্যালয়ত আয়োজন কৰা হৈছিল, সকলোৰে সহায় সহযোগিতাত মহাবিদ্যালয়ৰ অধ্যক্ষৰ তত্ত্বাৱধানত মহাবিদ্যালয়ত আন্তঃমহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতা সফলতাৰে উদ্‌যাপন কৰিবলৈ নিষ্ঠা আৰু আন্তৰিকতাৰে নিজৰ কৰ্তব্য পালন কৰিলোঁ। ইয়াৰ পিছতে ২০১৯ চনৰ বছৰটোৰ আৰম্ভণিতেই ৫৫তম ডিব্ৰু মহাবিদ্যাল ক্ৰীড়া আৰু সাংস্কৃতিক সপ্তাহ আয়োজন কৰা হৈছিল। বিগত বৰ্ষৰ তুলনাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে যোগদান কৰি উৎসাজনকভাৱে উন্নত প্ৰদৰ্শন কৰিবলৈ সক্ষম হৈছিল। এনেধৰণেই মহাবিদ্যালয়ত বিভিন্ন অনুষ্ঠান সৰস্বতী পূজা, স্বাধীনতা দিৱস, ষষ্ঠ ষাণ্মাসিকৰ জ্যেষ্ঠ দাদা-বাইদেউসকলৰ বিদায় সভা, নৱাগত আদৰণি সভা, প্ৰতিষ্ঠা দিৱস আদি প্ৰতিটো অনুষ্ঠানতে অতি নিষ্ঠাৰে সেৱাৰ মনোভাৱেৰে কাম কৰিবলৈ আগবাঢ়িছিলোঁ।

সদৌ শেষত মই গৌৰৱেৰে কওঁ যে মই উজনি অসমৰে আগশাৰীৰ মহাবিদ্যালয় হিচাপে জাকত-জিলিকা তথা NAAC ৰ দ্বাৰা A গ্ৰেড লাভ কৰা ডিব্ৰুগড়ৰ একমাত্ৰ মহাবিদ্যালয় ডিব্ৰু মহাবিদ্যালয়ত অধ্যয়ন কৰিবলৈ সুযোগ পালোঁ। মোৰ কাৰ্যকালত যদি কেতিয়াবা কিবা অনিচ্ছাকৃতভাৱে ভুল-ভ্ৰান্তি হৈছে তাৰবাবে ডিব্ৰু মহাবিদ্যালয় পৰিয়ালবৰ্গৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ, লগতে ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰিছোঁ। অসমৰ লগতে ভাৰতৰ ভিতৰতে এখন বিখ্যাত মহাবিদ্যালয় হিচাপে পৰিচিত হওক তাৰে কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিছোঁ।

জয়তু ডিব্ৰু মহাবিদ্যালয়
জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

**পল্লৱী উৰাং**







## সংগীত সম্পাদিকাৰ একাষাৰ

জয় জয়তে উজনি অসমৰ জাকত জিলিকা মহাবিদ্যালয়সমূহৰ ভিতৰত অন্যতম ডিব্ৰু মহাবিদ্যালয় ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সংগীত সম্পাদিকাৰ দায়িত্ব অৰ্পণ কৰিবলৈ নিৰ্বাচিত কৰি দিয়া মাননীয় অধ্যক্ষ মহোদয়ৰ লগতে মহাবিদ্যালয়ৰ সকলো ব্যক্তিলৈ ধন্যবাদ জ্ঞাপন কৰিছোঁ।

ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সংগীত সম্পাদিকা হিচাপে মহাবিদ্যালয়ৰ প্ৰতি থকা মোৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিলোঁ। ছাত্ৰ-ছাত্ৰীসকলক শিক্ষাৰ লগতে সংগীতৰ দিশত আগবঢ়াই লৈ যাবৰ কাৰণে মহাবিদ্যালয় বাৰ্ষিক সপ্তাহত সংগীতৰ লগত জড়িত প্ৰতিযোগিতাসমূহ অনুষ্ঠিত কৰা হৈছিল। ইয়াৰ লগতে ডিব্ৰুগড় বিশ্ববিদ্যালয় আন্তঃমহাবিদ্যালয় যুৱ মহোৎসৱত মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় আৰু মোৰ তিনিজন শ্ৰদ্ধাৰ গুৰু তথা সংগীত তত্বাবধায়কৰ অনুশাসনত গোলাঘাটৰ সৰুপথাৰ মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা যুৱ মহোৎসৱত যোগদান কৰি ডিব্ৰু মহাবিদ্যালয়ৰ ২৬জনীয়া দলে অংশগ্ৰহণ কৰি সুনাম কঢ়িয়াবলৈ সক্ষম হয়।

মহাবিদ্যালয়খনত সংগীতৰ লগত জড়িত অনুষ্ঠান যেনে — ৰাভা দিৱস, শিল্পী দিৱস, সুধাকণ্ঠ দিৱস আৰু বহুতো অনুষ্ঠান পৰিৱেশন কৰা হৈছিল। অন্যহাতে মহাবিদ্যালয়ৰ উপৰিও বিভিন্ন অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীসকলক অংশগ্ৰহণ কৰিবলৈ লৈ যোৱা হৈছিল। মেঘালয়ৰ University of Science & Technologyৰ বাৰ্ষিক অনুষ্ঠানৰ সংগীতানুষ্ঠানত অংশগ্ৰহণ কৰি পাৰদৰ্শিতা দেখুৱাবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও ছাত্ৰ একতা সভাৰসমূহ বিষয়াৰ লগত মহাবিদ্যালয়ৰ কামত সহায়-সহযোগিতা আগবঢ়াইছিলোঁ।

মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ সম্পাদিকা হিচাপে নিজৰ সক্ষমতা অনুসৰি দায়িত্ব পালন কৰিবলৈ প্ৰয়াস কৰা হৈছিল। মহাবিদ্যালয়খন সদায় উজ্বলি থাকক তাকে শুভেচ্ছা জনালোঁ।

**ৰিংকী গগৈ**



## ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন

পোন প্ৰথমেই ডিব্ৰু মহাবিদ্যালয়ৰ অধ্যক্ষ, উপাধ্যক্ষ মহোদয়, সন্মানীয় অধ্যাপকসকলৰ লগতে সমূহ কৰ্মচাৰীবৃন্দ আৰু ছাত্ৰ-ছাত্ৰীসকলক মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। ছাত্ৰী জিৰণি কোঠাৰ তত্ত্বাৱধায়কক মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু ছাত্ৰ একতা সভাৰ প্ৰত্যেকজন বিষয়ববীয়াৰ সহযোগিতাৰ সম্পূৰ্ণৰূপে শলাগ লৈছো।

সাধাৰণ সম্পাদকৰ নেতৃত্বৰ লগতে ছাত্ৰ একতা সভাৰ বিষয়ববীয়াসকলৰ উদ্যোগত আমি ৯ জানুৱাৰী ২০১৯ তাৰিখৰ পৰা ১৮ জানুৱাৰী, ২০১৯ তাৰিখলৈকে সপ্তাহযোৰা কাৰ্যসূচীৰে বাৰ্ষিক ক্ৰীড়া সপ্তাহ অনুষ্ঠিত কৰিছিলোঁ। বিগত বৰ্ষৰ তুলনাত ডিব্ৰু মহাবিদ্যালয় সপ্তাহ ২০১৯ত ছাত্ৰ-ছাত্ৰীসকলৰ সহযোগিতা তথা অংশগ্ৰহণ আশাব্যঞ্জক হোৱা দেখিবলৈ পোৱা গৈছিল। বাৰ্ষিক ক্ৰীড়া সপ্তাহৰ অন্তৰ্গত মোৰ বিভাগৰ ক্ৰীড়া প্ৰতিযোগিতাৰ কিছু তথ্য এনেধৰণৰ —

ক) বেডমিণ্টন (একক) ঃ
বিজয়ী ঃ লিলিবন লেখাৰু
বিজিত ঃ পুনম শৰ্মা

খ) বেডমিণ্টন (দ্বৈত) ঃ
বিজয়ী ঃ পুনম শৰ্মা আৰু চুলতানা বেগম
বিজিত ঃ কাশ্মিৰী গগৈ আৰু লিলিবন লেখাৰু

গ) টেবুল টেনিচ (একক) ঃ
বিজয়ী ঃ পল্লৱী উৰাং
বিজিত ঃ চুলতানা বেগম

ঘ) টেবুল টেনিচ (দ্বৈত) ঃ
বিজয়ী ঃ চুলতানা বেগম আৰু পল্লৱী উৰাং
বিজিত ঃ স্বপ্না চৌধুৰী আৰু বিস্মিতা গগৈ

ঙ) কেৰম প্ৰতিযোগিতা (একক) ঃ
বিজয়ী ঃ জয়া কৈৰী
বিজিত ঃ দিনাক্সী সোনোৱাল

চ) কেৰম প্ৰতিযোগিতা (দ্বৈত) ঃ
বিজয়ী ঃ জয়া কৈৰী আৰু কাশ্মিৰী গগৈ
বিজিত ঃ দিনাক্সী সোনোৱাল আৰু অৰ্চনা গুপ্তা

খুব উলহ-মালহেৰে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হৈছিল। সামৰ্থ অনুসৰি আমি সকলোৱে কামবোৰ সহায়-সহযোগিতাৰে কৰিছিলোঁ। শেষত, আমাৰ সকলোৰে আবেগ 'ডিব্ৰুয়ান' প্ৰকাশৰ মুহূৰ্তত আলোচনী বিভাগৰ সম্পাদিকালৈ মোৰ শুভেচ্ছা জ্ঞাপন কৰিছোঁ। এবছৰীয়া কাৰ্যকালত অজানিতে কোনোবাখিনিত হোৱা ভুলৰ বাবে ক্ষমা প্ৰাৰ্থনা বিচাৰি মোৰ কাৰ্যকালৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। দীৰ্ঘায়ু হওক ডিব্ৰু মহাবিদ্যালয়— এয়াই হৃদয়ৰ কামনা।

জয়তু ডিব্ৰু মহাবিদ্যালয়
জয়তু ডিব্ৰু মহাবিদ্যালয় ছাত্ৰ একতা সভা

সংযুক্তা দিহিঙ্গীয়া







## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

জয় জয়তে মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ মহোদয় আৰু উপাধ্যক্ষ মহোদয়ক মোৰ ফালৰ পৰা শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ। মোৰ সন্মানীয় শ্ৰদ্ধাৰ শিক্ষা গুৰুসকল আৰু মোৰ মৰমৰ দাদা-বাইদেউ, বন্ধু-বান্ধৱী আৰু ভাইটি-ভণ্টিসকললৈ মোৰ মৰম আৰু শ্ৰদ্ধা জ্ঞাপন কৰিলোঁ।

মই ডিব্ৰু মহাবিদ্যালয়ৰ ২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সমাজ সেৱা সম্পাদক হিচাপে এবছৰীয়া কাৰ্যকালত বৰ্তি থাকি মহাবিদ্যালয়ৰ প্ৰতি সেৱা আগবঢ়াবলৈ পাই যথেষ্ট আনন্দ অনুভৱ কৰিছোঁ। মোৰ কাৰ্যকালত মোক সহায় কৰা সকলো ছাত্ৰ-ছাত্ৰী, শ্ৰদ্ধাৰ শিক্ষাগুৰু তথা সকলো কৰ্মচাৰীসকলৰ ওচৰত মই চিৰকৃতজ্ঞ।

মোৰ চমু কাৰ্যকালত যিমান সম্ভৱ নিজৰ দায়িত্ব পালন কৰিবলৈ চেষ্টা কৰিছিলোঁ। সমাজ সেৱা সম্পাদক হিচাপে মহাবিদ্যালয়ৰ চৌপাশে চোৱা-চিতা কৰা, চাফ-চিকুণ কৰিছিলোঁ, মহাবিদ্যালয়ত শ্বহীদ দিৱসৰ দিনা অধ্যক্ষ মহোদয় আৰু শিক্ষাগুৰুসকলৰ লগত লগ হৈ মহাবিদ্যালয়ত শ্বহীদ বেদীত এগছি বন্তি জ্বলাই শ্বহীদসকলৰ কাৰণে শ্ৰদ্ধাঞ্জলি জনাইছিলোঁ আৰু মহাবিদ্যালয়ৰ সপ্তাহত সকলো কামত সহায় সহযোগিতা কৰিছিলোঁ। মহাবিদ্যালয়ত সকলো অনুষ্ঠানতে ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰুসকলক সহায় কৰি মই বহুত সুখী হৈছো।

অৱশেষত মোৰ কাৰ্যকালছোৱাত কিবা যদি ভুল-ক্ৰটিবোৰৰ বাবে শিক্ষাগুৰুসকলক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ ওচৰত ক্ষমা বিচাৰিছোঁ। সদৌ শেষত মোৰ ফালৰপৰা মহাবিদ্যালয়ৰ উন্নতি কামনা কৰি মোৰ প্ৰতিবেদন সামৰণি মাৰিছোঁ।

বিকিৰণ সোনোৱাল

## Gymnasium Secretary's Report



Respected Principal sir, Vice Principal Sir & Teachers,

I, Madan Deori the Gymnasium Secretary of your college is very happy & honouned to say that our college has exceeded in various activities & events. I have also conducted events during our college week which were also successful.

Our college has participated in the inter college events of Power-lifting and Body building, where we achieved success as two of our students namely Pratyot Panna Boruah & Chayan Jyoti Saikia won Gold & Silver medals respectively in both the events. I am proud, as they have won at the inter-college event during my watch.

The events conducted during my tenure by me were Power-lifting, Body Building and Arm wrestling, which were enjoyed by everyone and have joined much participation. We also got a Mr. Dibru title namely, Aftab Ahmed who is now an ex-student.

So, last but not the least I would like to thank everybody who helped me & supported me during the entire year. I will remain grateful and it has been an amazing journey during the whole year ...

**Madan Deori**





## Cultural Secretary's Report



At the very begining, I would like to pay my sincere respect to our respected Principal Sir Dr. Jitu Buragohain, Vice Principal Sir Chandra Gupta Borah and my mentor – Dr. Mousumi Dutta for helping and guiding ne during my entire tenure.

Futher I am greatful to all the students of Dibru College for giving me a chance to be a member of this Union Body as the cultural secretary of the College for the session 2018-19. During my tenure the 55th College Week festival was organised by the college students 9th to 18th January 2018. It is a great honour on our side to be a part of it under my portfolio. I had organised various categories of cultural competitions. Moreover we also got the opportunity to participate in the youth fest which was held from 20th January to 24th January Sorupathar College, Golaghat District besides all these, we also celebrated Teachers' Day, Swarasati Puja, Freshers, Independance Day with the help of our co-union members, teachers and non-teaching staff.

Before I conclude, I once again offer ny thanks every one for their cooperation in making my entire tenure as the cultural Secretary a grand success.

**Priyanku Sonowal**



## গুৰু ক্ৰীড়া বিভাগৰ সম্পাদকৰ প্ৰতিবেদন

প্ৰতিবেদনৰ আৰম্ভণিতে দেশ আৰু জাতিৰ স্বাৰ্থত বিভিন্ন সময়ত নিজৰ প্ৰাণ আহুতি দিয়া মহান শ্বহীদসকললৈ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰিছোঁ। দ্বিতীয়তে, যিসকল মহান ব্যক্তিৰ অশেষ ত্যাগ আৰু কষ্টৰ বিনিময়ত প্ৰতিষ্ঠিত ডিব্ৰু মহাবিদ্যালয়ে NAACৰ A Grade পাবলৈ সক্ষম হৈছে, সেইসকল ত্যাগী মহান ব্যক্তিলৈ পৰম শ্ৰদ্ধা নিবেদিছোঁ।

২০১৮-১৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ গুৰু ক্ৰীড়া বিভাগৰ সম্পাদক হিচাপে দায়িত্ব গ্ৰহণ কৰিয়েই আন্তঃমহাবিদ্যালয়ৰ খো খো, কাবাডী, ক্ৰিকেট, হেণ্ডবল প্ৰতিযোগিতাসমূহত ডিব্ৰুৱানসকলক অংশগ্ৰহণ কৰোৱাইছিলোঁ। গৌৰৱৰ কথা যে, আমাৰ মহাবিদ্যালয়ে ল'ৰা-ছোৱালী উভয় শাখাতে খো খো প্ৰতিযোগিতাত তৃতীয় স্থান আৰু কাবাডী প্ৰতিযোগিতাত ছোৱালী দলটিয়ে তৃতীয় স্থান পায়।

মোৰ কাৰ্যকালত বিভিন্ন দিশত সহায় তথা দিহা-পৰামৰ্শ আগবঢ়োৱা অধ্যক্ষ ড° জিতু বুঢ়াগোঁহাই চাৰ, তত্বাৱধায়ক ড° প্ৰণৱজ্যোতি গগৈ চাৰ, ড° নিয়াজ আলি শ্বাহ চাৰ আৰু ড° ভিভিয়ান শইকীয়া চাৰৰ ওচৰত চিৰকৃতজ্ঞ। লগতে প্ৰতিজন বন্ধু-বান্ধৱী, দাদা-বাইদেউ, ভাইটি-ভণ্টিসকলকো ধন্যবাদ জ্ঞাপন কৰিছোঁ। সদৌ শেষত কতব্যৰ খাতিৰত কেতিয়াবা অজানিতে কৰা ভুল-ভ্ৰান্তিৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। ডিব্ৰু মহাবিদ্যালয়ৰ সৰ্বউন্নয়নৰ প্ৰত্যাশাৰে মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ।

ধন্যবাদ সহিত —

প্ৰফুল্ল পেগু



# Editors of Dibruyan

| VOLUME | EDITOR | SESSION |
|---|---|---|
| I | RAM CHANDRA GOSWAMI | 1965-66 |
| II | HAREN HANDIQUE | 1968-69 |
| III | KIRAN SAIKIA | 1969-69 |
| IV | DIBAKAR GOGOI | 1970-70 |
| V | KANAKESWAR DOWERAH | 1977-78 |
| VI | SACHI HANDIQUE | 1982-83 |
| VII | DEVAKANTA KONWAR | 1983-84 |
| VIII | RABINDRAJEET GOGOI | 1983-84 |
| IX | BITUL NEOG | 1985-86 |
| X | SUKUMAR CHETIA | 1986-87 |
| XI | GITIMALLIKA GOGOI | 1987-88 |
| XII | PROFULLA KALITA | 1988-89 |
| XIII | SANJEE NARAYAN CHAUDANG BARUAH | 1989-90 |
| XIV | UTPAL SONOWAL | 1990-91 |
| XV | CHANDAN KUMAR SONOWAL | 1991-92 |
| XVI | NILIM KUMAR DAS | 1993-94 |
| XVII | AMIYA KUMAR BORAH | 1994-95 |
| XVIII | DIPEN HANDIQUE | 1996-97 |
| XIX | ANUPAM SAIKIA | 1997-97 |
| XX | ANANTA KHANIKAR & PRASANTA SAIKIA | 1999-01 |
| XXI | JITU BHARALI | 2001-02 |
| XXII | SHANTI CHETIA | 2002-03 |
| XXIII | PANKAJ BORAH | 2003-04 |
| XXIV | ZAKHYADEEP GOGOI | 2004-05 |
| XXV | NIRAJ SONOWAL | 2005-06 |
| XXVI | DURLOV GOGOI | 2006-07 |
| XXVII | BITUPAN SONOWAL | 2007-08 |
| XXVIII | MANIK GOGOI | 2008-09 |
| XXIX | RAJIB BURAGOHAIN | 2009-10 |
| XXX | DHANTANU CHETIA | 2010-11 |
| XXXI | RAJA MAHAN SAIKIA | 2011-12 |
| XXXII | CHINMOY HAZARIKA | 2012-13 |
| XXXIII | AJAY SAHU | 2013-14 |
| XXXIV | SWAPNANEEL SHARMA BARUA | 2015-16 |
| XXXV | MOUSMI GOGOI | 2018-2019 |

# Ex-General Secretaries of
## Dibru College Students' Union, Dibrugarh

| Sl. No. | Name | Session |
|---|---|---|
| 1. | Ghanashyam Khati | |
| 2. | Mohendra Gogoi | 1965 - 1966 |
| 3. | Tahar Ali | 1966 - 1967 |
| 4. | Dilip Bora | 1967 - 1968 |
| 5. | Milan Bora | 1968 - 1969 |
| 6. | Pradip Gogoi | 1968 - 1970 |
| 7. | Pranab Baruah | 1970 - 1971 |
| 8. | Niranjan Baruah | 1971 - 1972 |
| 9. | Nripen Gogoi | 1972 - 1973 |
| 10. | Umesh Gogoi | 1973 - 1974 |
| 11. | Karmeswar Gogoi | 1974 - 1975 |
| 12. | Harakanta Mahanta | 1975 - 1976 |
| 13. | Kanakeswar Dowerah | 1976 - 1977 |
| 14. | Pranab Gogoi | 1977 - 1978 |
| 15. | Pramod Mohan Deori | 1978 - 1979 |
| | Nilakanta Gogoi | 1979 - 1980 |
| 16. | Trideep Gogoi | |
| 17. | Anil Sonowal | 1981 - 1982 |
| 18. | Jiba Kanta Gogoi | 1982 - 1983 |
| 19. | Mukul Ahom | 1983 - 1984 |
| 20. | Pranab Kumar Das | 1984 - 1985 |
| 21. | Pranab Kumar Das | 1985 - 1986 |
| 22. | Ratul Buragohain | 1986 - 1987 |
| 23. | Polakh Ranjan Gogoi | 1987 - 1988 |
| 24. | Jatin Dihingia | 1988 - 1989 |
| 25. | Kanak Deori | 1989 - 1990 |
| 26. | Ekaditya Hazarika | 1990 - 1991 |
| 27. | Arun Sonowal | 1991 - 1992 |
| 28. | Palakh Saikia | 1992 - 1993 |
| 29. | Sujit Kumar Ligira | 1993 - 1994 |
| 30. | Prabitra Buragohain | 1994 - 1995 |
| 31. | Dipen Handique | 1995 - 1996 |
| 32. | Rahul Dev. Sonowal | 1996 - 1997 |
| 33. | Indrajit Sonowal | 1997 - 1998 |
| | | 1998 - 1999 |



| | | |
|---|---|---|
| 34. | Putul Shau | 1999 - 2000 |
| 35. | Hrishikesh Saikia | 2000 - 2001 |
| 36. | Dipankar Bora | 2001 - 2002 |
| 37. | Nayan Jyoti Khanikar | 2002 - 2003 |
| 38. | Jyotish Dutta | 2003 - 2004 |
| 39. | Gokul Hazarika | 2004 - 2005 |
| 40. | MD Nazir | 2005 - 2006 |
| 41. | Chiranjan Kalita | 2006 - 2007 |
| 42. | Madhab Bhuyan | 2007 - 2008 |
| 43. | Manjeet Das | 2008 - 2009 |
| 44. | Manik Gogoi | 2009 - 2010 |
| 45. | Monmohan Baruah | 2010 - 2011 |
| 46. | Jintu Saikia | 2011 - 2012 |
| 47. | Rajmohan Saikia | 2012 - 2013 |
| 48. | Ridip Chunghrang | 2013 - 2014 |
| 49. | Dhurbojyoti Panging | 2014 - 2015 |
| 50. | Rahul Das | 2015 - 2016 |
| 51. | Dipankar Chetia | 2016 - 2017 |
| 52. | Tanuj Haloi | 2017 - 2018 |
| 53. | Darshan Deka | 2018 - 2019 |

এক প্ৰাসংগিক উক্তি

## অসমীয়াই সদায় মনত ৰাখিব লগা কিছুমান কথা



"বাহিৰৰ হিন্দুৱানী বা মুছলমানী উন্মাদনা অসমত সুমুৱাই, অসমলৈ বেছি সংখ্যক হিন্দু বাহিৰৰ পৰা নানিলে অসম পাকিস্তানলৈ যাব বুলি অসমীয়া হিন্দুকেইটাক ভয় দেখুৱাই আৰু বাহিৰৰ পৰা অসমলৈ বেছি সংখ্যক মুছলমান আমদানি নকৰিলে অসমীয়া মুছলমানকেইটাৰ ওপৰত অসমীয়া হিন্দুই উপদ্ৰৱ কৰিব বুলি ফুচুলাই, অসমীয়াৰ ভিতৰত বিভেদ, অশান্তি সৃষ্টি কৰি, বাহিৰৰ হিন্দুৱানী আৰু মুছলমানী ষড়যন্ত্ৰই অসমীয়াৰ ওপৰত আধিপত্য কৰাৰ পথ মুকলি কৰিব; আৰ্থিক, সামাজিক, ভাষিক, সাংস্কৃতিক জীৱন-লুণ্ঠন কৰি অসমীয়াক দাসত্বত বান্ধি লব, তেনে অৱস্থা, অসমীয়াই এজন জী থকালৈকে কেতিয়াও ঘটিব নিদিব। এই অভিসন্ধি লৈ যেয়ে অসমত সোমাব তাকেই অসমীয়াই অসমৰ বাহিৰ কৰি দিব। সি মুছলমান হওক, হিন্দু হওক, বৌদ্ধ, খৃষ্টান যিয়েই নহওক।"

- অম্বিকাগিৰি ৰায়চৌধুৰী, সভাপতিৰ অভিভাষণ, অসম সাহিত্য সভা, ১৯৫০



পোহৰ-ছবিৰ পট (ক)

## কৃচ্ছ্ৰসাধকৰ অনুগ্ৰহত প্ৰাপ্ত সুখানুভূতিৰ ৰহঘৰা




মহাকাশবিজ্ঞানী ড° জিতেন্দ্ৰ নাথ গোস্বামীৰ সৈতে ডিব্ৰু পৰিয়াল।

পোহৰ-ছবিৰ পট (খ)

## কৃচ্ছসাধকৰ অনুগ্ৰহত প্ৰাপ্ত সুখানুভূতিৰ ৰহঘৰা




ইছৰ'ৰ চন্দ্ৰযান-২ নিক্ষেপৰ আবেগ-আনন্দ।

পোহৰ-ছবিৰ পট (গ)

## মহাবিদ্যালয়ত অনুষ্ঠিত আন্তঃ মহাবিদ্যালয় কাৰাটে প্ৰতিযোগিতাৰ দৃশ্যাংশ








পোহৰ-ছবিৰ পট (ঘ)

মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ দ্বাৰা আয়োজিত নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানৰ জিলিঙণি




পোহৰ-ছবিৰ পট (ঙ)

মহাবিদ্যালয়ৰ ছাত্র একতা সভাৰ দ্বাৰা আয়োজিত নৱাগত আদৰণি সভা আৰু মহাবিদ্যালয় সপ্তাহৰ সাংস্কৃতিক অনুষ্ঠানৰ জিলিঙণি



## বিপদকালীন সজাগতা সভা








## মহাবিদ্যালয়ৰ আনুষংগিক অতিৰিক্ত আধাৰ












# মহাবিদ্যালয়ৰ বিভাগীয় প্ৰাচীৰ পত্ৰিকাৰ আংশিক প্ৰচ্ছায়া

